# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২৪/৩/২০২৫ সোমবাৰ

**ইংৰাজী ২৪-০৩-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ৯.৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ২২১, শ্ৰী দেবব্ৰত শইকীয়া। Question attend কৰিব?
**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আপোনাক এখন চিঠি প্ৰেৰণ কৰিছিলো, আমাক উত্তৰটো দিয়া নাই।
**মাননীয় অধ্যক্ষঃ** এতিয়া Question hour খিনি যাবলৈ দিয়ক।
**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, Question hour খিনি যাবলৈ দিব লাগে কিন্তু বিষয়টো অতি গুৰুত্বপূৰ্ণ, নিৰাপত্তাৰ বিষয়ে মহাশয়। সেইবাবে এই বিষয়ত আমাৰ ৯.৩০ বজাৰ আগতে অবকাশ আছিল ৪৮ ঘন্টা। যোৱাকালি আমাক ভাবুকি দিছিল আৰু কেমেৰাটোও আমাৰ ফালে নাহে, কিবা হৈ গ'লে off হৈ যায়। যেনেকুৱা এটা ঘটনা হৈছে , সেই ঘটনাটোৰ বাবে আমাৰ নিৰাপত্তাৰ ক্ষেত্ৰত অকণমান অসুবিধা পাইছো। সেইবাবে proceeding ত এনেকুৱা হোৱাৰ আগতে আমি কিবা এটা হস্তক্ষেপ বিচাৰিছিলো মহাশয়।
**মাননীয় অধ্যক্ষঃ** আমাৰ Rule ত আছে যে Question hour ৰ পিছত point of order কৰি business ত নথকা বিষয়ৰ ওপৰত আমাৰ সদনৰ লগত জড়িত বা কাৰ্য্যসূচীৰ লগত জড়িত বিষয়টো তাত আমি আলোচনা কৰিব পাৰো বা উত্থাপন কৰিব পাৰো। গতিকে Question hour ৰ পিছত আপুনি ক'ব পাৰিব।
**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তিনিটা pending আছে list of privilege, অশোক সিংহল ডাঙৰীয়াৰ বিষয়ে, মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ বিষয়ে দুটা, আজি নতুনকৈ আমাক চোঁচা লৈ অহা বিষয়ত এটা, ইমানখিনি আমাৰ pending আৰু কোনো business নাই। Discussion আছে, আপুনি discussion এৰি কৰি কৰিব পাৰে, কৰিলে ভাল পাম। আমাৰ সদনৰ গৰিমাৰ কথা আছে।
**মাননীয় অধ্যক্ষঃ** Question hour ৰ পিছত আপুনি একে বিষয়টো আনিব পাৰিব। এতিয়া প্ৰশ্ন নং ২২১ সন্মানীয় বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়া।
**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।
**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ যেনেদৰে পাব লাগে, তেনেধৰণে অহা নাই। সেইগতিকে উত্তৰত আমি সন্তুষ্ট হোৱা নাই। এতিয়া আমাৰ বিধান সভাৰ বিধায়ক সকলৰ ১২৬ টা সমষ্টি হৈছে, কিন্তু কিছুমান ক্ষেত্ৰত দেখা পোৱা গৈছে যে আমাৰ ১২৬ টা সমষ্টিৰ বিধায়কৰ অন্য বিভাগৰ পুঁজি আবন্টন হোৱা নাই। তেতিয়া আমি যিসমূহ জনগণ আমি ৰাইজৰ প্ৰতিনিধি হয় সকলোকে সম- বিতৰণ কৰিব লাগে। কিছুমানক দিয়া হৈছে, কিছুমানক

দিয়া হোৱা নাই আৰু কিছুমান নতুন য'ত প্ৰতিনিধি নাই, সেই অঞ্চলৰ কাৰণে বাজেট বা আঁচনি ধৰা হৈছে। সেইবোৰ কোনে ৰূপায়ণ কৰিছে, কাক দায়িত্ব দিছে, তাৰ স্থিতি স্পষ্ট হ'ব লাগে। উদাহৰণস্বৰূপে ধৰি লওঁক চি চি বৰগাওঁ নতুন সমষ্টি। তাত আমাৰ প্ৰতিনিধি নাই। তাৰ কাম খিনি কোনে কৰি আছে সেই বিষয়ে সদনত ১২৬ জনৰ বাবে যিহেতু MLA fund থাকে, চি চি বৰগাওঁৰ বাবে কোনে লৈছে বা আগৰ সমষ্টিকে দিছে তেনেকুৰা ধৰণৰ কথা স্পষ্টকৈ অহা নাই। সেয়েহে এই বিষয়ে স্পষ্টীকৰণ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিটো কথা কৈছে যোৱা সমষ্টি ভিত্তিক MLA development fund যিটো সমষ্টিত দিয়া হয় আৰু তাৰ বাহিৰে বেলেগ কোনো আঁচনি সমষ্টি ভিত্তিক দিয়া নহয়। সেইকাৰণে ১২৬ টা সমষ্টিত তেখেতে যিটো কথা কৈছে যে আমাৰ এতিয়া যিটো delimitation হোৱাৰ পিছত, কিছু সমষ্টি নাইকিয়া হ'ল, কিছু সমষ্টি কাৰ লগত যুক্ত হৈ গ'ল, সেই কথাবিলাক যিটো সমষ্টিৰ কথা কৈছে সেই কথাটো ২০২৬ চনৰ ইলেক্‌চনৰ পিছত সেই সমষ্টি হিচাপত গণ্য কৰা হ'ব। এতিয়া MLA development fund ৰ যিটো পুঁজি দিয়া হৈছে সেইটো আমাক পূৰণা যিটো সমষ্টি pre-delimitation মতে পুঁজিটো দিয়া হৈছে আৰু MLA development fund ৰ বাহিৰে কোনো বেলেগ আঁচনি আচলতে সমষ্টি ভিত্তিক দিয়া নাযায়। সেইটো জিলা ভিত্তিক দিয়া যায়। গতিকে PWD ৰ কথা এটা তেখেতে উত্থাপন কৰিছে, PWD Division বা Sub-division wise দিয়া হয়। গতিকে MLA development fund ৰ বাহিৰে সমষ্টি ভিত্তিক কেনো পুঁজি দিয়া নহয়।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, fund খিনি অহা নাই। যদি Annexure টো হৈছে ইয়াত উল্লেখ হোৱা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো Annexure দিয়া হৈছে। Annexure ত গোটেইখিনি কথা দিয়া আছে আৰু লাগিলে মই Annexure খন দি দিম।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৰা কৰা কাৰণে আমি প্ৰশ্নৰ উত্তৰ নাপাওঁ। সময়খিনি নষ্ট হয়। ইয়াত লঘু হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** Annexure টো কোনোবাই চাই দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, দুখন Annexure পূৰণি আৰু নতুন দুয়োখন মই মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াক দি দিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই technical person ক কৈছো Annexure টো কিয় upload হোৱা নাই সেইটো চাই দিব। এতিয়া প্ৰশ্ন নং ২২২, সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন। অনুপস্থিত।

এতিয়া প্ৰশ্ন নং ২২৩। সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ। সন্মানীয় মন্ত্ৰী।

**শ্ৰী ৰূপেশ গোৱালা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহেদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, হাইলাকান্দি ঃ** মাননীয় অধ্যক্ষ মহেদয়, উত্তৰটো পাইছো কিন্তু ২০১২ চনৰ পৰা এতিয়ালৈ Centrel Jailৰ কামটো চলি আছে আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসমৰ কামটো ইমান সোমকালে আগবাঢ়ি আছে। কিন্তু এইটো ২০১২ চনৰ

পৰা এতিয়ালৈকে একে অৱস্থাতে আছে আৰু ২০২১ চনত নতুন আঁচনি লোৱা হৈছে কিন্তু কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব কাৰণ আমাৰ এটা Minister Guidelines আছে। আমাৰ হাইলাকান্দি টাউনত আমি চৰকাৰীভাৱে মাটি পোৱা নাই। কাৰাগাৰটো যদি আমি নিব পাৰো, তেনেহ'লে আমাৰ থানাৰ ভিতৰৰ Infrastructure বিলাক, থানাৰ ভিতৰত যিমান officer আছে, তেখেতসকলৰ বাবে কোৱাৰ্টাৰ বনাব লাগে, সেইটো কাৰণে যদি সোনকালে response টো দিয়ে আমি আশা ৰাখিম যে এইটো সোনকালে হ'ব, যেনেকৈ বাকী বিলাক হৈ আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। সন্মানীয় মন্ত্ৰী, শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী ৰূপেশ গোৱালা, কেবিনেট মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহেদয়, হাইলাকান্দি জিলাৰ কাৰাগাৰটো ২০১২ চনতে বনোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত first phase ৰ কাম আৰম্ভ হৈছে, য'ত earth-filling আৰু boundary wallৰ কাম খিনি হৈছিল। First phase ৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত ২০২১ চনত work order issue কৰা হয় আৰু 2nd phase ৰ কাম আৰম্ভ হয়। কিন্তু ২০২১ চনত যিটো 2nd phase ৰ কাম আৰম্ভ হয়, তেতিয়া ক'ভিড মহামাৰীৰ কাৰণে প্ৰথম পৰ্য্যায়ত কাম আৰম্ভ কৰাৰ ক্ষেত্ৰত যথেষ্ট বাধা আহে আৰু দ্বিতীয়তে গুৰুত্বপূৰ্ণ বিষয় হৈছে প্ৰথম অৱস্থাত DPR প্ৰস্তুত কৰিছিল PWDয়ে আৰু শেষত Assam Police Housing Corporation এই কামটো কৰাৰ দায়িত্ব লয়, গতিকে এইখিনি কৰোতে সময়ৰ প্ৰয়োজন হৈছিল। যিহেতু এইখন এখন ডাঙৰ jail, বৰ্তমান যিখন jail আছে, সেইখনত ৫৮ capacity আছে আৰু এতিয়া capacity বৃদ্ধি কৰি ৫০০ হাজোতি ৰাখিব পৰাকৈ নতুন jailখন নিৰ্মাণ কৰা হৈ আছে। ২০২৬-২৭ চনৰ ভিতৰত আমি সম্পূৰ্ণ কৰাৰ target লৈছো। ইতিমধ্যে বিভাগৰ তৰফৰ পৰা post creation ৰ কাৰণে প্ৰস্তুতি চলোৱা হৈছে। ২২ জনৰ বাবে proposal আহিছে prison ৰ পৰা আৰু মই ভাবো সোনকালে বিল্ডিংৰ কাম সম্পূৰ্ণ কৰি সেইখন কাৰ্য্যকৰী কৰিব পাৰিম বুলি ভাবো।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, হাইলাকান্দি ঃ** মাননীয় অধ্যক্ষ মহেদয়, এইটো আমি মানি লৈছো যে ক'ভিডৰ কাৰণে কামটো আগবঢ়া নাই কিন্তু আমি যেতিয়া দেখিছো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে speed ত কাম কৰি আছে। এই speed ত কাম হোৱা নাই আমাৰ হাইলাকান্দিত। এইবাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে যিমান সোনকালে পাৰা যায়, আমাৰ মূল সমস্যাটো হৈছে থানাৰ ভিতৰত staff কোৱাৰ্টাৰৰ ঠাইত সোমাইছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী ৰূপেশ গোৱালা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহেদয়, মই ক'লো যে আমি গোটেই বৃদ্ধি কৰিছো সেই কাৰণে মই post creationৰ কথা কৈছো। আমি একেবাৰে সোনকালে আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ধন্যবাদ। শ্ৰী কমলাক্ষ দে পুৰকায়ষ্ঠ

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো গোটেই অসমত একে অৱস্থা। আমাৰ যিখিনি district jail আছে, district Head Quarter টাউনৰ ভিতৰত, সেইটোৰ বাবে বহুতখিনি ঠাই লৈ লৈছে। এই কাৰাগাৰ সমূহ district টাউনৰ বাহিৰত লৈ যোৱা কিবা পৰিকল্পনা আছে নেকি গোটেই অসমৰ পৰা as a whole, এইটো মই জানিব বিচাৰিছো।

**শ্ৰী ৰূপেশ গোৱালা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই যিটো কথা আনিছে, সেইটো গুৰুত্ব সহকাৰে লোৱা হৈছে। ইতিমধ্যে কেইবাখনো

নতুন জেইলৰ proposal আছে যিবিলাক টাউনৰ বাহিৰত। আমাৰ বসন্ত দাস ডাঙৰীয়াৰ মঙ্গলদৈত proposal আছে, লক্ষীমপুৰত আছে আৰু তেনেধৰণে প্ৰায় ৬-৭ খন নতুন জেইলৰ proposal আছে যিবিলাক টাউনৰ মাজত থকা কাৰণে যথেষ্ট অসুবিধা হৈছে। হাজোতিৰো অসুবিধা হৈছে আৰু traffic ৰ কাৰণেও যথেষ্ট অসুবিধা হৈছে। সেইকাৰণে কেইবাখনো নতুন জেইলৰ proposal লোৱা হৈছে আৰু খুব সোনকালে ৰাইজে এইখিনি দেখা পাব।

**মাননীয় অধ্যক্ষ ঃ** Question No.224, শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ, গোলকগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মই পুৰণি বিলাসীপাৰা (পশ্চিম) সমষ্টিৰ আৰু বৰ্তমানৰ গৌৰীপুৰ সমষ্টিৰ দুখন বিশেষ গুৰুত্বপূৰ্ণ অঞ্চলৰ দুটা গুৰুত্বপূৰ্ণ দলঙৰ বিষয়ত প্ৰশ্ন কৰিছিলো। তাৰে এটা হৈছে পিয়াজবাৰী ২য় খণ্ড, টিপকাই নদীৰ ওপৰত। সেইখিনি অঞ্চলত যেতিয়া আমি গৈছিলো তাৰ হাজাৰ হাজাৰ মানুহে আমালৈ আবেদন কৰিছিলে যে তাত এখন দলং লাগে আৰু এইখন প্ৰায় ১৫০ মিটাৰ দীঘল দলং হ'ব। তাৰ পিছত মই সেই বাঁহৰ দলঙখনৰ ওপৰত খোজকাঢ়ি গৈছিলো আৰু মানুহৰ লগত কথা পাতিছিলো। কিন্তু ইয়াত উত্তৰত দিয়া আছে সেইখন এখন গাওঁ পঞ্চায়তৰ দলং। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এইটো গাওঁ পঞ্চায়ত ভিত্তিত নধৰি PWD(R) ত অন্তৰ্ভুক্ত কৰিব লাগে আৰু এই প্ৰায় ১৫০ মিটাৰ দীঘল দলং priority basis ত department ৰ পৰা sanction দিব লাগে বুলি মই অনুৰোধ কৰিছো।

ইয়াৰ উপৰিও বনিয়ামাৰী পাৰ্টৰ এখন bridge ৰ কথা লিখিছো। সেইটোও গাওঁ পঞ্চায়ত ভিত্তিত দেখুওৱা হৈছে। মই আশা কৰো যাতে গাওঁ পঞ্চায়ত ভিত্তিত নহয়, আপোনালোকে যদি বিস্তৰভাৱে বিভাগীয় মানুহ পঠিয়াই ভালদৰে survey কৰে, দেখিব যে এইটো PWD(R) ত পৰে। গতিকে এইটো PWD(R) লৈ সলনি কৰিব লাগে আৰু bridge বিলাক অতি সোনকালে দিব লাগে। তেতিয়াহে সবকা সাথ সবকা বিকাশ হ'ব, নহ'লে চৰ-চাপৰি বা গাঁৱৰ কৃষি কৰ্ম কৰা মানুহে যদি কৃষিজাত সামগ্ৰী উৎপাদন কৰাৰ পাছত সেইখিনি সুলভ মূল্যত বিক্ৰী কৰাৰ কাৰণে আহিব নোৱাৰে তেনেহ'লে নিশ্চিত ভাবে আমাৰ সেই অঞ্চলবিলাকৰ উন্নয়ন নহ'ব। গতিকে এই বিষয়ত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, আমাৰ মুঠ ৯২ খন দলং sanction হৈছে। তাৰে ভিতৰত তেখেতৰ সমষ্টিৰ ৪ খন দলং sanction হৈছে। তেখেতে নিশ্চয় জানিব যে construction of RCC bridge number 2/1, 3/1, 4/1 on Modapi to Khopati Road 80.5 mtr আৰু ৪ নং খন

RCC bridge number 2/1 on Kajiga on bazar road, Debottar Khapati road including approach and protection works under মুখ্যমন্ত্ৰীৰ উন্নত পকীকৰণ নিৰ্মাণ আঁচনি, RIDF 2024-2025.গতিকে এই চাৰিখন দলং তেখেতৰ সমষ্টিত দিয়া হৈছে। কিন্তু যি দুখন দলঙৰ কথা তেখেতে উল্লেখ কৰিছে, সেইটো কথা বিভাগে জানে। যিহেতু এই পথটো গাওঁ পঞ্চায়তৰ অন্তৰ্গত হৈ আছে আৰু গাওঁ পঞ্চায়তৰ bridge হয়, গতিকে সেইটো গাওঁ পঞ্চায়তৰ পৰা PWD লৈকে আনিব লাগিব আৰু PWD বিভাগ এই কথাত একমত যে তাত দলঙখন হ'ব লাগে। আপুনি প্ৰশ্নটোত কালভাৰ্টৰ কথা লিখিছে। আমি কৈছো যে

তাত কালভাৰ্ট নহয়, দলং দিব লাগে। গতিকে PWD বিভাগে যাতে এইটো বিচাৰ কৰে। যিহেতু এইটো পঞ্চায়তৰ অধীনত আছে, সেইটো RCC bridge কৰাৰ কাৰণে PWD বিভাগলৈ কথাটো যেতিয়া আহিব, আমি তেতিয়া বিবেচনা কৰিম। বৰ্তমান যিহেতু এইটো পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ অধীনত আছে, গতিকে এইটো ধৰা নাই। এই দলং দুখন চৰকাৰৰ চিন্তা-চৰ্চাত আছে। কিন্তু যেতিয়া পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ পৰা PWD বিভাগলৈ আহিব তেতিয়া ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ, গোলকগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোলকগঞ্জ সমষ্টিৰ মথাউৰিৰ কথা কৈছিলো। যোৱা ১০০ বছৰ আগত প্ৰায় প্ৰতিটো সমষ্টিতে মথাউৰি দিয়া হৈছিলে। কিন্তু গোলকগঞ্জ সমষ্টিত যিহেতু গঙ্গাধৰ, গদাধৰ আৰু বিশেষকৈ ৰায়ডাক নদীৰ পৰা প্ৰতিটো বাৰিষাত বিস্তৰ ক্ষতিসাধন হয়, সেইহিচাপে গঙ্গাধৰ নৈৰ পূৱ পাৰত পাগলাহাটত আমাৰ এটা বিশেষকৈ , মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই জানে আমাৰ ভোলাৰখাচ অঞ্চলত এটা বান্ধ হৈছিল, সেই অঞ্চলত যদি আমি মথাউৰি বনাব নোৱৰো তেনেহ'লে এটা সময়ত এইটো একেবাৰে কাঠালতলী, তামাহাটলৈকে বিস্তৰ ক্ষতিসাধন কৰিব আৰু বিশেষকৈ ১৭ নং National Highway ৰ পূৱ পাৰৰ যিখিনি অঞ্চল আছে, সেই গোটেইখিনি মানচিত্ৰৰ পৰা নোহোৱা হ'ব। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো সেই মথাউৰিটোৰ কাৰণে চিন্তা-চৰ্চা কৰিব লাগে আৰু আমাৰ জিলাত মথাউৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মথাউৰিটো হৈছে Water Resource বিভাগৰ বিষয়। গতিকে এইটো বিষয়ত আমাৰ উত্তৰ দিয়া টান। কিন্তু তথাপিও কেতিয়াবা কেতিয়াবা Water Resource বিভাগে আমাক no objection দিয়ে আৰু তাত পকীকৰণৰ ব্যৱস্থা PWD বিভাগক অৱগত কৰে আৰু সেইমতে Water Resource আৰু PWD বিভাগে লগ হৈ কিছু মথাউৰি তেনেকৈ পকীকৰণ কৰিছে। গতিকে মই ভাৱো মাননীয় সদস্য গৰাকীয়ে কথাটো আমাৰ Water Resource বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম, গোৱালপাৰা (পূৱ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মোৰ গোৱালপাৰা (পূৱ) সমষ্টিত ৬-৭ বছৰে হ'ল,কেইখন মান দলঙৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। ভালাপাৰা, বসতি, শিঙিমাৰী। DC য়েও ঠিকাদাৰজনৰ লগত বলে পাৰা নাই। গতিকে ইয়াত Chief Engineer বা Commissioner নহ'লে নহ'ব। গতিকে মই অনুৰোধ কৰিছো যাতে অতি সোনকালে দলং কেইখনৰ কাম শেষ কৰিব লাগে আৰু যিহেতু নতুন সমষ্টিভিত্তিক sub-division হ'ল, এতিয়া বিভাগৰ পৰাই বহুতখিনি দলং নিৰ্মাণৰ proposal আহিছে। গতিকে

গোৱালপাৰা (পূৰ) সমষ্টিত যিখিনি দলঙৰ proposal আহিছে, সেইখিনি অতি সোনকালে কৰি দিব নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি দলং সম্পূৰ্ণ হোৱা নাই বুলি কৈছে, আমাৰ PWD বিভাগৰ Commissioner, Secretary আছে, তেখেতসকলক মই এই কথাখিনি অৱগত কৰিম। ------interruption-------

**শ্ৰী মৃণাল শইকীয়া, খুমটাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাহিৰত আমাৰ মাননীয় উপাধ্যক্ষ মহোদয়ক আক্ৰমণ কৰিছে আৰু তেখেতক hospital লৈ প্ৰেৰণ কৰিছে। ------হুলস্থুল-------

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** ছাৰ, ইয়াৰ তদন্ত হ'ব লাগে। ইয়াৰ CCTV footage চাই তদন্ত হ'ব লাগে আৰু house committee লৈ প্ৰেৰণ কৰিব লাগে।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীঃ (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়,

(সদনত হুলস্থূল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** হয় ছাৰ, এই কথাবিলাক আলোচনা হ'ব লাগে। আপুনি এটা ব্যৱস্থা লওক। শাসক পক্ষই ও এইটো সমৰ্থন কৰিছে, সেয়েহে ভাল পাইছো। আলোচনা হব লাগে ছাৰ।

**মাননীয় অধ্যক্ষঃ** please, আপোনাৰ reply টো দিয়ক।

শ্ৰী **চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মই ইতিমধ্যে উত্তৰটো দিলো। গতিকে সেইটোৰ ব্যৱস্থা লোৱা হঁওক। কিন্তু...

(সদনত হুলস্থূল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ-** এইটোত আমি ছাৰ ধিক্কাৰ দিছো। এতিয়া কোনে আক্ৰমণ কৰিছে, সেইটোৰ বাবে CCTV ছোৱাৰ ব্যৱস্থা কৰিব পাৰে। আৰু তদন্ত দিয়ক।

(সদনত হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ, মহোদয়, Deputy Speaker ক সদনৰ বাহিৰত মাৰিলে, এইটো এটা Police Case হ'ব। গতিকে মই আপোনাক request কৰিছো, সচাঁ, মিচা চাবৰ কাৰণে আপুনি Police ক case টো দি দিয়ক। আমি তদন্ত কৰিম।

**মাননীয় অধ্যক্ষঃ-** মই ইতিমধ্যে আমাৰ বিষয়াসকলক নিৰ্দেশ দিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ-** কাৰণ, আমাৰ Deputy Speaker এজন জনজাতীয় . লোক। এটা সন্মান দিয়া হয়, কাৰ্বি জনগোষ্ঠী বা আমাৰ কাৰ্বি পাহাৰৰ লোক সকলক। তেওঁ গাৰো জনগোষ্ঠীৰ লোক, কাৰ্বি পাহাৰৰ পৰা প্ৰতিনিধিত্ব কৰিছে। যদি সদনৰ বাহিৰত মাৰপিট কৰা বুলি যিটো কথা ওলাইছে, মই আপোনাক request কৰিম যে আপুনি পুলিচক তদন্ত কৰিবলৈ দিয়ক।

আমি FIR এখন register কৰি তাৰ ওপৰত case ল'ম। সচাঁ-মিচা যি হয় দেখা যাব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ-** অধ্যক্ষ মহোদয়, যিহেতু সদনৰ ভিতৰত হৈছে, সেয়েহে প্ৰথমে নিজাববীয়াকৈ তদন্ত কৰা ভাল। গতিকে আপুনি প্ৰথমে হাউছ কমিটি দিয়ক। তাৰপাছত দোষীসকলক শাস্তি দিবলৈ আৰক্ষীৰ ওচৰত দি দিব পৰা যাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, এইটো সদনৰ সীমাৰ ভিতৰতহে ইয়াৰ Privilege থাকে। Building টোৰ বাহিৰত, এই হাউছটোৰ বাহিৰত যোৱাৰ লগে লগে এইটো Police case হৈ যায়। ইয়াত যদি কিবা হয়, তেতিয়া হাউছ কমিটি, দৰ্জাৰ বাহিৰত যোৱাৰ লগে লগে, এইটো Police case. অধ্যক্ষ মহোদয়, যিহেতু আপোনাৰ কেম্পাছত হৈছে, আপোনাক মই request কৰিম যে, আপুনি FIR এখন দিয়ক, বাকী আমি তদন্ত কৰিম।

(সদনত হুলস্থুল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ-** ছাৰ, এই গোটেই কথাখিনিৰ ওপৰত আপুনি এটা বিবৃত্তি দিলে ভাল হ'ব।

(সদনত হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলে জনজাতীয় লোক, চাহ জনজাতিৰ লোক, এইবিলাকক টাৰ্গেট কৰাৰ এটা systematic plan বনাই লৈছে। এফালে চাহ জনগোষ্ঠীৰ মানুহক, আনফালে জনজাতিৰ মানুহক আৰু আপোনালোকে নিজেই বুজি পাওঁক, যিবিলাক মানুহে হাত তুলি আছে, সেইবিলাক মানুহৰ লগত ইয়াত সামাজিক বাতাবৰনো বেয়া হ'ব। যিবিলাক মানুহে আমাৰ ট্ৰাইবেল মানুহৰ ওপৰত হাত তুলিছে, এই মানুহবিলাকৰ যদি পিছ ফাললৈকে যাওঁ তেতিয়া ঘটনাটো আৰু ডাঙৰ এটা কথা হ'ব। সেইকাৰণে মই হাউছত বহুত কব খোজা নাই। আকৌ এইবিলাকে কোকৰাঝাৰ, ওদালগুৰিৰ ঘটনালৈকে লৈ যাব। কাৰণ এইবিলাকৰ পৰাই ঘটনা হৈছিল। কিছুমান Sensitive ঠাইত sensitive হিচাপত কাম কৰিব লাগে। আজি মই যদি এজন চাহ জনগোষ্ঠীৰ লোকৰ গাত হাত দিওঁ, ট্ৰাইবেল মানুহৰ গাত হাত দিওঁ, সেই সমাজখনে বেয়া পায় নহয়। আৰু এনেকুৱা আমাৰ হাউছত আজিলৈকে হৈছে নেকি? ৰূপজ্যোতি কুৰ্মীয়ে অলপমান আগবাঢ়ি যাওঁতেই আপোনালোকে issue কৰি পেলালে।

(সদনত হুলস্থুল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ-** ছাৰ, অলপমান আগবাঢ়ি যোৱা বুলি কৈ বিষয়টো বেলেগ কৰিছে, সেই কাৰণে আপোনাক ডিমাণ্ড কৰিছো, আপুনি কমিটিত দিয়ক, আমি সময় নষ্ট কৰাৰ মানে নাই।

(সদনত হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ-** আজি মই অসমৰ সংবাদপত্ৰ আৰু বুদ্ধিজীৱি, যিমানেই ৰূপজ্যোতি কুৰ্মীক সমালোচনা কৰিছিল, তেওঁলোকক মই অনুৰোধ কৰিম যে Deputy Speaker ক মৰাটোৰ ওপৰত তেওঁলোকে সমালোচনা কৰিব নে আজি সিদ্ধান্ত লওঁক। যিবিলাক মানুহ থিয় হৈ আছে, আপোনালোকে যদি Deputy Speaker ৰৰ গাত হাত দিছে, এইটো খুব বেয়া কথা হৈছে। ইয়াত যিবিলাক মানুহে কলা কাপোৰ পৰিধান কৰি ইয়াত থিয় হৈ আছে, আপোনালোকে Assembly আহিছে কিন্তু বাহিৰলৈ এটা বেয়া মেছেজ যাব। যদি ওৱাজেদ আলী চৌধুৰী, ৰেকিবুদ্দিন আহমেদ, মিচবাহুল ইছলাম লস্কৰ, নুৰুল হুদা আপোনালোকে যদি নোমল মোমিনৰ গাত হাত দিছে, এইটো কিন্তু বহুত বেয়া মেছেজ যাব।

(সদনত হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- এইটো বহুত বেয়া কথা হৈছে। এইবিলাক কলা কাপোৰ পিন্ধি ইয়াত কি কৰি আছে?

(সদনত হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়, নুৰুল হুদাক সদনৰপৰা বহিস্কাৰ কৰিব লাগে

(সদনত হুলস্থূল)

(বিৰোধী পক্ষৰ সকলো সদস্যই নিজৰ আসনৰপৰা উঠি আহি মাননীয় অধ্যক্ষ মহোদয়ৰ আসনৰ ওচৰত গোট খায় আৰু কিছুসংখ্যক সদস্যই প্লে কাৰ্ড প্ৰদৰ্শন কৰে।)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়, কালি যদি আপোনাৰ গাত হাত তোলে, তেতিয়া কি হ'ব? এইটো ভাল কথা হোৱা নাই।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** সকলো নিজৰ নিজৰ আসনলৈ যাওঁক। Please, Please.... বহক। বহক। সকলো বহক।

(সদনত হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- নোমল মোমিন ডাঙৰীয়াই মোক Whatsapp পঠাইছে, যে নুৰুল হুদাই তেওঁক momentum কৰিছে।

.................(সদনত হুলস্থূল)...................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আপোনালোকৰ দাবীটো কি ?...........

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে অনুগ্ৰহ কৰি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ Deputy Speaker ক মাৰ-পিট কৰা বিষয়টোৰ discussion দিয়াত কি আপত্তি আছে? লগতে কেচটো পুলিচতো দিয়ক ......

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নকালীন ঘণ্টা চলি আছে। প্ৰশ্নকালীন ঘন্টাটো যাবলৈ দিয়ক........

(বিৰোধী ঃ মুছলমান বিধায়কৰ নিৰাপত্তা নোহোৱা হৈছে।)

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদন, বাহিৰত ঘটনা এটা সংঘটিত হৈছে, এই বিষয়ত মোক অৱগত কৰিছে। কি হৈছে জানিবলৈ মই বিষয়াসকলক নিৰ্দেশ দিছো আৰু তাৰ পিছত সিদ্ধান্ত ল'ম...

.................(সদনত হুলস্থূল)...................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ এজন জনজাতীয় উপাধ্যক্ষক নুৰুল হুদাই কেনেকৈ মাৰ-পিট কৰিব? আজি আপোনালোকে যিহেতু ক'লা কাপোৰ পিন্ধি আহিছিলেই গতিকে.....

.................(সদনত হুলস্থূল)...................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক request কৰি ক'ম যে আপুনি Deputy Speaker ৰ লগত ফোনত কথা পাতিব আৰু সঁচাকৈ যদি তেঁওক মাৰ-পিট কৰা কথাটো হয় আপুনি কেচটো অনুগ্ৰহ কৰি পুলিচত দিয়ক।..

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়াই তদন্ত কৰিব দিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আপুনি ৫ মিনিটৰ বাবে House Adjourn কৰক।

.................(সদনত হুলস্থূল)...................

**মাননীয় অধ্যক্ষ ঃ** মই ছেক্ৰেটেৰীক খবৰ ল'বলৈ দিছো আৰু সদন ১০ মিনিটৰ বাবে স্থগিত কৰা হ'ল।

(সদন ১০ মিনিটৰ বাবে স্থগিত ৰখা হয়।)

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন যিটো বিষয় ইয়াত উত্থাপন হৈছে, এইখিনিৰ সকলো মই এতিয়াও পোৱা নাই, পৰিবেশও পোৱা নাই। CCTV camera মই চাবলৈ দিছো। এইটো চাই আৰু মাননীয় উপাধ্যক্ষ ডাঙৰীয়াৰ লগত কথা-পাতি সকলো ঠিক কৰি মই ইয়াৰ judgement টো দিম।

**শ্ৰী নুৰুল হুদা, (ৰূপহী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে এখন সদন কমিটি দিব লাগে।

..................................সদনত হুলস্থুল..............................................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল আপোনালোক বহক।

..................................সদনত হুলস্থুল..............................................

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলে মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক আক্ৰমণ কৰাৰ বিষয়টো লৈ মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই সদন কমিটি বিচাৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি সদন কমিটি দিয়ক মোৰ কোনো আপত্তি নাই। আমাৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়াই ব্যক্তিগতভাৱে affair দিলে এইটো পুলিচে তদন্ত কৰিবই। ব্যক্তিগত ভাৱে affair দিয়াৰ তেওঁৰ এইটো অধিকাৰ আছে। গতিকে আমাৰ ডাঃ নোমল মমিন ডাঙৰীয়াই আমাক জনাইছে যে তেওঁ দিশপুৰ থানাত এখন এজাহাৰ দিব। বিষয়টো আমি তদন্ত কৰিমেই আৰু মাননীয় নুৰুল হুদা ডাঙৰীয়াই নিজেই সদন কমিটি দিয়াৰ বাবে অতিৰিক্তভাৱে দাবী কৰিছে। সদনৰ নেতা হিচাপে মইও সমৰ্থন কৰিছো যে এখন সদন কমিটি দিয়ক। মোৰ কোনো আপত্তি নাই। কাৰণ আমাৰ হাউচত প্ৰথমবাৰ গণতন্ত্ৰৰ ৭৫ বছৰৰ ইতিহাসত প্ৰথমবাৰ কোনোবাই কৈছে যে অধ্যক্ষ, উপাধ্যক্ষৰ ওপৰত হাত উঠাইছে। সঁচা-মিছা বেলেগ কথা। অভিযোগ এটাতো আহিছে। গতিকে অভিযোগ অহাটোৱে ডাঙৰ কথা। মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি ডাঙৰীয়াই জনা উচিত কাৰণে কৈছো মোৰ ইয়াত ক'বলগীয়া একো নাই। তেখেতে মেডিকেলৰ পৰা ফটো পঠাইছে, প্ৰেচক্ৰিপশ্যন আহিছে। ধৰি ললো আমাৰ বিৰোধিতা আছে। আজি এ.আই.ইউ.ডি.এফ দলৰ লোকসকলে জেওঁৰা লৈ আহিছে। আমাৰ হাউচতটো আক্ৰমণাত্মক মেটেৰিয়েল আগত কেতিয়াও সোমোৱা নাছিল।

**ড০ ৰফিকুল ইছলাম, (জনিয়া) ঃ** আমি জেওঁৰা প্ৰটেকশ্যনৰ কাৰণে আনিছো।

..................................সদনত হুলস্থুল..............................................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ কৰিম judgement টো আপুনি যেতিয়া দিয়ে দিব কিন্তু তৰোৱাল এখন প্ৰটেকশ্যন মেটেৰিয়েল ও হ'ব পাৰে, আক্ৰমণাত্মক মেটেৰিয়েল ও হ'ব পাৰে।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইফালে বেৰা দি দিব। সেইফালৰ পৰা কেতিয়া কেতিয়া আক্ৰমণ কৰিবলৈ আহে...............

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, CCTV ফুটেজ বিচাৰি যোৱাকালিয়ে আপোনাক আবেদন কৰিছিলো। গতিকে সেইখনৰ ভিত্তিত সদন কমিটি আনিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাউচত ক'লা কাপোৰ পিন্ধি আহিছে ঠিক আছে। কিন্তু এনেকৈ জেওঁৰা-যাঠি লৈ অহা এইটো.............

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক মাৰিব আহিব আমি

................................সদনত হুলস্থুল.............................................

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** আমাক কোনোবাই মাৰিব আহিব গতিকে আমি আমাৰ প্ৰটেকশ্যন কৰিবই লাগিব। হমকো মাৰনে আয়েগা, হামপে ইনজাম লগায়েগা, ইয়ে কেইচি বাত হে, হমকো তো প্ৰটেকশ্যন কৰনা হি পৰেগা। হমকো আসাম কে লোগো কে লিয়ে বাত কৰনা হি হোগা।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত অসম বিধান সভাত এইধৰণৰ আগত কেতিয়াও নজিৰ নাছিল। তেখেতসকলে প্ৰটেকশ্যনৰ কাৰণে আনক, আক্ৰমণৰ কাৰণেই আনক মই বিতৰ্কত নাযাওঁ। কিহৰ কাৰণে আনিছিল তেওঁলোকে জানে। কিন্তু এই দুয়োটা বিষয়, আজি তেখেতসকলে জেওঁৰা আনিছে। কালি কোনোবাই যাঠি আনিব বা কালি কোনোবই লাঠি আনিব। মাননীয় অধ্যক্ষ মহোদয়, বিষয়বস্তু বিলাক আমি বা ভাৰতীয় জনতা পাৰ্টী সমৰ্থক নহয়। আজি আমাৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া ইয়াত আহিছে আৰু তেখেতে এজাহাৰ দিব আৰু পুলিচে এজাহাৰখন তদন্ত কৰাৰ আগতে আপোনাৰ অনুমতি ল'ব আৰু আইনে আমাক যি ৰাস্তা দিব আমি সেইমতে আগুৱাম। কিন্তু আপুনি যদি ভাৱে যে অতিৰিক্তভাৱে সদন কমিটি হ'ব লাগে তেতিয়াহ'লে আমাৰ কোনো আপত্তি নাই। কিন্তু এইবিষয়টো আপুনি চাব, কাৰণ ভাল বাৰ্তা যোৱা নাই। সদনত যদি বাঁহ লৈ, জেওঁৰা লৈ সোমোৱা কৰে তেতিয়াহ'লে অহাকালিৰ পৰা বিধান সভাৰ গেটতেই পুলিচে বিধায়ক সকলক চেকিং কৰা আৰম্ভ কৰি দিব। অহাকালিৰ পৰা আমি যদি আবেদন কৰো যে আমি নিৰাপত্তাহীনতাত ভুগিছো তেতিয়া কালিৰ পৰা এনেকুৱা নজিৰ হ'ব যে গেটতেই বিধায়কসকলক চাৰ্জ কৰিব লাগিব। আলফাৰ একেবাৰে হাই পইন্টত ও বিধান সভাত বিধায়কসকল সোমাওতে আজিলৈকে পুলিচে বিধায়কসকলক চাৰ্জ কৰা নাই। যেতিয়া আলফাৰ হাই পইন্ট আছিল তেতিয়াও বিধান সভাই এইধৰণৰ নজিৰ ৰাখিছিল। কিন্তু আজি যদি বিধায়কে নিজেই যাঠি-জুং, বাঁহ প্ৰটেকশ্যনৰ কাৰণে, আপোনাৰ শব্দটোৱেই ব্যৱহাৰ কৰিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** আপুনি কথাবোৰ কিয় বঢ়াই কৈ আছে। যাঠিৰ কথাটো আপুনি কিয় কৈ আছে। কথাবোৰ আপুনি কিয় ডাইভাৰ্ট কৰি আছে?

............... ...................সদনত হুলস্থুল.........................

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, (সোণাই) ঃ** আপুনি সদনৰ মুৰব্বী হৈ মিছা কথা সদনত কিয় কৈ আছে? ইয়াত কোনো যাঠি লৈ অহা নাই।

............... ...................সদনত হুলস্থুল.........................

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বাঁহ হয়, বাঁহক জেওঁৰা বুলি কৈছে আৰু গাঠিটো খুলি দিলেই বাঁহ হৈ গ'ল। এজন চাহবাগানৰ বিধায়কক ডমিনেট কৰিবৰ কাৰণে ক'ত কিমান ব্যৱস্থা .........................................

.....................................সদনত হুলস্থুল.....................

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপোনালোক বহক।

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় সদনৰ অভিভাৱক আৰু মুৰব্বী। তেখেতে কোনোবা বাগানৰ বিধায়কক আমাক আক্ৰমণ কৰিবৰ বাবে অনুমতি দিব নোৱাৰে। আমাৰ প্ৰটেকশ্যনৰ কাৰণে আমি জেওঁৰা আনিবই লাগিব।

..........................................সদনত হুলস্থুল.................................................

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইধৰণৰ কথা কৈ সদনক বিপথে পৰিচালিত কৰাতো অত্যন্ত অশোভণীয়। তেওঁ ক'লে এইটো এচেম্বলীৰ ভিতৰৰ বিষয় নহয়। Assembly precincts থকা হাউচ। আপুনি the precincts of the House ক পুলিচৰ কোনো এখতিয়াৰ নাই। এতিয়া তেওঁ আমাক ভাবুকি প্ৰদান কৰি আছে যে পুলিচে কৰিব। Within the precincts of the House ................................

..........................................সদনত হুলস্থুল.................................................

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টাৰ সময় শেষ হ'ল।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কেইটামান সিদ্ধান্ত ল'ব লগা আছে দি দিয়ক চাৰ। বিধান সভাৰ পৰিসৰ কাক কয় আৰু আমাৰ Breach of Privilege পেনডিং কেইটামান আছে। আমাক আক্ৰমণ কৰিবলৈ অহা এইকেইটা বিষয় দিছো চাৰ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰশ্নকালীন ঘন্টা আৰম্ভ হোৱাৰ আগে আগে আমি যেতিয়া সদনত সোমাবলৈ আহিছিলো উপাধ্যক্ষৰ দৰজাত কলা কাপোৰ পিন্ধি মাননীয় নুৰুল হুদা আৰু তেখেতৰ সতীৰ্থ সকলে বাধা প্ৰদান কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, ঠেলা হেচাত মই হাতত দুখ পাইছিলো। আৰু কি উদ্দেশ্য লৈ পেলাই তাত প্ৰথম বাৰ আমি আগতে কেতিয়াও দেখা নোপোৱা বিষয় এটাৰ সন্মুখীন হ'ব লগিয়া হ'ল যিহেতু মই বিধায়ক হোৱা ৯ বছৰে হ'ল আৰু উপাধ্যক্ষৰ কাৰ্য্যভাৰ লোৱা আজি ৪ বছৰে হ'ল। সকলো সদস্য/সদস্যা কে আমি সমান হিচাপে ভাৱো আৰু সম দৃষ্টিৰে চাওঁ যেতিয়া অধ্যক্ষৰ আসনত থকা হয়। কৰোবাৰ মনৰ কিবা আক্ৰোষ থাকি যদি দৰ্জাৰ সন্মুখত, গেটত আৰু বিধান সভাত প্ৰবেশ পথত যদি কোনোবাই বিশেষকৈ উপাধ্যক্ষক আক্ৰমন কৰিব বিচাৰে এইটো এটা অতি বেয়া নজিৰবিহিন ঘটনা হৈছে। গতিকে হয়টো আমাক নিৰাপত্তা দিব লাগিব বিধান সভা বা আবাসত সোমোৱাৰ সময়ত নহলে সেইবোৰ ঠাইত বেলেগৰ প্ৰবেশ নিষিদ্ধ কৰিব লাগিব। বিধান সভাৰ অধ্যক্ষৰ আসনৰ সন্মুখতো যদি তেনেকুৱা ঘটনা হয় আৰু মোৰ দুৱাৰমুখতো তেনেকুৱা ঘটনা হৈছে। সেইহে মই ভাৱো কথা বিলাক ভাল হোৱা নাই। মই বিধান সভাত প্ৰবেশ কৰি বহিছিলো এ কিন্তু ঠিক তেনেকুৱা সময়তে দেখিলো যে মোৰ হাতৰ পৰা তেজ ওলাইছে। তেতিয়া মই লগে লগে আমাৰ বিধান সভাৰ Pharmacy লৈ গৈ Dressing কৰিলো আৰু Tetanus ললো আৰু লগতে বিষ নিৰাময়ৰ বাবে Pain Killer আৰু Pantoprazole খাই ইয়াত আহিছো। কাৰণ সদন খন আমাৰ কাৰণে বহুত মূল্যবান আৰু সদন খন ভালদৰে চলিব লাগে। আৰু আমিও সদনৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিবলৈ সদায় আগ্ৰহী। কিন্তু সদনৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ যদি নিৰাপত্তা নাথাকে তেতিয়া হলে সদন কেনেকৈ চলিব। গতিকে অধ্যক্ষ মহোদয় আপুনি এটা সিদ্ধান্ত লব লাগিব যে অধ্যক্ষ আৰু উপাধ্যক্ষৰ লগতে সকলোৰে যাতে সুৰক্ষা সুনিশ্চিত হয়।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ ডাঙৰীয়াই ঘটনাটো নিজ মুখেৰে যিহেতু কলে গতিকে সদন কমিটি নহয়। আপুনি কিবা এটা Judgement দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ ডাঙৰীয়াই গোটেই ঘটনাটোৰ

সাক্ষ্যক বৰ্ণণা দিছে আৰু এইটো সদনৰ Proceeding ত Recording হৈছে গতিকে মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিম যে আপুনি সময় লওঁক যিহেতু বিষয়টো লৈ আপুনিও চিন্তিত হৈছে, অপোনাৰ মুখমণ্ডলৰ পৰা মই বুজি পাইছো গতিকে আপুনি সময় লৈ, যি ধৰণে আপুনি আমাক নিৰ্দেশ দিয়ে সেই ধৰণে আমি কৰিম গতিকে আপুনি সময় লৈ বিষয়টো ভাল দৰে বিচাৰ কৰক। আমাৰ দেৱব্ৰত শইকীয়া ডাঙৰীয়াই এটা প্ৰশ্ন উত্থাপন কৰিছে যে এইটো বিধান সভাৰ ভিতৰ-চৌহদতে Privilege আছে নে সমস্ত বিধান সভা Campus টোত আছে। সেই বিষয়টো আপুনি চাওঁক আৰু আপুনি ভাবি চিন্তি এটা Judgement দিয়ক। মই সদস্য সকলক অনুৰোধ কৰিম যে মাননীয় উপাধ্যক্ষ ডাঙৰীয়াই নিজে বক্তব্য দিয়াৰ পিছত আমি আৰু তাত কব লগিয়া একো নাই। গতিকে সমস্ত বিষয়টো চোৱাৰ বাবে মাননীয় অধ্যক্ষ ডাঙৰীয়া অনুৰোধ কৰিম আৰু লগতে মই আৰু এটা অনুৰোধ কৰিম যে কাপোৰ কানি লৈ, ফ্লেগ লৈ, পোষ্টাৰ লৈ বিধান সভালৈ আহে কিন্তু তেওঁলোকৰ ভাষাতে মই কৈছো যে জেওঁৰা আদি লৈ বিধান সভাত প্ৰবেশ কৰাটো আজি প্ৰথম বাৰৰ বাবে হৈছে। আৰু এই পৰম্পৰা চলিব দিম নে নিদিম তাৰ ওপৰতো এটা Rulling দিয়ক আপুনি। .................(হুলস্থুল)...........

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো ঘটনা হোৱা বুলি কোৱা হৈছে ইয়ে সদনৰ পবিত্ৰতা স্লান কৰিছে। আচলতে আমি অধ্যক্ষ বা উপাধ্যক্ষ জনক লগ কৰাৰ বাবে গেটত আমি ৰৈ আছিলো কাৰণ আপোনালেকে সদনৰ পবিত্ৰতা ৰক্ষা কৰক। মই এই পবিত্ৰ সদনত শপত খাই কৈছো যে আমি কোনো ধৰণৰ হতাহতি কৰা নাই দৰকাৰ হলে আপুনি CCTV ৰ ফুটেজ চাওঁক। গতিকে মই পুনৰ বাৰ কৈছো যে মাননীয় উপাধ্যক্ষ ক আমি একো কৰা নাই।

**মাননীয় অধ্যক্ষ** ঃ মই এই বিষয়টোৰ ওপৰত এতিয়াই একো ক'ব নোৱাৰো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা ঘটনা ইয়াৰ আগতে ৫ মাৰ্চ ২০১০ চনত হৈছিল যেতিয়া সেই সময়ৰ অধ্যক্ষ শ্ৰী টংকং বাহাদুৰ ডাঙৰীয়াই তেখেতৰ কক্ষৰ পৰা ওলাই আহিব পৰা নাছিল আৰু তেতিয়া সেই সময়ৰ উপাধ্যক্ষ শ্ৰীমতী প্ৰনতি ফুকন বাইদেউয়ে সদন পৰিচালিত কৰিব লগা হৈছিল। গতিকে এই Record টো থাকক যে আগতেও এনেকুৱা ঘটনা হৈছিল। (হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শাষক পক্ষৰ বিধায়ক সকলক অনুৰোধ কৰিম যে বিষয়টো যিহেতু এবাৰ অধ্যক্ষ মহোদয়ে দায়ত্ব লৈছে গতিকে তাক আৰু আগবঢ়াই নিয়াটো উচিত নহয়। উপাধ্যক্ষ মহোদয় কেবল আমাৰ নহয় তেখেত গোটেই সদন খনৰ ৰ অৰ্থাৎ বিৰোধী পক্ষৰো তেখেত উপাধ্যক্ষ। মোৰ হাতত ফটো আছে মই নুৰুল হুদা ডাঙৰীয়াক Dispute কৰি কব পাৰো কিন্তু মই কব খোজা নাই যিহেতু সদনত আপোনাৰো Stetment দিয়াৰ অধীকাৰ আছে। মাননীয় উপাধ্যক্ষ মহোদয়ে Stetment দিছে আৰু সদনত যদি এনেকুৱা নেতিবাচক উদাহৰণ আছে যিহেতু দেৱব্ৰত শইকীয়াই কথাবোৰ জানে গতিকে তেওঁৰ পৰা আমি কথাবোৰ বুজিম। আগতেও যদি এনেকুৱা হৈছিল কিন্তু মোৰ মনত নাই। মই সাধাৰণতে ভাল কথাবোৰহে মনত ৰাখো বেয়া কথাবোৰ বোৰ মই মনত নাৰাখো। যি নহওঁক অধ্যক্ষ ডাঙৰীয়া আপুনি Judgement দিব আমি সকলোৱে Judgement টো মানি ল'ম।

**মাননীয় অধ্যক্ষ** ঃ আপুনি বহক। ইয়াত কাৰো পক্ষ লব নালাগে। গতিকে মই আপোনালোক সকলোকে কৈছো যে এতিয়াৰ পৰা প্ৰত্যেক জন সদস্য সজাগ হওক যাতে এনেকুৱা ঘটনা আৰু নহয় সদনৰ মৰ্য্যদা হানি নহয়। আমাৰ বিধায়ক সকলে কোনেও এনেকুৱা কাম নকৰিব। গতিকে

মই ইতিমধ্যে ঘোষনা কৰিছো যে  মিনিটৰ ভিতৰত এই আসনৰ পৰা সিদ্ধান্ত দিব নোৱাৰি। আমাৰ CCTV আছে এইবোৰ মই চাম আৰু যাৰ ওপৰত আক্ৰমন হোৱা বুলি অভিযোগ উঠিছে তেখেতে ইতিমধ্যে Medical Treatment লোৱা বুলি কলে আমি এই সকলো বোৰ কথা পাতিম। তাৰ পিছত সিদ্ধান্ত দিম। আৰু যদি প্ৰয়োজন বোধ কৰা যায় তেতিয়া হলে হয়টো সদন কমিটিও হ'ব পাৰে। ইয়াত প্ৰত্যেক ব্যক্তিৰে অধিকাৰ আছে তেওঁ কি ধৰণৰ বিচাৰ বিচাৰে তাৰ ওপৰত বক্তব্য দিয়াৰ। সদনৰ ক্ষেত্ৰত আমাৰ দায়ত্ব আছে আৰু সেই দায়ত্ব আমি ভাল দৰে পালন কৰিব লাগিব মোৰ ফালৰ পৰা এইখিনিয়ে কলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা শুকুৰবাৰ ২১ মাৰ্চ ২০২৫ তাৰিখে ঘটি যোৱা ঘটনতাটোৰ ওপৰত আপুনি কিবা মন্তব্য দিম বুলি কৈছিল।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ নটিচ খন।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয়।

**মাননীয় অধ্যক্ষ** ঃ যোৱা শুকুৰবাৰ ২১ মাৰ্চ ২০২৫ তাৰিখে যিটো ঘটনা ইয়াত ঘটি গ'ল তাক এটা Incident বুলি কোৱা হৈছে। আমাৰ বিধায়ক ৰূপজ্যেতি কুৰ্মী ডাঙৰীয়াই ভাষন দি থকাৰ সময়ত যিটো পৰিস্থিতিৰ সৃষ্টি হৈছিল তাক লৈ আমাৰ LOP ডাঙৰীয়াই ইয়াৰ ওপৰত যি Privilege বিচাৰিছিল সেইবিষয়ে আমাৰ Rule ত যি উল্লেখ আছে সেই বিষয়ে বিহিত ব্যৱস্থা কিয় লব নোৱাৰে সেই ঘটনাটোৰ ওপৰত আৰু তাক লৈ তেখেতে Notice দিছিল। এই বিষয়টো চোৱা হৈ গল আৰু মই সদনৰ Record চালো যিহেতু সেই সময়ত মই সদনত নাচিলো। আৰু Record ত যি খিনি কথা মই চালো আৰু LOP ডাঙৰীয়াই অনুৰোধ কৰাৰ দৰে তাত যিবোৰ Unparliamentary Words আছিল সেই সকলোবোৰ Expunge কৰা হ'ব। তাৰ পিছত যি ঘটনা ঘটিচিল সেই বিষয়ে আমাৰ উপাধ্যক্ষ ডাঙৰীয়াই Rulling দিছিল আৰু সকলো সদস্যকে সংযত হবলৈ কোৱাৰ লগতে কুৰ্মী ডাঙৰীয়াকো কঠোৰ নিৰ্দেশ দিছিল তাৰ পিছত তেখেতে ক্ষমা খুজিলে আৰু ইয়াতে বিষয়টো নিস্পতি হোৱাৰ পিছত সদনৰ কাম পুনৰ চলিছিল। গতিকে ইয়াত কোনো Privilege ৰ কথা নাহে যিহেতু সদনৰ ভিতৰত সকলোৰে কথা কোৱাৰ অধীকাৰ আছে। আৰু সিদিনা যিটো ঘটনা ঘটিলে তাৰ ওপৰত সিদ্ধান্ত সেইদিনাই হৈ গৈছে তেখেতে ক্ষমা খুজাৰ পিছত আৰু তেখেতৰ ভাষ্যৰ সকলোবোৰ Unparliamentary Words সিদিনাই Expunge কৰা হ'ল।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ  ইয়ালৈকে গুছি অহা কথাটো কৈছিলো আৰু কেমেৰাত নেদেখুৱাই, কিবা ঘটনা হৈ গ'লে মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া কেনেকৈ আপুনি তদন্ত কৰিব, এই কথাটোও তাত উল্লেখ আছে। সেইকেইটাও আপুনি কৈ দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মই সেইকাৰণে সকলোখিনি চালো আৰু সেইদিনাই বিষয়টো নিষ্পত্তি আহি গ'ল আৰু যিখিনি কথা আপুনি ইয়াত উল্লেখ কৰি গৈছিল, ইয়াৰ পিছত expunge ৰ কাৰণে উপাধ্যক্ষ ডাঙৰীয়াই তাত নিৰ্দেশ দিলে আৰু সেই হিচাপত এইটো expunge কৰা হৈ গ'ল। সেইবোৰ শব্দ আৰু record ত নাথাকে।  মই ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াকো কৈছো যে ভৱিষ্যতে যাতে তেনেকুৱা ধৰণৰ আঁচৰণ নকৰে। এইটো মই ৰূপজ্যেতি কুৰ্মী ডাঙৰীয়াৰ লগতে সদনৰ প্ৰতিজন সদস্যকে মই অনুৰোধ কৰিছো, সকলোৱে যাতে সদনৰ মৰ্য্যদাটো ৰাখো, নিজৰ মাজত তেনেকুৱা ধৰণৰ বেয়া আঁচৰণ বিলাক কৰা নহয় আৰু বিভিন্ন কথা - বাৰ্তাবিলাক যুক্তি সহকাৰে সদনত দাঙি ধৰিব পাৰিব, আক্ৰমণলৈ যাব নালাগে, যাতে পুনৰাই তেনেকুৰা ধৰণৰ ঘটনাটো নঘটে।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মীয়ে ক্ষমা খোজা বুলি কলে। কিন্তু পিছদিনা তেখেতে মিডিয়াত কি ক'লে?

**মাননীয় অধ্যক্ষ** ঃ বাহিৰৰ কথাটো আৰু ইয়াত নাহে। বাহিৰত এই বিষয়ত চৰ্চা কৰিবই নালাগে। যিহেতু সদনৰ বিষয়, ইয়াতে নিষ্পত্তি হৈ গ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ যেতিয়া বিষয়টো হৈছিল, ভাৰতীয় জনতা পাৰ্টীৰ সভাপতিয়ে officially condemn কৰিছে আৰু ময়ো ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক বিষয়টো ক্ষমা খুজিবৰ বাবে অনুৰোধ কৰিছিলো আৰু তেখেতে ক্ষমাও খুজিছে।

ইয়াত এটা sensitve কথা আমি মনত ৰখা উচিত আৰু বিষয় বিলাকৰ সন্দৰ্ভত যদি কেতিয়াবা প্ৰসংগটোৰ পৰা আঁতৰি যায়, এটা কথা ধৰি থকা হয়, তাতো কেতিয়াবা সমাজে ভূল বাৰ্তা দিয়ে। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই সেইদিনাখন ভাষণ দি আছিল, মন্ত্ৰী ভাষণ দিলে বিধায়কসকলে বাধা দিয়ে, সদনত তাৰ প্ৰক্ৰিয়া আছে, উদাহৰণ আছে। এজন সতীৰ্থ বিধায়কে ভাষণ দিলে আন এজন বিধায়কে তেখেতক irritate কৰি থকা, সকলো মানুহৰ সকলো সময়তে balance তো নাথাকে। মই সদনত অনুৰোধ কৰিম যে প্ৰত্যেকজন সদস্যই বহুত কষ্ট কৰি অলপ সময় পাই, নিজৰ সমষ্টিৰ কথা কোৱাৰ কাৰণে। সাধাৰণতে সময় নপায়, কাৰণ মন্ত্ৰী বা আন ইয়াত rule ৰ মতে যায়, বহুত কষ্ট কৰি কোনোবাই সদস্যই অলপমান সময় পাই নিজৰ সমষ্টিৰ কথা কবলৈ, সেইটো লাগিলে শাসকীয় হওঁক, বিৰোধী দলে হওঁক। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ ভগৱান প্ৰদত্ত এটা বেমাৰ আছে, তেখেতে কথা কওঁতে বহুত সময় লাগে, তেখেতে যেতিয়া কংগ্ৰেছত আছিল, তেতিয়া তেখেতে আমাকো বহুত ধৰণে নকবলগীয়া কথাও কৈছিল। কিন্তু মই সদায় এটা sensitivity maintain কৰো যে কিছুমান সমাজৰ পৰা কিছুমান মানুহ ওলাই অহাটোৱে ডাঙৰ কথা। তেখেতসকলক condemn কৰাটোতে সমস্যা শেষ হৈ নাযায়। কেনেকৈ তেওঁলোকক আমি নিৰ্মাণ কৰিব পাৰো, আজি এজন ৰূপজ্যোতি কুৰ্মীক condemn কৰি শেষ কৰি দিব পাৰি। কিন্তু ৰূপজ্যোতি কুৰ্মী শেষ হৈ নাযায়, ৰূপজ্যোতি কুৰ্মীৰ লগে লগে এটা জনগোষ্ঠীৰ হৃৎ কণ্ঠ এটাও নোহোৱা হৈ যাব। মই এই কাৰণে বিচাৰো যে বিৰোধী দলৰ দলপতি ডাঙৰীয়াকো মই আহ্বান জনাম যে ৰূপজ্যোতি কুৰ্মীক আমি যিমানে দাবাই কোচাই ইয়াত শেষ কৰি দিব পাৰো১২৫ জন সদস্যই মিলি, কিন্তু ৰূপজ্যোতি কুৰ্মী বিষয়টো শেষ হৈ নাযায়। তেখেতে এটা নিপিড়িত, নিস্পেষিত জনগোষ্ঠী এটাক প্ৰতিনিধিত্ব কৰে। তেখেতে মাত্ৰ ৫ মিনিট সময় পাইছিল, তেখেতে কথা কৈ থাকোতে, যদি ভিডিও চোৱাৰে কথা হয়, যি দুজন বিধায়কে তেখেতক বাৰে বাৰে কাটি আছিল, তেখেতক ৰাস্তাৰ কথা সোধাৰ কি প্ৰয়োজন আছিল, যদি ধোদৰ আলি বেয়া আছে, তাৰ দায়িত্ব মোৰ। আজি মই সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াৰ কথা কওঁ যে মানকাছাৰৰ ৰাস্তা বেয়া, তাৰ কাৰণে কেশৱ মহন্ত বা নৱ দল ডাঙৰীয়াক আপোনালোক সমালোচনা কৰে, আপুনি কি উত্তৰ দিব, আপুনিটো মন্ত্ৰীয়ো নহয়। আমাৰ বহুত সমষ্টিৰ ৰাস্তা বেয়া, বিধায়কজনে কি কৰিব। বিধায়কজনে সদনত আহি উত্থাপনহে কৰিব। আজি মানকাছাৰত যোৱা ৰাস্তাটো বেয়া বুলি আমিনুল ইছলাম ডাঙৰীয়াই ভাষণ দিওঁতে সকলো যদি তেখেতক তিতকাৰী মাৰি থাকে, আপোনাৰ এইটো ৰাস্তা কি হ'ল, সেইটো ৰাস্তা কি হ'ল। আপুনিও irritate হ'ব। এফালে ৰাস্তাটো কৰিব পৰা নাই, বিধায়ক হৈ আছো আৰু লগত লোক expose কৰি আছে। এইটো মন্ত্ৰীক কওঁক, ধোদৰ আলি বেয়া হৈ আছে, তাৰ সম্পূৰ্ণ দায়িত্ব মন্ত্ৰী হিচাপে মোৰ। ৰূপজ্যোতি

কুৰ্মীয়ে কি কৰিব, তেখেতে দিনে ৰাতিয়ে ৰাস্তাটোৰ কাৰণে মোৰ লগত কথা -বতৰা পাতি থাকে, কিমানটা whatsapp message মোক দি থৈ দিছে। আজি অখিল গগৈ ডাঙৰীয়া সদনত নাই, মই তেখেতৰ নাম ল'ব খোজা নাই, তেখেতে ৰূপজ্যোতি কুৰ্মীক দোষী সজাই আছে। তাৰ মানে শিৱসাগৰত বেয়া ৰাস্তা নাই নেকি? তেখেত শিৱসাগৰৰ বিধায়ক, শিৱসাগৰৰ ৰাস্তাৰ কথা ক'ব লাগে। যদি বিধায়কসকলে বিধায়কৰ মাজত সু-সম্পৰ্ক ৰক্ষা কৰি নাথাকে, আমাৰ সমাজখন তললৈকে গৈ থাকিব। সেই কাৰণে মই সদনত আহ্বান জনাম যে সমষ্টিটোৰ উন্নতি নোহোৱাৰ কাৰণে (অহা কালি নিৰ্বাচনো আছে) বিধায়কক গালি পাৰি কি হ'ব। যিমানটো টকা পইচা আছে, চৰকাৰে কৰিব। কিন্তু মৰিয়নীত নিৰ্বাচনত কোনোবাই উঠিব, সেই কাৰণে ৰূপজ্যোতি কুৰ্মীক আমি expose কৰা কামটো ইয়াৰ পৰা আৰম্ভ কৰিম। তেতিয়া আপোনালোকে চিন্তা কৰক, শ্বেৰমান আলিৰ সমষ্টিত কিমান ৰাস্তা বেয়া হৈ আছে, আমিনুল ইছলামৰ সমষ্টিত কিমান ৰাস্তা বেয়া হৈ আছে।

গতিকে সেইদিনাখনৰ যিটো ঘটনা হৈছে, আমি সকলোৱে ৰূপজ্যোতি কুৰ্মীক condemn কৰিছো, মোৰ পাৰ্টীয়েও কৰিছে, ময়ো কৰিছো। কিন্তু আমাৰ নিয়মে আছে যে এডাল গছ যদি কিবা কাৰণ হালি যায়, তাত সকলোৱে আৰম্ভ কৰে। মই ভাৱো এটা পৰ্য্যায়ৰ পিছত আৰু সেইটো ঠিক নহয়। সেইটো জেওৰালৈ আহিবলগীয়া ঘটনা নহয়। মই সেই কাৰণে আপোনালোকক বহল হৃদয় দেখুৱাবলৈ অনুৰোধ কৰিম। এজন ৰূপজ্যোতি কুৰ্মীক মই দেখিছো, তেওঁ কেনেকুৱা যিসকলে চাহ জনগোষ্ঠীৰ মৰ্ম বেদনা বুজি নাপায়, তেনেকুৱা আমাৰ বহুত সমাজিক মাধ্যমত লিখা মানুহ ৰূপজ্যোতি কুৰ্মীক মাৰি খুপনি শেষ কৰি দিছে। জীৱনত ৰূপজ্যোতি কুৰ্মীয়ে মোক যিমান বেয়াকৈ কৈছে, সেই মঞ্চৰ পৰা, দেবব্ৰত শইকীয়া বিৰোধী দলৰ দলপতি আছিল, তেতিয়াটো কোনেও কোৱা নাছিল ৰূপজ্যোতি কুৰ্মীক যে আপুনি এইবোৰ নকৰব বুলি। কিন্তু আজি মই ৰূপজ্যোতি কুৰ্মীক কৈছো যে হয় আপোনাৰ ডাঙৰ দায়িত্ব আছে, এটা জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিছে আৰু আপোনালোকক condemn কৰি বাগৰাই দিয়া মানুহ ৰাস্তাত বহুত পাব। আপোনালোকে যদি অকণমানো ভূল কৰে, সমাজে আপোনালোকক স্বীকাৰ নকৰিব। কাৰণ এই সমাজখনে চাহ জনগোষ্ঠীৰ লোকক ইমান দিনে ন্যায় দিয়া নাছিল। আমিও ন্যায় দিয়া নাছিলো। চাহ জনগোষ্ঠীৰ ঝুমুৰ গুৱাহাটীলৈ আহিবলৈ ৭৫ বছৰ সময় ললে, এই জনগোষ্ঠীটোক কোনেও ন্যায় দিয়া নাছিল। আপোনালোকে যদি হিমন্ত বিশ্ব শৰ্মাই এই ভুলটো কৰিলে হেতেন মই ক্ষমা খোজোতে এই বিষয়টো শেষ হৈ গ'ল হেতেঁন। কিন্তু আজি চাহ জনগোষ্ঠীৰ কাৰণে এটা চক্ৰান্ত চলে। সেই কাৰণে মই ৰূপজ্যোতি কুৰ্মীক ভাতৃ হিচাপে, সদনত সদস্য হিচাপে, মই আহ্বান জনাম যে আপুনি আৰু সংযমী হওঁক, কাৰণ আপোনালোকৰ ওপৰত বহুত মানুহে আশাৰে বাট চাই আছে। এটা নিপিড়িত জনগোষ্ঠীত আপোনালোকে প্ৰতিনিধিত্ব কৰে। মই বিৰোধী দলৰ দলপতি ডাঙৰীয়াকো আহ্বান জনাম যে বিষয়টোত আমি দলে ইয়াত দুখ প্ৰকাশ কৰিছো, সদন এটা পৰ্য্যায়ৰ তললৈকে যাব দিয়াৰ আমি কোনো পক্ষপাতি নহয়। মই সদনৰ নেতা হিচাপে ক্ষমা প্ৰাৰ্থনা কৰিছো যে বিষয়টো এটা পৰ্য্যায়ৰ বাহিৰত যাব দিয়াটো উচিত নাছিল। সদনত সেইদিনাখন মই থাকিলে হয়তো ইমান দূৰলৈকে নগ'লহেঁতেন। কিন্তু এই বিষয়বিলাকক লৈ একেবাৰে মানুহজনক privilege আনি condemn কৰি সদনৰ পৰা উলিয়াই দিয়া, ইমান দূৰলৈকে যোৱাটোৱে তাত অলপ sovereigntism ৰ element এটাও কৰবাত মানুহে দেখা পাব। চাহ জনগোষ্ঠীটোৱে বেয়া পাব যে ক্ষমা খোজাৰ পিছতো কিয় ইমান লাগি আছে। সেই কাৰণে মই বিষয়টো ইমানতে

সামৰণি মাৰিবলৈ মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিলো।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে, যিখিনি কৈছে, ধন্যবাদ জনাইছো। ৰূপজ্যোতি কূৰ্মীৰ কথাখিনি লৈ গোটেই চাহ জনগোষ্ঠীৰ কথাখিনি সমাৰ্থক কৰাটো উচিত নহয়। আমি ইয়াতে যেতিয়া কথা পাতো, আমি বিভিন্ন আইনৰ কথাই পাতো। আমি আইনৰ শপত লৈ আহিছো, সেই গতিকে মই নিশ্চিতভাৱে ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই যিখিনি কথা ইয়াত কলে, ক্ষমা খুজিলে, নিশ্চিত ভাৱে আমি সকলোৱে গম পাইছো। কিন্তু তেখেতে সংযম হোৱাটো দৰকাৰ। পৰবৰ্তী দিনত তেখেতে কৈছিল ইয়াতকৈ ১০ গুণ বেছি আক্ৰমণ হ'ব আৰু এই কথাটো যিটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, সাধাৰণ এজন ব্যক্তিয়ে কলে এটা পাৰ্থক্য আহিলে হয়, কিন্তু মাননীয় অধ্যক্ষ মহোদয়, ১৯৭১ চনতে Sattanathan Committee অনুসাৰে creamy layer concept আহিছে আমাৰ নিচিনা OBC কাৰণে আৰু সেইটোকে ১৯৯১ চনত justice Ram Nandan Committee য়ে ও সমৰ্থন কৰিছে। creamy layer হ'ল যিবিলাক economically, socially আৰু অন্যান্য ক্ষেত্ৰত পিছপৰা শ্ৰেণীৰ পৰা আগৰণুৱা। ৰূপজ্যোতি কূৰ্মীৰ মাতৃ শ্ৰদ্ধাৰ ৰূপম বাইদেউ, প্ৰথম চাহ জনজাতিৰ graduate হয়। তেখেতে ১৯৯১ চনতে অসম বিধান সভাত প্ৰতিনিধিত্ব কৰিছে। তেখেতৰ ক্ষেত্ৰত এনেকুৱা সমৰ্থক কৰিলে সেই চাহ জনজাতিৰ মানুহ সকলে বেয়া পাব, যে আমাৰ লগত শিক্ষিত মানুহ এজনক কিয় তুলনা কৰিছে, সেই গতিকে তেনেকৈ যাতে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ চাহ বাগিছা অঞ্চলৰ মানুহ সকল অশিক্ষিত নেকি?

**শ্ৰীদেৱব্ৰত শইকীয়া** ঃ মই সেইবুলি কোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আপুনিয়ে কৈ আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মই creamy layer ৰ কথাটোহে কৈ আছো। Creamy Layer বুলি এটা কথা আছে সেই কাৰণে আহিছে Creamy Layer ৰ কথাটো। যিহেতু Creamy Layer, Non-Creamy Layer দুটা difference আছে, শিক্ষিত, অশিক্ষিত দুটা কথা আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ Creamy Layerৰ কথাটো ইয়াত ক'ৰ পৰা আহিল? মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বুজিছো ৰূপজ্যোতি কুৰ্মীয়ে কংগ্ৰেছ এৰি বিজেপিত অহা বাবে তেওঁলোকৰ খংটো উঠিছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মীয়ে সেইদিনা যিটো কথা কৈছে যে চাহ জনজাতিৰ মানুহ সকল পিছপৰা। মুখ্যমন্ত্ৰী মহোদয়ে চাহ জনজাতিৰ মানুহ সকলক কেনেকৈ পিছপৰা বুলি আখ্যা দিব পাৰে?

**শ্ৰীভূৱন পেগু, (জোনাই)** ঃ অধ্যক্ষ মহোদয়, Creamy Layerৰ কথাটো সংবিধান বিৰোধী, যিহেতু আপুনি কৈ আছে, এচ চি আৰু এচ টি ৰ ক্ষেত্ৰত একো হোৱা নাই। সংবিধানে এই সুযোগটো আমাৰ পৰা কাঢ়িব নোৱাৰে।

................(হুলস্থূল)..................

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ সংবিধান বিৰোধী হয়নে নহয় Creamy Layerৰ তদন্ত হোৱা নাই। Creamy Layerৰ প্ৰমাণ পত্ৰ লৈ ধনী মানুহে সেই অধিকাৰ খিনি হৰণ কৰি আছে। গতিকে Creamy Layerৰ ক্ষেত্ৰত তদন্ত হ'ব লাগে। যিবিলাক উচ্চশিক্ষিত মানুহে Creamy Layerৰ প্ৰমাণ পত্ৰ লৈ আছে। এচ চি, এচ টিৰ কোটাত বহু খিনি ধনী মানুহে Creamy Layerৰ প্ৰমাণ পত্ৰ লৈ লুকাভাকু কৰি আছে। গতিকে এই কথাটো অধ্যক্ষ মহোদয়

চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Creamy Layerৰ concept আমি সমৰ্থন নকৰো। কাৰণ এচ চি, এচ টি ৰাইজেও Creamy Layerৰ concept প্ৰত্যাখ্যান কৰিছে। ইয়াত কৰোবাৰ জাজমেন্ট লৈ আহিছে তাত কোনো ৰেফাৰেন্স নাই, আজি Creamy Layerৰ conceptটো বা বিষয়টোৰ ওপৰত আৰু এটা নিগেটিভ বাৰ্তা যাব যে কংগ্ৰেছ দলে Creamy Layer খিনি ৰিজাৰ্ভেচনৰ পৰা বাদ দিব খুজিছে। এইটো আকৌ এচ চি আৰু এচ টিৰ মাজত এটা বেয়া বাৰ্তা যাব। গতিকে মই অনুৰোধ কৰিছো, এই বিষয়টো যাতে ইয়াতে সামৰণি মাৰে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰীকৃষ্ণ কমল তাঁতী, (ৰঙাপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এক মিনিট মই এটা বিষয় কব বিচাৰিছো। ৰূপজ্যোতি কুৰ্মীয়ে সেইদিনা বাগিছা অঞ্চলত যে ৰাস্তাপদূলিৰ নিৰ্মাণ হৈ আছে তাৰ ওপৰত যি বক্তব্য দি আছিল তেতিয়া তেওঁক বাধা প্ৰদান কৰিলে। সেই সময়ত বাগিছাৰ ওপৰত কোৰাত তেওঁক বাধা প্ৰদান কৰিলে।

.................(সদনত হুলস্থূল)............

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। কৃষ্ণ কমল তাঁতী, হ'ব।

**শ্ৰীকৃষ্ণ কমল তাঁতী, (ৰঙাপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যে ঝুমুৰ নৃত্যক ভাৰতবৰ্ষৰ মানচিত্ৰত আনিলে তেতিয়া তেওঁ গৈ কৈছে যে ঝুমুৰৰ যিখিনি নাচনী সেই নাচনীৰ ৬০০০ ছোৱালীয়ে পৰীক্ষা নিদি একমাত্ৰ ২৫০০০ টকাৰ লোভতহে বোলে আহিছে। এইটোৰে কিন্তু আমাৰ সমাজ খনক অপমান কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব আৰু বহক, বহক।

**শ্ৰীকৃষ্ণ কমল তাঁতী, (ৰঙাপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধী দলৰ পৰা এটা কথা শুনিবলৈ পাইছো এই যে বাগিছা অঞ্চলত হাইস্কুল নিৰ্মাণ কৰিছে। ইয়াত এজন বিৰোধী দলৰ সদস্যই উপস্থাপন কৰিছে যে publicity stunt ৰ কাৰণেহে বোলে কৰিছে। এই দুশ বছৰ শাসন কৰা চৰকাৰ খনে চাহ বাগিছাৰ উন্নয়নৰ কাৰণে একো নকৰিলে। এইটো মই condemn কৰিছো।

.................(সদনত হুলস্থূল)............

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি বহক। আৰু বিষয় আছে। এইটো business ৰ লগত কথা আছে। আপোনালোকে কিয় কাজিয়া কৰি থাকে। যা তা কথা কৈ থাকে কাৰণে হুলস্থূল হয়। মই এতিয়া adjournment motion পাইছো।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ কাৰ্যপৰিচালনা বিধিৰ নিয়ম ৫৬ নংৰ অধীনত আমি এটা অতি গুৰুত্ব পূৰ্ণ বিষয়ত adjournment motion টো আনিছো আৰু এই বিষয়টো অসমৰ ভৌগলিক অখণ্ডতা।

.................(সদনত হুলস্থূল)............

**মাননীয় অধ্যক্ষ ঃ** বিধান সভাত আলোচনাই কৰিব নোৱাৰো। Please.

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** ৰাজ্য খনৰ মূল্যবৃদ্ধি অসমৰ। Ultimately বাংলাদেশ বা চুবুৰীয়া ঠাইক encourage কৰা হয়। যিটো কথা অসমৰ বা ভাৰত ভৌগলিক অখণ্ডতা।

আমাৰ কথাটো হ'ল আমি অসম বিধান সভাই এটা প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে যে সংসদ।

**মাননীয় অধ্যক্ষ** ঃ নাই, নাই Please.

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ যাতে এটা গৰিহণা দি ভৱিষ্যতে যাতে আমাৰ অসমক আঘাট কৰা কোনো কথা নকয়। আজি আমাৰ এই পবিত্ৰ বিধান সভাৰ মজিয়াৰ পৰা এই প্ৰস্তাৱটো আমি গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ Please, adjournment motion দিছিল আপুনি। আপুনি বহক।

**শ্ৰীমানৱ ডেকা, (লখিমপুৰ)** ঃ অধ্যক্ষ মহোদয়, যোৱা ২১ তাৰিখে আবেলি বিভিন্ন সংবাদ মাধ্যমত আমাৰ শ্ৰদ্ধাৰ মনোৰঞ্জণ তালুকদাৰ ডাঙৰীয়াৰ এটা phone টেপ viral হৈছিল আৰু ফোনটেপটো বাহিৰত ভাইৰেল হৈছিল, কিন্তু ইয়াত কিয় আলোচনা কৰিব লগীয়া হৈছে, তাতে কিবা হেভী মালৰ কথা কৈছে। মই হেভীমাল লাইক মালৰ কথাটো নাজানো। এতিয়া তাত দুটামান কথা আছে। লগে লগে সংবাদ মাধ্যমত বক্তৃতা দিলে যে এইটো artificial intelligenceৰ পৰা লোৱা হৈছে। কিন্তু মই আপোনাক সেই অডিঅ'টো পেইনড্ৰাইভত নটিছ খনৰ লগত দি দিছো। গতিকে মই আপোনাক অনুৰোধ জনাইছো যে তেওঁৰ voice sample যদি তেওঁ এগ্ৰি কৰে বিধান সভাত আছে, ১০ মিনিটতে software ওলাই যাব। এই প্ৰসংগটো ইয়াত মই উত্থাপন কৰিব লগীয়া হ'ল তেখেতে এই চলিত বিধান সভাতে ৰুল ৫০ ৰ আণ্ডাৰত চিণ্ডিকেটৰ ওপৰত এটা আলোচনা কৰিছিল আৰু সেই আলোচনাটোত তেওঁ যি কেইজন মানুহৰ নাম উল্লেখ কৰিছে সেই কেইজন মানুহৰ লগতে ফোনত কিবা মাল বিচাৰিছিল সেইদিনাই। গতিকে অধ্যক্ষ মহোদয়, এইটো এটা অপৰাধ। সেই কাৰণে তেওঁ বাহিৰত চান্দা লয়, মোটা মাল লয়, পাটলা মাল লয় সেইটো বেলেগ কথা, কিন্তু এই পবিত্ৰ বিধান সভা খনক blackmailingৰ আহিলা হিচাপে লৈ বাহিৰত মানুহক পইচা বিচাৰে। সেইটোৰ কাৰেণ তেওঁক ভৎসনাৰ যোগ্য।

..................(সদনত হুলস্থূল)...........

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ Please, please. তেখেতে কৈ আছে ইয়াৰ পিছত আপুনিও কব পাৰিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ ছাৰ, আজি এনেকুৱা বিলাক আছিল নেকি? কৈছিল যে আজি কোনো প্ৰাইভেট বিজনেছ নহ'ব, নটিছ নহ'ব।

**মাননীয় অধ্যক্ষ** ঃ নটিছ লিখিব লাগিছিল।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ আজি কেনেকৈ আহিছে, আজিতো কোৱা নাছিল?

...............(সদনত হুলস্থূল)................

**মাননীয় অধ্যক্ষ** ঃ Please, please. মানৱ ডেকা, মনোৰঞ্জন তালুকদাৰ বহক।

**শ্ৰীমানৱ ডেকা, (লখিমপুৰ)** ঃ তেখেতে কৈছে চান্দা লাব পাৰে, কিন্তু এই পবিত্ৰ বিধান সভাত কিয় চান্দা বিচাৰে?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ তেনেকৈ কথা নক'ব।

...............(সদনত হুলস্থূল)................

**মাননীয় অধ্যক্ষ** ঃ Please, please. হৈছে। আপুনি কব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ নিশ্চয় কম।

...............(সদনত হুলস্থূল)................

**মাননীয় অধ্যক্ষ ঃ** Please. যাৰ ওপৰত আনিছে তেখেতে ক'ব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই adjournment motion আনিছিলো ১৯ ফেব্ৰুৱাৰী তাৰিখে। এই বিষয়টোত ৪ টা adjournment motion আহিছিল। শ্ৰী বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনৰ ওপৰত আহিছিল, উমৰাংছুৰ ওপৰত আহিছিল, detention camp ৰ ওপৰত আহিছিল আৰু মই আনিছিলো চিণ্ডিকেটৰ ওপৰত। Accordingly সেইদিনাখন adjournment motion নাকচ হোৱাৰ পিছত admissibility ৰ ওপৰত মোক বক্তব্য ৰাখিব দিছিল আৰু মই admissibility ৰ ওপৰত বক্তব্য ৰাখোতে সেইদিনাখন শাসকীয় দলৰ বিধায়ক সকল ৱেললৈকে আহিছিল। ৱেললৈ আহি তেওঁলোকে শ্ৰী বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনৰ ওপৰত আলোচনা বিচাৰিলে। সদন কেইবাবাৰো স্থগিত হোৱাৰ পিছত মাননীয় মুখ্যমন্ত্ৰীয়ে হস্তক্ষেপ কৰিছিল আৰু মুখ্যমন্ত্ৰীয়ে কৈছিল চাৰিওটা বিষয়ৰ ওপৰত আলোচনা বিলোচনা হ'ব। আলোচনা-বিলোচনা হ'ব বুলি অন্য device ত হ'ব, under 50 আমি notice কৰিবলগীয়া হ'ল। আমি notice দিলো, বোধকৰো ৫ মাৰ্চ তাৰিখে সদনত এই যিখন মোৰ notice আছিল, এই notice ৰ ওপৰত আলোচনা-বিলোচনা হৈছিল। ঠিক তেনেকৈ যোৱা ১৯ তাৰিখ, ২১ তাৰিখে এটা phone tap ওলাই গ'ল। Phone tap টো ওলাইছে, বাহিৰত portal ত বাজিছে, শেষত টি.ভিত বাজিছে। মোক channel য়ে সুধিছে মই তাত স্পষ্টভাৱে কৈছো এইটো মই কেছলৈকে যাম, আদালতলৈকে যাম, আইনলৈকে যাম। আইনত যি প্ৰমাণ হয়, হ'ব। তাত কোনো অসুবিধা নাই। এইটো artifial intelligent হয়, কেনেকৈ কাটকুট কৰে, কি কৰে, হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Please. আগতে ক'বলৈ দিয়ক।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মই বক্তব্য দিছো। মই Hon'ble Speaker কো জনাইছো। কথাটো মই নজনা নহয়। আজিও মোৰ হাতত ফোনটো আছে। এই ফোনটোত যদি এটা phone call যি sound স্বচ্চতাচ্ত কৰা বুলি উলিয়াই দিব পাৰে মোৰ ফোনৰ ফালৰ পৰা, কথা পতাটো প্ৰমাণ কৰিব পাৰে আৰু টকা লোৱাটো যদি মোক প্ৰমাণ কৰিব পাৰে, মই আজি ঘোষণা কৰিছো, মানৰ ডেকাই ক'ব নালাগে মই ৰাজনৈতিক জীৱন পৰিত্যাগ কৰিম। ৰ'ব, কথাটো হৈছে ঘটনাতো টেপৰ যদি বক্তব্যটো শুনিলেই নহ'ব। টেপত যদি কথাটো শুনে, এতিয়া মই ৰ'ব, ৰ'ব, মানৰ ডেকা, মই এই বিষয়টো ১৯ ফেব্ৰুৱাৰীত আনিছিলো adjournment motion টো। তাৰপিছত যদি এই ধৰণৰ কিবা টকা-পইচাৰ লেন-দেন হোৱাৰ কথা আহিলে তাত নিশ্চিন্তে পাৰিব। কিন্তু কথাটো আহিছে Parliamentry ellection ৰ কথা। (সদনত কথাৰ কটাকাটি) ৰ'ব ।

**(সদনত হুলস্থুল)**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** যিবিলাকে পচিশ লক্ষ, পঞ্চাশ লক্ষ কৈ থাকে, বিচাৰি থাকে, তেওঁলোকৰতো দোষণীয়।

**মাননীয় অধ্যক্ষ ঃ** Please.

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ** Please please.

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** কথা হৈছে মই আদালতলৈকে যাম, বিষয়টো আলোচনা হ'ব। মই যদি টকা লৈছো, মই যদি কৈছো, মোৰ যদি voice হয়। এইটো court য়ে ব্যৱস্থা কৰিব। মাজত শ্ৰীমানৰ ডেকাই ভাবি থকা কি আছে? মানৰ ডেকাই মাতি থকা ভাবি থকা মোৰ

বাহিৰৰ এটা phone call ত তেওঁ আজি Assembly ত আনি মানৱ ডেকাৰ ভাবি থকাৰতো কোনো মানে নাই। মই court ত যাম। মই House ত কৈছো মই court ত যাম। চিণ্ডিকেট কোনে কৰিছে, কোনে নকৰিছে এইটো reply দিব মাননীয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে reply দিয়ক। মই reply টো শুনিম আৰু মই বিচাৰিছো চিণ্ডিকেট বন্ধ হওঁক। কাৰণ এটা সমান্তৰাল অৰ্থনীতি অসমত চলিছে এই চিণ্ডিকেটৰ জৰিয়তে। Big big সকলো তাতে জড়িত আছে। হাজাৰ কোটি টকা চৰকাৰৰ ভড়াললৈকে নাহি ব্যক্তিৰ ভড়াললৈকে গৈছে। এই বক্তব্য মই repeat নকৰো। মোৰ বক্তব্য recorded আছে। মই বিচাৰিছো মাননীয় মুখ্যমন্ত্ৰীয়ে হস্তক্ষেপ কৰক আৰু হস্তক্ষেপেৰে তেওঁ বক্তব্য দিয়ক মই শুনিম। তাৰপিছত মোৰ ক'বলগীয়াখিনি ক'ম।

**শ্ৰী ভূৰণ পেগু, জোনাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, Parliament ত যোৱাবাৰ উদাহৰণ আছে case for question কৰাৰ কাৰণে আমাৰ মহিলা MP এগৰাকীক parliament ৰ পৰা expell কৰা হৈছিল।

**(সদনত হুলস্থুল)**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ প্ৰলোভনৰো কথা আপোনালোকৰ সেই tap ত দেখা পাব। কাৰোবাক ৰেহাই দিয়াৰ কথা আছে, কিবা দাবী আছে, একো নাই তাত। সেইবোৰ case হ'ল স্বচ্চ। এতিয়া শ্ৰী ভূৰন পেগুৱে নিশ্চিত কৰিব।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ** ঃ Please.

**শ্ৰী মানৱ ডেকা, লক্ষীমপুৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ এজন সদস্য। এই সদনখনৰ মৰ্য্যদা অনা সকলোৰে দায়িত্ব। কিন্তু tap ৰ বাহিৰত ওলাইছে সেই কথাটো ইয়াত বিষয়টো Rule 50 ত কেনেকৈ আলোচনাৰ বিষয় হ'ল। আপুনি black mail কৰিছিলে।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ** ঃ Please. Hon'ble Member, এই বিষয়ত আলোচনা নহয়। গতিকে notice খন দিছিল মই সকলো চাইছো। গতিকে মই আজি ভাবো, আমি নিস্পত্তি এটা কৰিব পাৰো, এটাটো আকৌ committee তটো দিব পাৰো। আপুনি কি বিচাৰে?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মই আদালতত যাম।

**(সদনত হুলস্থুল)**

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো শ্ৰী মানৱ ডেকা ডাঙৰীয়াই উথাপন কৰিছে। শ্ৰীমনোৰঞ্জন তালুকদাৰ তেখেতৰ নিজৰ মনোভাৱ কৈছে। আপুনি সিদ্ধান্ত ল'ব লাহে লাহে। এই বিষয়টো আপুনি নিজৰমতে দুয়োজনৰ লগত আলোচনা কৰি সিদ্ধান্ত ল'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। যিয়েই নহওঁক আৰু। মই বিচাৰো যদি এইটো সত্য হয়, তেতিয়াহ'লে আমাৰ মাননীয় সদস্য গৰাকীৰ যদি সেইটো সঁচা, সেইটোতো উচিত হোৱা নাই আৰু এইটো ঠিক নহয়। গতিকে আমি সদনৰ সদস্য হিচাপে, যদিহে কৈছে, কৈছো।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মই কৰা নাই বুলি কৈছো। শ্ৰী মানৱ ডেকাই কৈছে, এইটো আদালতত বিচাৰ হ'ব। AI আহিব, কি আহিব, আহিব।

**(সদনত হুলস্থুল)**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ Parliament ত notice তেতিয়াহ'লে দিয়ক শ্ৰী মানৱ ডেকাৰ বিৰুদ্ধে। এতিয়া কথাটো তেনেকুৱা বাহিৰৰ ঘটনা, বাহিৰত মই আদালতত যাম বুলি

কৈছো। এইটোৰ ওপৰত আলোচনা হ'ব। স্পষ্ট কথা মোৰ।

**মাননীয় অধ্যক্ষ** ঃ আদালতত কিয় যাব?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মোৰ বাহিৰৰ ঘটনা কোনোবাই house ত টানি আনি, গৰিহণা দিব।

**(সদনত হুলস্থুল)**

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক মই বিনম্ৰতাৰে ক'ম বিষয়টো হাউচত এইকাৰণেই আহিছে কাৰণ exact যি discussion টো house ত গৈছিল আৰু আপুনি মাননীয় সদস্য গৰাকীয়ে যাৰ নাম উল্লেখ কৰিছিল, তেনেকুৱা ব্যক্তিৰ নামেই telephone ত অহাৰ কাৰণে তেওঁলোকে 1:1 যিটো মিলাইছে। কিন্তু মই ভাবো, এই বিষয়টো AI ও হ'ব পাৰে বা সত্যও হ'ব পাৰে, অসত্যও হ'ব পাৰে। আমি House ত এনেকৈ বহি সিদ্ধান্ত ল'ব নোৱাৰো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো চালি-জাৰি চাব আৰু যদি শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই আদালতত case দিয়ে সেইটো আদালতে বিচাৰ কৰিব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মই এইটো বিষয়ত সিদ্ধান্ত আজিয়েই কৰিব বিচাৰিছো। আপুনি স্বীকাৰ নকৰে, সিফালেও নামানে। গতিকে এনে ঘটনাৰ বাবে মই সদনৰ হৈ গভীৰ আক্ষেপ প্ৰকাশ কৰিছো যে আমাৰ সদনৰ সদস্যৰ ওপৰত তেনেকুৱাধৰণৰ social media, অন্যান্য আহিছে। গতিকে মাননীয় সদস্য শ্ৰীমনোৰঞ্জন তালুকদাৰ, যদি হৈছে এই কাৰ্য্যটো আমাৰ সকলোৰে কাৰণে গৰিহণা যোগ্য।

........interruption........

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়,.........interruption..... কোনোবা মন্ত্ৰী বিৰুদ্ধে...... এক পক্ষ নহ'ব....... এতিয়া গৰিহণা দিব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে বিচাৰ কৰিব.......

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, তদন্ত নকৰাকৈ ভৰ্ৎসনা বা গৰিহণা দিয়াটো উচিত নহয়, ইয়াৰ ওপৰত তদন্ত কৰি গৰিহণা দিব লাগে.......

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া Artificial intelligence যুগ.......

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, মই জাননীখন পৰীক্ষা কৰিম। বিধান সভাৰ পৰৱৰ্তী অধিৱেশনত লৈ যাব বিচাৰিছো আৰু Ethics Committee লৈ ৰিকোমেণ্ড কৰিম......মই আজি নিষ্পত্তি কৰিম বুলি ভাৱিছিলো.....কাৰণ এইটো আমাৰ ওপৰত গুৰুত্বপূৰ্ণ অভিযোগ আৰু আমি স্পষ্ট হ'ব লাগিব। বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যি কৈছে তাৰ ওপৰত আমি কালিলৈ takeup কৰিম। এতিয়া কাৰ্য্যসূচী নং-২। যোৱা ৫ মাৰ্চত নিয়ম ৫০ ৰ অধীন মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰৰ ডাঙৰীয়াৰ ছিণ্ডিকেট সম্পৰ্কত আৰু দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ Rat hole mining ৰ ওপৰত, ইয়াৰ উত্তৰ দিবলৈ বাকী আছিল। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিয়ম ৫০ ৰ অধীনত ০৫-০৩-২০২৫ তাৰিখে, অসমত ছিণ্ডিকেট অপৰাধমূলক কাৰ্য্যকলাপ আৰু উমৰাংচুত হোৱা ঘটনাৰ ওপৰত বিভিন্ন মাননীয় সদস্যই তেওঁলোকৰ বক্তব্য আগবঢ়াইছে। বিশেষকৈ মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়া, মাননীয় সদস্য সুশান্ত বৰগোহাঁই ডাঙৰীয়া,

মাননীয় সদস্য আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়া, মাননীয় সদস্য জিতু গোস্বামী ডাঙৰীয়া, মাননীয় সদস্য আব্দুল কালাম ৰছিদ ডাঙৰীয়া, মাননীয় সদস্য দুৰ্গা দাস বড়ো ডাঙৰীয়া, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়া, মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, মাননীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়া, মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আৰু মাননীয় সদস্য মানব ডেকা ডাঙৰীয়াক ধন্যবাদ জনাইছো। মই আলোচনাখিনি পঢ়িছো আৰু আলোচনাখিনিৰ সময়ত আমি সকলোৱে দেখিছো যে আমি যি ধৰণে কথাখিনি সদনলৈ লৈ আহিছো, সঁচাকৈয়ে যদি অসমত যিকোনো ঘটনা ছিণ্ডিকেট, অপৰাধ জনিত কাৰ্য্য-কলাপ ঘটি আছে, তাত আইনৰ পথ সকলোৰে বাবে মুকলি আছে। যিকোনো ব্যক্তিয়ে যিকোনো অপৰাধ মূলক কাৰ্য্য-কলাপ কৰবাত যদি দেখা পায় বিশেষকৈ বিধান সভাৰ মাননীয় সদস্য সকলে যদি দেখা পায় তাক আমি গ্ৰহণ কৰা উচিত নহয়। আমি বিধান সভাত ক'ব পাৰো আৰু আমি নিজস্বভাৱে FIR ও দিব পাৰো, উচ্চ ন্যায়ালয়লৈ যাব পাৰো আৰু লোক আয়ুক্ততো যাব পাৰো। Anti Corruption Mechanism আমাৰ চৰকাৰে বিভিন্ন ধৰণে সাজু কৰিছে আৰু বহুতো ৰাইজে Anti Corruption Mechanism ত গোচৰ দিছে আৰু তেওঁলোকে সুফলো পাইছে। মই আপোনালোকক জনাব বিচাৰিছো যে নাগৰিক যেতিয়া সচেতন হয় সমাজত অপৰাধ মূলক বা যিবিলাক কাম-কাজ বেয়া পাওঁ সেইয়া নিজে নিজে নিয়ন্ত্ৰণ বা control ত যাবলৈ আৰম্ভ কৰে। ২০১১ চনত বা তাৰ আগতে আমাৰ অসমত Public Servant ৰ ওপৰত আমি যদি চাবলৈ যাওঁ মাত্ৰ ৮ টা গোচৰ ৰেজিষ্টাৰ হৈছিল। তাৰ মানে ২০১১ চনত অসমত দুৰ্নীতি নাছিল নেকি? ২০১২ চনত সেই সংখ্যা মাত্ৰ ১২ টালৈ যায়। ২০১৩ চনত মাত্ৰ ৫ টা গোচৰ আৰু ২০১৪ চনত Public Servant ৰ এটাও গোচৰ ৰেজিষ্টাৰ হোৱা নাছিল। তাৰ মানে আজি আমি অনুভৱ কৰিলো যে ২০১৪ চনলৈ অসমত দুৰ্নীতি, ছিণ্ডিকেট, ক'লাবজাৰ একোৱেই নাছিল আৰু ২০১৪ চনৰ পিছতেই এই সকলোবোৰ গা কৰি উঠিল। অসমৰ বাতৰি কাকতসমূহত ২০১৪ চনৰ আগত প্ৰত্যেক দিনাখনে এই বাতৰিসমূহ প্ৰকাশ পাইছিল। কিন্তু চৰকাৰে একো cognizance লোৱা নাছিল। এটা বছৰত এটাও দুৰ্নীতি নিবাৰণ শাখাই যদি কেচ ৰেজিষ্টাৰ নকৰে তাৰ মানে কি ধৰণে সেই সময়ত চৰকাৰসমূহে গোটেই ব্যৱস্থাটোৰ লগত বুজাবুজি কৰিছিল। তাক আমি অতি সহজে ক'ব পাৰো। আজি যিখন চৰকাৰৰ ওপৰত আপোনালোকে অভিযোগ আনিছে সেই চৰকাৰখনে ডেৰ লাখ নিযুক্তি দিছে। এই চৰকাৰখনৰ ওপৰত কোনো যুৱক-যুৱতীয়ে আঙুলি উঠোৱা নাই। কিন্তু আমি সদনত নিজে বিপ্লৱ শৰ্মাৰ কমিটিৰ প্ৰতিবেদন আলোচনা কৰিছো। আজি পৰ্য্যন্ত যোৰহাটৰ মাননীয় সাংসদ গৰাকীয়ে অস্বীকাৰ কৰা নাই যে তেওঁ গহণা-গাথৰি বিয়াত লোৱা নাছিল। মই মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক ভাল পাইছো যে এইটোৱেই হওঁক বা ঘটনাটোৰ কিবা এটা defence কৰিছে, প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কিন্তু আজি ইমান ডাঙৰ দুৰ্নীতি এটাই অসমক কঁপাই থৈ গৈছে, জুডিচিয়েল কমিশ্যনে উল্লেখ কৰিছে। কিন্তু তেওঁ কোনো ধৰণৰ প্ৰতিক্ৰয়া প্ৰকাশ কৰা নাই। ২০২১ চনত মোৰ হাতত শাসন ক্ষমতা আহে আৰু তেতিয়াৰ পৰা এতিয়ালৈকে এইখন চৰকাৰে ২৪ গৰাকী প্ৰথম শ্ৰেণীৰ ৰাজপত্ৰিত বিষয়াক এৰেষ্ট কৰিছে, ৮০ গৰাকী দ্বিতীয় শ্ৰেণীৰ বিষয়াক এৰেষ্ট কৰিছে আৰু তৃতীয়, চতুৰ্থ শ্ৰেণীৰ বিষয়াকে ধৰি ৩৪৯ জন বিষয়াক এৰেষ্ট কৰিছে। আমি আজি পৰ্য্যন্ত চৰকাৰী বিষয়াৰ হাতৰ পৰা ২২৪.৭৪০ গ্ৰাম সোণ উদ্ধাৰ কৰিছো। এইখন চৰকাৰে আজি পৰ্য্যন্ত ১২ কোটি টকা চৰকাৰী কৰ্মচাৰীসকলক Trapped কৰি উদ্ধাৰ কৰিছো। এইখন চৰকাৰক মানুহে

বিশ্বাস কৰে কাৰণে পুলিচক জনায় যে অহাকালি তেওঁ কোনোবা অফিচাৰক টকা দিব আপোনালোক উপস্থিত থাকিব আৰু সেই মূহুৰ্ত্ততে সেই বিষয়াজনক ধৰিব। আগতে সেই বিশ্বাস মানুহৰ ওপৰত কিয় নাছিল? মানুহে আগতে চৰকাৰক কিয় বিশ্বাস কৰা নাছিল? আগতে মানুহে জানিছিল যে তেওঁ যদি গৈ ভিজিলেঞ্চত গৈ খবৰ দিয়ে তেওঁ অফিচাৰজনক খবৰ দিব আৰু অফিচাৰ জনৰ লগত ৰাতি হিচাপ-নিকাচ কৰি ল'ব আৰু তেওঁৰ গোচৰ কেতিয়াওঁ শুনানি নহ'বগৈ। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া নাজিৰ আক্ৰমণ চলিছিল, গোৱেলচত হিটলাৰে নিযুক্তি দিছিল যে এটা মিছা কথা ৰিপিট কৰি থাকক যাতে এটা সময়ত মানুহে সঁচা কথা বুলি ভাবিবলৈ বাধ্য হয়। কিন্তু আজি মানুহে প্ৰত্যেক দিনাই হৈ যোৱা ঘটনা সমাজিক মাধ্যমত দেখা পায় আৰু সেইকাৰণে এইখন চৰকাৰৰ ওপৰত মানুহৰ অগাধ বিশ্বাস আছে। মানুহে লাহে লাহে দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিবলৈ শিকিছে আৰু ৰাইজৰ সহযোগিতাত আমি এই ধৰণৰ কামবোৰ কৰিবলৈ আজি আমি সক্ষম হৈছো। প্ৰথমবাৰৰ বাবে আমি property seize কৰিছো। মানুহক আমি charge sheet কৰিছো আৰু এই মূহুৰ্তলৈকে ৩১ জন অফিচাৰৰ বিৰুদ্ধে conviction লৈছো। আদালতে তেওঁলোকক convict কৰিছে। আমি arrest কৰিয়েই এৰি দিয়া নাই। আমি charge sheet কৰিছো, তাৰ পিছত convict কৰিছো। ২০১১ চনৰ আগতে অসমলৈ ড্ৰাগ্‌ছ অহা নাছিল নেকি?২০১৪ চনৰ আগতে অসমলৈ ড্ৰাগ্‌ছ অহা নাছিল নেকি? আজি যদি আপোনালোকে comparison কৰে, আমাৰ অসমত ২০১১ চনৰ পৰা ২০১৫ চনলৈকে এই গোটেই সময়ছোৱাত ৪০০ কোটি টকাৰ ড্ৰাগ্‌ছ উদ্ধাৰ কৰিব পাৰিছিলো। ২০২১ চনৰ পিছত, মোৰ চৰকাৰৰ ৪ বছৰত, অকল ড্ৰাগ্‌ছৰ গোচৰতে ১৯০০০ ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। যোৱা ৪ বছৰত against the 400 crores of Congress Govt., we have confiscated drugs worth 2600 crores. আজি কাৰ ওপৰত আপোনালোকে আঙুলি টোৱাইছে? যিখন চৰকাৰে দুৰ্নীতি পৰায়ণ কৰ্মচাৰীসকলৰ বিৰুদ্ধে এক প্ৰকাৰ যুদ্ধ ঘোষণা কৰিছে, নিকা নিযুক্তিৰে অসমৰ ৰাইজৰ মাজত বিশ্বাস স্থাপন কৰিবলৈ সক্ষম হৈছে, যিখন চৰকাৰে DTO অফিচত License ৰ পৰা Registration লৈকে সম্পূৰ্ণ স্বয়ংক্ৰিয় কৰিবৰ বাবে সক্ষম হৈছে, যিখন চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে নিৰন্তৰ যুঁজ দিছে। সদনত প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ সম্পৰ্কত কিমানবাৰ যে প্ৰশ্ন উঠিছিল। প্ৰথমবাৰ আমি নিয়ম কৰিছো যে আজি ঘৰৰ survey, জীৱিকা সখী বাইদেউয়ে কৰিব আৰু যদি তাত মই সন্তুষ্ট নহওঁ তেতিয়া হ'লে মই নিজে নিজৰ ঘৰৰ survey কৰিবলৈ সক্ষম হ'ম। ইয়াতকৈ transparency আৰু কি হ'ব পাৰে? ইয়াতকৈ স্বচ্ছতা কাক ক'ব পাৰি? যোৱা ৪ টা বছৰত, মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছত এটা এটাকৈ নিয়মৰ পৰিৱৰ্তন কৰিছো। আগতে ৰেচনৰ বিলোৱাৰ তাৰিখ ২৯ তাৰিখলৈ টানি লৈ যায়। ৰেচন আহিব বুলি ২৯ তাৰিখলৈ মানুহে ৰৈ থাকে আৰু লাহেকৈ মাহটো পাৰ কৰাই দিয়ে। দুখীয়া মানুহৰ পৰা মাহৰ ৰেচন কাঢ়ি লৈ যায়। কিন্তু এতিয়া আমি কৈছো যে ১ তাৰিখৰ পৰা ১০ তাৰিখৰ ভিতৰত ৰেচন বিলাবই লাগিব। আমি e-pos ত fingerprint লৈছো যাতে কোনো ভুৱাৰে নামত চাউল লৈ যাব নোৱাৰে। এইখন চৰকাৰক আপোনালোকে ছিণ্ডিকেটৰ বাবে অভিযুক্ত কৰে? আপোনালোকে কোনখন চৰকাৰৰ ওপৰত অভিযোগ কৰিছে? মইতো আচৰিতেই হওঁ যেতিয়া কংগ্ৰেছ দলে এই বিষয়বোৰৰ ওপৰত মাত মাতে। মাননীয় অধ্যক্ষ মহোদয়, আজি বিশ্বজুৰি আমি প্ৰশংসিত হৈছো। আজি যদি আমিও compromise কৰিলোহেঁতেন, তেন্তে এটা গঁড়ৰ খৰ্গৰ বিপৰীতে ১০-১০ কোটি টকাৰ লেনদেন আমিও কৰিব পাৰিলোহেঁতেন। এটা বছৰত ২৫ টা গঁড় মাৰিবলৈ আমি যদি অনুমতি দিলোহেঁতেন,

তেন্তে ২৫০ কোটি টকাৰ নিচিনা heavy amount এটা আমাৰ দললৈও আহিলহেঁতেন। আমাৰ চৰকাৰৰ সময়ত ২০২০ ত ২ টা গঁড়, ২০২১ ত ৩ টা গঁড়, ২০২২ ত ২ টা গঁড়, ২০২৩ ত০ টা গঁড়, ২০২৪ ত ২টা গঁড়ৰ হত্যা হৈছিল। কিন্তু তাৰ বিপৰীতে ২০১২ ত ২০ টা গঁড়, ২০১৩ ত ২৪ টা, ২০১৪-১৫ত ২৫ টা গঁড়ৰ হত্যা হৈছিল। একেই পুলিচ, Forester আছিল। গঁড় হত্যাক নিয়ন্ত্ৰণ কৰিবলৈ আমি কিয় বিফল হ'ম? Political ইচ্ছা আছিল নে নাই? নে গঁড়ৰ খৰ্গক লৈ অসমত আটাইতকৈ ভয়াৱহ ছিণ্ডিকেট চলিছিল? আজি আপোনালোকে আমাক প্ৰশংসা কৰিব লাগিছিল। মনোৰঞ্জন তালুকদাৰৰ নিচিনাকৈ বিধায়ক এজনে ইয়াত থিয় হৈ কি কোৱা উচিত আছিল? তেওঁ ক'ব লাগিছিল যে এইখন চৰকাৰে ড্ৰাগ্ছৰ বিৰুদ্ধে কাম কৰিছে, এইখন চৰকাৰে গঁড়ৰ খৰ্গক নিয়ন্ত্ৰণ কৰিছে, এইখন চৰকাৰে চৰকাৰী বিষয়া সকলক দুৰ্নীতিৰ পৰা আঁতৰাই নিবলৈ চেষ্টা কৰিছে, এইখন চৰকাৰে স্বচ্ছ নিযুক্তি দিছে, প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ পৰ্যন্তলৈকে যাতে দুৰ্নীতি নহয় তাৰ বাবে চিন্তা কৰিছে। কিন্তু, ইয়াৰ বিপৰীতে আপোনালোকে অসমৰ ৰাইজক কি বাৰ্তা দিব বিচাৰিছে? আজি এই ভৎসৰ্না প্ৰস্তাৱ আনিব লাগিছিল ৰকিবুল হুছেইন ডাঙৰীয়াৰ বিৰুদ্ধে, আনজনৰ নাম ক'ব নাপায়, তেওঁ জীৱিত নাই। কিন্তু এইবিলাক চৰকাৰ আমাতকৈ শক্তিশালী অভিজ্ঞতা থকা চৰকাৰ আছিল। দিল্লীত কংগ্ৰেছৰ চৰকাৰ আছিল, দিশপুৰত কংগ্ৰেছৰ চৰকাৰ আছিল ...interruptions.... মইও কংগ্ৰেছত আছিলো। গতিকে আপোনালোকৰ লগত আৰু শক্তি আছিল। আপোনালোকে যিহেতু মোক এটা force বুলি ভাৱে, মইও আপোনালোকৰ লগত আছিলো, মোকো যদি ব্যৱহাৰ কৰিলেহেঁতেন শিক্ষাত মোক ব্যৱহাৰ কৰিছিল, সেইকাৰণে দুৰ্নীতি কৰিব নিদিয়াকৈ টেট শিক্ষক নিযুক্তি দিছিলো। স্বাস্থ্যত মোক ব্যৱহাৰ কৰা কাৰণে স্বাস্থ্য বিপ্লৱ আনিছিলো। বন বিভাগতো যদি মোক ব্যৱহাৰ কৰিলেহেঁতেন, তেন্তে গঁড় হত্যাও শূন্য কৰি দিলোহেঁতেন। গঁড় হত্যা ৰোধৰ ক্ষেত্ৰত আপোনালোকে কিয় মোক ব্যৱহাৰ কৰা নাছিল? কাৰণ আপোনালোকৰ এটা ছিণ্ডিকেট চলি আছিল। ২০১২ চনত ২০ টা গঁড় হত্যা হৈছিল। ২০১৩ চনত গঁড় হত্যা ২ টা কমিবহে লাগিছিল কিন্তু ই বাঢ়ি ২৪ টা হৈছিল। ২০১৪-১৫ ত ২৫টা গঁড় হত্যা হৈছিল। তাৰ মানে গোটেই নিৰ্বাচনী fund ইয়াৰ পৰাই আহিছিল নেকি? যিমানেই নিৰ্বাচন ওচৰ চাপি আহিছিল সিমানেই গঁড় হত্যা বাঢ়ি গৈ আছিল। কিন্তু আমাৰ যিমানেই নিৰ্বাচন ওচৰ চাপি আহিছে গঁড় হিত্যা সিমানেই কমি কমি আহি আছে। আৰু এইখন চৰকাৰকে আপোনালোকে ছিণ্ডিকেট কৰি থকা বুলি কয়? মাননীয় অধ্যক্ষ মহোদয়, মই দু-আষাৰ কথা ক'ব বিচাৰিছো। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই নাজানে ২০১০ৰ পৰা ২০১৬ চনৰ ভিতৰত অসমত ছুপাৰি কেচত এজনো ব্যক্তিক গ্ৰেপ্তাৰ কৰা নাছিল। ২০১০ৰ পৰা ২০১৬ চনৰ ভিতৰত অসমত ছুপাৰিৰ গোচৰত এখনো ট্ৰাক জব্দ কৰা হোৱা নাছিল। তাৰ মানে তেতিয়া ছুপাৰিৰ ট্ৰাক চলাই নাছিল নে ছিণ্ডিকেট চলি আছিল? এতিয়া মইও গোচৰ NIL কৰি দিওঁ? মনোৰঞ্জন তালুকদাৰৰ পৰা ঠিকনা আৰু ফোন নম্বৰ লৈ লওঁ। কিন্তু অধ্যক্ষ মহোদয়, ২০২১ চনৰ পৰা ৭০০ জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে। মই আজিও দুখ কৰো যে ছুপাৰিৰ এখন ট্ৰাকো অসমৰ বাহিৰত ওলাই যোৱাৰ মই পক্ষপাতী নাছিলো। বিৰোধী পক্ষৰ, বিশেষকৈ বৰাক উপত্যকাৰ বিধায়কসকলে মোক জোৰ কৰিলে যে ছুপাৰিৰ ট্ৰাক যাতে ওলাই যাবলৈ দিয়া হয়। আজিও মোক কওঁক, মই এখন ছুপাৰিৰ ট্ৰাকো অসমৰ পৰা ওলাই যাব নিদিওঁ। শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক তিনি বছৰ মই বন্ধ কৰি ৰাখিছো। তিনি বছৰ পিছত আপোনালোকে মোক এইখন সদনত force কৰিলে যে দেশী চুপাৰী খিনি যাব দিয়ক। মই তেতিয়াই কৈছিলো যে চুপাৰী যদি যাব দিয়ে এই ঘটনাবোৰ আৰম্ভ

হ'ব। তেতিয়া মই সদনৰ ৰেকৰ্ডত কৈছিলো অধ্যক্ষ মহোদয়, মোক অমিত শ্বাহ ডাঙৰীয়াই ফোন যোগে বাৰে বাৰে কৈছে যে এক গাড়ী চুপাৰীও ওলাই যাবলৈ নিদিবৰ বাবে । মই তেখেতৰ কথাটো সৰগত কৰি এক গাড়ী চুপাৰীও অসমৰ পৰা ওলাই যাবলৈ দিয়া নাছিলো। আপোনালোকে force কৰিলে আৰু ক'লে যে কৃষকৰ কষ্ট হয়, ওলাই যাব দিব লাগে। তেতিয়াই যদি heavy amountৰ আলোচনা হৈছিল মই নাজানো। আজি এই চুপাৰীৰ ক্ষেত্ৰত ২০২১ চনৰ পৰা আমি ৭০০ জন গ্ৰেপ্তাৰ কৰিছো, ৬০০০ টন চুপাৰী আমি জব্দ কৰিছো। কেতিয়াবা ৰাতি ২-৩ বজালৈ টোপনি নামাৰো, ৰেলেৰে চুপাৰী পাৰ হৈ যায়, SP বিলাকক ফোন কৰি থাকো যে সেই ৰেল কোন ষ্টেচন পাইছে, ক'ত পাইছে। কাৰণ মোৰ whatsaapত মানুহে খবৰ দিয়ে, ৰাতি ২-৩ বজালৈ আমি ধৰিবৰ বাবে বৈ থাকো। ৰাতি ৩.৩০ বজাত যেতিয়া SP জনে মোক কয়, ছাৰ ৰেল খন জব্দ কৰিলো, গাড়ীখন ধৰিলো, তেতিয়াহে মই টোপনিলৈ যাওঁ। অধ্যক্ষ মহোদয়, ৭০০ ব্যক্তিক আমি গ্ৰেপ্তাৰ কৰিছো, ৬০০০টন চুপাৰী আমি জব্দ কৰিছো। ৭২৪ টা গোচৰ আমি পঞ্জীয়ণ কৰিছো। অধ্যক্ষ মহোদয়, মই জানো যে যেতিয়া চুপাৰী মুকলি কৰি দিয়া হয়, মিজোৰাম আৰু অসমৰ মাজত কাইটীয়া তাঁৰ নাই, মিজোৰাম আৰু ম্যানমাৰৰ মাজতো কাইটীয়া তাঁৰ নাই। প্ৰত্যেক খন ট্ৰাক যদি পুলিচে checking কৰিব লাগে, তেতিয়া পুলিচে বাকী কাম কেতিয়া কৰিব? Anti supari squad টো আমি খোলা নাই। অসম পুলিচৰ কাম অকল চুপাৰী চোৰাটোৰে হ'ব নোৱাৰে। সেইবাবে মই এইবাৰ উদ্যোগ বিভাগক কৈছিলো যে চুপাৰীৰ গোটেই ঘটনাটোৰ যাতে সামৰণি পৰে, চুপাৰী উদ্যোগ অসমতে স্থাপন হওঁক, অসমৰ বাহিৰত চুপাৰী যাব নালাগে। অধ্যক্ষ মহোদয়, মই আপোনালোকক জনাবলৈ পাই ভাল পাইছো যে এইবাৰ অৰ্ক বন্ধু এক্সিম প্ৰাইভেট লিমিটেড, স্কেন বিটল ন্যাট পাউদাৰ এই দুইজনে Advantage Assamত স্বাক্ষৰ কৰিছে, দুটা চুপাৰী ইউনিট অসমতে স্থাপন কৰিব। অসমৰ পৰা যাতে এটুকুৰা চুপাৰীও বাহিৰলৈকে যাব নালাগে আৰু তেতিয়া কৃষকে উচিত মূল্যও পাব। অধ্যক্ষ মহোদয়, হৰেণ মহন্ত নামটো উল্লেখ কৰি, এজনৰ নামটো উল্লেখ কৰি দিলে কথাবিলাক হুলস্থুল লাগি যায় কিন্তু মই ভাল পাইছো আমাৰ চৰকাৰৰ দিনত অন্তত নাম বিলাক মহন্ত, বড়ো, কলিতালৈকে আহিছে, এইটো এটা বেলেগ কথা। সমাধানৰ ৰাস্তা দিব লাগিব যে চুপাৰী proccessing Industry ইয়াতে কৰক যাতে অসমৰ পৰা চুপাৰী ওলাই যাব নালাগে। কিন্তু আপোনালোকেও বিচাৰে যে ব্যৱস্থাৰ পৰিৱৰ্তন নহওঁক। আজি তাৰ কাৰণে মোক বহুতে বেয়া পাব। চুপাৰী ট্ৰাকত কোনোবাই টকা ল'ব পাৰে। চুপাৰী যেতিয়া ওলাই যায় ধুবুৰীৰ পৰা শদিয়ালৈকে মইতো বৈ থাকিব নোৱাৰো। হাজাৰখন নাকা আছে, হাজাৰটা checking হয় ।আজি যদি মই PMAY ৰ ঘৰত GRS সকলক কৈ থাকিলোহেতেন, আপোনালোকে পইচা নল'ব, নহ'লে আপোনালোকৰ ওপৰত action ল'ম। এটা দুটা action ল'লো মই কিন্তু ব্যৱস্থাৰ পৰিৱৰ্তন কৰিলো। মানুহে নিজৰ ঘৰত GI ফিটিং নিজে কৰি ল'ব, তেতিয়া পইচা কোনেও খাব নোৱাৰে। নিজৰ পৰাটো পইচা নিজে ল'ব নোৱাৰে। আজি ব্যৱস্থাৰ পৰিৱৰ্তনৰ পৰামৰ্শটো কোনেও নিদিলে। এজন সদস্যইও নক'লে যে চুপাৰী ওলাই কিয় যাব লাগে, বৰাকৰ চুপাৰী বৰাকতে ব্যৱহাৰ হওঁক। মই মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ লগত কথা পাতিছিলো, তেওঁ মোক বুজাইছিল যে চিকনা হয়, কিবা হয়। হৰেণ মহন্তৰ ট্ৰাকখন কোনোবা কাণপুৰত যায়, কোনোবা পাঞ্জাবত যায়, সেই উদ্যোগী কেইটাক ইয়াতে মাতি আনি ইয়াতে ব্যৱস্থাটো কৰি কিয় শেষ কৰি নিদিওঁ। সমাপ্ত কৰাটো কোনেও ইচ্ছা নকৰে। মই যদি পইচা ল'লোহেতেন বা আমাৰ চৰকাৰ খনে যদি পইচায়ে ল'লেহেতেন এই ফেক্টৰী দুটাত কিয় MoU

কৰিব দিলোহেতেন। তেওঁলোকে নিজে কৈছে এজনে ২০ কোটি, এজনে ১৩ কোটি আৰু এজনে ৬০ কৌটি টকা ব্যয় কৰিব আৰু ইয়াত তেওঁলোকে উদ্যোগ স্থাপন কৰিব। যদি আমাৰ চৰকাৰখন দোষী হ'লহেতেন, তেন্তে আমি MoU নকৰিলোহেতেন। আমিতো এইবিলাকত যোৱা নাই অধ্যক্ষ মহোদয়। এইখন চৰকাৰক যদিdiscredit কৰে অধ্যক্ষ মহোদয় অসমৰ নিবনুৱা যুৱক-যুৱতী সকলে এটা কথাই বুজি পাব যে এওঁলোকে আকৌ ৰাকেশ পালৰ appointmentৰ দিনলৈকে ঘূৰি যাব খোজে। এওঁলোকে আকৌ গড় হত্যাৰ দুৰ্ভগীয়া দৃশ্যবোৰ চাব খোজে। নিৰ্বাচনৰ আগত অন্তত মুখ্যমন্ত্ৰী, বনমন্ত্ৰীয়ে কোৱা আছিল যে নিৰ্বাচন আহি আছে গড় যাতে নমৰে দেই নিৰ্বাচন আছে। তাৰ পিছতো সংখ্যাটো বাঢ়ি বাঢ়ি গৈ আছিল, ইয়াতকৈ ডাঙৰ ছিণ্ডিকেট কিবা হ'ব পাৰে নেকি? ম্যানমাৰৰ পৰা চুপাৰী সদায় আহে, এক ট্ৰাক চুপাৰীটো ধৰিব পাৰিব লাগিছিল। আজি ছিণ্ডিকেট কৰা মানুহবিলাকে যেতিয়া গুলী খায়, তেতিয়া ইয়াত সদনত হুলস্থুল কোনে কৰে, বিৰোধী পক্ষই কৰে নে আমি কৰো। অলপ অলপ যদি পুলিচৰ লগত মতভেদ হয়, পুলিচে উপায় নাপায় গুলী কৰিবলগীয়া হয়, আপোনালোকে পুলিচক এনেকৈ condemn কৰে যে পুলিচ demoralize হৈ যায়। আপোনালোকে নিজৰ statement বিলাক মনত পেলাওঁক। মই যেতিয়া ৩ বছৰ চুপাৰী বন্ধ কৰি থৈ দিছিলো আটাইতকৈ হুলস্থুল কোনে কৰিছিল। আটাইতকৈ হুলস্থুল কৰি থকা বিধায়ক সকল কোন কোন আছিল? তেতিয়া মই ক'ব লাগিব যে heavy পইচা তেওঁলোকৰ ঘৰতে গৈছিল বুলি। কিন্তু মই ক'ব খোজা নাই কাৰণ CPMৰ পইচাটো ইমান heavy নহ'ব। ৫০০০ বা ১০০০০ হ'ব পাৰে। সেইকাৰণে মই ইমান দূৰলৈ যাব খোজা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি আপোনালোকে চিন্তা কৰিব যে আমাৰ চৰকাৰৰ দিনত আজি এই বছৰতে ১৮ হাজাৰ কেচ illicitly liquor ধৰিছো। আমাৰ চৰকাৰৰ দিনত সৰ্বমুঠ ১ জানুৱাৰী ২০২৪ চন পৰ্য্যন্ত ৩ লাখ লিটাৰ illegal liquor ধৰিছো আৰু destroy কৰিছো। ২০১১ চনৰ ২০১৫ চনলৈ কিমান লিটাৰ চুলাই ধৰিছিল, কিমান যে compromise হৈছিল সেই সময়ত। ২০১১-১৫ চনৰ ভিতৰত মাত্ৰ ৯৫০ লিটাৰ চুলাই ধৰিছে বা illicitly liquor ধৰিছিল। আজি against 950 litre we have confiscated 3 lakhs litre. এইখন চৰকাৰক আপোনালোকে সমালোচনা কৰে। অধ্যক্ষ মহোদয়, গৰু চোৰাং সৰবৰাহ ৪৩০০ মানুহক গ্ৰেপ্তাৰ কৰিছো আৰু যদি আপোনালোকে মোক সোধে যে নহয় আগৰ চৰকাৰেওটো ব্যৱস্থা লৈছিল। ২০১০ চনৰ পৰা ২০১৬ চনৰ ভিতৰত একেধৰণৰ পেপাৰত বাতৰি ওলাইছিল কেইজন মানুহক গ্ৰেপ্তাৰ কৰিছিল কংগ্ৰেছ চৰকাৰৰ দিনত। সেই সময়ত মাত্ৰ ৭৭ জনক গ্ৰেপ্তাৰ কৰিছিল। তাৰ বিপৰীতে আমি গ্ৰেপ্তাৰ কৰিলো ৪৩০০ জন। আজি কোনেও telescope লৈ যাওঁক পশ্চিমবংগৰ পৰা অসমলৈ এটা গৰু সোমাব নোৱাৰিব except milking cow. খেদি খেদি পুলিচে মানুহক ধৰিছে আৰু ধৰিব যাওঁতে তাতে দুই এটা মানুহ মৰিছে। এইখন চৰকাৰক আপোনালোকে সমালোচনা কৰে। তাৰমানে এইবোৰ কৰিব নালাগিছিল, মইও compromise কৰিব লাগিছিল। ২৫ টাৰ লগত ১০ শতাংশ every year গঁড় হত্যা বাঢ়ি গল, মই ক'ব লাগিছিল ১০ শতাংশটো বাঢ়িবই, GDP ও বাঢ়িছে। এতিয়া ৭৭ টা কংগ্ৰেছ চৰকাৰৰ দিনত arrest হৈছিল, গতিকে আমি ২০০ টা কৰিছো, but we have arrested 4300.

অধ্যক্ষ মহোদয়, আপোনালোকে কয়লাৰ কথা কৈ থাকে, আচলতে ২০১০ ৰ পৰা ২০১৫ চনলৈকে কয়লাৰ smugling ৰ ক্ষেত্ৰত এজন ব্যক্তিকো arrest কৰা হোৱা নাই। তাৰমানে ২০১০ ৰ পৰা ২০১৫ লৈ বেলতলা বজাৰখন নাছিল নেকি? এজন ব্যক্তিকো arrest

কৰা নাছিল। আমাৰ চৰকাৰৰ দিনত we have arrested 228 person and we recovered 3.3 million metric tonnes of coal. আগত কিমান আছিল, Nil.মই সৰুৰ পৰা ডাঙৰ হোৱালৈকে দেখিছো কয়লাৰ গাড়ী গৈয়ে থাকে, এজন ব্যক্তিকোতো arrest কৰা নাছিল।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা,পূৰ) ঃ** Mining তাত legal আছিলে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** এতিয়া কি illegal হৈ আছে নেকি? অধ্যক্ষ মহোদয়, কেনেকৈ justify কৰিছে, দেখিছে যে legal mining চলি আছিল তেতিয়া ২০১০ ৰ পৰা ২০১৫ লৈকে। মেঘালয়ৰ Green Tribunal order খন চাই লওক। পিছত আপুনি withdraw কৰিব। অলপ জিভাত সোৱাদ আছিল নেকি, সেইকাৰণে সকলোৱে defend কৰি আছে। এজন ব্যক্তিকো arrest কৰা হোৱা নাছিল। আমি ৩ লাখ মেট্ৰিকটন, ৩.৩ মিলিয়ন, যাক কয় ৩৩ লাখ মিলিয়ন মেট্ৰিকটন কয়লা আমি confiscate কৰিছো। We have arrested 228 person.আজি কাৰ কথা আপোনালোকে কৈ আছে? কাক আপোনালোকে আঙুলি টোৱাই আছে? হয়, ওমৰাংচুত ঘটনা ঘটিছিল। আজি rat mining illegal আছে। ২০১৪ চনৰ পৰা rat mining আৰম্ভ হৈছিল, মই গম পোৱা নাছিলো। এতিয়া আমি প্ৰযুক্তি আনিছো, satellite আনিছো। এতিয়া এটাও যদি rat mining হয়, satellite ৰ পৰা আমি গম পাম, অসমত আমি rat mining হ'বলৈ নিদিওঁ। কিন্তু আজি আমি কৈছো আমাৰো যদি দোষ আছে, আমি Justice Anima Hazarika ৰ কমিটি কৰিছো। আমাৰ যদি কোনোবা ৰাজনৈতিক নেতা বা অফিচাৰ আমাৰ link ত আছে, let her take action.আমি কাকো protect নকৰো। আজি ৰূপজ্যোতি কূৰ্মীৰ সৰু ঘটনা এটাত, BJP has not defended him.This is our culture. যদি কোনোবা আছে, let law take action.আমি অনিমা হাজৰিকা ডাঙৰীয়াণীক কৈছো যে আপুনি পুৰা তদন্ত কৰক। কোন চনত rat whole হৈছিল, কেতিয়া হৈছিলে and if any one of us is also involved, you take action. কিন্তু আপোনালোকে কংগ্ৰেছৰ দিনত চাওক, এটাওতো action হোৱা নাছিল। আমিতো চেষ্টা কৰি আছো।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানি আচৰিত হ'ব, কংগ্ৰেছ চৰকাৰৰ দিনত কোৰ্টত মানুহৰ শাস্তিয়ে নহৈছিল। অসমত conviction rate was only 6%.Compromise অকল সন্মুখত হোৱা নাছিল, end to end compromise আছিল। আজি আমাৰ চৰকাৰৰ দিনত যোৱা ৪ টা বছৰত আমি conviction rate 25% ৰ ওপৰত লৈ গলো। BMS ত it has crossed 30% আৰু ক'ত আমি compromise কৰিছো। কেতিয়া আপোনালোকে শুনিছে যে পৰীক্ষা হোৱাৰ পাছত OMR release কৰি দিয়া। পৰীক্ষা হোৱাৰ পিছতে answer key release কৰি দিয়া। ক'ত আপোনালোকে শুনিছে? আৰু এইখন চৰকাৰক যদি আপোনালোকে demoralize কৰিব চেষ্টা কৰে, কোন demoralize হ'ব? যিসকলে কাজিৰঙাত অতন্দ্ৰ প্ৰহৰীৰ দৰে কাম কৰি আছে, যিসকলে দিনে নিশাই দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিব চেষ্টা কৰি আছে, আপোনালোকে তেওঁলোকক demoralize কৰিব। হয়, আপোনালোকে ক'ব পাৰে যে ইয়াতকৈ আৰু হ'ব লাগে। I will accept, যে হয়, গতি আৰু বাঢ়িব লাগে but we have made the beginning.কোনো কথা নাই, মানুহ পাগল হ'ব নেকি যে মোৰ ঘৰৰ

তামোল, মোৰ ঘৰৰ পান, মই মানুহক টকা দিম আৰু এজন মানুহে পুলিচ কেচ নিদিব? কোনোবা মানুহে যদি মনোৰঞ্জন তালুকদাৰক অভিযোগ দিয়ে, দেৱব্ৰত শইকীয়াক অভিযোগ দিয়ে, সেই মানুহজনে পুলিচত গৈ কিয় অভিযোগ নিদিব? মই মুখ্যমন্ত্ৰী, মই সকলো কথা গম নাপাওঁ, যদি আপোনালোকে মোক অভিযোগ দিয়ে তথ্যসহকাৰে, মই প্ৰত্যেকটো ঘটনা তদন্ত কৰিবৰ কাৰণে সাজু আছো, ইয়াত কোনো কথা নাই। কিন্তু মই বিশ্বাস কৰো, যদি কৰবাত দূৰ্নীতিৰ বিৰুদ্ধে যুজিব লাগে, system টোক attack কৰিব লাগিব।

আজি ADRE ইমাল ডাঙৰ result হৈ গল, এটা লৰাওতো কোৰ্টত যোৱা নাই।That is the confidence we have.কিয় নাই যোৱা লৰা-ছোৱালী? আজি অসমৰ এইখন চৰকাৰ, যাৰ ওপৰত ৰাইজৰ অটুট বিশ্বাস আছে, জানে এওঁলোকে compromise কৰিব অহা নাই। মইতো প্ৰত্যেক পৰ্য্যায়ত লাগি থাকো যে আমি এনেকুৱা এটা দিন বিচাৰি উলিয়াব লাগিব যিটো দিনত অসমত চৰকাৰী আঁচনিৰ নামত কোনো এটা টকাও খাব যাতে নোৱাৰে। আজিও মই successful হোৱা নাই। কাৰণ অসমত বহুত এলেকা আছে, আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত। আজি এনেকুৱা অলপ আগতে ইয়াত আপত্তি কৰি আছিলে, আপোনালোকে pattern চাব। সেইদিনাখন বাইক চুৰি কৰা সকল কোন আছিল? প্ৰশ্ন পেপাৰ এখন লিক হ'লে কোন বিলাক ঠাইৰ পৰা লিক হয়, আজি আপোনালোকে pattern চাব আৰু এই গোটেই মানুহবিলাকৰ যদি নাম আৰু ঠিকনা ওলায়, তাতো আপোনালোকে এটা pattern দেখা পাব। আমি বহুত কৰিব বাকী আছে। আজি মই যাতে কৰিব নোৱাৰো, আজি হাই কোৰ্টত কেচ দিব যে কেনেকৈ encounter হ'ল, একেজন মানুহে supreme court ত যাব যে কেনেকৈ encounter হ'ল, পুলিচক যেনেতেনে, নিজৰ কাম যাতে পুলিচে কৰিব নোৱাৰে, পুলিচক বান্ধাৰ কাৰণে কিমান প্ৰচেষ্টা হাতত লোৱা হৈছে। কিন্তু আজি অসমত পুলিচ শক্তিশালী হৈ থকাৰ কাৰণে আজি প্ৰত্যেকটো পৰ্য্যায়তে ঘৰখনৰ পৰা মহিলাৰ বিৰুদ্ধেও অত্যাচাৰৰ গোচৰ আজি সকলো নিম্নগামী হৈ গৈ আছে।

আজি আপোনালোকে দেখা পাব যে যি অসমত প্ৰতি ২০১৪ ৰ পৰা ২০১৬ চনলৈকে ১.২ লাখ কেচ register হৈছিল, আজি আমাৰ অসমত ৪০,০০০ কেচো register নহয়। কোনোবাই ক'ব পাৰে, কেচ register কৰিব নিদিয়ে, murder case এটা register নোহোৱাকৈ থাকিব পাৰিব নেকি? ৰেপ কেচ এটা register নোহোৱাকৈ থাকিব পাৰিব নেকি?

অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰৰ দিনত ১ কোটি ৭৫ লাখ লোক অকল সেৱা সেতুৰ পৰাই নিজৰ service তেওঁলোকে লাভ কৰিছে। আজি আপোনালোকে যদি চাব খোজে যে ২০১১ ৰ পৰা২০১৫ চনৰ ভিতৰত মাত্ৰ ১৩ জন চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে দূৰ্নীতি গোচৰ হোৱা হৈছিল। আজি সেই সংখ্যা ২৪২ হৈছে, ৭.৮৬ কোটি। ২০২১ ৰ পিছত আমি ধৰিব পাৰিছো, ২০১৬ ৰ হিচাপটো অনা নাই। তেতিয়া আৰু আগত কোৱাৰ দৰে ই আকৌ বাঢ়ি যাব, আৰু ২১৩ টা track কেছত আজি আমি ১৪১ টা কৈ charge sheet কৰি দিছো। আমি ৰখিয়েই থকা নাই, অধ্যক্ষ মহোদয় আজি আমি চৰকাৰৰ প্ৰত্যেকটো বস্তু জেম ত কিনো। অসমৰ বাতৰি কাকত সমূহত ধুতী, কম্বল কিনাক লৈ কিমান দূৰ্নীতিৰ কথা আছিল। আজি কালি আমি অসমত প্ৰত্যেকটো procurement জেমত যাওঁ। জেমত গৈ portal কৰো, জেমত আমি কিনো, কোনোৱে ক'তো হস্তক্ষেপ কৰিব নোৱাৰে। স্বচ্ছতা ইমান উদাহৰণ আগত কোনে কৰিছিল?

অধ্যক্ষ মহোদয়, এইবাৰ মই posting ত, মানুহে transfer posting ত টকা লৈছিল। এই বাৰ posting টো মই portal কৰি দিছো, যে আপোনালোকে আবেদন কৰক। যাৰ য'ত যেনেকে মিলে তেনেকে transfer কৰি লওঁক। দূৰৰ জিলালৈকে লাগে, ওচৰৰ জিলালৈকে লাগে mutual কৰি ঘুৰি আঁহক। ইয়াৰ ফলত আমাৰ ৰাজনৈতিক ক্ষতিও হৈছে। ১০লাখ নিযুক্তি যেতিয়া হয়, বিধায়ক সকলে এটাও নাম দিব নোৱাৰো । আমাৰ ৰুলিং পাৰ্টীৰ বিধায়কে যেতিয়া এটাও নাম দিব নোৱাৰে, আজি transfer যেতিয়াportal ত হ'ব বিধায়ক সকলে এটাও নাম দিব নোৱাৰিব। আপোনালোকে নিজে ৰাজনীতি কৰি অহা মানুহ। ৰুলিং পাৰ্টীৰ বিধায়কে, বিৰোধী দলৰ বিধায়কেটো ক'ব পাৰে যে মই বিধান সভাত মুখ্যমন্ত্ৰীক গালি দিছো, মুখ্যমন্ত্ৰীয়ে মোৰ কাম নকৰে। কিন্তু ৰুলিং পাৰ্টীৰ বিধায়ক এজনে এইটো কথা ক'ব নোৱাৰে। আজি কোনে অসমত স্বচ্ছতাৰ এক নতুন আন্দোলন নিৰ্মাণ কৰিছে? আৰু আপোনালোকে মোকে অভিযোগ দি আছে। আজি transfer posting লৈকে, মে' মাহত transfer panchayat election নহ'লে April তে ওলালেহেতেন। মে' মাহত transfer posting ওলাব। 8000 transfer order একেদিনাই ওলাব। কোনোৱে নিজে গম নাপাব যে মোৰ transfer হৈছে। কিন্তু তেওঁলোকে যেনেকে বিচাৰিছিল তেনেকে হ'ব Computer AI কথা কৈছে, AI আৰু Computer ৰ জৰিয়তে transfer order উলিয়াই দিম। দূৰ্নীতি কৰিব ইচ্ছা থাকিলেহেঁতেন যদি মই এইবোৰ কৰিলো হয় নেকি ? এটা দৰত ১০ কোটি মান টকা হয়, ১০ কোটিটো কমেই। যেতিয়া আমাক interrogation ত কয়, মইটো প্ৰথমবাৰ মুখ্যমন্ত্ৰী হৈছো। তৰুণ গগৈ ডাঙৰীয়া তৃতীয়বাৰৰ মুখ্যমন্ত্ৰী । ৰকিবুল হুছেইন তৃতীয়বাৰৰ বন মন্ত্ৰী , তেওঁলোকে গড় হত্যা ৰোধ কৰাটো সাধাৰণ কথা আছিল। কিয় কৰা নাছিল ? তাৰ উত্তৰ ৰকিবুল হুছেইন ডাঙৰীয়াক সুধিলে তেওঁ নীলা ফাইল দেখুৱাব আৰম্ভ কৰে, তাতো ব্লেকমেইল। কিবা এটা নীলা ফাইল এটা লৈ ফুৰে। আৰু নীলা ফাইলত কি বস্তুটো আছে, উলিয়াইটো দে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মহোদয়, ভিতৰটো নীলা নেকি ?

**ড০ হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী)** ঃ ভিতৰটো নীলা হ'ব পাৰে। কি আছে, তেওঁলোকে জানিব।যেতিয়া গড় হত্যাৰ কথা ক'ব, নীলা ফাইলটো দেখুৱাই দিয়ে। এবাৰটো ৰাজহুৱা ভাবে ক্ষমা খোজ। যে হয় বি জে পি চৰকাৰে অন্তত আমি কৰিব নোৱাৰা কাম এটা কৰি দিলে। আমি কংগ্ৰেছ দলৰ পৰাটো ক'ব পাৰে এটা কথা ক'লে, আলোচনাৰ উৰ্দ্ধত গুছি যায় যে হয় আমাৰ দিনত আমি নিয়ন্ত্ৰণ কৰিব পৰা নাছিলো, আপোনালোকে নিয়ন্ত্ৰণ কৰিব পাৰিছে। অধ্যক্ষ মহোদয়, মই দুটা কথাই আশ্বাস দিছো যে Umrangsu ৰ ঘটনাৰ ওপৰত আমি মানুহখিনিক ৪৫ দিনত rescue কৰি অন্তত পৰিয়াল কেইটাক আমি মৃতজনৰ শৰীৰ ওভতাই দিবৰ কাৰণে সক্ষম হৈছো। ১০ লাখ টকাকৈ ক্ষতিপুৰন দিছো আৰু মই বিশ্বাস কৰো যে judicial inquiry জৰিয়তে High Court ত PIL লৈছে। হাইকোৰ্টে লক্ষ্য কৰি আছে , আমাৰ কোনো আপত্তি নাই। উচ্চ ন্যায়ালয়ে আমাক যেনেকৈ নিৰ্দেশ দিয়ে কংগ্ৰেছ দলৰ বিৰোধী দলপতি ডাঙৰীয়াই উচ্চ ন্যায়ালয়ত গৈছে। যিহেতু তেওঁলোকে উচ্চ ন্যায়ালয়ৰ এটা Platform বাছি লৈছে। মোৰ ফালৰ পৰা কোনো অভিযোগ নাই, উচ্চ ন্যায়ালয়ে যি কয়, Justice Anima Hazarika ৰ কমিটিয়ে যি কয়, আমি মানি লম। যাৰ ওপৰত যেনেকৈ action ল'ব দিয়ে আমি মানি ল'ম। কাৰণ তাত ঘটনাটো হৈছে, অস্বীকাৰ কৰি লাভ নাই, যিহেতু ঘটনাটো হৈছে, somebody has to be accountable . আমাৰ ক'তো আপত্তি নাই। চুপাৰীৰ ক্ষেত্ৰত মোৰ আগ্ৰহ হ'ব উদ্যোগ মন্ত্ৰী ডাঙৰীয়াকো

মই অনুৰোধ কৰিম, যেনে তেনে আমি চুপাৰীৰ processing টো অসমত কৰিব লাগে,যাতে এই chapter বিলাকেই নোহোৰা হৈ যায়। যদি হাউলীটো চুপাৰী processing ৰ ফেক্টৰী আহি যায়, অভিযোগেই নোহোৰা হৈ যাব। মই টো কম যে মনোৰঞ্জন তালুকদাৰ, হৰেণ মহন্ত মিলি আপোনালোকে ফেক্টৰী এটা খোলক। আপোনাৰ share নাথাকে, CPM য়ে টো শ্বেয়াৰ ল'ব নোৱাৰে। কিন্তু স্থানীয় বিধায়ক হিচাবে মাটিবাৰী দেখুৱাই দিয়ক। মানৰ ডেকাৰ habit টো বা কি? CPM ৰ habit টোৰ লগত মানৰ ডেকাৰ যে habit নিমিলিব। মই এইটোকে কৈছো, যে এজন ব্যক্তিৰ লগত লাগি থাকিলে সাধাৰাণতে এনেকুৱা এটা ধাৰণা হয়। মই আজি আৰু ক'ব খোজা নাই ,কেতিয়াবা কেতিয়াবা বাতৰি কাকতত দেখিব এজন ব্যক্তিৰ ওপৰত বিশেষকৈ অসমৰ এখন বাতৰি কাকতত, ক্ৰমাংক ১,২,৩ ৰ ভিতৰত ৪ টো নোহোৰা হৈ যায়। নামটো কৈ দিলেই rate টো বাঢ়ি যায়। সেই কাৰণে মই এইটো চক্ৰুতেই নাই। মোৰ কথা হ'ল systematic improvement হ'ব লাগে। চুপাৰীটো কোনো বেয়া বস্তু নহয়। ইয়াৰ যদি উদ্যোগ অসমত হ'ব পাৰে, ইয়াতেই পাণ-মচলা বনাব পাৰে বা ইয়াতেই আন বস্তু বনিব পাৰে ,সমস্যা ইয়াতেই সমাধান হৈ যাব। processing ইয়াত হ'ব লাগে আৰু আমি সেই ৰাস্তাতেই আগুৱাই গৈ থাকিম। মই সদনক আশ্বাস দিছো যে যদি কিবা specific case আছে, আমি তদন্ত কৰিম আৰু অন্যথাই আমি ভাবো, যে আগৰ চৰকাৰ বিলাকৰ তুলনাত যথেষ্ট্যখিনি কাম কৰিছো। কিন্তু কৰিবলৈ আৰু বাকী আছে। হাতত এবছৰ সময় আছে। নিৰন্তৰ আমি কাম কৰি গৈ থাকিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা clarification আছে, মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা, তেওঁ যিখিনি সদৰ্থক ভাৱে achievement ৰ কথা কৈছে, তাত মোৰ কোনো বিৰোধ নাই। ধন্যবাদ, কিন্তু চুপাৰীৰ industry হ'ব, হাউলীত হ'ব বা অসমত হ'ব, এইটো মই আদৰণী জনাইছো। it will take time একে সময়তে এই যি সকলে racket চলাই আছে, মোৰ অনুৰোধ এই racket টো বন্ধ কৰক। তেওঁলোকে যাতে চলাব নোৱাৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক অনুৰোধ কৰিম যে আপুনি মোক লিখিত ভাবে এখন দিয়ক । আজি মই এটাই কথা কৈছো, লিখিত ভাৱে দিলে, তেওঁলোকেওঁ এখন লিখিত ভাৱে দিব। গতিকে গোটেই ঘটনাখিনিৰ তদন্ত কৰিব লাগিব আৰু আপোনাক মই অনুৰোধ কৰিম যিহেতু সাধাৰণতে এজন বিধায়কে নাম বিলাক নাজানে, আপুনি যিহেতু গোটেইখিনি জানে, গতিকে আপুনি সকলোৰে নামখিনি সন্নিবিষ্ট কৰি আপুনি এজাহাৰ এখন দিয়ক ।আমি action টো ল'ম। খালী এই action টো গৈ কোনফালে ক'ত গতি কৰে, তেতিয়া আৰু মোক কৈ লাভ নাই।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** তাত আমাৰ কোনো আপত্তি নাই। আমি এই ক্ষেত্ৰত clean আমাৰ কোনো ভয় খাব লগা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আবুল কালাম ৰশিদ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীক মই ধন্যবাদ জনাইছো আৰু বিশেষকৈ যিহেতু এই সদনত তিনি জনৰ নাম স্পষ্টকৈ আহিছে, নিশ্চয় তেওঁ inquiry টো কৰিব। এতিয়া যদি লিখিত দিব লাগে, দিয়ক তেওঁ আমাৰ তাত কোনো বাধা নাই। যিহেতু সদনত আহিছো, মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাম সেই তিনিজনক inquiry ৰ আওঁতাত আনিব লাগে, আৰু অধ্যক্ষ মহোদয় এটা tape-record উলিয়াইছে, য'ত নেকি আমাৰ

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নাম লৈছে এজন ল'ৰাই, আৰু আমাৰ সন্মানীয় মন্ত্ৰী পীযুষ হাজৰিকা দেৰৰ নাম লৈছে। সেই ল'ৰাজনকো inquiry ৰ আওঁতাত আনিব লাগে আৰু মেঘালয়ৰ পৰা আজিও যিটো কয়লা আহি আছে, সেই দিনা মুখ্যমন্ত্ৰী মহোদয় নাছিল, সেই উত্তৰটো মই পোৱা নাই। যিটো মেঘালয়ৰ নাঙলৰ পৰা কয়লা আহি আছে। এতিয়া মই কম অসমত সোমোৱাৰ লগে লগে সেই কয়লা গাড়ীৰ পৰা Govt. revenue ল'ব লাগে চালানৰ পৰাও যদি আহি আছে, সেই উত্তৰটো মই নাপালো। সেই কয়লা গাড়ীৰ পৰা ------

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ যদি কিবা specific থাকে, লিখি দিয়ক।

**ড° আমিনুল ইছলাম, (কণিষ্ঠ, মানকাচৰ) ঃ** মোৰ এটা line ক'ব আছিল । সেইদিনাখন মুখ্যমন্ত্ৰীয়ে যি বক্তব্য ৰাখিলে আমি ভালকৈ শুনিলো। তেখেতে বহুত ভাল পদক্ষেপ হাতত লৈছে এই বিষয়ত সেইটো সমৰ্থন কৰিছো। বিশেষকৈ ড্ৰাগছ্, ৰেছন কাৰ্ড, ক্ৰাইম, employment etc. ৰ ক্ষেত্ৰত বহুত ভাল পদক্ষেপ হাতত লছে। সেইদিনা মই বক্তব্যত ৰাখিছিলো যে দক্ষিণ শালমাৰা, মানকাছাৰ জিলা বা গোৱালপাৰা বা নামনী অসমৰ যিখিনি অঞ্চল তাৰ লোকেল চুপাৰীখিনি হৈছে মেঘালয়ত উৎপাদন হোৱা। চাৰিখন জিলাৰ লোকেল চুপাৰী, আমাৰ যি ছিণ্ডিকেট কথাটো পুলিচ বাহিনী বা বিভাগৰ হাতত নাই। আমি এই খবৰ পেপাৰ বা মিডিয়াৰ জৰিয়তে পাই থাকো। এই ছিণ্ডিকেট প্ৰক্ৰিয়াটোৰ জৰিয়তে কেঁচা চুপাৰীখিনি বেংগললৈকে গৈ আছে। আমি যেতিয়া বৰাক ভেলী ভ্ৰমণৰ কাৰণে গৈছিলো তাৰ স্থানীয় কৃষকসকলে কৈছিল যে আমাৰ লোকেল চুপাৰীখিনি যাব দিব লাগে। সেই কথাটো আমি উৎথাপন কৰিছিলো। মোৰ সমষ্টি মানকাছাৰৰ ৫০ ৰপৰা ৬০ হাজাৰ মানুহ চুপাৰী কটা, চুপাৰী কিনা, চুপাৰী শুকুৱা, চুপাৰী ৰং কৰা, পেকেজিং কৰা, godown কৰা ইত্যাদি বিভিন্ন কামত জৰিত হৈ আছে। কেঁচা চুপাৰীখিনি বেংগললৈকে গ'লে তাত processing হ'লে আমাৰ ইয়াত নিবনুৱা সমস্যাৰ সৃষ্টি হ'ব। গতিকে কেঁচা চুপাৰীখিনি যাতে আমাৰ ইয়াতেই process কৰে তেতিয়া আমাৰ মানুহখিনিয়ে কাম পাব। সেয়ে কেঁচা চুপাৰী যাতে অসমতে উৎপাদন হয়, তাৰ বাবে তেওঁ যি উদ্যোগৰ কথা কৈছিল সেয়া যাতে আমাৰ অসমতে হয় ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো ৫০ নং উমৰাংছুৰ বিষয়ত আছিল, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিছু প্ৰশ্নৰ উত্তৰ দিলে কিন্তু মই তোলা আটাইখিনি প্ৰশ্নৰ উত্তৰ নিদিলে। তেওঁ কৈ গ'ল যে it cannot be controlled যে কোনোবাই পইছা ল'ব পাৰে বা ছিণ্ডিকেট থাকিব পাৰে। তেখেতে যিহেতু কথাটো কৈছে, গতিকে যদি তদন্ত কৰে আমি আদৰণি জনাম। মই বিশেষকৈ উঠাইছিলো উমৰাংছুৰ কথা যে ২০২০ চনত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ সময়ত Justice B.P. Kataki ক যি তদন্ত কৰিবলৈ দিয়া হ'ল আৰু যি report আহিলে সেই Report ৰ পৰৱৰ্ত্তী সময়ত এই বিধানসভাত আমি প্ৰশ্নৰ উত্তৰ পাইছো যে Assam Mineral Development Corporation ৰ হাতত কোনো ধৰণৰ কয়লা খনি নাই, কিন্তু তেওঁলোকে প্ৰত্যেক বছৰে অসম চৰকাৰক royalty দি আছে। গতিকে তেওঁলোকে যে illegal কাম কৰি আছে সেইটো প্ৰমাণিত হ'ল। দ্বিতীয়তে মই যিটো কৈছিলো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে তেওঁ গোটেইখিনি নাজানে, কিন্তু শেহতীয়াকৈ যি Affidavit অসম চৰকাৰৰ ফালৰ পৰা গুৱাহাটী হাই কৰ্টক দিয়া হৈছে তাত স্পষ্ট ভাৱে কোৱা হৈছে যে এখন State level Monitoring Committee কৰা হৈছে to monitor illegal coal mining storage, transportation of coal and police action against ille-

gal miners, transporters on ২০২২ চনৰ ৩০ মে' আৰু ২১-০৬-২০২২। এই দুইখন Chief Secretary, Assam আৰু One is headed by DGP. যোৱা সময়ছোৱাত ইয়াত কি কাম হ'ল সেইখিনিও কোৱা নাই। ইয়াৰ উপৰিও Affidavit ত অসম চৰকাৰে Gauhati High Court ক কৈছে যে ২৬-০৬-২০২৩, ০৯-১১-২০২৩, ০৯-১১-২০২৪ এই গোটেই বিলাকত প্ৰত্যেকখন জিলাৰ DC আৰু SP বিলাকক to take cogninace of the reported operational illegal rat-hole mining in the concerned districts. এই ক্ষেত্ৰত DC, SP সকলৰ ক্ষে ত্ৰত কোনো ধৰণৰ ব্যৱস্থা লোৱা নহ'ল আৰু উমৰাংছুৰ কাণ্ড হ'ল। সেই কাৰণে উত্তৰ স্পষ্ট ভাৱে নাহিলে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ কথা খিনি শুনিবলৈ সময় নাই, তেখেত গুছি গৈছে। আপোনাক মই এই তথ্যখিনি দি আছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহুখিনি পজিটিভ কথা ক'লে। আমি ভাল পাইছো। কেঁচা চুপাৰীৰ প্ৰচেছিং ইউনিট এটা যাতে বৰাক ভেলীত হয় তাৰ বাবে মই সদনত বিষয়টো উত্থাপন কৰিলো।

**শ্ৰী সুজাম উদ্দিন লস্কৰ, কাটলিছড়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰাক ভেলীত তিনিখন জিলা আছে য'ত যোৱা তিনি বছৰে লোকেল উৎপাদিত চুপাৰী বন্ধ আছিল, আমি ৭ জন বিৰোধী বিধায়কে মুখ্যমন্ত্ৰী ডাঙৰীয়াক জনাইছিলো আৰু তিনিজন কেবিনেট মন্ত্ৰীয়ে তিনিখন জিলা ভিজিট কৰি এই লোকেল চুপাৰীৰ সমস্যাটোৰ সমাধান কৰিছে। এতিয়া অসমত যিমান জিলা আছে গোটেই ৰাজ্যৰ কেঁচা সামগ্ৰীখিনি যদি বহিঃৰাজ্যলৈ গৈ থাকে সেইখিনি বন্ধ কৰিব লাগে আৰু আমাৰ বৰাক ভেলীত উদ্যোগ দিব লাগে আৰু বৰাক ভেলীৰ তিনিখন জিলাৰ উদ্যোগকেইটা বন্ধ হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দাবী মঞ্জুৰীৰ ওপৰত আলোচনা। শ্ৰী জলেন দৈমাৰী।

**শ্ৰী জলেন দৈমাৰী, তামুলপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলে PWD ৰ ওপৰত যি Cut- Motion আনিছে মই সেইটো বিৰোধীতা কৰি বক্তব্য ৰাখিব বিচাৰিছো। PWD ৰ ওপৰত যি আলোচনা আছিল যে আমি সকলোৱে জানো যে এটা অঞ্চলৰ যদি উন্নয়ন কৰিব লাগে, সঠিক দিশত যদি আগবঢ়াই নিব লাগে, এটা অঞ্চলৰ বাসিন্দাসকলৰ আৰ্থিক উন্নতি হ'ব লাগে, তেতিয়াহ'লে আমাক যথেষ্ট খিনি পথ আৰু দলঙৰ প্ৰয়োজন আছে বুলি মই ভাৱো। এটা সময় আছিল যেতিয়া ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বৰ্তমান যি BTR অঞ্চল আছে তাৰ বাসিন্দাসকলে ভাৱিছিলো যে আমাৰ চৰকাৰ আছে নে নাই ?

( Hon'ble Deputy Spreaker on the Chair )

চৰকাৰে আমাৰ অঞ্চলবোৰৰ বিষয়ে গম পাই নে নাপাই বা দেখিছেনে নাই? সেই সময়ত মানুহ ঘৰৰপৰা ওলাবলৈ ৰাস্তা নাছিল। এই অঞ্চলত বসবাস কৰা ৰাইজে আৰ্থিক ভাৱে সবল হ'বলৈ ব্যৱসায় কৰিবলৈ নদীবোৰ পাৰ হ'বলৈ কোনো দলঙৰ ব্যৱস্থা নাছিল। কিন্তু আজি আমি দেখিবলৈ পাইছো যে সেই অঞ্চলবোৰত পথৰ ভাল ব্যৱস্থা হৈছে, নদীবোৰৰ ওপৰত বিভিন্ন দলং বনোৱাৰ কাৰণে অঞ্চলবোৰত আৰ্থিক উন্নতি হৈছে। যি ৰাস্তা মানুহে তিনি ঘণ্টাত অতিক্ৰম কৰিবলগীয়া হৈছিল আজি সেই ৰাস্তা এঘন্টাতে অহা-যোৱা কৰিব পৰা হ'লো। ইয়াৰ কাৰণে মই চৰকাৰক আৰু অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে আমাৰ বিভিন্ন বিভাগসমূহকো ধন্যবাদ জনাইছো। আজি আমি সমগ্ৰ অসমৰ লগতে BTR অঞ্চলৰ কথাটো ক'ব বিচাৰিছো। যোৱা দিন বোৰত তামুলপুৰ সমষ্টিৰ পৰা গুৱাহাটীলৈ আহিব লাগিলে তিনি ঘণ্টা সময় লাগিছিল।

কিন্তু আজি আমি ডেৰ ঘণ্টাতে গুৱাহাটী আহি পাওঁ। BTR অঞ্চলত আজি চৰকাৰে বিভিন্ন ৰাস্তা- ঘাট বনাই আছে কিন্তু এই ৰাস্তা- ঘাট সমূহ সম্পূৰ্ণ কৰিবলৈ আমাক প্ৰায় চাৰি হাজাৰ কোটি টকাতকৈও অধিক পুঁজিৰ প্ৰয়োজন আছে। ইয়াৰ কাৰণে আজি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে PWD Department ত আৰু দলঙৰ ওপৰত সেইটো ভিত্তিহীন বুলি মই ক'ব বিচাৰিছো কাৰণ আমক পুঁজিৰ প্ৰয়োজন আছে। যদি পুঁজি নাথাকে আমি ৰাইজৰ যিখিনি সমস্যা, পথ বা দলং বনোৱাৰ যিখিনি সমস্যা সেই সমস্যা সমূহ সমাধান কৰিব নোৱাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, যদি এতিয়া অসমৰ কোনোবা ব্যক্তিক সোধে আপোনালোকক পথ লাগিব নে নালাগে বা দলং লাগিব নে নালাগে অসমৰ প্ৰত্যেকজন ব্যক্তিয়ে ক'ব যে আমাক অহা-যোৱা কৰাৰ কাৰণে ৰাস্তা লাগে, দলং লাগে। আমাৰ অসমৰ প্ৰতিজন ৰাইজে ক'ব যে আমাক পথৰ প্ৰয়োজন আছে। ইয়াৰ কাৰণে মই এটা কথায়েই ক'ব বিচাৰিছো আমাৰ বিৰোধী পক্ষৰ সন্মানীয় বিধায়কসকলেও পথ বা দলং নালাগে বুলি কেতিয়াও নকয়। গতিকে সন্মানীয় উপাধ্যক্ষ মহোদয়, আজি আমি দেখিছো যে আমাৰ কোকৰাঝাৰৰ পৰা ওদালগুৰিলৈকে যদি চাওঁ বা সমগ্ৰ অসমত আমি যদি চাব বিচাৰো অসমৰ বিভিন্ন প্ৰান্তত এতিয়াও কিছু পথ নিৰ্মাণ কৰিব লগীয়া আছে। কিছু ডাঙৰ নদীত দলং বনাব লগীয়া আছে। ইয়াৰ কাৰণে আজি অসমৰ ৰাইজে বিচাৰিছে আৰু অসমৰ প্ৰতিগৰাকী ব্যক্তি এতিয়া অপেক্ষাত আছে। এইখন চৰকাৰৰ দিনত পথ বনাইছে, এইখন চৰকাৰৰ দিনত আজি বিভিন্ন দলং বনাইছে যাৰ কাৰণে আজি মানুহে দূৰদুৰণিৰ ঠাইবোৰ আজি এঘন্টা-দুঘন্টাত অতিক্ৰম কৰিব পাৰিছে। ইয়াৰ কাৰণে আজি আমাৰ যিবিলাক অঞ্চল আছে, আজি মানুহে সপোন দেখিছে, আজি আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ কলেজত যাবলৈ, বিশ্ববিদ্যালয়ত যাবলৈ ভাল হৈছে কাৰণ এই ৰাস্তাবিলাক নিৰ্মাণ কৰাৰ পিছত, এই দলং বিলাক নিৰ্মাণ কৰাৰ পিছত আজি আমাৰ অঞ্চলবিলাকলৈ গাড়ী যাবলৈ আৰম্ভ কৰিছে। আজি আমাৰ অঞ্চলবিলাকত বাহিৰৰ পৰা উদ্যোগ আহিবলৈ আৰম্ভ কৰিছে, ব্যৱসায় আৰম্ভ হৈছে। ইয়াৰ বাবে আজি আৰ্থিক দিশত আমাৰ অঞ্চলবিলাক আগবাঢ়ি যাবলৈ সক্ষম হৈছে। তাৰবাবে মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমি আশা ৰাখিম যে লোকনিৰ্মাণ বিভাগ (পথ আৰু দলং) বিভাগৰ বাবে আৰু বেছিকৈ পুঁজি আবন্টন দিব লাগে যাতে অসমৰ ৰাইজে ৰ ৰাস্তা-পদূলিৰ আমাৰ যি সমস্যা সোনকালে আমাৰ চৰকাৰৰ দিনত সমাধান কৰিব পাৰো ইয়াৰবাবে মই বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱ নাকচ কৰি লোকনিৰ্মাণ বিভাগ (পথ আৰু দলং) বিভাগৰ যি বাজেট সেইটো মই সমৰ্থন কৰি মোৰ বক্তব্য সমাপ্ত কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আব্দুল ৰহিম আহমেদ, তেখেতে সদনত অনুপস্থিত। মাননীয় সদস্য শ্ৰী ভূপেন বড়ো, তেখেত ও অনুপস্থিত। মাননীয় সদস্য শ্ৰী নিৰ্মল কুমাৰ ব্ৰহ্ম। তেখেত ও সদনত অনুপস্থিত। এতিয়া মাননীয় সদস্য শ্ৰী পৃথ্বিৰাজ ৰাভা।

**শ্ৰী পৃথ্বিৰাজ ৰাভা, তেজপুৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, লোকনিৰ্মাণ বিভাগৰ যি বাজেট আৱন্টন দিয়া হৈছে তাত বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই দুআষাৰ ক'ব খুজিছো। এই বাজেট জনমুখী কল্যাণৰ বাজেট। নতুন প্ৰজন্মক সুৰক্ষিত কৰি প্ৰতিগৰাকী নাগৰিকক সুৰক্ষা প্ৰদানৰ বাবে এই বাজেট। এই বাজেটত অন্যান্য বিভাগলৈ যিদৰে পুঁজি আবন্টন দিয়া হৈছে লোকনিৰ্মাণ বিভাগকো পুঁজি আবন্টন দিয়া হৈছে। আগতে নোহোৱা-নোপোজা এইখন চৰকাৰৰ দিনত লোকনিৰ্মাণ বিভাগক ১০,৫২৭ কোটি টকা ধাৰ্য্য কৰা হৈছে। কিয় ধাৰ্য্য কৰা হৈছে? আমি যেতিয়া সৰু আছিলো, আমি যেতিয়া কলেজত পঢ়ি আছিলো তেতিয়া জিলাৰ

সদৰ ঠাই, মহকুমাৰ সদৰ ঠাইৰ বাহিৰে ভিতৰুৱা গাঁৱলীয়া অঞ্চলত ৰাস্তা-ঘাটৰ অৱস্থা তেনেই তথৈবচ আছিল। জিলা বুলি কওঁতে জিলাৰ ৰাজধানী বা সদৰ ঠাই বুলি কওঁতে জিলাৰ সদৰ ঠাই বা তাৰ ওচৰে-পাজৰে থকা গাওঁ বা ওচৰৰ বা নিকটবৰ্তী ঠাইখিনিত হে পথ আছিল। বাকীবিলাক ঠাইত পথ নাছিলেই। মই যদি আজি মোৰ শোণিতপুৰ জিলাৰ কথা ক'বলৈ যাওঁ, শোণিতপুৰ জিলাৰ কথা ক'বলৈ হ'লে তেজপুৰ, বিহগুৰী , বালিপাৰা অঞ্চলৰ বাহিৰে বাকী অৰুণাচল বোৰ্ডাৰত বা অন্যান্য ট্ৰাইবেল গাঁৱত ৰাস্তা বা দলং বুলিবলৈ একোৱেই নাছিল। আনকি সেই অঞ্চলৰ মানুহে নদীৰ পানী, খালৰ পানী খাব লগীয়া হৈছিল আৰু বেমাৰত ভুগিবলগীয়া হৈছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিচক্ষণতাৰ নেতৃত্বত আৰু তেওঁ মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছতেই ৰাইজে দেখিছে যে অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে, পাহাৰে-ভৈয়ামে যাতায়াতৰ সুব্যৱস্থাৰ বাবে অসমমালাই হওঁক বা অন্যান্য আঁচনি সমূহৰ জৰিয়তেই হওঁক অসমৰ বাট-পথ দলং আদি নিৰ্মাণৰ কাম চলি আছে। মই প্ৰথমবাৰ বিধান সভালৈ নিৰ্ব্বাচিত হৈ অহাৰ সময়ত মোৰ সমষ্টিৰ বহু ৰাস্তা-ঘাটৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ আছিল। যেতিয়া মই নিৰ্ব্বাচনৰ প্ৰচাৰ কৰিবলৈ গৈছিলো তেতিয়া মটৰ চাইকেল বা অন্য গাড়ীৰে গ'লে ধূলিয়ে চুলি আৰু চেলাউৰি বগা কৰি পেলাইছিল। কিন্তু এতিয়া মোৰ সমষ্টিৰ বহু ৰাস্তা-ঘাট সুন্দৰ হৈ পৰিল। আগৰ কোনো চৰকাৰে ৰাস্তা-ঘাটৰ বাবে এনেধৰণে চিন্তা-চৰ্চা কৰা নাছিল। যাতায়াতৰ সুব্যৱস্থা নাথাকিলে বজাৰ আদি গঢ়ি নুঠিব বা আমাৰ ল'ৰা-ছোৱালীবোৰেও পঢ়া-শুনাৰ সুবিধা লাভ কৰিব নোৱাৰিব। আগতে এখন গাঁৱত এখন বা দুখন চাইকেল আছিল। নলবাৰীৰ বেলশৰ গাওঁ, চামতা গাওঁ সেই গাওঁবোৰৰ মানুহবোৰে যদি নলবাৰী চহৰলৈ আহিব লাগে তেতিয়াহ'লে তেওঁলোকে এখন চাইকেল ভাৰা কৰি বা খুজি গ্ৰেভেল ৰাস্তাৰে পল্লা হৈ আহিব লগীয়া হৈছিল। এই পল্লা ৰাস্তাটো বহুত পুৰণি ৰাস্তা। কেইদিনমান আগলৈকে এই পল্লা ৰাস্তাটোৰ পকীকৰণ হোৱা নাছিল। কিন্তু এতিয়া যদি কোনোবাই চামতা বা সৰ্থেবাৰী হৈ বৰপেটালৈ যায় তেতিয়াহ'লে দেখিব যে এই পল্লা ৰাস্তাটো সুন্দৰ হৈ পৰিছে। ঠিক তেনেদৰে অসমৰ বিভিন্ন ঠাইত বিশেষকৈ কাৰ্বি আংলং আৰু ডিমা হাচাওৰ ফালে আমি যদি আগতে গৈছিলো তেতিয়াহ'লে তাত ৰাস্তাটো নায়েই আনকি শিলৰ ৰাস্তা এটাও দেখিবলৈ পোৱা নগৈছিল। কিন্তু আজি এই কাৰ্বি আংলং আৰু ডিমা হাচাও য'ত আমাৰ জনগোষ্ঠীয় লোকসকল বসবাস কৰি আছে তাত এতিয়া সুন্দৰ ৰাস্তা নিৰ্মাণ হৈছে। কোনোবাই যদি কাৰ্বি আংলঙৰ পৰা ডিফুলৈ যোৱা নাছিল তেতিয়াহ'লে তেওঁলোকে এতিয়া কাৰ্বি আংলঙলৈ বা সৰিয়হলাঙিলৈ যাওঁক বা বোকাজানলৈ বা হামৰেনলৈ যাওঁক, য'তেই নাযাওঁক কিয়, তাত এতিয়া এইখন চৰকাৰৰ দিনত সুন্দৰ সুন্দৰ ৰাস্তা নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে। অসমমালাৰ ৰাস্তা হৈছে আৰু এই অসমমালাৰ ৰাস্তাৰ কাৰণে ১০০০ খন পকী দলং নিৰ্মাণ কৰা হৈছে। মোৰ নিকটবৰ্তী বৰচলা সমষ্টিৰ বিধায়ক শ্ৰী গণেশ লিম্বু ডাঙৰীয়াৰ লগত মই কথা পাতিছো যে আমাক যিটো আবন্টন দিয়া হৈছে সেই ৰাস্তাটো আমি দুয়োটা সমষ্টিয়ে সমানে সমানে টকা ভগাই ভিতৰুৱা অঞ্চল আপোনালোকে জানে যে মাননীয় বিধায়ক শ্ৰী গণেশ লিম্বু ডাঙৰীয়াৰ বৰচলা সমষ্টিৰ যি ভিতৰুৱা অঞ্চল আছে, তেজপুৰ চহৰখন হ'ল গোটেই শোণিতপুৰ জিলাৰ সদৰ ঠাই, তেজপুৰ চহৰলৈ আহিবৰ কাৰণে আমি দুয়ো কথাপাতি এটা সুন্দৰ ৰাস্তা নিৰ্মাণ কৰিবলৈ আমি আগবাঢ়িছো। মই আগতে কৈছো যে বহুত ট্ৰাইবেল গাওঁত, বহুত অসমীয়া খিলঞ্জীয়া মানুহৰ গাওঁত আনকি সংখ্যালঘু সম্প্ৰদায়ৰ বসতি অঞ্চলতো আজি এইখন চৰকাৰে ৰাস্তা-দলং নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে। একমাত্ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত। তেখেতে আৰু বহুত চিন্তা কৰিছে। আপোনালোকে জানে যে এতিয়া

অসমৰ বিভিন্ন ঠাইত বহুত ৰাস্তাত উৰণীয়া সেতু হৈছে, অভাৰব্ৰীজ হৈছে। মানুহে কিছুমানে কয় যেতিয়া অভাৰব্ৰীজ নিৰ্মাণ হৈ থাকে, উৰণীয়া সেতু নিৰ্মাণ হৈ থাকে কিছু সময়ৰ কাৰণে অহা-যোৱা কৰিবৰ কাৰণে কষ্ট হয়। বহুতে গালি পাৰাও শুনো যে মোক ফোনট কৈছে কিছুমানে । বোধহয় যেতিয়া অসম গণপৰিষদৰ দ্বিতীয় কাৰ্য্যকালৰ চৰকাৰ হৈছিল তেতিয়া অন্ধ্ৰপ্ৰদেশৰ হাইদৰাবাদত চন্দ্ৰবাবু নাইডুৱে এটা ৰাস্তা বনোৱাৰ সিদ্ধান্ত লৈছিল তেতিয়া হাইদৰাবাদৰ ৰাইজে তাত হাহাকাৰৰ সৃষ্টি কৰিছিল কিন্তু চন্দ্ৰবাবু নাইডুৱে য়ে কাৰো কথা নুশুনি ৰাস্তাটো বনাইছিল তাৰ পিছত চন্দ্ৰবাবু নাইডুক ৰাইজে বা বা দিবলৈ আৰম্ভ কৰিলে। গতিকে মই ক'ও যে যিবোৰ ভাল ভাল ৰাস্তা বনাই আছে ২ লেন, ৪ লেন এইবোৰ ৰাস্তা বনোৱাতে কিছু কষ্ট হ'ব। কিন্তু এই কষ্ট কিছুদিনৰ কাৰণেহে হ'ব তাৰ পিছত অসমৰ ৰাইজে সুন্দৰ বাট পথ দলং পাবলৈ সক্ষম হব। যোৱাবাৰ ৰাভা দিবসত তেজপুৰ সমষ্টিলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱাতে বিষ্ণুপ্ৰসাদ ৰাভাৰ সমাধি স্থললৈ গৈছিল তাৰ পৰা ওলাই আহোতে তেখেতে যেতিয়া ব্ৰহ্মপুত্ৰ নদী খন দেখা পাই তেখেতে ঘোষণা কৰিলে যে বিষ্ণুপ্ৰসাদ ৰাভাৰ সমাধি স্থলৰ পৰা কলিয়া ভোমোৰা পথ ৰাস্তীয় ঘাইপথলৈ বনোৱা হব। আৰু সেই পথটো ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে যাব। আৰু যিটো ৰাস্তা Mumbai ৰ Marine Drive ৰ নিচিনা হ'ব। গতিকে মই অনুৰোধ কৰিছো সেই ৰাস্তাটো অতি সোনকালে নিৰ্মাণ কৰাৰ বাবে। বহুত ঠাইত এতিয়াও বহুত বাট-পথ দিবলগীয়া আছে। আমি বিধায়ক সকলক নিৰ্বাচনৰ সময়ত কয় যে অমুক ঠাইত অমুক ৰাস্তাটো দিব লাগে। গতিকে এই ৰাস্তাবোৰ বনাবলৈ ১০ হাজাৰ ৫ শ ২৭ কোটি টকা ধাৰ্য্য কৰা নহয় বা তাত কৈ অধিক ধন ধাৰ্য্য কৰা নহয়। সি লাগিলে বিৰোধী দলৰে হওক বা শাসকীয় পক্ষৰে হওক ৰাস্তা বনাব কৰ পৰা যদি পুঁজিয়ে নাপায়। গতিকে এই ৰাস্তা ঘাট দলং আদি নিৰ্মাণ কৰাৰ বাবে লোকনিৰ্মান বিভাগক দায়ত্ব দিয়া হৈছে। আমাৰ প্ৰয়াত প্ৰধান মন্ত্ৰী অটল বিহাৰী ডাঙৰীয়াক ধন্যবাদ দিবই লাগিব কাৰণ তেখেতৰ সময়তে East-West, North-South Corridor ৰ বাবে ৪ লেন,৬ লেন, ৮লেন আদি ৰাস্তা নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল কিন্তু বেলেগ চৰকাৰ অহাৰ লগে লগে সেইবোৰ বন্ধ হৈ গ'ল, কিন্তু মোডী ডাঙৰীয়াই ভাৰতৰ প্ৰধান মন্ত্ৰী হোৱাৰ লগে লগে ভাৰতবৰ্ষৰ প্ৰতিটো ৰাস্তা ঘাট ৪ লেন,৬ লেন, ৮লেন বনাবলৈ আৰম্ভ কৰিছে আৰু নিতীন গাডকাৰী ডাঙৰীয়াই এই দায়িত্ব পালন কৰি আছে। আগতে যত মুম্বাইৰ পৰা কাশ্মীৰলৈ যাবলৈ ২০ ঘন্টা লাগিছিল এতিয়া ১০ ঘন্টাত পায়। এতিয়া ভাৰতৰ লগতে অসমৰো বাট পথৰ অৱস্থা সুচল হৈছে একমাত্ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বাবে। অসমৰ প্ৰতিখন গাওঁ চহৰৰ বাট পথ সুচল হোৱাৰ বাবে এই বিভাগ টোক আৰু অধিক ধন দিব লাগে। ইয়াৰ লগতে গুৱাহাটী সৌন্দৰ্য্য বৰ্ধনৰ বাবে GMC য়ে কিছুমান ৰেলিঙৰ ব্যৱস্থা কৰিছে কিন্তু ৰেলিঙৰ ওপৰত যি টোপৰ নিচিনা কিছুমান বস্তু লগাইছে তাৰ বেছি ভাগেই শুক্লেশ্বৰ পৰা ভৰলু মুখলৈকে কোনোবাই চুৰ কৰি লৈ গৈছে। গতিকে GMC য়ে ইয়াৰ ওপৰত তদন্তৰ ব্যৱস্থা কৰি দোষীক কৰায়ত্ত কৰিব লাগে। ইয়াকে কৈ মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ, তেখেত হয়তো নাই, এতিয়া শ্ৰী আব্দুল বতিন খন্দকাৰ।

**শ্ৰী আব্দুল বতিন খন্দকাৰ, (অভয়াপুৰী উত্তৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে দুআষাৰ কবলৈ বিচাৰিছো। অসমত প্ৰায় ৬২ হাজাৰ কিঃ মিঃ ৰাস্তা আছে তাৰ প্ৰায় ১৪ হেজাৰতকৈও অধিক ৰাস্তা এতিয়াও পকী হোৱা নাই। গতিকে সেই ৰাস্তাবিলাকত এজাক বৰষুণতে বিশেষকৈ গাওঁ অঞ্চলত যাতায়ত কৰিব পৰা অৱস্থাত নাথাকে। ইয়াৰোপৰি কেইবা হাজাৰ ৰাস্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা বনোৱা হৈছে গাওঁ অঞ্চলত কিন্তু সেই ৰাস্তা বোৰৰ কোনো ধৰণৰ Maintenance নোহোৱাৰ বাবে এজাক বৰষুণতে বোকা ময় হৈ যায়। গতিকে আমাৰ PWD বিভাগে সেই ৰাস্তাবোৰৰ ক্ষেত্ৰটো গুৰুত্ব দিব লাগে। ৰাস্তা ঘাট মেৰামতিৰ বাবে SDRF ৰ যি পুঁজিৰ ব্যৱস্থা আছিল কিন্তু এইখন চৰকাৰে যোৱা ৩/৪ বছৰত সেই পুঁজিৰ কোনো ধৰণৰ ব্যৱহাৰ কৰা আমি দেখা নাই। হয় নতুন যিবোৰ ৰাস্তা নিৰ্মাণ হৈছে সেইবোৰ কিছুপৰিমাণে ভাল কিন্তু আগতে বনোৱা ৰাস্তা খিনিৰ Maintenance নাই বুলি কব পাৰি। গতিকে এই ক্ষেত্ৰত চৰকাৰে মনোযোগ দিব লাগে। আৰু এইখন চৰকাৰে উন্নত আৰু অনুন্নত অঞ্চল আৰু শাসকীয় আৰু বিৰোধী পক্ষৰ বিধায়কৰ মাজত বৈষম্য সৃষ্টি কৰিছে। মোৰ জিলা খনত ৩ টা সমষ্টি আছে যেনে বঙাইগাঁও, অভয়াপুৰী আৰু সৃজনগ্ৰাম। তাৰ ভিতৰত দুটা সমষ্টি উন্নত বঙাইগাও আৰু অভয়াপুৰী। সকলোতকৈ পিচপৰা সমষ্টিটো হ'ল সৃজনগ্ৰাম। এইবাৰ টকা Allocation কৰা সময়ত গম পালো যে উন্নত সমষ্টি দুটাত ৩০ কোটিকৈ টকা দিছে আৰু মোৰ সমষ্টিত মাত্ৰ ১২ কোটি দিছে। গতিকে PWD বিভাগৰ এই বৈষ্যমতা মূলক ভাৱ ধাৰা ৰোধ কৰিব লাগে। Assam Resilient Rural Bridge Program ৰ অধীনত ৪ হাজাৰ ৩ শ ৫৯ কোটি টকাৰ কাম চলি আছে কিন্তু তাৰ ভিতৰত সৃজনগ্ৰাম সমষ্টিত মাত্ৰত ৭ কোটি টকাৰ কাম চলি আছে। আমাৰ শাসকীয় পক্ষৰ বিধায়ক কিছুমানে কৈছে তেওঁলোকৰ সমষ্টিত ১০০ কোটি টকা লৈকে কাম চলি আছে। গতিকে এনেকুৱা বৈষ্যমতা মূলক আচৰণ সেইটো নোহোৱা কৰিব বুলি আশা কৰিছো আৰু আমাৰ মানাহ নদীৰ ওপৰত ৩ খন দলং অতিকে প্ৰয়োজনীয়। তাৰ ভিতৰত কিছুমান ঠাই হ'ল লুংজা, চালাবিলা,আওলাগুৰি, নাম্বাৰপাৰা, মাত্ৰাঘোলা, উলবাৰী, বৰোচলা ইত্যাদি এই অঞ্চল বিলাকৰ ভিতৰত অতি কমেও ৩ খন ঠাইত দলং দিব লাগে কাৰণ নদী খন মোৰ সমষ্টিৰ মাজেৰে গৈছে। উত্তৰৰ পৰা দক্ষিণলৈ পুৰা সমষ্টিৰ মাজেৰে গৈছে। গতিকে অতি কমেও তিনিটা ঠাইত যদি আমি দলং নিৰ্মাণ কৰিব পাৰো, তেতিয়া হলে আমাৰ ৰাইজো উপকৃত হ'ব, সমষ্টিবাসীৰ কৃষকসকলৰ উৎপাদিত শস্য পৰিবহনৰ কাৰণে, যাতায়তৰ কাৰণে ভূমিকা লাভ কৰিব। আমাৰ তাত মৰা নদী, কাচাৰিপতি, ভাণ্ডাৰা, পূৰ্বজপিয়া,শৈলমাৰী, কোচবাৰী, এনেকুৱা কেইবাটাও মৰা নদীৰ ওপৰতো সৰু সৰুকৈ দলঙৰ প্ৰয়োজন আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ম যে চাপৰৰ পৰা যিটো যোগীঘোপালৈ ৰাস্তা আহিছে, সেই ৰাস্তাটোত চাপৰৰ মাজত চম্পাৱতী নদীৰ ওপৰত যদি এখন দলঙৰ ব্যৱস্থা কৰা হয়, তেনেহলে চাপৰৰ পৰা গুৱাহাটীলৈকে, তাৰ মানে ধুবুৰীৰ পৰা গুৱাহাটীলৈকে আহোতে অতিকমেও ৩০ কিলোমিটাৰ দৈৰ্ঘ্য কমিব। ইতিমধ্যে বহুদুবী অঞ্চলেৰে অসম মালাৰ ৰাস্তা আহিছে, কেৱল দলংখন নিৰ্মাণ কৰি দিলে ধুবুৰীৰ পৰা গুৱাহাটীলৈকে আহোতে অতিকমেও ৩০ কিলোমিটাৰ দৈৰ্ঘ্য কমি যাব। গতিকে এই বিষয়টোৰ প্ৰতি চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিছো।

ইয়াৰ লগতে মই আৰু এটা কথা ক'ব খুজিছো যিটো চহৰ আৰু গাঁৱত উন্নত আৰু অনুন্নত অঞ্চল, শাসকীয় আৰু বিৰোধীৰ মাজত যি বৈষম্যৰ সৃষ্টি এই চৰকাৰে কৰি আছে, সেই বৈষম্য যাতে পুনৰাবৃত্তি নহয়, তাৰ অনুৰোধ ৰাখি মোৰ বক্তব্য ইয়াতে সমাৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ)।

**মঃ আমিনুল ইছলাম, (মানকাচাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Grant 64 ত যিটো cut motion আহিছে, ইয়াৰ সপক্ষে ক'ব দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

আচলতে, মুলত কথাটো হ'ল যে যথেষ্টখিনি infrastructure হৈ আছে, সেইটো

আমি অস্বীকাৰ কৰা নাই। লোক নিৰ্মাণ (ৰোড) বিভাগত যথেষ্টখিনি পুঁজি দিয়া হৈছে, এইখিনি আমি welcome কৰিছো। total road network, এইবাৰৰ economically survey যদি আমি চাওঁ, আমি দেখিবলৈ পাওঁ যে ৬৫,৭৪০ কিলোমিটাৰ total road network হৈছে অসমত। National Highway ৩৯২৭ কিলোমিটাৰ হৈছে। এইটো মোৰ জিলাৰ লগত কৰলৈ বিচাৰিম এই কাৰণেই যে মোৰ জিলাত শূণ্য। State Highway ২,৫৪০ কিলোমিটাৰ অসমত হৈ আছে, দক্ষিণ শালমাৰা মানকাচাৰত শূণ্য। Major District road ৪,৩৭৯ কিলোমিটাৰ হৈছে, দক্ষিণ শালমাৰা মানকাচাৰত শূণ্য। Rural Road ৫১,৭০০ হৈছে, এইটোত আমাৰ যথেষ্টখিনি কাম হৈছে, এইটো অস্বীকাৰ নকৰো। ২০২১ চনত মই বিধায়ক আছিলো, তেতিয়া আপোনালোকে এটা প্ৰশ্নৰ উত্তৰ দিছিল যে ৩৫ শতাংশ ৰাস্তা পকী আছে। সৌ সেইদিনাখন আৰু এটা বেলেগ প্ৰশ্নত সুধিছিলো, এতিয়া কিমান হৈছে, আপোলোকে উত্তৰ দিছে যে ৬৪ শতাংশ ৰোড পকা হোৱা বুলি কৈছে। তাৰ মানে এই ৪ বছৰত ২৯ শতাংশ ৰোড পকা হৈছে, এই কথাটো আপোনালোকে সদনৰ মাজত জনাইছে। এতিয়া আমি ক'ব বিচাৰিছো যিহেতু National Highway আমাৰ শূণ্য, State Highway শূণ্য, Major District road শূণ্য, অসম মালা শূণ্য, ভাৰত মালা শূণ্য। নতুনকৈ proposal যিকেইটা ৰোড হৈছে, নতুনকৈ ১৫ টা National Highway declare কৰা হৈছে ১০৩২ কিলোমিটাৰ। দক্ষিণ শালমাৰা মানকাচাৰ জিলা শূণ্য। নতুনকৈ State Highway ১২৫৩ টা ৰোড declare কৰা হৈছে, নতুনকৈ upgradation কৰিবৰ কাৰণে, দক্ষিণ শালমাৰা মানকাচাৰ শূণ্য। ২৬ খন জিলা National Highway ৰ লগত সংযোগ কৰা হৈছে, ৩১৩৪.৩৬ কিলোমিটাৰ, দক্ষিণ শালমাৰা মানকাচাৰত শূণ্য।

মাননীয় উপাধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে Rule 250 ৰ অধীনত এটা উত্তৰত কৈছিল যে দক্ষিণ শালমাৰা মানকাচাৰত ৰোড অৱস্থাটো বেয়া, এই কথাটো সঁচা। আমি বিধায়ক হোৱাৰ পিছত পৰা দুটা ৰোডৰ কাৰণে আমি লাগি আছো, অসমৰ পাঁচ জন বিধায়কে লিখি দিছো, মুখ্যমন্ত্ৰী মহোদয়লৈকে বেলেগে বেলেগকৈও দিছো, প্ৰধানতে Asian ৰোডৰ কথাটো, Asian ৰোডটো ১৯৫৭ চনত বনোৱা হৈছিল আৰু তেতিয়াৰ পৰা আজিৰ দিনলৈকে এই ৰোডটো কেৱল মেৰামতি কৰা হ'ল, কোনো ধৰণৰ নতুনকৈ বনোৱা নহ'ল। এই ৰোডটোৰ সম্পৰ্কত ইয়াৰ আগতেও এটা প্ৰশ্নৰ উত্তৰত মই clear কৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুমোদন দিলে, DPR হ'ল, কেবিনেটত মিটিং কৰি তিনিটা ৰাস্তা NESIDS ৰ অধীনত ঘোষণাও কৰিলে, tender process ও হ'ল, কিন্তু ৰাস্তাটো আজিলৈকে কি হ'ল, পইচাও divert হ'ল আৰু ২০২৩ চনত State Highway declare হ'ল আমাৰ তাত, কিন্তু State Highway টো আজিলৈকে বনোৱাৰ কোনো পৰিকল্পনা ইয়াত নাই। এটা ৰাস্তাৰ কথা আমি কৈছিলো, তাত আমাৰ সন্মানীয় সদস্য ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়া, সন্মানীয় সদস্য আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়া, সন্মানীয় সদস্য এ কে ৰশিদ ডাঙৰীয়া, জলেশ্বৰৰ বিধায়ক ডাঙৰীয়া ইয়াত আছে, আমি গোটেইখিনি বিধায়কে স্পষ্ট আঁকাৰে এটা ৰাস্তা বিচাৰিছিলো যে দক্ষিণ শালমাৰা মানকাচাৰৰ হাটশিঙিমাৰিৰ পৰা ফকিৰগঞ্জ, আমবাৰীৰ লক্ষীপুৰ হৈ গোৱালপাৰালৈ সংযোগ কৰিলে, কমেও ২০ লাখ মানুহৰ বাবে এটা সংযোগ হৈ পৰিব। তিনিখন জিলা ক্ৰমে, দক্ষিণ শালমাৰা মানকাচাৰ, ধুবুৰী আৰু গোৱালপাৰাৰ লগতে মানকাচাৰ সমষ্টিৰ বিৰসিং জুৰুৱা সমষ্টি, জলেশ্বৰ সমষ্টি, গোৱালপাৰা পূব আৰু পশ্চিম সমষ্টি গোটেইখিনিৰ বাবে এটা সংযোগী

ৰাস্তা আমি সময়ে সময়ে বিচাৰি আহিছো, যিটোত আমি যুগে যুগে সমস্যাত ভুগি আহিছো। এই ৰাস্তাটো হ'লে আমাৰ অঞ্চলটো বানপানীৰ পৰা সুৰক্ষা পাব। এই ৰাস্তাটোৰ কাৰণে পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই যেতিয়া প্ৰথমবাৰৰ বাবে মানকাচাৰ international border visit কৰিছিল, তেখেতে এই ৰাস্তাটোৰ proposal দিছিল, আজিলৈকে কিন্তু এই ৰাস্তাটো নহ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত কৈছিল যে আপোনালোক বিধায়ক কেইজনে লিখিতভাৱে ৰাস্তাটোৰ ব্যৱস্থা কৰিবলৈ কৈ দিয়ক। আমিও এই কথাটো ক'লো, আমি ব্যক্তিগত ভাৱে ইয়াৰ আগৰ সাংসদৰ জৰিয়তে, মই নিজেও বিধায়ক হিচাপে আমি ভাৰত মালাৰ কাৰণে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিলো, নীতিন গাডকাৰী ডাঙৰীয়াৰ লগত যোগাযোগ কৰিলো, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত যোগাযোগ কৰিলো, কিন্তু কি কৰিলে আমাৰ ৰাস্তাটো হ'ব আমি বুজি পোৱা নাই, এই ৰাস্তাটো অত্যন্ত প্ৰয়োজন।

আমি সেইদিনাখন এই প্ৰশ্নটো আনিছিলো যে আমাৰ নতুনকৈ ৭ টা গাওঁ পঞ্চায়ত, যিকেইটা পূৰ্বতে দক্ষিণ শালমাৰা সমষ্টিত আছিল, সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মানকাচাৰ সমষ্টিত সোমাই দিছে। এই ৭ টা গাওঁ পঞ্চায়ত ক্ৰমে হাজিৰহাট, মুনিৰচক, পাটাকাটা, তুণ্ডি, দক্ষিণ শালমাৰা, বালাদুৱা, চেগুণতল এইকেইটা আমাৰ সমষ্টিত সোমাই আহিলে, এই ৭ টা গাওঁ পঞ্চায়ত district head quarter ত যোৱাৰ কোনো ৰাস্তা নাই। মাজত যদি দুখন দলং কৰি দিয়া যায়, যদিও খুপাটিৰ পৰা হাজিয়ালৈকে ৰাস্তা বনোৱাৰ কাৰণে ৫ কোটি টকা দিছে, কিন্তু দুখন দলং আৰু অলপ পইচা দিলে এই ৭ টা গাঁও পঞ্চায়ত সংযোগ কৰিব পাৰো। যিহেতু ধাধাৰকুটিত কাম আৰম্ভ হৈছে, আমাৰ এইখিনি কাম হৈ গ'লে, আমাৰ গোটেইখিনি সংযোগ হৈ যাব। এইটো আমাৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়।

National Highway আমাৰ আগিয়ালৈ গৈছে, যিহেতু National Highway 127 (B), যিটো ধুবুৰী ফুলবাৰী দলং সংযোগী ৰাস্তাটো হাইৰে হৈ আহি আছে, এই দলঙৰ লগত সংযোগী ৰাস্তাটো হোৱাৰ আগতে আমাৰ অত্যন্ত প্ৰয়োজন আগিয়াৰ পৰা মানকাচাৰ হৈ international border বাংলাদেশৰ লগত ব্যৱসায়ৰ কাৰণে যিটো ব্যৱস্থা, মানকাচাৰৰ যিটো immigration point, export- import point.আমাৰ বাংলাদেশৰ লগত আজি আমাৰ অৱস্থা ভাল নহয়। আমি সকলোৱে জানো বাংলাদেশৰ লগত আমাৰ পৰিস্থিতি আগৰ দৰে হৈ থকা নাই। সেই ঠাইত যদি কাৰোবাৰ কিবা অঘটন হৈ যায়, তাত যদি এটা হাইৰে হৈ নাথাকে, যদিও এটা ৰাষ্ট্ৰীয় হেল্পটো এটা বেলেগ ব্যৱস্থা হৈ আছে, তাত যদি ব্যৱস্থাৰ কাৰণে কোনো ধৰণৰ হাইৱেৰ ব্যৱস্থা নাথাকে, এইখিনিত যোগাযোগত কিন্তু এটা সময়ত মাৰাত্মক ভাৱে ক্ষতিগ্ৰস্থ হ'ব পাৰে। International business ত বহিঃৰাষ্ট্ৰৰ লগত আমাৰ ব্যৱসায়ৰ যিটো ব্যৱস্থা আৰু বাংলাদেশৰ লগত যিটো ব্যৱস্থা এই ব্যৱস্থাক যদি আমি যোগাযোগ কৰি দিব পাৰো তেতিয়াহলে আমাৰ যি দুটা International ৰোড পোৰ্ট আছে তেতিয়াহলে কানেকটিভিটি হ'ব। এইটো হোৱাৰ কাৰণে অত্যন্ত জৰুৰী বুলি মই অনুভৱ কৰিছো। International বোৰ্ডাৰ লগত এতিয়া যিটো আছে, সেই International বোৰ্ডাৰৰ লগত চাইডে চাইডে যদি এটা পাব্লিক ৰোড কৰি দিব পাৰো আধা খৰচত এটা পাব্লিক ৰোড হৈ যাব। যিটো হাট শিঙিমাৰীৰ পৰা আমাৰ শিশুমাৰা হৈ কালাইমাৰীৰ বেকচাইডে যদি মানকাচাৰ কানেকটিভিটি কৰি দিব পাৰো আৰু ৰোড হ'ব এইটো হৈ যাব। পানগাঁও, বৰদোবা যিটো ৰোড আমাৰ আছে সেইটো strengthening কৰিব লাগে সেইটো অত্যন্ত জৰুৰী আমাৰ পূব ফালে গোটেই ট্ৰাইবেল মানুহবিলাকৰ কানেক্টিভিটি

এইটো, আমাক যিহেতু যথেষ্টখিনি infrastructure আমাৰ পূব চাইডটোত হৈ আছে, এইটো এটা কানেক্টিভিটি হৈ গলে আমাৰ যথেষ্টখিনি সুবিধা হ'ব। এতিয়া আৰু কব বিচাৰিছো দুটা কথা, যে ৰোড খিনি, ইয়াৰ আগতেও এটা প্ৰশ্ন উত্থাপিত হৈছিল ৰোডৰ ক্ষেত্ৰত আমাৰ চৰকাৰী পক্ষ আৰু বিপক্ষৰ মাজত যিটো এটা বৈসম্য নীতি কোনোবাই ৩০ কোটি পাব, কোনোবাই ৮ কোটি পাব, কোনোবাই ১০ কোটি পাব এই বৈসম্যটোক কেনেকৈ বন্ধ কৰিব পৰা যায়, এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। চৰকাৰে immediately এটা বস্তু চাব লাগে যে আজি চৰকাৰে ফিক্স কৰি দিছে ১০ শতাংশ লেছ কৰি দিয়াৰ কাৰণে। যিখিনি চৰকাৰী বিধায়ক তেখেত সকলৰ তাত লেছ নামাৰে। নাজানো তেখেতসকলৰ কনটেক্টটো কেনেকৈ চেটআপ হয়। আমাৰ যিখিনি বিৰোধী আছে তাতে ১০ শতাংশ লেছ। ১০ শতাংশ লেছত কম্পিটিচন হ'ব, ১০ শতাংশ লেছ মাৰিব, জি এচ টি ১৮ শতাংশ যাব, forest royaltyলৈ ৩ শতাংশ যাব, ইনকামটেক্স ১ শতাংশ যাব, লেবাৰ টেক্স ১ শতাংশ যাব তাৰমানে মুঠ ২৩ শতাংশ যাব।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি চমু কৰক।

**মঃ আমিনুল ইছলাম (মানকাচৰ) ঃ** লগত যদি আমি আৰু কিছু চাও, ইয়াত যথেষ্টখিনি আৰু আছে। আমাৰ চৰকাৰ আছে, অফিচ আছে, জে ই আছে, বাজেট ১ শতাংশ, মেডিয়া আছে, আৰ টি আই আছে, লোকেল পলিটিকেল লিডাৰ আছে, দালাল আছে, ৰাজনীতিৰ মানুহ আছে। এই গোটেইখিনি যদি আমি মিলাও ৰোডটো আমি ক'ত পাম?

**মাননীয় উপাধ্যক্ষ ঃ** এইটো আমি পিছত এড কৰি লম।

**মঃ আমিনুল ইছলাম (মানকাচৰ) ঃ** এই কথাবিলাক অত্যন্ত গুৰুত্বসহকাৰে বিবেচনা কৰিবৰ কাৰণে এই চৰকাৰক মই অনুৰোধ কৰিব বিচাৰিছো আৰু যদিও এইখিনি কৰিবৰ কাৰণে যথেষ্ট খিনি নিকা হোৱাৰ প্ৰয়োজন আছে। আমি বিশেষকৈ দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ আমি ৰোডৰ ক্ষেত্ৰত কিমান পিছত আছো এই কথাটো প্ৰথম দিনৰ পৰা কৈ আছো আৰু কব বিচাৰিছো যে এইটোৰ জৰিয়তে যাতে ৰোড এটাৰ ব্যৱস্থা কৰা হয়। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ডাঃ আছিফ মহম্মদ নাজাৰ।

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰিঘাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, দাবী নং ৬৪ লোকনিৰ্মাণ বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ অনা হৈছে এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰ মান কব বিচাৰিছো। আমি সকলোৱে জানো যে এখন অঞ্চল বা ৰাজ্যৰ উন্নতি হ'বলৈ হলে সেইখন অঞ্চলৰ যাতায়ত ব্যৱস্থা ভাল হ'ব লাগিব। আৰু যাতায়াত ব্যৱস্থা উন্নত হ'বলৈ হলে সেইখন অঞ্চলত পথ হ'ব লাগিব। গতিকে এখন ৰাজ্য বা অঞ্চলত সামগ্ৰীক বিকাশৰ কাৰণে আপোনাৰ পথৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। কিন্তু দুৰ্ভাগ্যৰ বিষয় হৈছে যে গ্ৰাম্য অঞ্চলৰ লগত যিবোৰ চৰ অঞ্চল আছে তাৰ ৰাস্তাবোৰ অতিশোচনীয়। লোকনিৰ্মাণৰ অধীনত নানা আঁচনি লোৱা হৈছে যদিও পথ নিৰ্মাণৰ বা মেৰামতিৰ কাৰণে যি উদ্যোগ লোৱা হৈছে যদিও বিভাগটোৰ ধীৰ গতি, হেমাহী বা পাৰদৰ্শিকতাৰ অভাৱৰ কাৰণে আজিলৈকে যিমানখিনি ৰাস্তা হ'ব লাগিছিল সিমানখিনি হোৱা নাই। মই দুষাৰমান তথ্য দাঙি ধৰিব বিচাৰিম যে যি আপোনাৰ এই বিভাগে দাঙি ধৰিছিল যে সেয়াই মই আপোনালোকক উনুকিয়াই কবলৈ বিচাৰি আছো। উপাধ্যক্ষ মহোদয়, এই বিধান সভাত মই সোধা এটা প্ৰশ্নৰ উত্তৰত এই বিভাগে দিছিল চৰকাৰৰ দিনত অৰ্থাৎ ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে ৬৯৩ খন দলং আৰু ১০৪৬৪ টা পথ যাৰ দৈৰ্ঘ্য ১৯৩৯০ কি.মিটাৰ নিৰ্মাণৰ বাবে আঁচনি অনুমোদিত হৈছিল। ইয়াৰে ৬১৭ খন দলং আৰু ৯৮৪৫ টা পথ অৰ্থাৎ ১৮৬৮১ কি.মিটাৰ পথ ঠিকা আৱন্টন

দিয়া হৈছিল। কিন্তু ইয়াৰ বিপৰীতে বৰ্তমানলৈকে মাত্ৰ ১১ খন দলং আৰু ৩৭২৯ টা পথ অৰ্থাৎ ৭৭৭৫ কি.মিটাৰ পথৰহে নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু ১০৬ দলং আৰু ৫৮০ টা পথ যাৰ দৈৰ্ঘ্য ৬১৬ কি.মিটাৰ তাৰ কাম আৰম্ভ এতিয়ালৈকে বাকী আছে। অৰ্থাৎ কামৰ পাৰদৰ্শিকতা তাৰ পৰিমাণ হৈছে দলংৰ ক্ষেত্ৰত শতকৰা প্ৰায় ১৬ শতাংশ আৰু পথৰ ক্ষেত্ৰত মাত্ৰ ৩৫ শতাংশ। এয়া হৈছে এই বিভাগৰ ফোপোলা স্বৰূপ। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন আঁচনি দি আছে, অসম মালা আঁচনিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছিল আৰু তাৰ অধীনত বহুত ৰাস্তা বনোৱাৰ অনুমোদন দিছিল। কিন্তু মই অতি দুখৰে এই সদনত সুধিব বিচাৰিছো যে আজিলৈকে মোৰ সমষ্টিত ৩ লাখ জনসংখ্যা আছে। কিন্তু ধিং লৈকে অসমমালা আঁচনি অহাৰ পিছত মোৰ সমষ্টিত আজিলৈকে অসমমালা আঁচনি যোৱা নাই। মই এই বিভাগক সুধিব বিচাৰিছো যে এই বিভাগৰ কোনটো আপোনাৰ পানী খোৱা পুখুৰীত আমাৰ সমষ্টিৰ ৰাইজে বিহ ঢালিলে যে আজিলৈকে এই অসমমালাৰ আঁচনি মোৰ সমষ্টিত অন্তৰ্ভূক্ত হোৱা নাই। CRF donor আঁচনিও মোৰ সমষ্টিয়ে পোৱা নাই। ৰাজনীতিৰ উৰ্দ্ধত গৈ মই কব বিচাৰিছো যে মুখ্যমন্ত্ৰীৰ যি সপোন যে ৰাজ্যখনক শ্ৰেষ্ঠ ৰাজ্য বনোৱা সেইটো সপোন আমাৰো আছে। অসমৰ সন্তান হিচাপে আমিও বিচাৰো যাতে ৰাজ্যখন আগবাঢ়ি যায় আৰু আগবাঢ়ি গলে আমাৰো গৌৰৱ হয়। কিন্তু আপোনাৰ জৰিয়তে লোকনিৰ্মাণ বিভাগক মই জনাব বিচাৰিছো যে সৰ্বাংগীন অসমৰ যি সপোন আছে সেই সপোন বাস্তৱ কৰিবলৈ হলে ৰাজ্য খনৰ প্ৰতিটো প্ৰান্তৰ সমানে উন্নতি হ'ব লাগিব। সমানে পথ নিৰ্মাণ আৰু মেৰামতি হ'ব লাগিব। বিৰোধীৰ যিবোৰ সমষ্টি সেইবোৰ বাদ দি বা সেইবোৰত কম গুৰুত্ব দি বিভাগে যদি কাম কৰিছে না মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সপোন পূৰণ হ'ব না অসমৰ সৰ্বাংগীন উন্নতি হ'ব? এই বিভাগৰ পথ নিৰ্মাণৰ ক্ষেত্ৰত অন্য এটা ডাঙৰ সমস্যা হৈছে যে যিবোৰ বিভাগ আছে, বিভাগবোৰৰ মাজত যোগাযোগ বা সম্পৰ্ক নথকাৰ কাৰণে কৌটি কৌটি টকা খৰচ কৰি এটা ৰাস্তা বনোৱাৰ পিছত যেতিয়া ৬ মাহ পিছতে আপোনাৰ বুল্ডৰোজাৰ লগাই খণ্ডা হয় আৰু সুধিলে কয় যে জলজীৱনৰ কাম কৰি আছে। ৬ মাহ পিছত বিদ্যুতৰ খুটা পোটা দেখা যায়। গতিকে এই ধৰণে যোগাযোগ বা সম্পৰ্কৰ অভাৱৰ বাবে আপোনাৰ যি ইমান টকা খৰচ কৰি যি পথ নিৰ্মাণ কৰা হয় তাক বাৰে বাৰে মেৰামতি কৰা হয় আৰু যাৰ ফলত ৰাজ্যৰ কৰ কেইটা নি কৰৰ ধনৰ বৃহৎ পৰিমাণ অপচয় কৰা হয়। উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰিও অসমৰ গাঁৱে ভূৱে বা মোৰ সমষ্টিটো প্ৰত্যেক বছৰে বানপানী হৈ থাকে। এই বানপানীৰ পিছত যিবোৰ ৰাস্তা বেয়া হয়, যিবোৰ ৰাস্তাত hole হয়, সেইবোৰ ৰাস্তা মেৰামতি কৰিবৰ কাৰণে এটকাও দিয়া নহয় যাৰ কাৰণে hole বোৰ ডাঙৰ হৈ সেই ৰাস্তা আকৌ সম্পূৰ্ণ ভাৱে বেয়া হৈ যায়। ২০১৭-১৮ আৰু ২০১৮-১৯ চনত RIDF ২৯ ৰ অধীনত মোৰ সমষ্টিত ৫ খনমান bridge দিছিল। তাৰে এখন bridge ৰ কথা মই কৈ দিছো। 10/1 on Goroimari Tehaguri Lahorighat Road sanction আৰু ইয়াৰ লগত ৫ টা Road দিছিল। যিটো ২০২১ চনত সম্পূৰ্ণ হ'ব লাগিছিল। কিন্তু আজিলৈকে সম্পূৰ্ণ হোৱা নাই সেইটো পাইছিল Notheastern Plantation & Commercial Private Limited যাৰ মালিক হৈছে ৰাজেশ বাজাজ। কিন্তু তেখেতে আজিলৈকে মোৰ ইয়াত কাম সম্পূৰ্ণ কৰা নাই। তাৰপাছত সেই একেজন ঠিকাদাৰে PMGSY -2 ২০১৯-২০ ৰ অধীনত As-17/231 পাইছিল Laharighat to Maritoli Road with RCC Bridge N0.C:1 sanction হৈছিল কিন্তু আজিলৈকে তাৰ কামো কৰা নাই। ঋষভ জৈন যিজন ঠিকাদাৰ আছে, তেখেতে দুই ধৰণৰ ৫০ কোটি টকাৰ ১৪ টা মান কাম লৈছে। কিন্তু আজিলৈকে কাম সম্পূৰ্ণ হোৱা নাই। ইয়াৰ উপৰিও

আৰু ব্ৰীজ আছে নগাওঁ, ভূৰাগাওঁ Road ৰ। Bridge No. 47/1A, Bridge No. 1/1 টেঙাগুৰী, ঘলিহাবাৰী road. এই বিলাকৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই। ইয়াৰ একমাত্ৰ কথা হৈছে যিজন executive engineer আছে, তেখেতৰ হেমাহীৰ কাৰণে। তেখেতে বিগত ৬ বছৰ ধৰি এই মৰিগাও জিলাতে আছে SDO ৰ পিছত promotion হৈ সেই একে জিলাতে আছে আৰু তেখেতৰ অধীনত যিবোৰ অঞ্চলত কাম হৈ আছে, সেইবোৰতো গৈ তেখেতে কোনো কাম নাচায়। গতিকে এইক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰাব বিচাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰীফনীধৰ তালকদাৰ।

**শ্ৰীফনীধৰ তালকদাৰ, (ভবানীপুৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুআষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। গড়কাপ্তানী বিভাগ মানে মানৱ সম্পদৰ ওপৰত direct পৰম্পৰাগত এটা বিভাগ। এই বিভাগটোৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ গোটেই অসমখনক এটা বেলেগ দৃশ্যপটত লৈ যাবলৈ সমৰ্থ হৈছে আৰু ই মাত্ৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আজি ৮ বছৰ ধৰি তেখেতে নিজে এই বিভাগটোৰ দায়িত্ব লৈছে আৰু এই বিভাগটোৰ দায়িত্বৰ পিছতেই এটা গড়কাপ্তানী বিভাগে নদন-বদন ৰূপ লৈছে। প্ৰত্যেক সমষ্টিতেই এই বিভাগটোৰ দ্বাৰা বিভিন্ন প্ৰকল্প SOPD, মুখ্যমন্ত্ৰী পকীপথ আঁচনি, মুখ্যমন্ত্ৰীৰ উন্নত পকীকৰণ আঁচনি, অসম মালা ইত্যাদি কৰি প্ৰকল্পৰ যোগেদি সকলোবিলাক ৰাস্তা উন্নতমানৰ কৰিবলৈ সমৰ্থ হৈছে. যাৰ কাৰণে আজি মানৱ জীৱনৰ অৰ্থনৈতিকৰ বাদেও আমাৰ সময়ত বহুত ৰাহি হৈ গৈছে। যাৰ কাৰণে আমাৰ জীৱনৰ পৰিকল্পনাখিনি বহু পৰিমাণে আগবঢ়াই নিয়াৰ কাৰণে সমৰ্থ হৈছে। যিয়েই নহওঁক, সেইদিনাখন ১৫ দিন আগতে লক্ষীমপুৰলৈ গৈছিলো। আগতে লক্ষীমপুৰলৈ গ'লে আমাৰ ৮ ঘণ্টা লাগিছিল যে ৮ ঘণ্টাৰ পিছত লক্ষীমপুৰ গৈ পাওঁ। সৌভাগ্যৰ কথা যে সিদিনা মই গুৱাহাটীৰ পৰা আৰম্ভ কৰি চাৰে চাৰি ঘণ্টাৰ ভিতৰত লক্ষীমপুৰ পাইছো। সৌভাগ্যৰ কথা মোৰ সমষ্টি সৰভোগ, আগতে আছিল ভৱানীপুৰ। আগতে আমি সৰভোগ ভৱানীপুৰ পাই মোৰ সমষ্টিত এপাক ঘুৰিবলৈ ৪ ঘণ্টা সময় লাগিছিল। আগতে মোৰ সমষ্টি যিটো ভৱানীপুৰ আছে, ভৱানীপুৰৰ maximum মানুহ সৰু চাকৰি কৰা মানুহ এজনো সৰু ব্যৱসায় কৰা মানুহ পাঠশালাত তেওঁলোকে বসতি কৰিছিল। কাৰণ শিক্ষা-দীক্ষা, অৰ্থনৈতিক বাণিজ্য ইত্যাদিৰ কাৰণে ঘৰত থাকি পাঠশালা ঢুকি পোৱা নাছিল। কেনেকৈ আহিব? পাঠশালাৰ পৰা শালবাৰী যাবলৈ হ'লে কাতিহ যাবলৈ হ'লে ২-৩ ঘণ্টা সময় লাগে। সকলোবিলাক দলং জৰাজীৰ্ণ। ৰাস্তাৰ অৱস্থা বেয়া। কিন্তু আজি দেখা গ'ল যে আজি ২ বছৰৰ আগতে আমাৰ সৰুপেটাত থকা মানুহ এজনে যদি ২ বছৰ সৰুপেটা যোৱা নাই, কাতিহ অঞ্চল যোৱা নাই, তেওঁ তাৰ পৰা ফোন কৰিবলৈ বাধ্য হৈছে যে এইখন সৰুপেটা হয় নে নহয়। যে মানাহ কাতিহ ৰাস্তা হয় নে নহয়? গতিকে আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, আমাৰ গড়কাপ্তা নী বিভাগে এই প্ৰয়্যায়লৈ নিবলৈ সমৰ্থ হৈছে। তথাপিও মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই দুটামান কথা ক'ম। কিছুমান ৰাস্তাৰ সমস্যা আছে। সমস্যাটো হৈছে যে PMGSY ৰ যিটো আমাৰ বাজপেয়ী জিৰ সপোন আছিল, সেই সপোনটোৰ ৮০ শতাংশ তেওঁ আমাক ভাৰত চৰকাৰে এইখিনি কৰি দিলে। কিন্তু ২০ শতাংশ কাম ৰখি গ'ল। যাৰ কাৰণে আমি এটা বিপদত পৰো। আমাৰ ৰাষ্টাবিলাক আমাৰ অসম চৰকাৰে বিভিন্ন মাধ্যমেদি দিয়াৰ কাৰণে আমাক সুবিধা দিছে, কিন্তু ৰখি যোৱা এই ৰাস্তাতো PMGSY ত ধৰা আছে, কিন্তু আমি overloading

কৰিব নোৱাৰো। সেই কাৰণে আজি মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীৰ গড়কাপ্তানী বিভাগক জনাবলৈ বাধ্য হৈছো যে PMGSY ৰ যিখিনি ৰাস্তা ইতিমধ্যে ধৰা আছে, সেই ৰাস্তাখিনি অতি সোনকালে এই পৰ্য্যায়টো শেষ কৰিব লাগে নহ'লে আমি অসম চৰকাৰে দিব পৰা ব্যৱস্থা কৰিব লাগে। তাৰপিছত মোৰ এটা ডাঙৰ সমস্যা হ'ল যে আমাৰ মানস বুলি এটা নতুন সমষ্টিৰ সৃষ্টি হ'ল. মোৰ সমষ্টিটো ভৱানীপুৰ সমষ্টিৰ পৰা প্ৰায় ৮০ হাজাৰ ভোট কাটা গ'ল আৰু সৰভোগ সমষ্টিৰ পৰা ৮০ হাজাৰ তেনেকৈ গৈ এটা নতুন সমষ্টিৰ সৃষ্টি হ'ল আৰু তাত একেবাৰে জৰাজীৰ্ণ অৱস্থা আছিল। তেতিয়া মই মাননীয় গডকাপ্তানী বিভাগ আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিছিলো যে আমাৰ মানস সমষ্টিত বিশেষকৈ National Manash Park আছে। আৰু বৰ্তমান National Manash Park খন কেৱল অসমেই নহয়, ভাৰতৰ বিভিন্ন পৰ্য্যটক তালৈ আহে আৰু তালৈ দুটা যোৱা ৰাস্তাৰ সু-ব্যৱস্থা আছে। এটা হ'ল ভৱানীপুৰ সমষ্টিৰ মাজেৰে সাউদৰ ভিঠা হৈ মানসলৈ এইটো বৰ উন্নত ধৰণৰ ৰাস্তা এটা মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে নিৰ্মাণ কৰি দিছে। আনফালে বৰপেটাৰোড হৈ যিখিনি নামনি অসমৰ পৰা আহে, বৰপেটাৰোড হৈও মানাহ পাৰ্ক পায়, সেই ৰাস্তাতো অতি জৰাজীৰ্ণ অৱস্থা হৈ আছে। দিছে আনফালে বৰপেটাৰোড হৈ যিখিনি নামনি অসমৰ পৰা আহে, বৰপেটাৰোড হৈও মানস পাৰ্ক পায়, সেই ৰাস্তাতো অতি জৰাজীৰ্ণ অৱস্থা হৈ আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিছো। ইতিমধ্যে অসম মালাত ধৰাৰ কাৰণে যো-জা চলি আছে আৰু এইবাৰ অসম মালাত ধৰি দিলে ভাল হ'ব আৰু মোৰ সমষ্টিত এটা proposal আছে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এটা প্ৰপোজেল আছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে জানে আৰু তেখেতে অতি গুৰুত্ব দিছে। ২০২১-২২ বছৰতে ROP হৈ তাত চেংশ্যন হৈছে আৰু টেণ্ডাৰো হৈ গৈছে। কিন্তু কামটো আৰম্ভ হোৱা নাই। সেই কামটো কৰিব লাগে। ভৱানীপুৰ আৰু সৰভোগ সমষ্টিৰ ইতিমধ্যে ৯০ শতাংশ ৰাস্তাৰ কাম সম্পূৰ্ণ হৈছে আৰু অতি ধুনীয়া ৰাস্তা হৈছে। দহ শতাংশ ৰাস্তাৰ কাম চলি আছে। ভৱানীপুৰ সমষ্টিত ৰাস্তাৰ কাম সমাপ্ত হ'ব আৰু মই আশা কৰিছো যে গড় কাপ্তানী বিভাগে যি ধৰণে কাম কৰি আছে সেই ধৰণে আৰু পাঁচটা বছৰ এই প্ৰগতিৰ পথত আগবাঢ়ি থাকে তেনেহ'লে অসমত প্ৰায় ৰাস্তাৰ কাম সম্পূৰ্ণ হৈ যাব। আমি সকালোৱে জানো যে নতুন প্ৰযুক্তি বিদ্যা ইতিমধ্যে গড় কাপ্তানী বিভাগৰ দ্বাৰা প্ৰয়োগ হৈছে। আমি এতিয়া প্ৰতিদিনে অসমত ১৭ কিলোমিটাৰ পথ ৰাস্তা নিৰ্মাণৰ কাৰণে আগবাঢ়িছে আৰু ইতিমধ্যে আমি সকলোৱে জানো অভাৰ ব্ৰীজ বুলি অসমত নাথাকিব, সকলো পথ উন্নত মানদণ্ডৰ হৈ গৈছে। উন্নত প্ৰযুক্তি বিদ্যাৰে উন্নত মেছিনাৰীজ ব্যৱহাৰ কৰি সকলো দলং নিৰ্মাণৰ কামত আগবাঢ়ি গৈছে। আমি সকলোৱে জানো যে আগতে এখন অভাৰ ব্ৰীজৰ কাম আৰম্ভ কৰিলে ৰাইজে যন্ত্ৰণাত ছটফটাই থাকে। ৰাইজ প্ৰস্তুত হৈ যে আৰু পাঁচটা বছৰ তেওঁলোকে যন্ত্ৰণা ভুগিব লাগিব। কিন্তু আজি আমি জানো যে যিধৰণে প্ৰকৃতিয়ে মাকৰ গৰ্ভত সন্তান জন্ম দিয়াৰ বাবে ন মাহ বান্ধি দিয়ে ঠিক তেনেদৰে আজিৰ সময়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গড় কাপ্তানী বিভাগক এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত অভাৰ ব্ৰীজ প্ৰস্তুত কৰি উলিয়াবলৈ সময় বান্ধি দিয়ে আৰু বিভাগেও তাৰ বাবে প্ৰস্তুত হয়। ইয়াৰ বাবে গড় কাপ্তানী বিভাগক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মই আশা কৰিছো যে গড় কাপ্তানী বিভাগক যিমান বাজেট দিছে তাতকৈ আৰু বেছি অধিক বাজেট দিব লাগে আৰু আমাৰ আটাইৰে জীৱনৰ মানদণ্ড উন্নত কৰক। মই এই আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননয়ী সদস্য ফণীধৰ তালুকদাৰ ডাঙৰীয়া আপুনি অলপ আপোনাৰ ডিঙিৰ যত্ন ল'ব। এতিয়া মাননীয় সদস্য আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই PWD সম্পৰ্কত

ক'ব।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (পূঃ গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, নতুনকৈ সমষ্টি হ'ল। সেই সমষ্টিৰ ভিত্তিত লোক নিৰ্মাণ বিভাগৰ চাব-ডিভিজন হ'ল। বিশেষকৈ PWD (Road) ৰ ক্ষেত্ৰত। বিশেষকৈ আমাৰ যিখিনি গোৱালপাৰা পূৱ সমষ্টিত সোমাল তাত গেৰুৱা জি পি, গৰু সৎকা জি পি, বহুৱান, কাঁঠলবাড়ী, মলানডুপি, ঢাইগাওঁ এই নতুনকৈ যিখিনি জি পি সোমাল সেইখিনি জি পিত মোৰ সমষ্টিত একেবাৰে ৰাস্তাবিলাক জৰাজীৰ্ণ অৱস্থা। গতিকে এইখিনি ৰাস্তাৰ ওপৰত গুৰুত্ব দিব লাগে। পুৰণা সমষ্টিৰ যিখিনি ভাল ৰাস্তা আছিল সেইখিনি অন্য সমষ্টিত সোমাই গৈছে-দুধনৈ আৰু পশ্চিম গোৱালপাৰাত সোমাই গৈছে। মোৰ সমষ্টিত বেয়া ৰাস্তাখিনি অন্তৰ্ভূক্ত হ'ল। নতুন সমষ্টিত বিশেষকৈ নৰগত শিংৰিতলাৰ পৰা সুতাৰপাৰা, সুতাৰপাৰাৰ পৰা শালমাৰা, শালমাৰাৰ পৰা বতুচা, বতুচাৰ পৰা এচ এচ- ৪৬ এটা ৰাস্তা হ'ব লাগে। মোৰ নতুন সমষ্টিত এনেকুৱা ভাল কোনো ৰাস্তা নাই। যিখিনি আছিল সেইখিনি গোৱালপাৰা আৰু দুধনৈ সমষ্টিত গুছি গৈছে।এই ৰাস্তাসমূহ কৰিবলৈ যাওঁতে মই দেখিছো যে যিখিনি টকা ধাৰ্য্য কৰা হয় যেনেকৈ পকা ৰাস্তাৰ কাৰণে ৭০ লাখ টকা আৰু পেভাৰ ব্লক যদি কৰা হয় তাত ৮০ লাখ টকা ধৰা হয়। টেণ্ডাৰ দিয়াৰ সময়ত ১০ শতাংশ ঠিকাদাৰে কমকৈ দিয়ে, এইটো বাধ্যতামূলক হৈছে। ৮০ লাখ টকাৰ ১০ শতাংশ কমকৈ দিলে প্ৰায় ৭২ লাখ টকা হয়। ৭২ লাখ টকাৰ পৰা Tax, GST, Forest Royality 20% কটা যায়। তাৰ পিছত থাকে ৫২ লাখ টকা। এই ৫২ লাখ টকাৰ পৰা বিভিন্ন বিষয়া-কৰ্মচাৰী আৰু ওপৰলৈ কমিশ্যন দিবলগীয়া থাকে। য'ত টকাটো বেছিকৈ দিব লাগে তাত বেছিকৈ নিদিয়ে লোক নিৰ্মাণ বিভাগে ডাঙৰ ডাঙৰ পেকেজ বিলাকত অলপ টকা দি আছে আৰু গাওঁৰ ৰাস্তাত অলপ টকা দি আছে। ২০২১-২২ বৰ্ষৰ পৰা আজিলৈকে যিসকল ঠিকাদৰে কাম কৰিলে সেই ঠিকাদাৰসকলক পইচা দিয়া হোৱা নাই। যাৰ বাবে কামবোৰ পেণ্ডিং হৈ আছে আৰু সদনত বাৰে বাৰে কথাটো উত্থাপন হৈ আছে। এতিয়া সেই ঠিকাদাৰসকলক ১৫ শতাংশ পেমেণ্ট দি আছে। যদি ১ কোটি, ৫০ লাখ টকাৰ কাম কৰিছে তাৰ পৰা মাত্ৰ ৭ লাখ টকা পাইছে। কাম কৰিবলৈ যাওঁতে যিখিনি কমিশ্যন দিলে তাৰোপৰিও চিকিউৰিটীৰ পইচাও দিবলগীয়া হয়। ফলত তেওঁলোকৰ হাতত পইচা নাথাকে। এনেদৰে কাম কেনেকৈ কৰিব? এই কামসমূহ পইচা নোপোৱাৰ বাবে পেণ্ডিং হৈ আছে। মই অনুৰোধ কৰিছো যে অতি সোনকালে এইখিনি কৰিব লাগে। ইয়াত বিভাগৰ বিষয়াসকল উপস্থিত আছে আৰু তেওঁলোকক অৱগত কৰিছো যে গোৱালপাৰা জিলাত এটা দুৰ্নীতি হৈছে। যি ৰাস্তাৰ নামত এ এল ওলাল সেই ৰাস্তাটো নকৰি এলাইনমেণ্ট সলনি কৰি বেলেগ ৰাস্তা নিৰ্মাণ কৰিলে। গোৱালপাৰা টাউনৰ ডি চি অফিচৰ পৰা বি অ' চিলৈ SH-46 ৰাস্তা আছিল। কিন্তু তাত নকৰি আগিয়া ৰোডত কৰিলে। এইটো কেনেকৈ সম্ভৱ? মই আচল নামটো কৈ দি আছো, Improvement and Upgradation of SH-46 from Sl. No.31 kilometer to 31.6 মানে ৬০০ মিটাৰ। এই কামটো সলনি কৰি কামটো কৰিলে আগিয়া ৰোডত। এইটো কেনেকৈ সম্ভৱ? এ এল ওলোৱাৰ পিছত এলাইনণ্টে সলনি কৰি কেনেকৈ কৰিব পাৰে? ইয়াৰ ওপৰত তদন্ত কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (পূঃ গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এজন বক্তা নাই। মই তেখেতৰ সময়খিনি লম। শ'লমাৰিৰ পৰা গোৱালপাৰা টাউনলৈ মেইন ৰোডটো বহু জৰাজীৰ্ণ অৱস্থাত আছে। যোৱাবাৰ মই বহুবাৰ বিধান সভাত এই বিষয়ে প্ৰশ্ন কৰিছিলো। এই

ৰাস্তাটো যদি অতি সোনকালে মেৰামতি বা ডাঙৰ কৰা নহয় আৰু সকলোৱে জানে যে গোৱালপাৰা জিলাৰ **৯৫ শতাংশ** প্ৰশাসনীয় কাৰ্য্যালয়, অসামৰিক চিকিৎসালয়ৰ পৰা আৰম্ভ কৰি ডি টি অ' অফিচ, পোষ্ট অফিচ, জিলা পৰিষদ সকলোখিনি তাত আছে। গতিকে শ'লমাৰিৰ পৰা গোৱালপাৰা টাউনলৈ অহা ৰাস্তাটো যদি বহল নকৰে, তেন্তে কেইদিনমান পিছত আমি সেইফালেদি অহা-যোৱা কৰিব নোৱাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, মই এইখিনি কথা ক'লো আৰু বহু দিনৰ পৰা পি এম জি ওৱাইৰ ৰাস্তাৰ কাম হোৱা নাই। সেয়েহে যিখিনি প্ৰপোজেল গৈছে সেইখিনি অতি সোনকালে নিশ্চয় বিভাগীয় মন্ত্ৰী, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰাৰ ব্যৱস্থা কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য খলিলউদ্দিন মজুমদাৰ ডাঙৰীয়াই কওঁক।

**শ্রী খলিল উদ্দিন মজুমদার (কাটিগড়া সমষ্টি, কাছাড়)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, পি.ডব্লিউ.ডি বিভাগটি বহুত গুরুত্বপূর্ণ বিভাগ। আমাদের বরাক ভ্যালিতে বদরপুর থেকে শিলচর যাওয়ার রোডের অবস্থা খুবই খারাপ। বিভিন্ন সময় বিভিন্ন দুর্ঘটনা হয় এবং সেই দুর্ঘটনায় অনেক মানুষও মারা গিয়েছে। ধলেশ্বর থেকে ভৈরবীর যে রাস্তা সেই রাস্তার অবস্থাও খুবই খারাপ। আলগাপুর থেকে বিভিন্ন এলাকার মধ্যে অনেক গর্ত আছে সেই গর্তগুলোতে কয়েকদিন পর পর বিভিন্ন দুর্ঘটনা হয় এবং সেখানে অনেক মানুষ মারা গিয়েছে। আসাম মালার যে কাজ চলছে আমাদের সমষ্টিতে সেই কাজের যিনি কন্ট্রাকটর তিনি অন্য একজন কন্ট্রাকটরকে সাব-কন্ট্রাকট্ দিয়েছে। সেই কন্ট্রাকটর অনেক ধীর গতিতে কাজ করছে। এই আসাম মালার কাজ বাজার থেকে বাইপাস হয়ে যাওয়ার কথা ছিল কিন্তু সেই ক্ষেত্রে বাজার কমিটির বিশেষ সমস্যা। সেটা সরকারের দেখার জন্য অনুরোধ রইল। আমাদের সমষ্টির মধ্যে একদিকে ইন্টারনেশন্যাল বর্ডার আরেকদিকে স্টেট বর্ডার। ২০২১ এ আমরা একটি ইস্টিমেট দিয়েছিলাম একটি আই বি বিল্ডিং এর জন্য একটি সিয়ালটেক আরেকটি ঘুমরা আইবি বিল্ডিং। সেই বিল্ডিং ডেমেজ হয়েছে সেটা ব্যবস্থা করার জন্য মাননীয় মুখ্যমন্ত্রীর কাছে আবেদন করেছিলাম এবং ইস্টিমেটও হয়েছিল ২০২১ এ। কিন্তু এখন পর্যন্ত বিল্ডিং এর কোন সিলেকশন হয়নি। আমাদের সমষ্টির এতাইপুর জিপিতে যে মডেল বিল্ডিং দেওয়া হয়েছে ইলেকশনের সময় শিলান্যাশও করা হয়েছিল ২০২৩-২৪ এ। কিন্তু এখন পর্যন্ত বিল্ডিং এর কাজ হয়নি। তারৈলপুর ভারতমালার যে কাজ চলছে সেখানে একচুয়েলি ভারতমালার পি.এম.জি.এস.ওয়াই আছে, গ্রামীণ রাস্তা আছে এই ধরণের রাস্তা যেভাবে কাজ করে ভারতমালার যে বিভাগ আছে সেই বিভাগের মধ্যে গুরুত্বপূর্ণ কাজ না করার জন্য এখানে গত দুদিন আগে আমাদের একজন মানুষ বাইক এক্সিডেন্ট হয়ে মারা গিয়েছে। সেখানে অনেক আন্দোলনও হয়েছে। এই মানুষ যে মারা গিয়েছে তাকে সরকারি সাহায্যের জন্য আমার অনুরোধ রইল। অধ্যক্ষ মহোদয়, কালাইন থেকে শিলচর যে রাস্তা আছে সেই রাস্তাও অনেক খারাপ। এখানে ভাঙ্গারপার একটি ব্রিজ আছে এই ব্রিজটি বিগত এক বছর থেকে মেরামতির জন্য ও রাস্তা খারাপ হওয়ার জন্য মানুষের বিশেষ সমস্যা হচ্ছে। এই জন্য সরকার সেই ব্যবস্থা করে দেওয়ার জন্য বিশেষ অনুরোধ রইল। দিগরখাল যে টোলগেট আছে সেই টোলগেটের মধ্যে আমাদের বরাকের এবং আসামের প্রত্যেক মানুষ জানে যে সেই টোল গেটটি বন্ধ আছে কিন্তু এখানে একটি টিম বসে গাড়ী কন্ট্রলিং এর জন্য বা চেকিংএর জন্য। এখানে যে ট্রাফিক জ্যাম হয় সেখানে দেখা গিয়েছে এম্বুলেন্স থেকে নিয়ে বহুত ধরণের জ্যাম থাকার জন্য গত কয়েক দিন আগে এম্বুলেন্সে একটি বাচ্চা মারা গিয়েছে। চার ঘন্টা, পাঁচ ঘন্টা, দশ ঘন্টা পর্যন্ত জ্যাম থাকে। রাজাটিলা থেকে আমাদের আমতলা ভারত বাংলাদেশ বর্ডার যে রাস্তা আছে সেখানে রাজাটিলা রাস্তা খারাপ থাকার জন্য বিএসএফ বর্ডার

যাওয়া আসার বিভিন্ন সমস্যা থাকে। সেই ব্যবস্থা করে দেওয়ার জন্য আমার অনুরোধ থাকল। এবং আরআইডিএফ এর ২০২৪-২৫ এ আমাদের সমষ্টির একটি টেন্ডার হয়েছিল ১০ কোটি টাকার। আজ পর্যন্ত অন্যান্য সমষ্টির সব টেন্ডার কন্ট্রাকটরকে দেওয়া হয়েছে কিন্ত এই টেন্ডার এখন পর্যন্ত কোন ফাইলিং করা হয়নি। আমাদের বরাক ভ্যালির গনির গ্রাম এলাকার মধ্যে একটি ডিমান্ড কমিটি বরাকে একটি ব্রিজ নিয়ে কয়েক বছর থেকে আন্দোলন হচ্ছে সেই আন্দোলনে অনেক দাবি করেছে এই ব্রিজ দেওয়ার জন্য। এই ব্রিজ যদি গনির গ্রাম এলাকায় হয় আমাদের বরাক ভ্যালির অনেক সমস্যা দুর হবে। আমাদের সমষ্টির অনেক রাস্তার দরকার অনেক ব্রিজের দরকার আছে। কয়েক বছর থেকে আমাদের সমষ্টির মধ্যে বালিবন্দ এলাকার মধ্যে অনেক বার ইস্টিমেট দেওয়া হয়েছে । বার বার ইস্টিমেট দেওয়ার পরও এখন পর্যন্ত এই ব্রিজটি হয়নি। আমাদের সমষ্টিতে আরোও বিভিন্ন রাস্তার সমস্যা আছে, গ্রামীণ রাস্তার সমস্যা আছে। সেই রাস্তার কাজে পিডব্লিইউ বিভাগ অত্যন্ত গুরুত্বপূর্ণ। সেই হিসাবে প্রত্যেক রাস্তা কারণ বর্ডার ডেভেলপ্ড বিগত চার বছর থেকে এখন পর্যন্ত কোন বর্ডার ডেভেলপড এর ফান্ড দেওয়া হয়নি। তাই আমি সরকারের কাছে দাবি জানাচ্ছি যেহেতু বর্ডার ডেভেলপমেন্ট ফান্ড দেওয়া হচ্ছে না, পি.ডব্লিইউ ডিপার্টমেন্ট থেকে আমাদের সমষ্টির বিভিন্ন রাস্তার সমস্যা সমাধান করে দেওয়ার জন্য অনুরোধ রইলো মন্ত্রী মহোদয়ের কাছে।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর শ্রীভূমি) ঃ** ২ মিনিটে কি হবে মাননীয় উপাধ্যক্ষ মহোদয়, বিরোধী দলের দলপতি যে কর্ত্তন প্রস্তাব এনেছেন সেই কর্ত্তন প্রস্তাবের পক্ষে বা বিপক্ষে আমি কথা বলছিনা। আমি এখানে দু চারটি সত্যি কথা তুলে ধরছি। সত্যি কথা বলতে গেলে দুইজন মানুষের দরকার হয়, একজন সত্যি কথা বলবে আর একজন সত্যি কথা শুনবে। জানিনা সত্যি কথা শুনার ক্ষমতা আছে কিনা?

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্রী আছেন না শুনবে, আপনি বলেন।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর শ্রীভূমি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কাল থেকে এই বিষয়ের উপর আলোচনা চলছে এবং শাসক ও বিরোধী প্রত্যেকেই একটা কথা বলছে লোক নির্মাণ অর্থাৎ PWD বিভাগে কাজ হয়েছে। সেটা কেউ অস্বীকার করতে পারছেনা। লোক নির্মাণ বিভাগে যদি কাজ হয়েই থাকে তাহলে আমি সবাইকে একটা অনুরোধ করবো যে একটা প্রস্তাব নেওয়া হোক মাননীয় মুখ্যমন্ত্রী যেভাবে কাজ করছেন তার জন্য মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানানো হোক। আমি মনে করি এই পাঁচ বছরে যেভাবে কাজ হয়েছে আরও পাঁচ বছর যদি এভাবে কাজ হয় তাহলে অসমের উন্নয়ন যেভাবে হবে সেটা আমরা চিন্তা করতে পারবোনা। বিশেষ করে সেই কথাগুলো আমি তথ্য ভিত্তিক বলছি। উপাধ্যক্ষ মহোদয়, ২০০১ থেকে ২০১৫ অবধি ২২৪১১ কিলোমিটার কাজ হয়েছে। ২০১৫ থেকে ২০২৫ সাল অবধি ৪৩০১৭ কিলোমিটার কাজ হয়েছে সেটা একটা আশ্চর্য্যজনক ব্যাপার, এইজন্য বলছি উপাধ্যক্ষ মহোদয় সত্যি কথা অনেকেই শুনতে পারবেননা, এইজন্য শুনতে পারবেননা বিগত ২০২১ থেকে ২০২৫ অবধি ১৯৩৯৩ কিলোমিটার কাজ হয়েছে। যদি আরও ৫ বছর কাজ হয় তাহলে সেটা গিয়ে দাঁড়াবে ২৫০০০ কিলোমিটার। অর্থাৎ ৫ বছরে একটা সরকার ২৫০০০ কিলোমিটার কাজ করেছে, সেটা ইতিহাস। অসমের বুকে সেটা একটা ইতিহাস। বিগত দিনে আপনারা ১৫ বছরে ২২০০০ কিলোমিটার কাজ করেছেন। মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মার নেতৃত্বে ৫ বছরে সেখানে প্রায় ২৫০০০ কিলোমিটার কাজ হয়েছে। আমি একটা কথা শুনছি এখন কাজ হচ্ছে, কিন্তু কোন

জায়গায় ৩০ কোটি দেওয়া হয়েছে আর আমাদেরকে ২০ কোটি টাকা দেওয়া হল। আমি এই বিধান সভায় দাঁড়িয়ে প্রশ্ন করতে চাই আপনারা বলছেন ১০ কোটি টাকা দেওয়া হয়েছে। আমি ২০১১ সালে বিধায়ক হয়েছি কিন্তু আমার সমষ্টির জন্য মাত্র দেড় কোটি টাকা দেওয়া হয়েছিল। ধরে নিলাম দেড় কোটি টাকা ২০১১ থেকে ২০২৫ অবধি ১০ বছরে টাকার মূল্য ৩ কোটি হওয়ার কথা ছিল। আজ প্রত্যেকটা সমষ্টিতে ৩০ থেকে ৩৫, ৪০ কোটি টাকা পর্যন্ত দেওয়া হয়ে থাকে। সেটা চারটিখানা কথা নয়। আমি বলছি Development হয়েছে। কয়দিন আগে Advantage Assam হল। দিল্লী থেকে বিনিয়োগকারী এসে যখন সেই রাস্তা দিয়ে সেই জায়গায় যাচ্ছে তখন আমার সঙ্গে কথা বলছেন যে আমরা কোথায় এলাম? এই অসম যে আমরা ১০ বছর আগে এসেছিলাম আর সেই অসম যেখানে আমরা বর্তমানে এসেছি এই যে একটা অভূতপূর্ব পরিবর্তন, আজ একটা সুষ্ঠ ও সুন্দর পরিবেশ সেটা আমরা অস্বীকার করতে পারবোনা। আসলে First impression is the last impression. অসমে এমন ভাবে উন্নতি হচ্ছে আমাদের বিধায়কদের স্বীকার করতে হবে যে যদি ৫ বছরে ২৫০০০ কিলোমিটার কাজ হয় তাহলে আরও ৫ বছরে ২৫০০০ কিলোমিটার কাজ হবে মোট ৫০০০০ কিলোমিটার কাজ হবে। সেটা আমাদের জন্য ইতিহাসের নজির বিহীন ঘটনা হয়ে থাকবে। মাননীয় মুখ্যমন্ত্রীর এই মানসিকতা ও চিন্তাধারার জন্য আমি ধন্যবাদ জ্ঞাপণ করছি, আর সরকার যাতে এই কাজ তরান্বিত করতে পারে তার জন্য আমরা সবাই সমর্থন করছি। এই কথা বলে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ক'ব ...interruptions......

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** চাৰ, কৰ্তন প্ৰস্তাৱত মোৰ নামো দিয়া আছে।

**মাননীয় উপাধ্যক্ষঃ** মই সোধোতে ক'ম বুলি কিয় কোৱা নাই? মই সুধিছিলোৱেঁই আপোনালোকে আৰু কোনে কোনে ক'ব । ঠিক আছে কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** চাৰ, মই অতি কম সময়ৰ ভিতৰত কৈ শেষ কৰিম। PWD Department টো আমাৰ অতি পুৰণা বিভাগ। এই কথাও একে মুখে ক'ব লাগিব যে অন্যান্য বিভাগৰ তুলনাত এই বিভাগৰ credibility যথেষ্ট ভাল। কিন্তু, সম্প্ৰতি এই বিভাগটোৰ কিছুমান ঠিকাদাৰৰ প্ৰতি অলপ অহেতুক প্ৰীতি দেখা গৈছে। মই তিনিটামান উদাহৰণ উল্লেখ কৰিম। Package No. AF01523 PMGSY ৰ package। এই package টোৰ allotment হ'ল ২৫ ফেব্ৰুৱাৰী, ২০২১ ত। ৯ মাহৰ সময় দিয়া হ'ল। অৰ্থাৎ ২৫ নৱেম্বৰ ২০২১ ত শেষ হ'ব লাগিছিল। আজি ২০২৫। ২০২১ ৰ পৰা, stipulated date of completion ৰ পৰা ৪ বছৰ পিছত কাম শেষ হোৱা নাই। মই দুদিন আগত ধৰ্ণা দিয়াৰ পিছত এতিয়া অলপ speed ত চলিছে। দ্বিতীয় কথাটো হ'ল, এই ঠিকাদাৰ জনে অনুমতি লৈ ৰাস্তাটো কৰিব লাগিছিল ৯ মিটাৰ কিন্তু কৰিছে ৭ মিটাৰ। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে মোৰ সমষ্টিত আহক আৰু চাওঁক। ঠিকাদাৰ জনক payment ২-৩ কোটি টকাৰ excess payment দিয়া হৈছে। ৪ বছৰ দেৰি হ'ল cancel নকৰিলে। ২-৩ কোটি টকাৰ excess payment কৰিছে তাৰ কাৰণে cancel কৰিব নোৱাৰে। সেই ধৰণৰ অশিক্ষিত ৰূপ দেখা গৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিম ৮০১৫২২ PMGSYৰ পেকেজ একে ঠিকাদাৰ গুণজিৎ নাথ ডেৰ বছৰৰ পৰা পেলাই থৈছে, কামেই আৰম্ভ নকৰিলে। তাৰ পিছত মই বহুত পইচা দিলো, কাম cancel কৰিলে কিন্তু নিয়ম মতে security forbid হ'ব লাগে, penalty দিব লাগে, কাৰণ

ডেৰ বছৰত post escalation হৈছে। সেইবোৰ একো নকৰে আৰু এটা উদাহৰণ দিছো AS01211 মোৰ এটা ৰাস্তাত PMGSY-1 ৰ road allotment হৈছিল ২০১৮ চনত আৰু stipulated date of completion আছিল 31-03-2020. ২০২০ চনৰ ৩১ মাৰ্চত শেষ হ'ব লাগিছিল ২০২৫ চনলৈ তেওঁ কামটো শেষ নকৰিলে, বিভাগেও cancel নকৰিলে। এতিয়া ২০২৫ চনৰ জানুৱাৰী মাহ, মই ১০০ বাৰ প্ৰশ্ন কৰাৰ পিছতে এইবাৰ cancel কৰিছে। কিন্তু security forbid এতিয়ালৈ কৰা নাই। এটা আৰু উদাহৰণ দিছো মাননীয় উপাধ্যক্ষ মহোদয়, মন্দিয়া আঞ্চলিক কলেজৰ নামত MSDPৰ অধীনত ছাত্ৰ-আৱাস sanction হৈছিল ০৪-০৩-২০১৪, ২০১৪ চনৰ ৪ মাৰ্চৰ পৰা শেষ হ'ব লাগিছিল ৪ মাৰ্চ ২০১৫ চনত। কিন্তু আজিলৈ শেষ হোৱা নাই ১০ বছৰ পাৰ হৈ গ'ল। মৃগেন সূত্ৰধাৰ বুলি এজন ঠিকাদাৰে পাইছিলে ২০১৫ চনত শেষ হ'ব লাগিছিল। তেওঁ cancel কৰিলে। ১ ফেব্ৰুৱাৰী ২০২১ চনৰ পৰা প্ৰায় ৬ বছৰ বিভাগে ৰৈ থাকিল, and the most unfortunate thing is that Mrigen Sutradhar has been blacklisted, nor he has been penalize nor his security has been prohibited. That is extra favour of the department ইমান পূৰণা বিভাগ, why the quality has eroded, why we have developed the extra affection to the Contractors.এই কামটো cancel কৰি দিলে ১৩ জানুৱাৰী ২০২২ চনত, stipulated date of completion ১৩-০১-২০২৩ আজিলৈ হোৱা নাই। তাতোকৈ ডাঙৰ কথা কাম cancel কৰিলে original provision টো decrease হ'ব নোৱাৰে, তাত in case of this work just to favour the contractor, the original provision has been decreased, which is against the provision of the contract. গতিকে মই মাননীয় অধ্যক্ষ মহোদয় বৃটিছৰ দিনৰ পৰা এই বিভাগৰ সুখ্যাতি আছে। এই সুনাম আজি erode হৈছে, আমাৰ স্বয়ং মাননীয় মুখ্যমন্ত্ৰী এই দায়িত্বত আছে। আপোনালোকে মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাম please look into all this thing, why the department has developed extra sympathy for some contractors, what is the reason ? এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। সন্মানীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৬৪ নং অনুদানৰ ওপৰত আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যিটো কাটমোশ্যন আনিছে আৰু সেই কাটমোশ্যনৰ বিভিন্ন দিশ তেখেতসকলে আলোচনা কৰিছে আৰু আমাৰ শাসক পক্ষই আলোচনা কৰিছে, ভাগ লৈছে এই কাটমোশ্যনৰ debateত। গতিকে ইয়াতে আপোনালোকে বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়াইছে আৰু এই পৰামৰ্শ বিলাক আমাৰ বিভাগৰ তৰফৰ পৰা এইবিলাক note কৰি থোৱা হৈছে। এতিয়া আজি আমাৰ আটাইতকৈ ডাঙৰ কথাটো হ'ল যে ৰাজ্য বা এখন দেশ আগবাঢ়ি যাব লাগে তেতিয়া হ'লে ৰাজ্যখনৰ connectivity নিশ্চয় উন্নত হ'ব লাগিব আৰু connectivity যদি উন্নত নহয়, আমাৰ এখন দেশ বা ৰাজ্য উন্নতিৰ পথত আগবাঢ়ি যাব নোৱাৰে আৰু সেইকাৰণে ৰাস্তা-ঘাট বা আমাৰ connectivityৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন এখন landlord ৰাজ্য হিচাপে আছিল। স্বাধীনতাৰ আগতে আমি ধনী ৰাজ্য আছিলো আৰু স্বাধীনতাৰ পিছত আমি দুখীয়া ৰাজ্যলৈ গ'লো আৰু দুখীয়া ৰাজ্য আমি এইকাৰণে হ'লো যে স্বাধীনতাৰ আগত আমাৰ Per Capita Income, National Per Capita Income ৰ ওপৰত

আছিল। স্বাধীনতা আগত আমাৰ গোটেই পৃথিৱীত আমাৰ excess হৈছিল, connectivity আছিল আৰু আমাৰ চাহপাত, তেল, কয়লা ইত্যাদি আমি trading কৰিছিলো আৰু সেইবাবে আমি ধনী ৰাজ্যলৈ ৰূপান্তৰিত হৈছিল। তাৰ পিছত যেতিয়া বংলা আৰু চিটাগং কোৰ্টৰ excess বন্ধ হ'ল, so we are disconnected from the ocean, সাগৰৰ ৰাস্তা আমাৰ বন্ধ হৈ গ'ল। তাৰ উপৰিও যিটো আমি landlord stay হিচাপে আমাৰ বেপাৰ-বাণিজ্য, কৃষি খণ্ডৰ উন্নয়ণ আমাৰ বহুত পিছ পৰি গ'ল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবাৰ এইক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে যে আমাৰ connectivity যাতে আমাৰ উন্নত হয় আৰু connectivity উন্নয়ণৰ কাৰণে আজি উপাধ্যক্ষ মহেদয় তেখেতে সকলো ধৰণৰ প্ৰচেষ্টা হাতত লৈছে। আজি প্ৰথম connectivity ৰাস্তাৰ ক্ষেত্ৰত আমি এইটো কথা ক'ব লাগিব যে আমাৰ প্ৰতি গৰাকী মাননীয় সদস্যই এই কথাখিনি অনুভৱ কৰিব যে এতিয়া যিমান ৰাস্তাৰ কাম সমষ্টি বিলাকত বা জিলা বিলাকত চলি আছে, তাৰ আগতে কেতিয়াও এনেকুৱা ধৰণৰ কাম হোৱা নাছিল। আজি আমাৰ বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক বৰ্মণ ডাঙৰীয়া ইয়াত আছে। তেখেত্ৰ আৰু মোৰ সমষ্টিৰ মাজেৰে এটা ৰাস্তা গৈছে, জাগ্ৰা-মুকালমুৱা ৰাস্তা। সেই ৰাস্তাটো হ'ব বুলি তেখেতেও ভবা নাই আৰু ময়ো ভবা নাই। গতিকে এনেধৰণৰ আজি এটা বৈপ্লৱিক উন্নয়ণ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত হৈছে। আজি পৰ্য্যায় ভিত্তিক ঠাই সমূহৰ কাঠৰ দলং সমূহ লাহে লাহে পকী দলংলৈ পৰিৱৰ্তিত হৈছে। এই যিটো connectivity ৰ ক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ connectivity আজি যথেষ্ট পৰিমাণে উন্নত হৈছে আৰু PMGSY-IV আঁচনি যিটো আহিছে তাত আগতে জনসংখ্যা ৫০০ লৈকে আছিল। এতিয়া ৫০০ জনসংখ্যাৰ ভিতৰত যিখিনি connected হোৱা নাই সেইখিনি অঞ্চল connected হোৱাৰ কাৰণে বৰ্তমান প্ৰস্তুতি চলি আছে। ঠিক তেনেধৰণে দলংৰ ক্ষেত্ৰত আজি আপোনালোকে দেখিছে যে ব্ৰহ্মপুত্ৰৰ দলং আগতে গুৱাহাটীৰ দলংখনেই দেখিছিলো আমাৰ ছাত্ৰ জীৱনত। কিন্তু আজি গুৱাহাটীত এতিয়া দ্বিতীয়খন দলং হ'ল। এই দলংখনৰ লগতে আজি তাৰ উপৰি আমাৰ উত্তৰ গুৱাহাটীত এখন দলং হ'ল। তাৰোপৰি আমাৰ চৰকাৰৰ দিনতে শুৱালকুছি আৰু পলাশবাৰী সংযোগী দলংৰ কাম আৰম্ভ হৈছে আৰু এইফালে আমাৰ কুৰুৱাৰ পৰা গুৱাহাটী সংযোগী দলংৰ চাৰ্ভে চলি আছে, কাম হ'ব। তাৰোপৰি দৰংৰ পৰা মৰিগাওঁ সংযোগী অন্য এখন ব্ৰহ্মপুত্ৰ ওপৰত দলং হ'ব লগতে বোকাখাতৰ পৰা ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ হৈ ৰাস্তা হ'ব। তাৰোপৰি আমাৰ মাজুলী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলংৰ কাম আৰম্ভ হ'ব এতিয়া। তাৰোপৰি শিৱসাগৰৰ পৰা টেকেলীফুটলৈকে এখন দলংৰ কামৰ কথা চলি আছে। ইতিমধ্যে বগীবিল দলং উদ্বোধন হৈ গ'ল, ধলা-শদিয়া উদ্বোধন হৈ গ'ল, আজি ধুবুৰী- ফুলবাৰী, ইয়াত মানকাচাৰৰ বিধায়কো আছে বা গোৱালপাৰা ধুবুৰীৰ বিধায়ক সকলেও অনুভৱ কৰিব নিশ্চয় যে আজি ধুবুৰী- ফুলবাৰী দলংখন প্ৰায় ২৩ কি.মি.দীঘল এখন দলং যিটো আমি সপোনতো দেখা নাছিলো সেইটো আজি বাস্তৱত ৰূপায়িত হৈছে কাৰণ মাননীয় মুখ্যমন্ত্ৰীৰ যিটো প্ৰচেষ্টা, সেই প্ৰচেষ্টাই আজি ৰাজ্যখনৰ connectivityৰ ক্ষেত্ৰত আগুৱাই লৈ গৈছে। তাৰ উপৰি connectivityৰ ক্ষেত্ৰত আজিৰ দিনটোত আপোনালোকে জানে যে road connectivity ৰ আজি কিমানখিনি develop হৈছে। তাৰোপৰি water connectivityৰ ক্ষেত্ৰতো আজি উপাধ্যক্ষ ডাঙৰীয়া বাংলা-চিটাগোং পোৰ্টৰ excess পোৱাৰ পিছত আজি বৰাক নদী সম্পূৰ্ণ ড্ৰেজিং হ'ল আৰু ব্ৰহ্মপুত্ৰৰ ড্ৰেজিং চলি আছে, যাতে আমাৰ বেপাৰ-বাণিজ্য connectivity আমি আগুৱাই লৈ যাব পাৰো। গতিকে আমাৰ ব্ৰ হ্মপুত্ৰ নদী দৈৰ্ঘ্যৰ পৰা বাংলাদেশলৈ এই অংশটো বাংলাদেশত পৰিছে আৰু এইফালে

বৰাকৰ নদী ও জাতিগঞ্জৰ পৰা বাংলাদেশলৈকে সেই পাৰ্টটো বাংলাদেশত পৰিছে। সেইটো ভাৰত চৰকাৰে Asian Development ৰ জৰিয়তে যিটো পইচা দিছে তাৰো কাম চলি আছে। পাণ্ডু পোৰ্ট আজি সম্পূৰ্ণ হোৱাৰ পথত, ধুবুৰী পোৰ্ট আজি যথেষ্ট উন্নত হৈছে, International Multi Model Logistic Park যোগীঘোপাত সম্পূৰ্ণ হৈছে, য'ত পাৰ্কখনত National Highway সোমাই গৈছে আৰু পোৰ্ট তাৰ লগত সংযোগ হৈছে। ঠিক তেনেধৰণে আজি Multi Model Logistic Park ৰ লগত railway সংযোগ হৈছে। গতিকে আগন্তুক দিনত আমাৰ ৰাজ্যখন ধনী ৰাজ্য হ'বলৈ হ'লে এই connectivity বিলাকৰ প্ৰয়োজন আছে। তাৰোপৰিও আমাৰ water connectivity হ'ল, rail connectivity হ'ল, আমাৰ চকুৰ সন্মুখত আমি দেখিলো ইয়াত doubling railway হ'ল, electrict railway হ'ল। আমাৰ neighbouring state সমূহৰ বোৰ্ডাৰলৈকে ৰেল যাবলৈ সক্ষম হ'ল। গতিকে railway connectivity টো বাঢ়িছে। তাৰোপৰি আমাৰ air connectivity হৈছে। আজি গুৱাহাটীত যিটো Airport হৈছে, তাৰপৰা আগতে ৫০ খনহে flight গৈছিল কিন্তু আজি ১২৫ খন flight তাৰ পৰা যায়। ৬০ লাখ passenger প্ৰতিমাহে তাৰপৰা যায়। International Rural Scheme ৰ জৰিয়তে Asian Country ৰ ৬ টা destination লৈ গুৱাহাটী সংযোজিত হ'ব, তাত VG yard থাকিব। ঠিক তেনেদৰে ৰূপসী Airport দ্বিতীয় বিশ্ব যুদ্ধৰ পাছৰ পৰাই পৰি আছিল। আজি ৰূপসী Airport ৰ পৰা flight চলিব পৰা হৈ গ'ল। গতিকে তেনেধৰণে আজিৰ দিনটোত আমাৰ ৰাজ্যখন আগুৱাই যাবলৈ সক্ষম হৈছে Air connectivity ৰ ক্ষেত্ৰত।

ঠিক তেনেধৰণে Rail Connectivity ৰ ক্ষেত্ৰত আমি আগুৱাই যাবলৈ সক্ষম হৈছো। আজিৰ দিনত Internet connectivity টো বঢ়াবৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ Act East Policy Affairs ৰ যিখন মিটিং, আমাৰ যিখন Indo-Bangla Summit হৈছিল, সেই সময়ত আমি বাংলাদেশ চৰকাৰক কৈছিলো যে আমাৰ ইয়াত দুটা IT gate আছে- চেন্নাই আৰু মুম্বাই। এই চেন্নাই আৰু মুম্বাইৰ পৰা আমি যি connection পাওঁ সেইটো গোটেই South East Asian Country আৰু Russian Country ঘূৰি আমাৰ অসমলৈ আহে। সেইকাৰণে আমাৰ net slow.গতিকে আমি কৈছো যে Coxbazar ত যিটো IT gate আছে, সেইটো আমেৰিকাত গৈ direct অসমলৈ আহিব পাৰে। গতিকে সেই সময়ত আমি যেতিয়া বাংলাদেশ চৰকাৰক আহ্বান জনাইছিলো তেওঁলোকে agree কৰিছিল আৰু ভাৰত চৰকাৰে আজিৰ দিনটোত optical fibre ৰ জৰিয়তে connection টো অসমলৈকে আনি আছে। গতিকে highways,railways, waterways, airways, I-ways এই পাঁচটা connectivity য'ত নাথাকে, সেই ৰাজ্যখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দূৰদৰ্শিতাৰ ফলত এই ৫ টা ways আজি আগবাঢ়ি যাবলৈ সক্ষম হৈছে। ইয়াত মাননীয় সদস্যসকলে নিজৰ নিজৰ সমষ্টিৰ কথা কৈছে আৰু সেই দুই এটা সমষ্টিৰ যি সমস্যা আছে, যেনে- মানকাচাৰত ৰাস্তাৰ অসুবিধা আছে, সেইটো মই নিজেও অনুভৱ কৰিছো। যেতিয়া মই মানকাচাৰত গৈছো, তেতিয়া মেঘালয় হৈ গৈছো। হালদীয়াগঞ্জৰ পৰা মানকাচাৰ লৈ ৰাস্তাটো হৈছে মুখ্য ৰাস্তা। গতিকে সেই ৰাস্তাটো এইবাৰ অসম মালা-৩ ৰ পৰা নিৰ্মাণ কৰা হ'ব। গতিকে মানকাচাৰৰ এই ডাঙৰ সমস্যাটো এইবাৰ সমাধান হ'ল। তাৰ DPR এতিয়া বনাই আছে। আমিনুল ইছলাম ডাঙৰীয়াই দুখ কৰি বক্তব্য ৰাখিছিলে।

কিন্তু তেখেতে দুখ কৰিবলগীয়া নাই। এইটো আপোনাৰ কাৰণে ভাল খবৰ। তাৰোপৰিও আমাৰ জনীয়া সমষ্টিৰ বিধায়ক ডাঙৰীয়াই মাজে মাজে এটা কথা কৈ থাকে আৰু মই নিজেও দেখিছো। এইটো আমি কিবা এটা কৰিব লাগিব। মই নিজেও তাৰে guardian minister.গতিকে মোৰ কথাটো মনত আছে। এইবিলাক সমস্যা সমাধান হৈ যাব। তাৰকাৰণে আপোনালোকে বেছি চিন্তা নকৰিব। আমাৰ গৌৰীপুৰৰ বিধায়কে কৈছে যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক আৰু যদি অলপ পইচা দিয়ে মোৰ কাৰণে বৰ ভাল হয় নহ'লে বিলাসীপাৰা পশ্চিম যিটো,তাৰ বেছিভাগ এৰিয়া আমাৰ ইয়াত আহিছে। গতিকে বহুত ডাঙৰ হৈ গল। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি যদি আৰু অলপ দিয়ে তেতিয়াহ'লে আমাৰ ভাল হয়। গৌৰীপুৰৰ বিধায়ক ডাঙৰীয়াই কথাটো যিহেতু কৈছে, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিম। সেইটো মই আপোনাক assure কৰিছো। আপুনি ৩ কোটিৰ কথা কৈছিল। মজিদ ডাঙৰীয়াইও তেখেতৰ সমষ্টিৰ যিখন দলঙৰ কথা কৈছিল সেইখন মোৰ মনত আছে। সেই কামিনী নদীখন বৰ ভয়ঙ্কৰ নদী। তাৰ সোঁত কেতিয়া কোনফালে গুছি যায়, ধৰিব নোৱাৰি। তাত খুব খহনীয়াও হয় বাৰিষাৰ সময়ত আৰু বানপানীও হয়। মই সেই কথাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিছো। বাকী যিখিনি সমস্যাৰ কথা কৈছে, আমাৰ PWD বিভাগৰ উচ্চপদস্থ বিষয়াসকল আছে, তেওঁলোকে গোটেই কথাখিনি নোট কৰি লৈছে। মই মাত্ৰ মানকাচাৰৰ দুই এটা কথা এই কাৰণেই নোট কৰিলো যে মানকাচাৰৰ বিধায়কে অলপ দুখ কৰি কৈছিলে যে তেওঁৰ ফালে ৰাস্তা নাই। ৰাস্তা সঁচাকৈ নাই কাৰণ আমি যেতিয়া গোৱালপাৰা হৈ মানকাচাৰলৈ যাওঁ মাজত মেঘালয় পৰে, একেবাৰে বেয়া ৰাস্তা। তাত গৈ পোৱাটোৱে টান। মই মাজত যাওঁতে মেঘালয় হৈ গৈছিলো। অৱশ্যে মই যোৱাৰ কাৰণে তাত লাভ হ'ল। তাত DTO office নাছিল। যাৰবাবে তেওঁলোকে মেঘালয়ত registration কৰিছে। মই গৈ তাত DTO office ঘোষণা কৰিলো আৰু দিলো, DTO posting ও কৰিলো। এইবাৰ তেখেতসকলৰ ৰাস্তাটোও হ'ব। বাকী মাননীয় সদস্য সকলে যিমানখিনি ৰাস্তাৰ কথা কৈছে পৰ্য্যায়িভিত্তিত এই কামবিলাক আগবাঢ়ি গৈ আছে।

উপাধ্যক্ষ মহোদয়, in principle মই দুই এটা কথা ক'ব বিচাৰিছো। দুৰ্গম এলেকা সমূহ সংযোজন কৰিবলৈ, বিচ্ছিন্নতা আঁতৰাবলৈ আৰু বাণিজ্যৰ সুবিধা প্ৰদান কৰিবলৈ কৰ্ম সংস্থানৰ নতুন পথ মুকলি কৰাত সহায় কৰিবলৈ শক্তিশালী পথত আন্তঃগাঁথনি গঢ়ি তোলাৰ এক পদক্ষেপৰ অধীনত অসম চৰকাৰে বিভিন্ন পুঁজিৰ জৰিয়তে ৰাজ্যখনৰ পথৰ আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত সম্পদ বিনিয়োগ কৰিছে য'ত SOPD, NABARD, RIDF আৰু বহিঃ সাহাৰ্য্য প্ৰাপ্ত প্ৰকল্প, কেন্দ্ৰীয় খণ্ড আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতাত আঁচনি আদি অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে আজিৰ দিনটোত বহুতে কয় যে আমাৰ চৰকাৰে বহুত লোণ লৈছে। তেওঁলোকক এফালে ৰাস্তাও লাগিব, connectivity ও লাগিব আৰু লোণটো যে লয় এইটো খুজিলে এনেয়ে নাপায়। GDP ৰ ওপৰত নিৰ্ভৰ কৰিহে লোণটো পাব। আজি যদি আমি লোণৰ ক্ষেত্ৰত compare কৰো, ভাৰতবৰ্ষৰ বহু ৰাজ্যতকৈ আমি বহু তলত আছো। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো প্ৰচেষ্টা যে ভাৰতৰ ৫ খন শক্তিশালী ৰাজ্যৰ ভিতৰত অসমখনো হ'ব লাগে, তেখেতৰ যিটো ইচ্ছা তাৰ ওপৰত যিটো আচল বুনিয়াদ গঢ়ি তুলিব লাগে , infrastructure গঢ়ি তুলিব লাগে, connectivity গঢ়ি তুলিব লাগে, গতিকে তাৰক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে এটা বৈপ্লৱিক পদক্ষেপ লৈছে। শক্তিশালী ৰাজ্যৰ ভিতৰত অসমখনো হ'ব লাগে। তেখেতৰ এই যিটো ইচ্ছা, এই ইচ্ছাটোৰ ক্ষেত্ৰত তেখেতে আচল যিটো বুনিয়াদ গঢ়ি তুলিব লাগে, infrastructure টো গঢ়ি তুলিব লাগে,

connectivity টো গঢ়ি তুলিব লাগে। এই connectivity ৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে এটা বৈপ্লৱিক পদক্ষেপ লৈছে। আগতে ক'লো যে ৫ টা connectivity-Highways, Air-ways, Water-ways, railways and I-ways। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ৫ টা ways ৰ ক্ষেত্ৰত ৰাজ্যখনত বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ আজি সক্ষম হৈছে। গতিকে সেই ক্ষেত্ৰত আমাৰ বিৰোধী পক্ষই আপোনাৰ cut-motion আনি নিজৰ নিজৰ সমষ্টিত দুই এটা কথা আপোনালোকক ক'ব আৰু কোৰাটোত কোনো আপত্তি নাই আৰু ক'ব লাগিব সমষ্টিৰ সমস্যা। গতিকে আজি আপুনি cut-motion আনি সমস্যা বিলাকৰ কথা কৈছে। ভাল কৰিছে, আৰু ভাল পৰামৰ্শ কিছুমান দিছে, এইটো ভাল হৈছে। আপোনালোকে ৰাজ্যখনৰ এই আন্তগাঠনিৰ connectivity ৰ উন্নয়নৰ কাৰণে আপোনালোক সকলোৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাত শক্তিশালী কৰিব লাগিব আৰু আপোনালোকে চৰকাৰখনৰ লগত সহযোগিতা নিশ্চয় উন্নয়নৰ ক্ষেত্ৰত আগ বঢ়াব লাগিব ৰাজনৈতিক ভাবে যি কথা কয়, ২ নং কথাটো হ'ল যে ২০২৩ চনত বহুত Network Master Plan বনোৱা হৈছে। আৰু Master Plan ত যিবিলাক ৰাস্তাৰ কথা আপোনালোকে কৈছে, যিবিলাক দলঙৰ কথা কোৱা হৈছে, Master Plan টোত সকলোখিনি অন্তৰ্ভুক্ত হৈ আছে। SOPD -G ৰ অধীনত প্ৰথম পৰ্য্যায়ৰ অসম মালাৰ অধীনত ২৬ খন দলঙৰ সৈতে ৩৪৩ কিঃ মিঃ পথ দ্ৰুতবেগী যোগাযোগ পথ হিচাপে উন্নয়নৰ বাবে লোৱা হৈছিল আৰু তাৰ ভিতৰত ৩১২ কিঃ মিঃ পথৰ কাম আৰু ১৯ খন দলং ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই আঁচনিৰ বাবে ২০২৫ -২৬ চনৰ বাজেটত ২৮৫.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। বাহ্যিক সাহাৰ্য্যপ্ৰাপ্ত দুটা প্ৰকল্প অৰ্থাৎ Asian Infrastructure Investment Bank (AIIB) ৰ পুঁজিৰে Assam Secondary Road Improvement Project (ASRIP) আৰু Asian Development Bank (ADB) ৰ পুঁজিৰে Assam SUSEC Corridor Connectivity Improvement Project (ASCCIP) অসম মালা আঁচনিৰ অংশ হিচাপে ৰূপায়ণ কৰা আছে। যাৰ জৰিয়তে আমাৰ network টো আৰু বাঢ়ি যাব। ২ নং কথাটো হৈছে ওপৰত উল্লেখ কৰা ASRIP প্ৰকল্পৰ অধীনত সোঁৱণশিৰি আৰু লুইত নদীৰ ওপৰত দুখন ডাঙৰ দলঙৰ লগতে ২৪৭ কিঃ মিঃ দৈৰ্ঘ্যৰ পথৰ কাম হাতত লোৱা হয় আৰু ASCCIP ৰ অধীনত ৩১২ কিঃ মিঃ দৈৰ্ঘ্যৰ পথৰ কাম হাতত লোৱা হয়। এই দুখন আঁচনিৰ বৰ্তমান সামগ্ৰীক অগ্ৰগতি ক্ৰমে ৩৩ শতাংশ আৰু ২৮ শতাংশ। ২০২৫-২৬ ৰ বাজেটত ASRIP আঁচনিৰ বাবে ৭০০.০০ কোটি টকা আৰু ASCCIP আঁচনিৰ বাবে ৫০০.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। অসম মালা ২.০ ৰ অধীনত NIDA ৰ জৰিয়তে NABARD ৰ ঋণ সাহায্যৰে, ৯৯৬ কিলোমিটাৰ পথ বহল কৰা কথা উন্নতিৰ কাম হাতত লোৱা হৈছে আৰু কাম চলি আছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ৯৩৭.৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। দ্ৰুতবেগী পৰিবহণ পথ নিৰ্মাণৰ পদক্ষেপক আগুৱাই নিবলৈ অসমৰ সকলো জিলাকে সমানে উপকৃত কৰি অসম মালা ৩.০ আৰম্ভ কৰিবলৈ লোক নিমাৰ্ণ (পথ) বিভাগত প্ৰস্তুতি চলি আছে। চাহ বাগিচাৰ শ্ৰমিক লাইনলৈ All Weather Roads প্ৰদানৰ বাবে গ্ৰহণ কৰা পদক্ষেপ NABARD ৰ RIDF ঋণৰ সাহাৰ্য্যত নতুন পৰ্যায়ৰ আঁচনি গ্ৰহণ কৰি অব্যাহত ৰখা হৈছে আৰু ইয়াৰ বাবে নতুন Head of Account সৃষ্টি কৰা হৈছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ১৮০.৩৯ কোটি টকা ধাৰ্য্য কৰা হৈছে। মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনি, মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি, মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনি কাৰ্যকৰী কৰি বিকাশ কৰিডৰ সৃষ্টিৰ পদক্ষেপত আগবঢ়াই নিয়া হৈছে। মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ৪,৮৪৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ

পথৰ কাম ৩,৮৬১ কোটি টকাত অনুমোদন জনোৱা হৈছে। ইয়াৰে ভিতৰত ১,৩৬১ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী কাম চলি আছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত১২০০.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ৩৩৫৭কিঃ মিঃ দৈৰ্ঘ্যৰ পথৰ কাম ৪,১৫৪ কোটি টকাত অনুমোদন জনোৱা হৈছে। ইয়াৰে ভিতৰত ৭৪১ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী কাম চলি আছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ১০২৩.৪৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনিৰ অধীনত ৯৯০ কিলোমিটাৰ দৈৰ্ঘ্যৰ Road cum Embankment ৰ কাম ১৬৪৮ কোটি টকাত অনুমোদন জনোৱা হৈছে।  ইয়াৰে ভিতৰত ৪৬১ কিঃ মিঃ Road cum Embankment ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী কাম চলি আছে। এই  আঁচনিৰ বাবে প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন ২০২৫-২৬ ৰ বাজেটত সাধাৰণ RIDF ৰ কামৰ বাবে ধাৰ্য্য কৰা হৈছে, ৮৯০.১৯ কোটি টকা। মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনিৰ অধীনত ৩৫৫৫ কিলোমিটাৰ Periodic Renewal ৰ কাম ৭০৯ কোটি টকাত অনুমোদন জনোৱা হৈছে। ইয়াৰে ভিতৰত ২২৩৯ কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী কাম চলি আছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ১৯০.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। তদুপৰি ৰাজ্যৰ ৬০১ কিলোমিটাৰ নগৰীয়া পথ নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰীৰ নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিও আৰম্ভ কৰা হৈছে। ইয়াৰে ভিতৰত ১৬৩ কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী কাম চলি আছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ২৩৭.৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ অধীনত Pradhan Mantri Gram Sadak Yojana (PMGSY) আঁচনি ৰূপায়ণ কৰা হৈছে। PMGSY-III ৰ অধীনত অনুমোদিত ৩৬৭৪ কিলোমিটাৰ পথৰ ভিতৰত ৩৪১৭ কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী কাম চলি আছে। তদুপৰি, ভাৰত চৰকাৰে PMGSY-III ৰ অধীনত আৰু ৫৬৪ কিলোমিটাৰ পথ অনুমোদন জনাইছে আৰু এই কাম সমূহৰ নিবিদা প্ৰক্ৰিয়া চলি আছে। ইয়াৰ উপৰিও, বিভাগটোৱে কাৰিকৰী প্ৰক্ৰিয়াসমূহ সম্পন্ন কৰি PMGSY-IV ৰূপায়ণৰ বাবে প্ৰস্তুতি চলাইছে আৰু প্ৰায় ৪০০০অসংলগ্ন গ্ৰাম্য বাসস্থান PMGSY ৰ এই শাখাৰ অধীনত All Weather Roads ৰ দ্বাৰা সংযুক্ত হোৱাৰ আশা কৰা হৈছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ২০০.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰেৰে পলাশবাৰী  শুৱালকুছি এই বিলাক মই ইতিমধ্যে ক'লো।   তাৰোপৰি অসম চৰকাৰে বহু ৰেলপথৰ লেভেল ক্ৰছিং চিনাক্ত কৰে য'ত যাত্ৰীসমূহে সঘনাই ৰেল পাৰ হ'বলৈ অপেক্ষা কৰিবলগীয়া হয় আৰু ইয়াৰ বাবে যথেষ্ট সময় অপচয় হয়। এই স্থানসমূহৰ ওপৰত Road Over Bridge (ROB) নিৰ্মাণৰ আঁচনি ৰেলৱে কৰ্তৃপক্ষৰ সৈতে ৫০ঃ৫০ হিচাবত ব্যয় বহন কৰাৰ ব্যৱস্থাৰ অধীনত আৰম্ভ কৰা হৈছিল। বৰ্তমান ২১ নং ROB চলি আছে আৰু ৬ নং নিবিদা প্ৰক্ৰিয়া চলি আছে। এই আঁচনিৰ বাবে ২০২৫-২৬ ৰ বাজেটত ১৪৪.৯৩ কোটি টকা ধাৰ্য্য কৰা হৈছে।ব্যস্ত নগৰ অঞ্চলত যান-জঁট হ্ৰাস কৰিবলৈ উৰণীয়া সেতু নিৰ্মাণৰ বৃহৎ প্ৰকল্প গ্ৰহণ কৰা হৈছে। গুৱাহাটীৰ GNB Road আৰু Cycle Factory Junction, যোৰহাটৰ AT Road আৰু ডিফুৰ DLHS পথৰ ওপৰত উৰণীয়া সেতুৰ কাম চলি আছে। গতিকে  উপাধ্যক্ষ মহোদয় এতিয়া PWD বিভাগৰ কাম যিখিনি চলি আছে,  মই নিজে মোৰ দীৰ্ঘদিনীয়া এটা অভিজ্ঞতাৰ কথা কওঁ যে PWD বিভাগত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এটা বৈপ্লৱিক পৰিবৰ্তন আহিছে আৰু এই   বৈপ্লৱিক পৰিবৰ্তনে অসম খনক আৰু বহুখিনি আগবঢ়াই লৈ যাব। গতিকে মই মাননীয় সকলো সদস্যকে অনুৰোধ কৰিছো যে

তেখেত সকলে যাতে কৰ্তন প্ৰস্তাৱ উঠাই লয় আৰু ৬৪ নং দাবী মঞ্জুৰীটো আমাৰ সদনত যাতে গৃহীত হয় তাৰ কাৰণে মই অনুৰোধ জনালো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু সহযোগীসকল, হাফিজ ৰছিৰ আহমেদ আৰু সহযোগীসকল, মনোৰঞ্জন তালুকদাৰ, অখিল গগৈ, শ্বেৰমান আলী আহমেদ আপোনালোকে আপোনালোকৰ কৰ্তন প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিছে আৰু গোটেইখিনি কথা উল্লেখ কৰিছে। আমাৰ ফালৰ পৰা কেইটামান কথা স্পষ্টকৈ বিভাগক পৰামৰ্শ বা মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে যিসমূহ কাঠৰ দলং এতিয়ালৈকে পকীকৰণ হোৱা নাই যিহেতু ৰাজ্য চৰকাৰখনে পূৰ্বতে ঘোষণা কৰিছিল যে ১০০০ কাঠৰ দলং পকীকৰণ কৰিব আৰু কোনো ধৰণৰ কাঠৰ দলং নাথাকিব আৰু সকলোবোৰ পকীকৰণ কৰা হ'ব যিহেতু আজিকালি কাঠৰ মানদণ্ডও বেয়া হৈ গৈছে। ক'ৰবাত ক'ৰবাত গোটেই ৰাস্তা ভাল হৈ আছে কিন্তু মাজত ৪০-৫০ মিটাৰ দলং বেয়া হৈ আছে। দ্বিতীয়তে যোৱা বানপানীৰ সময়ত যিখিনি ৰাস্তা-ঘাটৰ ক্ষতি সাধন হ'ল, ২০১৩ চনৰ পৰা এতিয়ালৈকে কোনো ধৰণৰ অনুমোদন লাভ কৰা নাই বা scheme ৰ নামত কোনো ধৰণৰ টকা-পইচাৰ sanction দিয়া নাই। যিহেতু PWD ৰ ৰাস্তা- ঘাট বেয়া হৈছে গতিকে বিভাগে বানপানীত ক্ষতিগ্ৰস্ত ৰাস্তাৰ বাবে বিশেষ ব্যৱস্থা ল'বনে নলয়? তৃতীয়তে বিৰোধী দলৰ বিধায়ক সকলৰ সমষ্টি সমূহত বা বিভিন্ন ধৰণৰ ৰাস্তা-ঘাটৰ ক্ষেত্ৰত যিমান অনুমোদন লাভ কৰিব লাগে সেই অনুপাতে কমকৈ লাভ কৰে । সেয়ে যাতায়াতৰ ক্ষেত্ৰত সকলোকে সমান চকুৰে চাব লাগে। এইখিনি আমাৰ দাবী আছিল আৰু মন্ত্ৰী ডাঙৰীয়াৰ পৰা এইখিনি জানিব বিচাৰিছো আৰু অনাগত দিনত যাতায়ত ব্যৱস্থা অধিক সুচল কৰক তাৰ প্ৰতি লক্ষ্য ৰাখি আমি আমাৰ কৰ্তন প্ৰস্তাৱ উঠাই লৈছো।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া হাফিজ বছিৰ আহমেদ আৰু সহযোগী সকল।

**মোঃ আমিনুল ইছলাম, (মানকাছাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিছে । মই ইয়াৰ লগত দুটামান সংযোজন কৰিব বিচাৰিছো। কিছুমান এনেকুৱা অঞ্চল আছে য'ত মাটি পেলাব নালাগে আৰু কিছুমান অঞ্চল ৭-৮ ফুটকৈ মাটি পেলাব লাগে। Roads ৰ ক্ষেত্ৰত যি difference আছে আৰু যিটো average system কৰিছে যে এক কোটি ২০ লাখ/৮০ লাখ /৭০ লাখ per k.m. দ' ঠাইবিলাকৰ differ কৰিবৰ বাবে এইটো অতি গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে। দ্বিতীয়তে মানকাছাৰ সমষ্টিৰ বিষয়টো গুৰুত্বসহকাৰে ল'বৰ বাবে মই অনুৰোধ জনাইছো আৰু সংশোধনীৰ যিখিনি প্ৰস্তাৱ বিভিন্ন শিতানৰ পৰা আহিছে, সেইখিনি সংশোধনৰ বাবে ইতিমধ্যে প্ৰতিশ্ৰুতি দিছে। গতিকে এইখিনি কৰিলে ভাল হ'ব। সেয়ে আমাৰ কৰ্তন প্ৰস্তাৱ আমি উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মোৰ বক্তব্যত দুটা বিশেষ প্ৰশ্ন উত্থাপন কৰিছিলো। এটা হৈছে নিৰ্মানৰ সকলো কাৰ্য্য নৱেম্বৰ মাহৰ ১ তাৰিখে আৰম্ভ কৰা। tender process যদি মাৰ্চ মাহলৈকে গুচি যায় তেতিয়া কাম কৰাৰ সময়টো কম হয়। মুখ্যমন্ত্ৰীয়ে assurance দিছিল যে নৱেম্বৰৰ ১ তাৰিখে সকলো ৰাস্তাৰ কাম, নিৰ্মানৰ কাম আৰম্ভ হ'ব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ উত্তৰটো পোৱা নাই। আন এটা কথা কৈছিলো JSP ৰ সম্পৰ্কত ।

যেতিয়া estimate কৰে আৰু ১২% JSP ধাৰ্য্য কৰে কিন্তু আদায় হৈ আছে ১৮% JSP । এই যে extra 6% JSP আদায় দি থকা হৈছে তাৰ ফলত কামৰ quality নষ্ট হৈছে আৰু quantity ও কমিছে। এই দুটা বিষয়ত উত্তৰ টো দিব আৰু মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে উত্তৰ দিওঁতে সন্মানীয় সদস্যজন অনুপস্থিত আছিল। তেওঁ ধুনীয়াকৈ উত্তৰ দিছে আৰু কথাখিনি নোট কৰি লৈছে। আপুনি অনুপস্থিত থকা কাৰণে most probably কথা খিনি শুনা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মই এই ক্ষেত্ৰত উত্তৰ দিছো আৰু মানকাছাৰৰ কথাটোও উল্লেখ কৰিছো কিন্তু তেখেত অনুপস্থিত আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা অনুৰোধ ৰাখি যিখিনি উদাহৰণ দিলো যে the bad contractor should not be given indulgence and the good contractor shoul be encouraged আৰু PMGSY ৰ ৰাস্তাবোৰৰ maintenance নাই। পাঁচ বছৰ হ'ল PMGSY ৰ one rectification কোনো ঠিকাদাৰে maintenance কৰা নাই। গতিকে যাতে সময়মতে maintenance কৰা হয়, specification মতে কৰা হয়, এইখিনিয়েই অনুৰোধ জনাই মই কৰ্তন প্ৰস্তাৱ withdraw কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু অখিল গগৈ ডাঙৰীয়াই কৰ্তন প্ৰস্তাৱটো অনা নাছিল, তেওঁ অনুপস্থিত আছিল আৰু বাকী সকলো সদস্যই কৰ্তন প্ৰস্তাৱ উঠাই লৈছে, গতিকে কৰ্তন প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰত সদনৰ সন্মতি আছেনে?

সদনৰ সন্মতি সাপেক্ষে কৰ্তন প্ৰস্তাৱকেইটা প্ৰত্যাহাৰ কৰা হ'ল।

প্ৰস্তাৱটো হ'ল যে ২০২৬ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ পথ, দলং গ্ৰহণ কৰিবলৈ মঞ্জুৰী নং ৬৪ পথ, দলংৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক Rs. 1052781.24 lakh মঞ্জুৰ কৰিব লাগে।

যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'।

মই ভাৱো- 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে

প্ৰস্তাৱটো গৃহিত হ'ল আৰু দাবী মঞ্জুৰী নং ৬৪ টো গৃহীত হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৪। বিদ্যালয় শিক্ষা আলোচনাৰ বাবে লোৱা হৈছে। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ কৰিব।

**শ্ৰী ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৬ চনৰ ৩১ মাৰ্চত শেষ হ'ব লগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক বিদ্যালয় শিক্ষা শিতানৰ প্ৰশাসনৰ অৰ্থে মুঠ ১৮৭৩৪২৯.৭১ লাখ টকা মঞ্জুৰী কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে। মই মাননীয় বিধায়ক দেৱব্ৰত শইকীয়া আৰু সহযোগী সকলক কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, we propose that the total provision of Rs. 1873429.71 lakh under Grant No. 71

in respect of "School Education" at pages 88-187 volume-II, part-VII of the Budget for 2025-2026 be reduced to Rs. 1.00 i.e., the amount of the whole Grant of Rs. 1873429.71 lakh do stand reduced to Rs. 1.00.

**মাননীয় উপাধ্যক্ষ ঃ** হাফিজ ৰছিৰ আহমেদ আৰু সহযোগীসকল।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** Hon'be Deputy Speaker Sir, I would like to move that the total provision of Rs. 1873429.71 lakh under Grant No. 71 in respect of "School Education" at pages 88-187 volume-II, part-VII of the Budget for 2025-2026 be reduced to Rs. 1.00 i.e., the amount of the whole Grant of Rs. 1873429.71 lakh do stand reduced to Rs. 1.00.

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** Hon'be Deputy Speaker Sir, that the total provision of Rs. 1873429.71 lakh under Grant No. 71 in respect of "School Education" at pages 88-187 volume-II, part-VII of the Budget for 2025-2026 be reduced to Rs. 1.00 i.e., the amount of the whole Grant of Rs. 1873429.71 lakh do stand reduced to Rs. 1.00.

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Hon'be Deputy Speaker Sir, I would like to move that the total provision of Rs. 1873429.71 lakh under Grant No. 71 in respect of "School Education" at pages 88-187 volume-II, part-VII of the Budget for 2025-2026 be reduced to Rs. 1.00 i.e., the amount of the whole Grant of Rs. 1873429.71 lakh do stand reduced to Rs. 1.00.

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সময় ২ টা বাজিছে। বাকী থকা দাবী মঞ্জুৰী সমূহ গিলেটিনত দিলো। (দাবী মঞ্জুৰী নং ৭১) ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০, ৮১ , ৮২ আৰু ৮৩ ভোটদানৰ বাবে সদনত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা মঞ্জুৰী প্ৰস্তাৱৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়'

যিসকল মাননীয় সদস্য-সদস্যা মঞ্জুৰী প্ৰস্তাৱৰ বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

২০২৫-২৬ বৰ্ষৰ দাবী মঞ্জুৰী প্ৰস্তাৱ সমূহ গৃহীত কৰা হ'ল।

এতিয়া ইয়াৰ ওপৰত আলোচনা আছে। মাননীয় সদস্য শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, (পূব গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিদ্যালয় শিক্ষা বিভাগৰ যি

দাবী নং ৭১, এই ৭১ ৰ যিকেইটা শিতানত কৰ্তন প্ৰস্তাৱ অনা হৈছে মই ভাবো যে এই কৰ্তন প্ৰস্তাৱবোৰ হয়তো এটা আনুষ্ঠানিকতা। এই সম্পৰ্কে কিছু আলোচনা হোৱাৰ প্ৰয়োজন আছে। কিয়নো স্বাধীনতাৰ পিছত যেতিয়া অসমত একমাত্ৰ শিক্ষাই এটা এনেকুৱা বিভাগ যিটোত যিমান পৰীক্ষা-নিৰীক্ষা হৈছে সিমান পৰীক্ষা-নিৰীক্ষা হয়তো আৰু কোনো বিভাগতে হোৱা নাই। শিক্ষা বিভাগৰ যিকেইটা দিশ আছে আমাৰ যিহেতু সীমিত কৰি ৰখা হৈছে স্কুল শিক্ষাৰ ক্ষেত্ৰত। স্কুল শিক্ষাৰ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে অসমত কিছু ব্যৱস্থা আছে যিবিলাক ব্যৱস্থা ভাৰতবৰ্ষৰ কতোৱেই নাই আৰু এই যিটো প্ৰচলিত ব্যৱস্থা যেনে ধৰক ভেঞ্চাৰ স্কুল। ভাৰতবৰ্ষৰ কতোৱেই ভেঞ্চাৰ স্কুল বুলি কোনো এটা কনচেপ্ত নাপায়। একমাত্ৰ অসমতেই যি পাব। ঠিক তেনেকৈ আমাৰ ইয়াত আমি দেখিছো যে যেতিয়া স্কুল বিলাকত নিযুক্তি দিয়া যায়, নিযুক্তিৰ সময়তেই চৰকাৰে হয়তো কৈছে যে এখেতসকলক এটা নিৰ্দিষ্ট সময়ৰ কাৰণে বা নিৰ্দিষ্ট পদৰ বাবে তেখেতসকলক ঠিকাভিত্তিক নিযুক্তি দিয়া হৈছে। এইখিনি কথা চৰকাৰে যদি নিযুক্তিৰ সময়ত তেখেতসকলে প্ৰকাশ নকৰিলে হয় সেই কথাটো সেই শিতানত যদি তেখেতসকলে নাৰাখিলে হয়, পৰৱৰ্ত্তী সময়ত হয়তো যিটো স্থায়ীকৰণৰ কথা সেই স্থায়ীকৰণৰ কথাটো আহিলে হয়। কিন্তু অসমখন এনকুৱা এখন ৰাজ্য য'ত এইবিলাক বিষয় মানুহে সোমায় ঠিকাভিত্তিত আৰু কেইবছৰমান ঠিকাভিত্তিত কাম কৰাৰ পিছত তেখেতসকলৰ দাবী হয় যে মোক আপোনালোকে স্থায়ীকৰণ কৰি দিয়ক, আমাক পাৰমানেন্ট কৰি দিয়ক। কিন্তু ভাৰতবৰ্ষৰ ন্যায়ালয়ত এনেকুৱা ধৰণৰ বিষয়বোৰ কেইবাটাও হাইকোৰ্টত বিশেষকৈ আমাৰ গুৱাহাটী হাইকোৰ্টৰে কেইবাটাও ৰায় আছে, যিটোৱে কৈছে যে ad hoc হিচাবে কোনোবা contractual basis ত সোমালে তেওঁক অট'মেটিকেলী পাৰমানেন্ট কৰিব পৰা নাযায়। তেওঁ যদি পাৰমানেন্ট হ'ব বিচাৰে তেতিয়াহ'লে পাৰমানেন্ট হোৱাৰ যিটো প্ৰক্ৰিয়া তাত তেখেতে অংশগ্ৰহণ কৰিব লাগিব আৰু অংশগ্ৰহণ কৰাৰ পিছতহে তেখেতক পাৰমানেন্ট কৰিব পৰা যায় যদিহে তেওঁৰ উপযুক্ততা পোৱা যায়। শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত মই অনুভৱ কৰো যে আজি বহুত সময়ত এটা কথা শুনিবলৈ পাওঁ বিৰোধী পক্ষই ও কয় অন্যান্য সকলেও কয় যে আমাৰ যিটো চৰকাৰী শিক্ষা ব্যৱস্থা সেই শিক্ষা ব্যৱস্থাটোক সংকুচিত কৰি অনা হৈছে। মিনিমাইজ কৰিবলৈ বিচৰা হৈছে, ব্যক্তিগতকৰণ কৰিবলৈ বিচৰা হৈছে। এসময়ত অসমৰ শিক্ষামন্ত্ৰী হিচাবে মোৰ সৌভাগ্য হৈছিল যে বিভাগটোৰ কিছু ভিতৰুৱা কথা গম পাইছিলো বা পাবলৈ সক্ষম হৈছিলো আৰু মই দেখিছো যে - গুৱাহাটীতে মই এনেকুৱা বহুত প্ৰাইমাৰী স্কুল দেখিছো যে যিবোৰত ছাত্ৰ-ছাত্ৰীতকৈ শিক্ষকৰ সংখ্যা বেছি। আমাৰ যিসকল লোকে সংস্কৃতি আৰু মাধ্যমৰ কথা কৈ টেঁটু ফালে তেখেতসকলে নিজৰ ল'ৰা-ছোৱালীবোৰক কোনোবা ইংৰাজী বা ব্যক্তিগত খণ্ডৰ স্কুলত পাঠদান কৰোৱাই। মোৰ সমষ্টিত এখন প্ৰাইমাৰী স্কুল আছে। সেই স্কুলখনৰ যিখন ব্যৱস্থাপনা সমিতি আছে সেই সমিতিখনৰ যিজন ব্যক্তি আৰু তেখেত এজন যথেষ্ঠ জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত অসম চৰকাৰৰ বিষয়া। তেখেতে যথেষ্ঠ পৰিমাণে অভাৱ-অভিযোগ সমূহ বহুত সময়ত সজোৰে উত্থাপন কৰি থাকে। কিন্তু পৰৱৰ্ত্তী সময়ত মই দেখিছো যে তেখেতৰ নিজৰ নাতি-নাতিনী সকলক এখন ইংৰাজী মাধ্যমৰ স্কুলত পঢ়োৱাইছে। গতিকে চৰকাৰে স্কুলবোৰৰ মাজত যিটো amalgamation আনিছে সেইটোত যথেষ্ঠ যুক্তিযুক্ততা আছে। যেতিয়া আমি প্ৰাথমিক স্তৰৰ পৰাই ছাত্ৰ-ছাত্ৰী সকলক ভাল শিক্ষাদান কৰিব নোৱাৰো তেতিয়াহ'লে মাধ্যমিক স্কুলবোৰত চিটৰ স্তৰটো আহে প্ৰাথমিক স্কুলৰ পৰা। কোনোবাই যদি প্ৰাথমিক স্তৰত অসমীয়া

মাধ্যমত পঢ়া নাই তেতিয়াহ'লে পৰৱৰ্ত্তী মাধ্যমিক স্তৰত তেখেতসকলে অসমীয়া মাধ্যমলৈ চিফ্ট নকৰে। গতিকে মই ভাবো আজি শিক্ষা বিভাগত বিশেষকৈ প্ৰাইমাৰী শিক্ষাৰ ক্ষেত্ৰত আৰু অধিক পুঁজিৰ প্ৰয়োজন আছে। আমি এই ব্যৱস্থাটোক যিবোৰ কাৰণ আছে বা স্বাধীনতাৰ পিছৰ পৰা যিটো ব্যৱস্থা চলি আহিছে সেই ব্যৱস্থাটোৰ এটা আমূল পৰিবৰ্তনৰ প্ৰয়োজন হৈছে আৰু এই পৰিবৰ্তনৰ বাবে শিক্ষা বিভাগক বিশেষকৈ স্কুল শিক্ষাৰ ক্ষেত্ৰত বিশেষ পুঁজি দিয়াৰ প্ৰয়োজন আছে। অধিক পুঁজি দিলে এইক্ষেত্ৰখনক আৰু লগতে এই চৰকাৰখনে যি প্ৰশংসনীয় কাম কৰি আছে সেই প্ৰশংসনীয় কাম-কাজখিনি কৰিবলৈ সক্ষম হ'ব। এটা সৰু উদাহৰণ দি মই মোৰ বক্তব্য সম্পূৰ্ণ কৰিব বিচাৰিছো যে পোন প্ৰথমবাৰৰ বাবে যেতিয়া আমাৰ গুণোৎসৱ হ'ল তেতিয়া আমি দেখিলো যে কৰ'বাত যদি দেখুৱাইছে যে ২০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এখন স্কুলত পাঠগ্ৰহণ কৰি আছে সেই ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ ২০ শতাংশ, ৩০ শতাংশ ছাত্ৰ-ছাত্ৰী সিদিনাখন অনুপস্থিত আছিল। যেতিয়া ইয়াৰ পৰা নিৰ্দ্দেশনা গ'ল যে এইটো ২০ শতাংশ, ৩০ শতাংশ ছাত্ৰ-ছাত্ৰী কিয় তেওঁলোক উপস্থিত নাই, পৰৱৰ্ত্তী সময়ত দেখা গ'ল সেই সংখ্যা বিলাক কিন্তু কমি আহিল। কিয় কমি আহিল? তাৰমানে এইযে ছাত্ৰ-ছাত্ৰীখিনি আছিল তেওঁলোক কাগজে-কলমেহে আছিল। প্ৰকৃততে তেনেকুৱা কোনো শিক্ষাৰ্থী নাছিল। একমাত্ৰ চৰকাৰে দিয়া সা-সুবিধাখিনি অধিক আহৰণ কৰিবৰ বাবেহে তেখেতসকলৰ নামবোৰ ভৰাই থৈছিল। তেখেতসকল আচলতে ছাত্ৰ-ছাত্ৰী নহয়। এনেকুৱা ধৰণৰ যিবোৰ আঁসোৱাহ এই আঁসোৱাহবোৰ বিভাগে বহুত দূৰ কৰিছে। শিক্ষা বিভাগটোৰ যথেষ্ঠ উন্নতি হৈছে। আজি অতি গৰ্বেৰে ক'ব পাৰো যে গুৱাহাটীত আমাৰ পুৰণি যিকেইখন স্কুল আছিল, মোৰ ঘৰৰ ওচৰতে থকা উলুবাৰী হাইস্কুলখন আপোনালোক সকলোৱে দেখিছে আজি এই চৰকাৰৰ দিনতেই আমি এটা ডাঙৰ সুন্দৰ বৃহৎ গৃহৰে তেখেতসকলৰ যি বিদ্যালয় সেই বিদ্যালয়খন নিৰ্মাণ কৰিবলৈ সক্ষম হ'লো। হয়টো আজি গুৱাহাটীত ১৬ জন ব্যক্তিয়ে একেলগে ëÂÂò÷±ßÁ¦Â Â1±õÂòÍù Lift ৰ ব্যৱস্থা থকা স্কুল বা মহাবিদ্যালয়ৰ ভিতৰত সেইখন এখন স্কুল যত ৩২ জন ছাত্ৰ- ছাত্ৰীয়ে একেলগে অহা যোৱা কৰিব পাৰে। আমাৰ যিখিনি মাটি আছিল তাত আমি এতিয়া ১ কোটি টকাৰে Untide Fund ৰ পৰা Mini Sports Complex কৰিব গৈ আছো। গতিকে এনেকুৱা যি বিলাক গঠন মূলক কাম হৈ আছে তাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট পৰিমানে বৃদ্ধি হৈছে। 'আজিৰ বাতৰি' কাকতত হয়টো সকলোৱে পঢ়িছিল যেনে নলবাৰী জিলাৰ গৰ্ডন স্কুল বা আন চৰকাৰী বিদ্যালয়ত নাম ভৰ্তিৰ বাবে ল'ৰা ছোৱালীৰ অভিভাৱকে ৰাতিৰ পৰাই লাইন ধৰিছে। যদিও স্কুলৰ অফিচ ১০ টা বজাত খুলিব কিন্তু ৰাতিপুৱা ৬ বজাৰ পৰাই নাম ভৰ্তিৰ প্ৰপত্ৰ সংগ্ৰহৰ বাবে অভিভাৱকে লাইন ধৰি আছে। গতিকে মই ভাৱো যে যি ধৰণে গঠন মূলক ব্যৱস্থা লোৱা হৈছে তাৰ বাবে এই বিভাগটোক আৰু অধিক পুঁজিৰ প্ৰয়োজন আছে। আৰু ইয়াত যি কৰ্তন প্ৰস্তাৱ অনা হৈছে ই হৈছে এটা Device যাৰ জড়িয়তে বিষয়টো ওপৰত আলোচনা কৰিব পাৰো। লগতে বিৰোধীয়ে যি সংশোধনীৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে তেখেত সকলেও সেইবোৰ ইয়াত উত্থাপন কৰিবলৈ সুবিধা পাব। গতিকে এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিছো।

**সভাপতি ( কৃষ্ণ কমল তাঁতী)** ঃ ধন্যবাদ। এতিয়া শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়া। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মাননীয় সভাপতি মহোদয়, আজি শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে কব দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। শিক্ষা বিভাগৰ বিভিন্ন সমস্যা আছে

আৰু এই সমস্য সমূহৰ বাবে বিভিন্ন দল সংগঠনে আমাক লগ কৰে আৰু তেওঁলোকৰ সমস্য সমূহ অৱগত কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ মতে আমাৰ বিভাগটো চলি আছে। আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু পূৰ্বৰ শিক্ষামন্ত্ৰী আছিল। মই যোৱা কালি এটা ভিডিও চাইছিলো আৰু দেখিছিলো যে ১ চেপ্তেম্বৰ ২০২০ চনত শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱত কিছুমান বক্তব্য তেখেতে দাঙি ধৰিছিলে সেই সময়ত মই বিধায়ক নাছিলো। সেই বক্তব্য টোত তেখেতে যি খিনি কথা কৈছিলে যে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উদ্দেশ্যটো আছিল যে পঞ্চম শ্ৰেণী লৈকে শিক্ষাৰ মাধ্যমটো মাতৃভাষা হ'ব লাগে। আৰু সেই সময়ত তেখেতে অৰ্থাৎ বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে কৈছিল যে পঞ্চম শ্ৰেণী লৈকে সকলো আঞ্চলিক ভাষাত শিক্ষা দান কৰা হ'ব। আৰু নৱম আৰু দশম শ্ৰেণীৰ বিজ্ঞান আৰু গণিত বিভাগটো শিক্ষা দান অকল ইংৰাজীত দিয়া হব। বাকী অন্যান্য সকলো বিষয় মাতৃ ভাষাত শিক্ষা দান কৰা হ'ব। কিন্তু এতিয়া লৈকে এইবোৰ হোৱা দেখা পোৱা নাই। মই ভাৱো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত গুৰুত্ব দিব। তাৰোপৰি তেখেতে সেই সময়ত শিক্ষামন্ত্ৰী হিচাপে এটা কথা কৈছিল যে ৰাষ্ট্ৰীয় শিক্ষা নীতি মতে অসমত প্ৰাক প্ৰাথমিক বিদ্যালয় খোলাৰ বাবে ২৪ হেজাৰ গাওঁত ৩ জন কৈ হলেও শিক্ষক নিযুক্তি দিয়া হলে ৭৫ হেজাৰ শিক্ষকে নিযুক্তি লাভ কৰিলে হেতেঁন। বৰ্তমানৰ শিক্ষা মন্ত্ৰীয়ে এই বিষয়ে কি ব্যৱস্থা লৈছে মই নাজানো কিন্তু এইখিনি কৰিলে বহুত ভাল হ'ব। আমাৰ অসমত বহুতো সমস্যা আছে এইটো আমি অস্বীকাৰ কৰিব নোৱাৰো। আমি Venture স্কুলৰ কথা কওঁ যদিও সেইসকল শিক্ষকে বহুতো লৰা ছোৱালীক সমাজত প্ৰতিষ্ঠিত কৰিছে। যেতিয়া ছাত্ৰ সকলে তেওঁলোকৰ শিক্ষা গুৰু সকলক কামৰ পৰা অব্যাহতি দিয়াৰ বাবে আন্দোলন কৰিব লগা হয় যেনেকৈ গোলাঘাট Polytechnic বা মছলপুৰ Polytechnic ত আন্দোলন কৰিছে কাৰণ তাত কাম কৰি থকা প্ৰবক্তা সকলক কামৰ পৰা অব্যাহতি দিয়া হৈছে। ঠিক তেনেদৰে অন্যান্য বহুতো শিক্ষকে চচলত আন্দোলন কৰি আছে যদিও চৰকাৰে কয় কোনো আন্দোলন হোৱা নাই। বিশেষ টেট পাছ কৰা লৰা ছোৱালীৰ সংখ্যা ৬ হেজাৰ ৬,৬৬৭ কিন্তু তেওঁলোকৰ চাকৰী আজি লৈকে নিয়মীয়াকৰণ নকৰিলে। আমাৰ Tutor শিক্ষক সকলৰ সমস্যা বোৰ সমাধান নহ'ল। মোৰ সমষ্টিত পূব বৰভাগ আঞ্চলিক স্কুল নামৰ এখন স্কুল আছে সেইখন যদিওঁ প্ৰাদেশিকীকৰণ আওতাত আছে কিন্তু ২০১৬ চনত সেইখন প্ৰাদেশিকীকৰণ নহল তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী কম হোৱাৰ বাবে। ঠিক তেনেদৰে প্ৰাদেশিকীকৰণ আওতাত নপৰা যি সকল হিন্দী শিক্ষক আছে তেওঁলোকৰ প্ৰায় ৯১২ জন হে ১৯৮৫ চনৰ পৰা কাম কৰি আছে কিন্তু তেওঁলোকৰ চাকৰি নিয়মীয়া কৰণ নহল। আমাৰ মাননীয় মন্ত্ৰী পটোৱাৰী ডাঙৰীয়াৰ সমষ্টিৰ এখন স্কুল পকোৱা-বাহজানী উচ্চতৰ মাধ্যমিক বিদ্যালয় সেইখন স্থাপন হৈছিল ২০০১ চনতে কিন্তু আজি লৈকে প্ৰাদেশিকীকৰণ নহ'ল। মোৰ সমষ্টিত ১৯৯০ চনতে স্থাপিত শিয়ালমাৰী আঞ্চলিক হাইস্কুল যিয়ে DISE Code পোৱাৰ পিছতো আজি লৈ প্ৰাদেশিকীকৰণ ন'হল। আমাৰ LOP ডাঙৰীয়াৰ সমষ্টিৰ বিহগুৰ শিলনী হাইস্কুল, শিবানী বাগান ME স্কুল, গেলেকী হাইস্কুল ইত্যাদি কেইবাখনো স্কুল আছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে The Assam Venture School Provincialization Act আছে সেইখন সংশোধনী কৰিম বুলি কৈছিল আৰু এই ক্ষেত্ৰত Cabinet Sub Committee ও কৰিছিল সেইবাবে মই অনুৰোধ কৰিছো গতিকে এই শিক্ষক সকলক যি সকলে অসমৰ বহুতো লৰা-ছোৱালীক জ্ঞানৰ পোহৰ দিছে গতিকে এই স্কুল বিলাকক যিকোনো প্ৰকাৰে প্ৰাদেশিকীকৰণ আওতালৈ আনক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমাৰ ভূল বুজা বুজি হ'ল যিহেতু মইয়ো নাছিলো কাৰণ Guillo-

tine ত যোৱাৰ পিছত আৰু আলোচনা নহয় কাৰণ আমি ইতিমধ্যে Guillotine ত দিয়ে দিলো। সেইহে এতিয়া দাবী মঞ্জুৰীটো পাচ কৰাৰ ব্যৱস্থা কৰিম। তথাপিও যিহেতু শিক্ষাৰ ওপৰত বহুতো বিধায়কে বক্তব্য ৰাখিছে গতিকে মাননীয় মন্ত্ৰীয়ে পাছ কৰাৰ আগতে কিবা কব নেকি। নাই নাই আৰু আলোচনা নহব যিহেতু Guillotine ত দিয়া হৈছে। এতিয়া দাবী মঞ্জুৰী নম্বৰ সমূহ ১,২,৩,৪,৫,৬,৭,৮,৯,১০,১১,১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯,২০,২১,২২,২৩,২৪,২৫,২৬,২৭,২৮,২৯,৩০, ৩১,৩২,৩৩,৩৪,৩৫,৩৬,৩৭,৩৮,৩৯,৪০,৪১,৪২,৪৩,৪৪,৪৫,৪৬,৪৭,৪৮,৪৯, ৫০,৫১,৫২,৫৩,৫৪,৫৫,৫৬,৫৭,৫৮,৫৯,৬০,৬১,৬২,৬৩,৬৪,৬৫,৬৬,৬৭,৬৮,৬৯,৭০,৭১,৭২, ৭৩,৭৪,৭৫,৭৬,৭৭,৭৮,৭৯,৮০,৮১,৮২ আৰু ৮৩ ভোট দানৰ বাবে সদনত দাঙি ধৰিলো। যিসকল মাননীয় সদস্য সদস্যা মঞ্জুৰী প্ৰস্তাৱ সমূহৰ সপক্ষে আছে তেখেত সকলে কওঁক "হয়"আৰু যি সকলে বিপক্ষে আছে কওঁক নহয়। মই ভাৱো "হয় সপক্ষে", "হয় সপক্ষে", "হয় সপক্ষে"।

২০২৫-২৬ বৰ্ষৰ দাবী মঞ্জুৰী সমূহ গৃহীত কৰা হ'ল।

এতিয়া মন্ত্ৰী ডাঙৰীয়ানী শ্ৰীমতী অজন্তা নেঁওগ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱ উত্থাপন কৰাৰ পিছত যিহেতু বিভাগৰ বিষয়ে বিভিন্ন আলোচনা হয় আৰু আলোচনাৰ জৰিয়তে বিভাগেও লাভান্বিত হয়। গতিকে কথাটো অলপ আলোচনা কৰাৰ কাৰণে সুযোগ দিব লাগিছিল।

**মাননীয় অধ্যক্ষ** ঃ কৰ্তন প্ৰস্তাৱৰ আলোচনাটো আগতে হ'ব লাগিছিল। .......

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাক ৭ ঘন্টা সময় দিছিল, আমি তেনেকৈ আধা লোক নিৰ্মাণ বিভাগ আৰু শিক্ষা বিভাগৰ কাৰণে কৈ লৈছিলো, গতিকে আধা ইয়াৰ ওপৰত আছিল। সেই গতিকে সদনত পাৰিত হ'ল, কিন্তু কথাখিনি চৰকাৰৰ ওচৰত দৃষ্টিগোচৰ কৰাৰ সুবিধা কৰি দিয়ে, তেতিয়াহলে সকলোৰে লাভান্বিত হ'ব। আগতেও এনেকুৱা এবাৰ আপুনি কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ নহয়, মই উত্তৰৰ কাৰণে মাত্ৰ কৰিছিলো। কিন্তু আলোচনা নহয়।

**বিৰোধ দলৰ ফালৰ পৰা অহা উক্তি** - শিক্ষা বিভাগত বহুত গুৰুত্বপূৰ্ণ কথা আছে। সেই গতিকে আলোচনাৰ সুবিধাটো দিব লাগে। (..... হুলুস্থুল....)

**মাননীয় অধ্যক্ষ** ঃ সেইটো বুজি পাইছো, কিন্তু সময় নাথাকিলে কি কৰিম। পিছত কথা পাতিম এই বিষয়ত।

এতিয়া কাৰ্য্যসূচী নং ৬, ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল -

"Under the provision of Article 207 (1) of the Constitution of India, I, Sir Lakshman Prasad Acharya, Governor of Assam recommended "The Assam Appropriation(No. II) Bill, 2025 be taken into introduction by the Assam Legislative Assembly"

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Appropriation(No. II) Bill, 2025 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো হ'ল - বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক

'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহিত হ'ল।

এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Appropriation(No. II) Bill, 2025 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৭,

ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল -

"Under the provision of Article 207 (3) of the Constitution of India, I, Sir Lakshman Prasad Acharya, Governor of Assam recommended "The Assam Appropriation(No. II) Bill, 2025 be taken into introduction by the Assam Legislative Assembly"

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Appropriation(No. II) Bill, 2025 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো হ'ল - "The Assam Appropriation(No. II) Bill, 2025 বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধেয়কখনৰ ওপৰত দুটামান কথা কবলগীয়া আছে। এই বিধেয়কখনত ১৫০ লাখ কোটি টকাৰ ওপৰত বাজেট মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই দাঙি ধৰিলে আৰু সেই বিধেয়কখন আজি পাছ কৰিবলৈ গৈ আছো। আমি হিতাধিকাৰীসকলক যিখিনি সকাহ দিবলৈ বাজেট লোৱা হৈছে, সেই কথাটো ইয়াতে উল্লেখ নকৰো। কিন্তু বাকী infrastructure development ৰ যিখিনি কথা চালো। এই বাজেটখনত অসমৰ আন্তঃগাঁথনি পুনৰ নিৰ্মাণ। এই ক্ষেত্ৰত আগৰ বাজেটত দৰে একে সুৰতে আন্তঃগাঁথনি পুনৰ নিৰ্মাণ বুলি ক'বলৈ যাওঁতে ক'ব লাগিব যে যিখিনি damage হৈ আছে, damage control ৰ কাৰণে বাজেটত কি হৈ আছে। সামগ্ৰীভাৱে অসমখনৰ damage বুলি ক'লে কি বুজিম। আটাইতকৈ অসমক ক্ষতিগ্ৰস্ত কৰা কাৰণটো হ'ল গৰাখহনীয়া। গৰাখহনীয়াই অসমৰ মাটি-কালিৰ পৰিমান কমাই আছে। কৃষি ভূমি, মানুহৰ বাসস্থান আদি কমাই আছে। যি ব্ৰহ্মপুত্ৰ নদী এটা সময়ত যি ঠাইত ৩ কিলোমিটাৰ বহল আছিল, আজি সেই ঠাইত ১৯ কিলোমিটাৰ, ২২ কিলোমিটাৰ পৰ্য্যন্ত বহল হৈ গ'ল। গতিকে প্ৰথমতে যদি আমি গৰাখহনীয়া নিয়ন্ত্ৰণৰ কাৰণে এটা বিজ্ঞানসন্মতভাৱে

..... (interfere)..

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ বিত্তীয় সম্পৰ্কত কি আছে ? আপুনি সেইটো কওঁক।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ) ধিং** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া আমাৰ বাজেট বক্তব্যত কৈছিলো যে জলসম্পদত অলপ পইচা বঢ়াই দি হলেও নিশ্চিত প্ৰতিশ্ৰুতি থাকিব লাগে যে আমাৰ অন্তত এই সমস্যাটো চিৰদিনৰ কাৰণে সমাধান হৈ যাওঁক আৰু এই ক্ষেত্ৰত আমি দেখিলো যে যিটো বাজেটত প্ৰথমতে ধৰা হৈছিল, তাত অলপো বঢ়োৱা নহ'ল।

আৰু দ্বিতীয় কথাটো হৈছে, দেখা গৈছে যে পূৰ্বৰ ৫০ বছৰৰ তুলনাত এই ৫ বছৰত আটাইতকৈ বেছি ধাৰ লৈ চলিব লগা এটা অৱস্থা হ'ল। গতিকে আমি প্ৰত্যেক বছৰে সুদ পৰিশোধ কৰি লগীয়া হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আমি ধাৰ লৈ থাকিম আৰু আমাৰ ৰাজহৰ পৰা সুদ ভৰি থাকিব লগীয়া হৈছে। যি টকা আমি সুদ ভৰি আছো, সেই টকাখিনি যদি বাহিৰত নগ'লহেঁতেন, আমি অলপ ইফাল সিফাল কৰিব পাৰিলে, অসমৰ আন্তঃগাঁথনি নিৰ্মাণত ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। কিন্তু আমাৰ policy টোত কিবা সলনি হ'ল নেকি? আমাৰ বিত্তীয় policy টো কিবা সংশোধনী কৰিব লাগিব নেকি? এই বিষয়টোত আমি বাইদেউৰ পৰা প্ৰতিশ্ৰুতি নাপালো।

আৰু শিক্ষা খণ্ডত যিবোৰ left out school আছে, সেই ৫ হাজাৰতকৈ অলপ বেছি শিক্ষক সকলৰ নিযুক্তিৰ কথাটো আছে। .... (interfere)..

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী ডাঙৰিয়নীয়ে কোৱাৰ আগতে যিহেতু জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কিবা ক'ব বিচাৰিছিলে। গতিকে তেখেতে কোৱাৰ পিছত বিত্তমন্ত্ৰী মহোদয়াৰ পৰা উত্তৰ বিচাৰিছিলো।

**শ্ৰী পিযুষ হাজৰিকা, জলসম্পদ বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিহেতু জলসম্পদ বিভাগৰ লগত জৰিত কথা এটা কলে, তাৰ উত্তৰতো মই সংক্ষেপে দিব খুজিছো। ২০১৬ চনৰ আগলৈকে চৰকাৰখনে জলসম্পদ বিভাগত ২৫০- ৩০০ কোটি টকা খৰছ কৰিছিল। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আৰু বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰিয়ানীৰ নেতৃত্বত জলসম্পদ বিভাগত বৰ্তমান বছৰত ২০০০-২২০০ কোটি টকা খৰছ কৰি আছে। গতিকে যথেষ্ট টকা আগতকৈ আৱন্টন দিয়া হৈছে আৰু মই নিশ্চিতভাৱে ক'ব পাৰো এই বছৰো আমি World Bank আৰু ADB sponsored fund ৰ পৰা অতি কমেও ২০০০ কোটি টকা অকল গৰাখহনীয়া ৰোধৰ বাবে আমি অসমত কাম কৰিম।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰীৰ বাজেট ভাষণত এটা প্ৰতিশ্ৰুতি দিয়া আছে যে বিদ্যালয়সমূহৰ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত শিথিলতা। এই সম্পৰ্কত মই বাজেট অধিবেশনত এখন Private Member Bill ও আনিছিলো, introduce ও হৈছে। আজি কৰ্তন প্ৰস্তাৱত যিহেতু কথা কোৱাৰ সুযোগ নাপালো, মই আপোনাৰ জৰিয়তে ঠিক এইখিনি কথাকে, যিখিনি বাজেটত বিত্তমন্ত্ৰী ডাঙৰিয়নিয়ে প্ৰতিশ্ৰুতি দিছে যে "বিদ্যালয় সমূহৰ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত শিথিলতা" সেই সংক্ৰান্তত আমাৰ যিটো কথা ক'বলগীয়া আছিল, এই খিনি আপোনাৰ জৰিয়তে মই দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া বিত্তমন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাজেট খন মই যেতিয়া উত্থাপন কৰিছিলো তেতিয়া বাজেট বিতৰ্কত যথেষ্টখিনি বিধয়কে তাত অংশগ্ৰহণ কৰিছে এইবিলাক প্ৰশ্ন

তাতে তেওঁলোকে আনিব পাৰিলেহেতেন! তথাপি মই পুনৰ বাৰ আপোনাৰ জৰিয়তে হাউচত এইখিনি কথাই কৈছো যে আন্তঃগাথনিৰ ক্ষেত্ৰত যোৱা বাজেট যিমান খিনি আন্তঃগাথনি উন্নয়ন আছে মই ভাৱো যে সৰ্বাধিক পুঁজি বিভিন্ন খণ্ডত আৱন্টন কৰা হৈছে আৰু সেই কিমান আছে আমাৰ মন্ত্ৰী ডাঙৰীয়াই নিজে কৈছে। গতিকে আমি দেখিছো যে যোৱা সময়ছোৱাত প্ৰত্যেকটো বছৰতে ধাৰাবাহিক ভাৱে আমাৰ আন্তঃগাথনিৰ ক্ষেত্ৰত পুঁজি আমাৰ বৃদ্ধি কৰা হৈছে আৰু ভৱিষ্যতে সেই ধাৰা অব্যাহত থাকিব। প্ৰত্যেকটো বিভাগৰ মন্ত্ৰী সকল আছে গতিকে মই সেইখিনিয়ে কৈছো যে বাজেটত মই সেইদিনাখন কৈছিলো যে সবতকৈ বেছি পুঁজি আমি ইয়াত ধাৰ্য্য কৰিছো আৰু আগন্তুক দিনত বিভাগ বিলাকে তেওঁলোকৰ পৰিচালনাত সেই পুঁজি বিলাক ভাল ভাৱে ব্যৱহাৰ কৰিব। আৰু যি প্ৰভিনচিলাইজেচনৰ কথা কৈছে আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়া আছে ভৱিষ্যতে তেখেতে এই বিষয়ত এখন বিল সদনত উত্থাপন কৰিব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া বিধেয়ক খন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক, দফা নং ২ আৰু ৩ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল দফা নং ২ আৰু ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়', আৰু যি সকল সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং ২ আৰু ৩ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোণাম আৰু অনুসূচীত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোণাম আৰু অনুসূচী বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়', আৰু যি সকল সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং ১ অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোণাম আৰু অনুসূচী বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে 'The Assam Appropriation (No. II) Bill, 2025 পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওঁক, যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়', আৰু যি সকল সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খনো পাৰিত কৰা হ'ল।

এতিয়া আইটেম নং ৮। মাননীয় মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পাল।

**শ্ৰীকৃষ্ণেন্দু পাল, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সপক্ষে মই 'দি আসাম ভেটেৰিনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্ছিটি (এমেণ্ডমেন্ট) বিল, ২০২৫' খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল বিধেয়ক খন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে, যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়', আৰু যি সকল সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীকৃষ্ণেন্দু পাল, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সপক্ষে মই 'দি আসাম ভেটেৰিনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্ছিটি (এমেণ্ডমেন্ট) বিল, ২০২৫' খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** 'দি আসাম ভেটেৰিনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্চিটি (এমেণ্ডমেন্ট) বিল, ২০২৫' খন অহা কালি পাছ কৰাৰ কাৰণে লোৱা হ'ব। সেইটোৰ কাৰণে আজি ৬ বজালৈ কাৰোবাৰ যদি এমেণ্ডমেন্ট আছে দিব পাৰিব আৰু দিয়াৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ, আমি সিদ্ধান্ত লৈছিলো যে বিল আহিলে আগতে চাৰ্কোলেট কৰিব লাগে, ইমান চৰ্ট নটিছত সকলো খিনি সম্ভৱ নহয়, অলপ বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে কালি ৰাতিপুৱা ৯ বজালৈ এমেণ্ডমেন্টটো দিব পাৰিব আমি কালি সেইটো শেষত টেকআপ কৰিম।

এতিয়া আইটেম নং ৯। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ 'দি আসাম কেটল প্ৰিজাৰভেশ্যন্ (এমেণ্ডমেন্ট) বিল, ২০২৫' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল 'দি আসাম কেটল প্ৰিজাৰভেশ্যন্ (এমেণ্ডমেন্ট) বিল, ২০২৫' খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়', আৰু যি সকল সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া আলোচনা। আমি এমেণ্ডমেন্টটো এটাৰ পিছত এটাকৈ আলোচনা কৰিম। কেটল বিল খনৰ ওপৰত কোনোবাই কিবা কব নেকি?

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** ছাৰ, আছে। ইয়াত চিংগল আনিছেটো।

**মাননীয় অধ্যক্ষ ঃ** নহয়, মই কৈছো পাছিংৰ সময়ত এমেণ্ডমেন্টটো একেবাৰে লৈ যাম। এমেণ্ডমেন্ট মোভ কৰিব নালাগে। আপুনি কওঁক।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** ছাৰ, 'দি আসাম কেটল প্ৰিজাৰভেশ্যন্ (এমেণ্ডমেন্ট) বিল, ২০২৫' খন অসম বিধান সভাত উত্থাপন কৰাৰ কাৰণে মই চৰকাৰক এটাৰ কাৰণে ধন্যবাদ দিছো যে ইয়াত চৰকাৰে এই কথাটো দেৰিকৈ হলেও উপলব্ধি কৰিছে যেতিয়াৰ পৰা আসাম কেটল প্ৰিজাৰভেশ্যন্ বিলৰ মূল আইন খন পাছ কৰিছিল তেতিয়া কিন্তু এই এমেণ্ডমেন্ট আমি দিছিলো। যিটো এইটো নকৰিলে অসুবিধা হ'ব তেতিয়া চৰকাৰে মানি লোৱা নাছিল। সাধাৰণতে অসম বিধান সভাত এটাপৰম্পৰা থাকে যে বিৰোধীয়ে যেতিয়া কিবা এমেণ্ডমেন্ট দিয়ে চৰকাৰী পক্ষই সাধাৰণতে যিকোনো প্ৰকাৰে ৰিজেক্ট কৰিব বিচাৰে। ভাৰে যে এইটো পাছ নকৰো কথা আছে, কিন্তু পৰৱৰ্তী সময়ত আমি দেখিছো আমি দিয়া এমেণ্ডমেন্ট বহুত কেইটা আকৌ চৰকাৰে এমেণ্ডমেন্ট হিচাপে আনে, আমি প্ৰথমে সেইটো দিছিলো কিন্তু সেইটো মানি লোৱা নাছিল। পিছৰ বাৰ চৰকাৰে সেইবিলাক আকৌ আনিলে। যি নহওঁক ইয়াতে মূল যিহেতু এটাই চেক্‌চন এই এমেণ্ডমেন্টটো আনিছে সেই চেক্‌চনটো আগতে আছিল যে এমেণ্ডমেন্ট অফ চেক্‌চন ফোৰ আগতে আছিল যে Not withstanding anything contained in subsection 1,2,3. The Competent authority may issue permit to any agency, person or farm registered under Animal Husbandary. ইয়াতে আগতে পাৰ্চন শব্দটো নাছিল, আছিল যে Competent authorityয়ে কোনোবা এজেন্সি বা ফাৰ্মক পঞ্জিয়ন দি আৰু তেওঁলোকে Animal Husbandry বা তেওঁলোকে bonafide agricultural purpose বা Animal Husbandry দুটা পাৰ্পচত তেওঁলোকে গোধন সৰবৰাহ কৰিব পাৰিব ট্ৰেন্সপোৰ্ট কৰিব পাৰিব। আগতে আছিল এইবোৰ এজেন্সি আৰু ফাৰ্ম, যিবিলাক Veterinary & Animal

Husbandry Department ৰ পৰা পঞ্জীয়ন, তেওঁলোকে পাৰিব। এতিয়া মাত্ৰ এই একে তাত পাৰ্চন শব্দটো সোমাই দিছে। ব্যক্তিগত ভাৱে এতিয়া কোনোবাই যদিও Veterinary & Animal Husbandary Department ৰ পৰা তেওঁলোকে যদি অনুমতি লয় তেতিয়া সৰবৰাহ কৰিব পাৰিব। আৰু এইটো কৰাৰ কাৰণে বহুত ভাল হৈছে। বিশেষকৈ উজনি অসমত হাজাৰ হাজাৰ গো পালক সকলৰ কাৰণে। যি সকলে ইমান দিনে এই আইন খনৰ বিৰুদ্ধে বিকল্প কৰি আছিল, উজনি অসমত বহুত এনেকুৰা গোপালক সকল আছে যি সকলে ৩০, ৪০, ৫০, ১০০, ২০০ লৈকে গোধন তেওঁলোকে লালন পালন কৰে। এইটো তেওঁলোকৰ একমাত্ৰ উপাৰ্জনৰ উপায়। আৰু তেওঁলোকে বেংকত ইনভেষ্ট কৰাৰ নিচিনা এই গৰু বিলাক পুহি ৰাখে। যেতিয়া তেওঁলোকৰ কিবা প্ৰয়োজন হয় ছোৱালীৰ বিয়া বা কাৰোবাৰ বেমাৰ অপাৰেচন কৰিব লাগে নাৰ্চিং হোমত, তেতিয়া এটা দুটা গৰু বিক্ৰী কৰি দিয়ে বা কাৰোবাৰ উচ্চ শিক্ষাৰ কাৰণে নামভৰ্ত্তিৰ কাৰণে তেওঁলোকে বেংকত ইনভেষ্ট কৰাৰ নিচিনা ৰাখে। যেতিয়া ২ লাখ টকা লাগে ২ লাখ টকাৰ গৰু বিক্ৰী কৰি দিয়ে আৰু ৩ লাখ টকাৰ প্ৰয়োজন হলে ৩ লাখৰ গৰু বিক্ৰী কৰি দিয়ে। মুঠৰ ওপৰত প্ৰয়োজন সাপেক্ষে তেওঁলোকে বিক্ৰী কৰে। তেতিয়া কিন্তু আমি এমেণ্ডমেন্টটো দিছিলো যে এই যদি গো সৰবৰাহ কৰিব নিদিয়ে এই লোক সকলে বিপদত পৰিব। তেতিয়া কিন্তু চৰকাৰে বহুত যুক্তি দিছিল। কিন্তু এতিয়া দেখা গ'ল শেষত গৈ এই পঞ্জীয়ন ফাৰ্ম বা যি কোনো এজেন্সিক দিয়া হৈছে। তেওঁলোকে সৰবৰাহ কৰিব। তাত গৈ সেই লোক সকলৰ চাহিদা পূৰণ হয়। তেওঁলোকে যে এই গোধন বিক্ৰী কৰিব কৰি তেওঁলোকৰ পৰিয়ালৰ বা সংসাৰৰ কাম কাজ কৰিব। সেই চাহিদা পূৰণ হ'ল বহুত ব্যক্তিগত সৰু সুৰাকৈ কোনোবাই ব্যক্তিগত যি এটা দুটা পোহনীয়া গাই এটা বা দুটা, এতিয়া যি সকল এজেন্সি হিচাপে বা গ্ৰুপ হিচাপে তেওঁলোকেটো এটা দুটাৰ খৰৰ নকৰে তেওঁলোকে বেছিকৈ সংগ্ৰহ কৰে। গতিকে সেইটোৰ কাৰণে ভাল হ'ল যে অন্তত এতিয়া খুচুৰাকৈ হলেও কাৰোবাৰ গাই যদি লাগে বা কোনোবাই হাল বোৱাৰ বাবে বলধ যদি এজোৰ আনিব, এতিয়া পাৰ্মিচন লৈ খুচুৰাকৈ আনিব পাৰিব। এইটো ভাল কথা হৈছে। কিন্তু তাৰ লগতে আমি ভাবিছো যে এইটো অলপ শিথিল কৰা হ'ল, এই গো -পালকসকলৰ কথা চিন্তা কৰা হ'ল। সেইটো এটা ভাল কথা হৈছে। আমি এটা amendment ল'ব পাৰিছো যে একেলগে কৈ দিছো। Amendment টোত আনিছিলো যে যিবিলাক গাড়ীত সৰবৰাহ কৰে, গৰু, ছাগলী, ম'হ আদি জীৱ হওঁক, তাতে গাড়ীৰ permission ঠিক আছে, Veterinary Department ৰ তেওঁলোকৰ লাইচেঞ্চ থাকিব, লাইচেঞ্চ লৈ আনিব। Registerd গাড়ী মাৰ্কেটত পৰা আনিব যিটো আগতে মূল বিলত যিটো আছিল, কিন্তু প্ৰত্যেকখন গাড়ী minimum এটা capacity থাকে। এটা যেতিয়া Law বনাব, Rules বিলাক যেতিয়া আনিব, Rules ত যে এটা Tata Mobile হ'লে তাত কেইটা পশুধন আনিব পাৰিব বা ডাঙৰ গাড়ী হ'লে কাৰণ কেতিয়াবা দেখিছো প্ৰয়োজনতকৈ বেছি capacity ত ৫ টা বা ৬ টা, তাত প্ৰায় ৭-৮ টা জন্তু ভৰাই আনি এটা এনেকুৰা condition সৰবৰাহ কৰে, য'ত জীৱ-জন্তু বিলাকে উশাহ লোৱাৰ কাৰণে কষ্ট পায়। গতিকে এইক্ষেত্ৰত আমি এটা amendment আনিছো যাতে এইটো এটা Rules ত কথাবিলাক আহে আৰু তাৰ কাৰণে বিচাৰিছো মুল আইনখন পাছ হোৱাৰ ফলত আমি কৈছিলো inter district তাৰেই প্ৰশ্নটো কৰিছিলো যে এখন জিলাৰ পৰা আৰু এখন জিলালৈ গৰু নিবলৈ হ'লে তেওঁলোকে অনুমতি ল'ব লাগিব আমি কৈছিলো যে অলপ দূৰত্বটো আনিব লাগে। ঠাইত গড়া আছে ৰাষ্টাতো জিলাৰ সীমাত। এফালে যদি কামৰূপ জিলা, এইফালে নলবাৰী জিলা। গতিকে পথাৰত গৰু নিবলৈ হ'লে নিজৰ

ঘৰৰ পৰা ওলাই গৰুটো এৰাল দিবলৈ হ'লে এখন জিলাৰ পৰা বেলেগ এখন জিলালৈ যাব লাগে। আমি কৈছিলো তাত এই distance টো এই কথাটো শিথিল কৰিবলৈ। চৰকাৰে এইটো মান্তি হোৱা নাছিল। এতিয়া আমি ভাৱো এই কথাটো ভৱিষ্যতে চৰকাৰে আনে আৰু অলপ শিথিল কৰি দিয়ে আমি ভাবো সকলোৰে কাৰণে ভাল হ'ব। ধন্যবাদ।

**শ্ৰী ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো Cattle Preservation Bill প্ৰথম যেতিয়া আনিলে তাৰপিছত কেইবাবাৰো সংশোধনী আনিবলগীয়া হ'ল। আমি কিন্তু তেতিয়াই কৈছিলো যে অসমৰ দৰে এখন ৰাজ্যত য'ত বিভিন্ন জাতি-জনজাতিৰ মানুহ, বিভিন্ন ধৰণৰ কৃষ্টি-সংস্কৃতি ইয়াত বসবাস কৰো। North-East আমাৰ গোটেই একেই অৱস্থা। গতিকে এনেকুৱা ধৰণৰ বিল আনিব নালাগে যাৰ কাৰণে কৃষক সকল, গোটাৰী সকল, তেখেতসকল ক্ষতিগ্ৰস্থ হ'ব। এই কথাটোত কিন্তু আমি তেতিয়াই বিৰোধ কৰিছিলো বিলখনেই আনিব নালাগে। কিন্তু আমি লক্ষ্য কৰিছিলো যে কি উদ্দেশ্যত আনিছিল, সেই উদ্দেশ্যটো সকলোৱে জানে। এইটো স্পষ্ট। তাৰ কাৰণে মাজে মাজে এনেকুৱা ধৰণৰ amendment চৰকাৰে আনি আছে এটাৰ পাছত এটা amendment আনি আছে। কিন্তু এইটো কথাটো নিশ্চিত কৃষকসকল ক্ষতিগ্ৰস্থ হৈছে। বিভিন্ন ধৰণৰ condition লগাই যিসকল খেতিয়ক, ইয়াৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে তেখেতসকলৰ পৰিয়ালে। আমি লক্ষ্য কৰিছো কিছুমান ল'ৰাই school ত admission দিবলৈ গৰু হাল বিক্ৰী কৰি তেখেত সকলে তাৰ ব্যৱস্থা কৰে। ছোৱালীৰ বিয়া আজি ধেমাজীৰ পৰা আৰম্ভ কৰি ধুবুৰীলৈকে বহু পৰিয়াল এনেকুৱা আছে ছোৱালীজনীৰ বিয়াত গৰুহাল বিক্ৰী কৰি তেখেতসকলে সেই বিয়াৰ ব্যৱস্থাপনা কৰে। কিন্তু বিভিন্ন ধৰণৰ condition লগাই এটা জটিলতাৰ মাজত ঠেলী দিছে ইয়াৰ কাৰণে কিন্তু আমাৰ কৃষকসকল ভূক্তভোগী, গো-পালকসকল ভূক্তভোগী হৈছে। এতিয়া সৰু সৰু এটা কৰি মাজে মাজে এনেকুৱা ধৰণৰ amendment আনি শিথিলতা কৰি আছে। কিন্তু মই ভাবো এইটো ভালদৰে review কৰিব লাগে আৰু এই বিলখনে repeal কৰিব লাগে। যিটো আমি নিজৰ মতে implement কৰিব নোৱাৰো। যিটো নাগালেণ্ডে কৰিব নোৱাৰে BJP Government থাকোতে, অৰুণাচলত আজি BJP Government আছে। এনেকুৱা ধৰণৰ Cattle preservation Bill তাত আনিব নোৱাৰে। গোৱাত আজি বিল আনিব নোৱাৰে। গতিকে এনেকুৱা ধৰণৰ বিল আনি চমক দেখুৱাই কিবা ill intension লৈ সৰ্বসাধাৰণ ৰাইজ, গো-পালক সকল আজি ধেমাজীৰ পৰা আৰম্ভ কৰি বিভিন্ন ঠাইত তেখেত সকলে কিমান সমস্যাত আছে, আন্দোলনত তেখেতসকলে ওলাই আহিছে আৰু মাৰ্কেটত এই condition বিলাকৰ সুযোগ লৈ পুলিচেও disturb কৰে তেখেত সকলে যিবিলাক bordering district কোৱা হৈছে একেবাৰে district ৰ border ত বজাৰ আছে এই district ৰ মানুহ এই বজাৰত আহে। ঠিক তেনেকুৱা ধৰণৰ বহুত condition ৰ কাৰণে এই মানুহখিনি বহুত অসুবিধাত পৰে। মোৰ পৰামৰ্শ থাকিল এটা দুটা শব্দ, এটা দুটাবাক্য কৈ এনেকৈ amendment আনি মাজে সময়ে কৰি থকাতকৈ একেবাৰে বিলখন repeal কৰি দিলে সকলো শেষ হৈ যায় এইখিনি মাননীয় অধ্যক্ষ মহোদয়লৈ মোৰ প্ৰস্তাৱ থাকিল।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু কথাখিনি ওলাই আছে প্ৰথমবাৰ একেখিনি কথা যেতিয়া এইখন আহিছিল কাৰণ বিষ্ণুৰাম মেধিৰ দিনটো বিলখন আহিছিল তেতিয়া যিখন গ্ৰহণ কৰা হৈছিল আমাৰ সদনৰ এখন কমিটিৰ যোগেৰে আলোচনা কৰিছিল। এখন কমিটি বনাই দিয়া হৈছিল। মই পুনৰবাৰ একেটা কথাকে দোহাৰিব

বিচাৰিছো যিহেতু একেখিনি কথায়ে যেতিয়া প্ৰথমবাৰ উপস্থাপন কৰিছিল, যিখিনি কথা আহিছিল আজি একেখিনি কথাই সতীৰ্থ সকলে কৈ আছে সেইগতিকে আপুনি এখন কমিটিলৈ refer কৰক এয়া মোৰ পৰামৰ্শ।

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ ) মানকাছাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কেইবাটাও issue আমি লক্ষ্য কৰিছিলো যে ইয়াৰ আগতেও যেতিয়া বিলখন আহিছিল, সেই সময়ত কিছুমান কথা অত্যন্ত আপত্তিজনক হিচাপে আমি আপত্তি কৰিছিলো। আজি যেনেকুৱা গো-শালা বিভিন্ন নামনি অসম বা অসমৰ বিভিন্ন ঠাইত নতুনকৈ গো-শালা উৎপন্ন হৈছিল। মোৰ সমষ্টিত যিহেতু মানকাছাৰ International Border Area তাত যথেষ্ট পৰিমানে BSFA য়ে rescue কৰে, পুলিচে rescue কৰে এইবিলাক ক'ত ৰাখিব? গো-শালাত ৰাখিছে। যোৱা ৪ বছৰৰ পৰা গো-শালাত গৰু ৰাখি আছে, গো-শালাত কিমান গৰু ৰাখিব, এই গো-শালাৰ গৰুখিনিক খাবলৈ কি দিব বিক্ৰী কৰা কোনো ধৰণৰ ব্যৱস্থা নাই, District ৰ DC ৰ ওচৰত কোনো ব্যৱস্থা নাই। Verinary Department ৰ কোনো ধৰণৰ ব্যৱস্থা নাই, আমাৰ গৃহ বিভাগক সুধিলো কোনো ধৰণৰ ব্যৱস্থা নাই। গো-শালাত কৰিব কি? হাজাৰ বিধ গৰু হৈ গৈছে। এইবিলাক নাখাই মৰিছে। এইটোৰ এটা ব্যৱস্থা কৰিব লাগে আৰু এইটো এটা বিবেচনাধীন আনিব লাগে। গো-শালাবিলাক কি হ'ব? কাৰণ চৰকাৰৰ বিল বহুত বাঢ়ি গৈছে, খোৱা কোনে দিব, ইহঁতৰ treatment কোনে দিব, ইহঁতক সুৰক্ষা কোনে দিব? যদি দিয়ে কিহৰ স্বাৰ্থত দিব? আৰু যদি বিক্ৰী কৰিব নোৱাৰে কি কৰিব এইবিলাক। এইটো যদি এটা system ত revenue collection কৰিব পাৰে এটা ভাল সিদ্ধান্ত হ'ব। দ্বিতীয় কথাটো মই ক'ব বিচাৰিছো। ২-৩ টা point আছে, যেনেকৈ মোৰ সমষ্টিত দুখন weekly market তাত গৰু, ম'হ, ছাগলী বিক্ৰী কৰা হৈছে। উপমান্যু হাজৰিকা আমাৰ চুপ্ৰিম কোৰ্টৰ এজন অধিবক্তা, উপমান্যু হাজৰিকাক One Man Commission চুপ্ৰিম কোৰ্টে বনাই দিলে। উপমান্যু হাজৰিকাৰ one man commission টো আছিল বাংলাদেশৰ border fancing টো ঠিক আছে নে নাই সেইটোৰ কাৰণে commission বনাই দিয়া আছিল। তেখেতৰ পৰা recommendation দিলে, suggession দিলে Supreme Court ক যে সেই suggession টো আছিল যে, International Border ৰ পৰা ২০ কিলোমিটাৰত কোনো cow market বঢ়াব নোৱাৰিব। ২০ কিলোমিটাৰলৈকে যদি cow market বঢ়াব নোৱাৰে উপমান্যু হাজৰিকাৰ এটা report আছিল। কিন্তু পৰৱৰ্তী সময়ত সেই report টো আমি challange কৰিছিলো যে উপমান্যু হাজৰিকা he safe an activist.Activist এজনে কেনেকৈ commissioner হ'ব পাৰে by supreme court? পিছত উপমান্যু হাজৰিকাৰ commission ৰ যিটো report আছিল cencel কৰি commission টো ভাঙি দিয়া হৈছিল। কিন্তু তেখেতে দিয়া recommendation মতে ২০ কিলোমিটাৰৰ ভিতৰত গৰুৰ বজাৰ বহিব নোৱাৰে। মোৰ সমষ্টিত দুটা, এটা খাৰুবন্ধা cow market আৰু কুকুৰবাৰী cow market. এই দুখন বন্ধ হৈছে। মাত্ৰ ২ শ মিটাৰ আৰু কুকুৰবাৰী দূৰত্বত মেঘালয়ত cow market ত হাজাৰ হাজাৰ cow বিক্ৰী হৈ আছে revenue টো কিন্তু মেঘালয়ে পাই আছে। সেইটো এটা ব্যৱস্থা কৰিব লাগে। ৩ নম্বৰ কথাটো হ'ল beef consumption সেইটো ৫ কিলোমিটাৰ দিয়া হৈছিল মন্দিৰ, নামঘৰ সেইবিলাকৰ প্ৰতিবেদন দিয়া হৈছিল। মোৰ সমষ্টিত ৯৭ শতাংশ মুছলিম মানুহ। কিন্তু এনেকুৱা ৫ কিলোমিটাৰ মোৰ সমষ্টিত নাই য'ত মন্দিৰ নাই, য'ত মঠ নাই এই কথাটো পৰৱৰ্তী সময়ত যদিও চৰকাৰে এটা এটাকৈ amendment আনি আছে। অত্যন্ত প্ৰয়োজন

যে এই amendment টো চিন্তা কৰিব লাগে এই resturant ৰ ক্ষেত্ৰত যি ধৰণে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ৰকিবুল হুছেইনৰ এটা বক্তব্যৰ বাহানা দি এতিয়া resturent বন্ধ, হোটেল বন্ধ দুখীয়া মানুহ ক'ত যাব, খ্ৰীষ্টান লোকসকলে কি কৰিব। মেঘালয়ৰ মানুহবিলাক আহি বা আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ বাকী ৰাজ্যবিলাকৰ মানুহ আহি ইয়াত কি কৰিব, কেনেকে খাব দুখীয়া মানুহবিলাকে বিভিন্ন কথাবিলাক আছে। এইটো যদি আমি এটা political issue নবনাই এটা সামাজিক issue হিচাপত লওঁ, আৰু এইটোত যদি আমি ভোট লোৱা ৰাজনীতি নকৰাকৈ যদি আমি সামাজিকভাৱে চাও, প্ৰত্যেকে যদি প্ৰত্যেকৰ religion টো respect কৰো, প্ৰত্যেকে যদি প্ৰত্যেকৰ খাদ্য অনুসাৰে respect কৰো, তেতিয়াহ'লে অসমৰ সমস্যা বহুখিনি সমাধান হৈ যাব। সেই কাৰণে পৰৱৰ্তী সময়ত এই কথাখিনি যাতে মাজত ৰাখি চৰকাৰে চিন্তা কৰি গোটেই বিলখনকে যিখিনি আপত্তিজনক আছে আৰু বিষ্ণুৰাম মেধিৰ দিনত যেনেকৈ House Committee বনাই দি সেইটো solve কৰাৰ ব্যৱস্থা কৰিছিল। তেনেকৈ অসমখনত শান্তিৰ পৰিৱেশ সৃষ্টি কৰিব পৰা যায় এইবিলাক লৈ চিণ্ডিকেট বহুত কথা জড়িত হৈ আছে। এইবিলাক কথা সুস্থ পৰিৱেশত লৈ আনে তাত মোৰ কোনো আপত্তি নাই। ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰশিদ মন্দল, পশ্চিম গোৱালপাৰা** ঃমাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিল সংক্ৰান্তত দুই এজনে বক্তব্য আগবঢ়াইছে, মই একমত। কিন্তু আমাৰ ফালৰ পৰা amendment আছিল যিটো competent authority ত যিটো কোৱা হৈছে, এইটো specific নহ'লে ইয়াতে confusion হৈ যায়। মই ভাবো যে, registration directorate য়ে কৰিব এইটো ঠিকে আছে। আৰু লাইচেঞ্চ দিয়াৰ কামটো সচৰাচৰ district level ত DC সকলে লাইচেঞ্চ দিয়া যিটো authority, ইয়াত আইন খনত competent authority ৰ ক্ষেত্ৰত আমি amendment আনিছো যে, তাতে DC সকলক লাইচেঞ্চ দিয়াৰ authority দিলে তেতিয়াহ'লে এই যিবিলাক registered firm হওঁক বা individual হওঁক লাইচেঞ্চৰ কাৰণে তেওঁএলাকেইফালে সিফালে দৌৰি থাকিব নালাগে বা অযথা যিবিলাক হাৰাশাস্তি সন্মুখীন হয় transportation ৰ ক্ষেত্ৰত এই হাৰাশাস্তিৰ পৰা মানুহখিনিক ৰক্ষা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Cattle Preservation (Amendment) Bill, 2025" এই বিল খনত যিখিনি আছে ইয়াৰ ওপৰত দুটা কাৰণে সংশোধনী আহিছে। এটা গৰু ক্ৰয় আৰু বিক্ৰীৰ ক্ষেত্ৰত ২০২১ চনৰ আইনৰ ফলত গো-পালকসকলে যি লোকচানৰ সন্মুখীন হৈছিল আৰু গো-পালকসকল ৰোষৰ বলি হৈ এই চৰকাৰে এমেণ্ডমেণ্ট আনিছে। গৰু বিক্ৰী আৰু সৰবৰাহৰ ক্ষেত্ৰত কিছুমান এজেঞ্চি আৰু ফাৰ্মক অনুমতি প্ৰদান কৰাত হাইকোৰ্টত গোচৰ দিয়া হয় আৰু হাইকোৰ্টে এই ব্যৱস্থাত নাগৰিকৰ ব্যক্তিগত স্বাধীনতাৰ পৰিপন্থী তথা নাগৰিকৰ জীৱন-জীৱিকাৰ অধিকাৰক হনন কৰা বুলি ঘোষণা কৰে। যাৰ বাবে সংশোধন আনিলে সেইটো ঠিকেই আছে। কিন্তু এই সংশোধনী প্ৰস্তাৱে ব্যক্তি স্বাধীনতা তথা ভাৰতীয় সংবিধানে ইয়াৰ নাগৰিকক প্ৰদান কৰা জীৱন-জীৱিকাৰ অধিকাৰৰ ওপৰত আঘাত হানিব বিচাৰিছে। হাইকোৰ্টে ব্যক্তি বিশেষে গৰু সৰবৰাহ আৰু ক্ৰয়ৰ ওপৰত বাধা আৰোপ কৰাৰ বাবে এক সংশোধনী বিচাৰিছিল আৰু সেই বাবে গৰু সৰবৰাহ আৰু ক্ৰয়ৰ ক্ষেত্ৰত এজেঞ্চি আৰু ফাৰ্মৰ সৈতে ব্যক্তি শব্দটো সংযোজন কৰা হ'ল, এইটো ঠিকেই। কিন্তু এই নতুন সংযোজন কৰা ব্যক্তিয়ে সমগ্ৰ নাগৰিকক সামৰি লোৱা নাই। কাৰণ যিসকলে পশুপালন বিভাগত নাম পঞ্জীয়ন কৰিব

তেওঁলোকেহে সংশোধনী আইনৰ ব্যক্তিৰ পৰিসৰত পৰিব। অৰ্থাৎ ৰাজ্যৰ তিনি কোটি চল্লিশ লাখ মানুহৰ মাজত এক হাজাৰ বা দুই হাজাৰ লোকে পঞ্জীয়ন কৰিব আৰু বাকী সকলৰ স্বতন্ত্ৰতা নাইকিয়া হ'ব। গৰু ক্ৰয়ৰ ক্ষেত্ৰত পশুপালন বিভাগত অনুমতি লোৱাটো বাৰণ কৰিব লাগে। কাৰণ ক্ৰেতা-বিক্ৰেতা সকলে অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত হ'ব আৰু মধ্যভোগীসকলে ইয়াৰ সুযোগ ল'ব। ইয়াৰ ফলত অযথা সময় নষ্ট হ'ব। সেয়েহে ৰেজিষ্ট্ৰেশ্যনটো উঠাই দিব লাগে যে গো-পালকসকলে নিজে নিজৰ মতে বিক্ৰী আৰু ক্ৰয় কৰাৰ অধিকাৰ পায়। ৰেজিষ্ট্ৰেশ্যন প্ৰক্ৰিয়াৰ দ্বাৰা এটা ছিণ্ডিকেট গঢ়ি উঠিব। এই গোটেই প্ৰক্ৰিয়াটো গৰু ক্ৰয় আৰু বিক্ৰীৰ ওপৰত এই আইনখনত আলোচনা কৰা হৈছে। গতিকে এই আইনখন Cattle Preservation Act নকৈ The Assam Cow Preservation Act বুলি ক'ব পাৰি নেকি? গোটেই কথাখিনি যিহেতু গৰুক লৈ আলোচনা হৈছে আৰু অন্য জীৱ-জন্তুক লৈ আলোচনা হোৱা নাই। যেনে- ছাগলী, মুৰ্গী আদি অন্যৰ কথা হোৱা নাই। কেৱল গৰুৰ কথা আলোচনা হৈছে। গতিকে এই আইনখন Cattle Preservation Act নকৈ The Assam Cow Preservation Act বুলি ক'ব পাৰি নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্যসকলে যিটো কথা কৈছে যে আমি কেৱল ইয়াত মাত্ৰ এটা কথাহে অন্তৰ্ভুক্ত কৰিছো। আগতে আমাৰ ৰেজিষ্ট্ৰেশ্যন এজেঞ্চি আৰু ফাণ্ড বিলাকে পাইছিল আৰু তেওঁলোকে বিক্ৰী আৰু সৰবৰাহৰ সুযোগ পাইছিল। আমি এইবাৰ ক'লো যে কেৱল এজেঞ্চি বা ফাৰ্মেই নহয় ইয়াৰোপৰি আমাৰ ব্যক্তিগত মানুহেও কৰিব পাৰিব। কিন্তু এইখিনি তেওঁলোকে সম্পূৰ্ণভাৱে কৃষি আৰু পশুপালনৰ কাৰণেহে কৰিব পাৰিব Or trade for the said purpose in such manner as we prescribed.গতিকে ইয়াত মাত্ৰ এটা শব্দ preson শব্দটো অন্তৰ্ভুক্ত কৰা হৈছে। মই ভাবো যে এই শব্দটো এই কাৰণে অন্তৰ্ভুক্ত কৰিবলগীয়া হৈছে কাৰণ আগৰ আইনখনত Statement of Object and Reasons আপোনালোকে নিশ্চয় পঢ়িছে। তাত আপোনালোকে নিশ্চয় দেখিব এই preson শব্দটো নথকাৰ কাৰণে Writ Petition (C) 2495/2022 title Lucky Shroff and others-vs-State Govt. and others. গতিকে হাইকোৰ্টত এটা Writ Petition কৰিলে আৰু Writ Petition কৰোতে আমি চৰকাৰৰ ফালৰ পৰা ক'লে যে আমি এইটো preson হিচাপে দিব পাৰে বুলি মানি লয়। আমি হাইকোৰ্টত চৰকাৰে নিজে এইটো কথা এডমিট কৰিছো। As per the commitment before the Hon'ble High Court we have included the word person. এইখন এখন সম্পূৰ্ণ এক্ট। এখন এক্ট চিলেক্ট কমিটিলৈ কেতিয়া যায়? যেতিয়া সাংঘাতিক ধৰণে এটা Controversy হয়, যেতিয়া গোটেই সমাজৰ পক্ষে এখন এক্ট যাব বুলি ভবা হয়। কিন্তু এইখন চিলেক্ট কমিটিলৈ যোৱা এখন এক্ট নহয় আৰু পূৰ্ণ পৰ্য্যায়ৰ এখন এক্ট। মই ভাবো যে এইটো ক্ষেত্ৰত সকলোৱে একমত হ'ব। মই ক'বলগীয়া কথাখিনি আপোনালোকে কৈ আছে আৰু আপোনালোকৰ কথাখিনি ইয়াত আছে। মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো যে এই এক্টখন পাচ কৰিলে আজি ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। দফা নং-১ ত সংশোধনীয় প্ৰস্তাৱ আছে, মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াৰ। গতিকে আপুনি এইটো

উঠাই ল'ব নেকি?

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গো-পালকসকলক সম্পূৰ্ণ স্বাধীনতা দিব লাগে যাতে তেওঁলোকে গৰু বিক্ৰী আৰু কিনিব পাৰে। ব্যক্তিগত পঞ্জীয়নটো নাইকিয়া কৰিলে ভাল হ'ব কাৰণ পঞ্জীয়ন কৰিব লাগিলে কিমানজনে পঞ্জীয়ন কৰিব আৰু গো-পালক সকলে এটা বিপদৰ সন্মুখীন হ'ব। সেয়েহে সকলো ক্ষেত্ৰতে গৰু বেচা-কিনাটো মুকলি কৰি দিব লাগে। এইটো কৰিলে খুব ভাল হ'ব আৰু এইটো কৰিব বুলি আশা ৰাখি মই মোৰ সংশোধনী উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনীয় প্ৰস্তাৱটো মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই উঠাই ল'লে। প্ৰশ্নটো হ'ল দফা নং-১ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং-১বিধেয়খনৰ অংশ হ'ল।

দফা নং-৩ ত সংশোধনী প্ৰস্তাৱ আছিল। কিন্তু সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হৈছে যিহেতু দাখিল কৰা সংশোধনী প্ৰস্তাৱসমূহে বিধেয়কখনৰ মূল দফা সমূহক বাহাল ৰাখিব বিচাৰিছে। আপোনালোকে অৱগত যে আলোচনাৰ অন্তত দফাটো পাৰিত কৰণৰ বাবে ভোটদান হ'ব আৰু সেই সময়তে প্ৰস্তাৱটোৰ বিপক্ষে ভোটদান কৰি সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত সংশোধনীটো নাকচ কৰিলে আৰু পুৰণি দফাটো বাহাল থাকিব। সেয়েহে নিয়ম ২৭১(২) অনুসৰি আপোনালোকৰ যিটো সংশোধনী প্ৰস্তাৱ, সেইটো গ্ৰহণ কৰিব পৰা নাযায়।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পূৱ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কিয় সংশোধনীটো আনিছিলো, সেইটোৰ বিষয়ে অলপ ক'বলৈ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বিষয়টোৰ ওপৰত ক'লে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পূৱ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত কোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনালোকক ক'বলৈ দি আছিলো। বিষয়টোৰ ওপৰত যদি কিবা ক'বলগীয়া আছে, মাননীয় মন্ত্ৰী ডাঙৰীয়াই ক'ব। কিন্তু সংশোধনী প্ৰস্তাৱটো নহ'ব। আপুনি যিটো বিচাৰিছে সেই বিষয়ে কওঁক। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পূৱ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত গৃহ বিভাগৰ Security clearance ৰ কথা কৈ আছে। কিন্তু মই ভাবো যে ভাৰতবৰ্ষৰ কোনো বিশ্ববিদ্যালয়ত এনেকুৱাধৰণৰ দৃষ্টান্ত নাই যে বিশ্ববিদ্যালয় এখন গঠন কৰাৰ ক্ষেত্ৰত Security clearance লাগে। কাৰণ Security ৰ কথাটো স্কুল-কলেজৰ ক্ষেত্ৰত নিয়ম মাফিক কথা। আমাৰ পুলিচ বা অন্য intelligence source আছে, তেওঁলোকে নিয়মিতভাৱে কাম কৰি থাকে আৰু কৰ'বাত Security ৰ লেপচ থাকিলে একশ্যন লয়। বিশ্ববিদ্যালয় বা কলেজ গঠনৰ ক্ষেত্ৰত যদি এনেকুৱা ধৰণৰ কথাবিলাক আহি যায় তেন্তে শিক্ষাৰ ক্ষেত্ৰত অনুৎসাহ দিয়া হ'ব। বৰঞ্চ নতুন শিক্ষা নীতি মতে multi disciplinary থকা স্কুল-কলেজ খোলাৰ ক্ষেত্ৰতহে উৎসাহ দিয়া হৈছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া "The Assam Cattle

Preservation (Amendment) Bill, 2025" ৰ ওপৰত আলোচনা চলি আছে। ইউনিভাৰ্ছিটিৰ বিল অহাই নাই।

**মাননীয় অধ্যক্ষ ঃ** আব্দুৰ ৰশিদ ডাঙৰীয়া, আপুনি কোনখন বিল আনিছে? ইয়াত যিহেতু এমেণ্ডমেণ্ট নাকচ হৈছে-

প্ৰশ্নটো হ'ল দফা নং-২ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং-২বিধেয়খনৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামাত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে বিধেয়কখনৰ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামখন বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম খন বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে "The Assam Cattle Preservation (Amendment) Bill, 2025" খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে- বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে, কওঁক নহয়।
মই ভাৱো, 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।
এতিয়া কাৰ্য্যসূচী নং-১০। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ "The Srimanta Sankardeva University of Health Sciences (Amendment) Bill, 2025" খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে-"The Srimanta Sankardeva University of Health Sciences (Amendment) Bill, 2025" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে, কওঁক নহয়।
মই ভাৱো, 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত হ'ল ।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব।

দফা নং-২ ত সংশোধনী প্ৰস্তাৱ আছে। সেইটোৰ বিষয়টো একেই। কিবা যদি আছে কথাটো ৰাখক। বিষয়টো আলোচনা কৰিব পাৰিব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ্ব গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু ইতিমধ্যে কথাখিনি সদনত কোৱা হ'ল, সেইখিনিকে মই এতিয়া কোৱা বুলি বিবেচনা কৰাৰ বাবে অনুৰোধ কৰিলো আৰু মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো .....Interruptions.....

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়া, এইফালে আপোনাৰ বিলৰ ওপৰত কৈ আছে।

(মাননীয় সদস্য শ্ৰী আব্দুৰ ৰশিদ মণ্ডলক উদ্দেশ্যি) আপুনি আকৌ নতুনকৈ কওঁক যাতে মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব পাৰে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ্ব গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই amendment ত এটা clause insert কৰিছে যে that a security clearance report shall be required to furnish in respect of antecedents or precedents of the sponsoring body or the Management Committee of the Institute or College from the Home & Political Department, Govt. of Assam. এইটো affiliation পাব খোজা স্কুল কলেজসমূহৰ ক্ষেত্ৰত কোৱা হৈছে। তাত খুব সম্ভৱ যিবিলাক private Institution, Srimanta Sankardeva University of Health Sciencesৰ affiliation ৰ কাৰণে বা ইয়াৰ লগত অহাৰ কাৰণে Home Department ৰ clearance ৰ কথা যিটো কোৱা হৈছে, মই ভাৱো এই ক্ষেত্ৰত National Education Policy কে affect কৰিব ......interruptions....

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** চাৰ, ইয়াৰ কাৰণটো যদি on camera ও কয় যে কি কাৰণে পুলিচৰ verification লাগে। Education Policy ৰ কথা যিটো কৈ আছে, তেনেকুৱা কথা নাই। এইখিনি কথা নতুনকৈ কিয় জাপি দিব লগা হৈছে? ক'ৰবাত কোনো private Institutionয়ে ধৰ্মান্তকৰণ কৰিছে নেকি? এই গোটেই বিলাক কথা জনাৰ পিছতহে Amendment টো যোৱা উচিত।

**মাননীয় অধ্যক্ষঃ** Rule মতে যিটো Amendment কৰিছে, সেইটোত move নহ'ব। সেই কাৰণে মই কৈছো যে এতিয়াৰ আলোচনাত আপোনালোকে এই বিষয়টো উত্থাপন কৰিব পাৰে আৰু মন্ত্ৰীয়ে ইয়াৰ ওপৰত উত্তৰ দিব। মাত্ৰ formally amendment টো accept নহয়।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ্ব গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা Sub Section ইয়াত insert কৰিব কৈছে। আমি amendment যদিও অনা নাই, কিন্তু আমি আচলতে উদ্বিগ্নতাৰে লক্ষ্য কৰিছো যে চৰকাৰে এই ধৰ্মান্তকৰণ জাতীয় কথাবোৰ কিয় মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সোমাবলগীয়া হৈছে? আমাৰ অসমত তেনেকুৱা পৰিৱেশ হৈছে নেকি? আমি কিবা দৃষ্টান্ত পাইছো নেকি? আমি এনেধৰণৰ সিদ্ধান্ত কেতিয়া লওঁ, বা এনে আইনৰ প্ৰয়োজন কেতিয়া হয়, যেতিয়া ৰাজ্যখনত তেনেকুৱা সৰু সৰু ঘটনা ঘটে। আজিলৈকে সদনতো কিন্তু এনেকুৱা আলোচনা হোৱা নাই যে অসমৰ কোনোবা ব্যক্তিগত খণ্ডৰ স্কুল কলেজ বা বিশ্ববিদ্যালয়ত তেনেকুৱা ধৰণৰ ঘটনা হৈছে। যদি এনে হোৱাই নাই, আমি কেনেকৈ apprehend কৰো? অৰ্থাৎ এনেধৰণৰ কথাই কাৰোবাক encourage কৰে নেকি? আমাৰ সমাজত বিভেদ সৃষ্টি কৰিব নেকি? আমি সদনৰ পৰাই এনে ধৰণৰ বিভেদগামী কথা সৃষ্টি কৰো, শিক্ষা বিভাগৰ নিচিনা এটা বিভগত য'ত

মানৰ সম্পদ গঢ়া হয়, তেনেস্থলত এনে ধৰণৰ ধৰ্মান্তকৰণৰ দিশত যদি কথা-বতৰাবোৰ লৈ যাওঁ তেন্তে National Education Policy কো affect কৰিব। Multi Discipline ত private sector ত শিক্ষানুষ্ঠান-বিশ্ববিদ্যালয় খোলাত আমি encourage কৰিব লাগিছিল। অসমত sufficient পৰিমাণৰ শিক্ষানুষ্ঠান নথকাৰ বাবে অসমৰ ল'ৰা-ছোৱালীয়ে বাহিৰত শিক্ষা লাভ কৰিব লগা হৈ আছে। বছৰত আমি কেইবা হাজাৰ কোটি টকাৰ শিক্ষাৰ দিশতে বহিঃ ৰাজ্যত দিবলগীয়া হয়। সেইখিনি ল'ৰা-ছোৱালীক অসমত ৰখাৰ বাবে চৰকাৰীভাৱে গোটেইখিনি কৰাটো সম্ভৱ নহয়। কিন্তু, বেচৰকাৰী খণ্ডত যিবোৰ ব্যক্তিয়ে সমাজ সেৱাৰ লগতে তেওঁলোকৰ ব্যৱসায়িক দৃষ্টিভংগী ইয়াত জড়িত হৈ থাকে, আমি যদি সেই ব্যৱসায়িক দৃষ্টিভংগীত আঘাত কৰো, তেন্তে অকল সেৱাৰ মনোভাৱেৰে কোনো ব্যক্তিগত খণ্ডৰ মানুহে ইয়াত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব নাহে। সেয়েহে মই এটা দফাৰ insertion repeal কৰাৰ বাবে আপীল কৰিছো। কিন্তু 2 (a) (a) ত আমাৰ উদ্বিগ্নতা প্ৰকাশ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আৰু কোনোবাই ক'ব নেকি? কোনেওতো নকয় চাগে। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Srimanta Sankardeva University of Health Sciences ত যিবিলাক private অনুষ্ঠান বা অন্যান্য সংগঠনে affiliation ল'ব, তেওঁলোক Nursing কলেজেই হওঁক বা Pharma কলেজেই হওঁক, তাৰ বাবে এই দুটা provision অনা হৈছে। এটা হ'ল- National Security আৰু আনটো হ'ল ধৰ্মান্তকৰণ যাতে কৰিব নোৱাৰে। অধ্যক্ষ ডাঙৰীয়া আজি মই এটা কথা মনত পেলাই দিব বিচাৰিছো যে মাজতে আমাৰ পীযুষ হাজৰিকা ডাঙৰীয়াই তেওঁৰ এটা প্ৰশ্নৰ উত্তৰত এই সদনৰ মজিয়াত কৈছিল যে তেওঁ কেইবাটাও নিচামুক্তি কেন্দ্ৰত গৈ দেখিছিল যে তাত মানুহক এটা ধৰ্মৰ পৰা আন এটা ধৰ্মলৈ ধৰ্মান্তকৰণ কৰা হৈছিল। নিচামুক্তি কেন্দ্ৰত যদি ধৰ্মান্তকৰণ চলি আছে তেন্তে আজি কিছুমান অনুষ্ঠান বা সংগঠনে যেতিয়া affiliation ল'ব বিচাৰে, তেতিয়া তেওঁলোকে ধৰ্মান্তকৰণৰ দিশ দেখুৱাই যাতে কৰিব নোৱাৰে লগতে, national security ৰ কথাও আছে। এই অনুষ্ঠানবোৰ গঢ়ি তোলাৰ পিছত affiliation ৰ বাবে যেতিয়া যাব, তেতিয়া ইয়াৰ funding ক'ৰ পৰা হ'ব? চৰকাৰে তাৰ source of funding টো জানিবই লাগিব। সেইকাৰণে গৃহ বিভাগক এই কথাখিনি জনাব লাগিব যে Sankardeva University of Health Sciences ৰ অধীনত affiliation পাবলৈ source of funding কি হ'ব আৰু তেওঁলোকৰ এনেধৰণৰ কিবা motive আছে নেকি? সেইখিনিত গৃহ বিভাগ যদি satisfy হয়, তেন্তে approve হ'ব আৰু মই ভাৱো গৃহ বিভাগৰ পৰা approval লোৱাত আপোনালোকে আপত্তি কৰিব নালাগে। আমি যদি দেশ আৰু ৰাজ্যখনক ভাল পাওঁ, national security ৰ প্ৰতি যদি আমাৰ দায়বদ্ধতা আছে তেন্তে আপোনালোকে এই কথাত আপত্তি নকৰি বৰঞ্চ চৰকাৰক ধন্যবাদহে দিব লাগে কিয়নো ইয়াৰ দ্বাৰা ৰাজ্যখনক আপোনালোকে এটা নিৰ্দিষ্টি দিশলৈ লৈ গৈ আছে। মই ভাৱো যে মাননীয় সদস্যসকলে এই কথাটো নিশ্চয় অনুভৱ কৰিব আৰু এই Amendment টোত তেওঁলোকে সহযোগ কৰিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** চাৰ, মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিলে, জবৰদস্তী ধৰ্মান্তকৰণ কৰাটো ভাৰতৰ সংবিধান প্ৰদত্ত নহয়, কৰিব নোৱাৰে, কৰিবও নালাগে। লোভ লালসা দিও কৰিব নালাগে আৰু জোৰ জবৰদস্তীও হ'ব নালাগে। কিন্তু কোনোবাই ইচ্ছাকৃত ভাৱে এটা ধৰ্মৰ পৰা

আন এটা ধৰ্মলৈ যাব পৰাৰ অধিকাৰ ভাৰতৰ সংবিধানে দিছে। এইটো গোটেই পৃথিৱী তথা ভাৰততো চলি আছে। আপোনা লোকে সকলো ক্ষেত্ৰতে ধৰ্মান্তকৰণৰ কথা আনে। কিন্তু শিক্ষা ক্ষেত্ৰত শিথিলহে হ'ব লাগিছিল। শিক্ষাৰ ক্ষেত্ৰত আমি দুই হাত খুলি মানুহক সুবিধা দিবহে লাগে যাতে অনুষ্ঠান প্ৰতিষ্ঠান গঢ় লৈ উঠে। তাত যদি phobiaৰ চিকাৰ হৈ আমি এনেধৰণৰ condition বোৰ লগাওঁ তেন্তে কোনোবাই স্কুল স্থাপন কৰোতে সংকোচবোধ কৰিব, অসুবিধা পাব। গতিকে এনেকুৰা হ'ব নালাগে। আজি আমাৰ মাজুলীত ৩৩ খন সত্ৰ আছে, ৬৩ টা Church আছে । Church,ধৰ্মীয় অনুষ্ঠান, খ্ৰীষ্টান ভাই সকলৰ তাকো আমি সন্মান কৰো। মন্দিৰ, মছজিদৰ প্ৰতি সন্মান আমাৰ সকলোৰে আছে। কিন্তু কথা হ'ল যে Fobia ৰ চিকাৰ হৈ আমি কোনোকে target কৰিব নালাগে। নিজৰ নিজৰ ধৰ্মৰ গণ্ডীৰ ভিতৰত আমি যদি থাকো, আমাৰ যদি tollarance শ্ৰেণীটো ঠিক থাকে। আমি পুখৰীৰ পানী খাব নিদিম, গিলাছত পানী খাব নিদিম।

**মাননীয় অধ্যক্ষঃ** হ'ব আপুনি বহক।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, National Medical Council ৰ গাইডলাইনতো এনেকুৰা নাই। মহাৰাষ্ট্ৰত সৰ্বাধিক মেডিকেল কলেজ আছে ব্যক্তিগত খণ্ডত, তাতো এনেকুৰা আইন নাই। এইটো কোৰ্টত গ'লে contest হ'ব পাৰে। মেডিকেল কাউঞ্চিলে কোনো condition দিয়া নাই। এই আইনখনৰ challange হ'ব পাৰে। তেনেকুৰা আইন এখনক লৈ কিয় আমি আগ্ৰহ প্ৰকাশ কৰিছো, এইটো স্পষ্ট হ'ব লাগে আৰু যদি এনেকুৰা হৈছে on camera হ'লেও জনাব লাগে, কোনকেইখন কলেজত এনেকৈ ধৰ্মান্তকৰণ কৰি আছে।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাৰাষ্ট্ৰ আৰু অসমৰ পৰিস্থিতিটো বেলেগ। আমি সকলোৰে বুজিব লাগিব যে Ground reality Maharastra ৰ আৰু Ground reality অসমৰ, গতিকে এই দুটা কথা আমি সকলোৱে উপলব্ধি কৰিব লাগিব। আমাৰ জনিয়া সমষ্টিৰ বিধায়ক ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ কাৰো কোনো ধৰ্মীয় কথাত আপত্তি কৰিব যোৱা নাই। Don Bosco University হৈছে, আমিটো Don Bosco University ক আমি কোৱাই নাই যে তোমালোকে খ্ৰীষ্টান ধৰ্মৰ প্ৰতি বেছি গুৰুত্ব দিছে , গতিকে তোমালোকক আমি এইটো নিদিওঁ, এইটোতো কোৱা নাই আমি কেতিয়াও। কিন্তু কথাটো হৈছে যে চৰকাৰৰ হাতত এটা এনেকুৰা প্ৰৱণতাৰ খবৰ আছে। খবৰ যিহেতু চৰকাৰৰ হাতত আছে গতিকে চৰকাৰে কোন state য়ে কৰিছে কোন state য়ে কৰা নাই, মহাৰাষ্ট্ৰই কি কৰিছে এইবোৰৰ কথা নহয়। অসমৰ ক্ষেত্ৰত যিহেতুকে আমাৰ এনেকুৰা ধৰণৰ সমস্যা হৈছে, পিয়ুষ হাজৰিকা ডাঙৰীয়াই নিচা মুক্তি কেন্দ্ৰৰ কথাটো সেইদিনা উত্থাপন কৰিছে, মই সেইটো কথা উদাহৰণ হিচাপে দিছো। গতিকে ইয়াত দুটা কথা আছে, তাৰে এটা হ'ল source of funding, সকলোৱে বুজিব লাগিব যে আমাৰ অসম খন এটা South East Asia ৰ strategic locationত আছে। আমাৰ ৰাজ্যখন যিহেতু এটা strategic locationত আছে, সেয়ে ইয়াৰ প্ৰতি প্ৰত্যেকৰে চকু আছে। সেয়ে ইয়াত কোনটো sourceৰ পৰা funding হ'ল অনুষ্ঠানটো কৰোতে। মোৰ কথাটো হ'ল funding টো মোৰ নিজৰ, SBIৰ পৰা পইচা লৈছো সেইটো clear, তাত ক'বলগীয়া নাই। সেইটোতো গৃহ বিভাগে নাৰাখে, সেইটো তুমি নোৱাৰিবা বুলি। আজি source of funding টো জানিব লাগিব যে এই অনুষ্ঠানটো কৰোতে funding টো ক'ৰ পৰা আহিল আৰু দ্বিতীয় কথাটো হ'ল National Securityৰ কথাও আছে ইয়াত। তৃতীয় কথা হ'ল

আপুনি যিটো কথা কৈছে সেইমতে আমি ধৰ্মান্তকৰণৰ কথাটো অলপ চাব লগীয়া হৈছে, এইকাৰণে যে আমি নিচামুক্তি কেন্দ্ৰত সেই খবৰটো পালো আৰু অন্যান্য ঠাইত যেতিয়া সেই বিষয়ে খবৰ পালো, গতিকে সেইবিলাক কথা on camera ক'ব দিছে বিৰোধী দলৰ দলপতি ডাঙৰীয়াই। On camera সেইদিনা খন মন্ত্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই ক'লে গতিকে সেইকাৰণে মই ভাবো ৰাইজৰ স্বাৰ্থত, National Securityৰ স্বাৰ্থত, আমাৰ ৰাজ্যখনৰ স্বাৰ্থত মই ভাবো আমি সকলোৱে মানি ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** এতিয়া ২নং দফা বিধেয়ক খনৰ অংশ হ'ব।

প্ৰশ্নটো হ'ল দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩ ৰ পৰা ৫ লৈ সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল দফা নং ৩ ৰ পৰা ৫ লৈ, বিধেয়ক খনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ৩ ৰ পৰা ৫ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ বিধেয়ক খন অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল দফা নং১ বিধেয়ক খন অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ল। এতিয়া সন্মানীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে The Srimanta Sankardeva University of Health Sciences (Amendment) Bill, 2025 খন পাৰিত কৰণৰ কাৰণে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে - বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১১ সন্মানীয় মন্ত্ৰী।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিহেতু Amendment বিলাক আপুনি disallow কৰিছে। আমি agree কৰিছো। তথাপিও আমাৰ concernটো যদি kindly আপোনাৰ জৰিয়তে চৰকাৰক জনাব পাৰো

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, জনাই আছো। এটা কথা মই সকলোকে জনাই আছো, বুজি লওঁক Bill খন consideration কৰাৰ লগে লগে আপোনালোকে যিকোনো কথা ইয়াত উত্থাপন কৰিব পাৰিব। মন্ত্ৰীয়েও ইয়াৰ ওপৰত reply দিব। মাত্ৰ আপোনালোকৰ যিটো Amendment আছিল সেই Amendment টো গ্ৰাহ্য কৰা নাই। Amendment টো move কৰিব নোৱাৰিব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, Amendment টো move নহয় গম পাইছো disallow হৈছে মাত্ৰ আমাৰ concern খিনি আপোনাৰ জৰিয়তে জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** নহয় নহয়, কথাটো আপোনালোকে বুজিয়ে পোৱা নাই এতিয়ালৈকে বহকচোন । বিষয়টো সকলোৱে মিলি আলোচনা কৰক। Specific trying মাত্ৰ নহয়। সেই University ৰ ওপৰত যদি কাৰোবাৰ কিবা notice ত আছে মন্ত্ৰীক দৃষ্টিগোচৰ কৰিলে হ'ল, মন্ত্ৰীয়ে reply দিব। মাত্ৰ Amendment টো নহ'ব, যিটো Amendment আপোনালোকে দিছিল। এতিয়া সন্মানীয় মন্ত্ৰী, বঙাইগাওঁ University Bill.

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰিছো যে আজি কাৰ্য্যসূচী নং ১১ ৰ পৰা ২২ লৈ অন্তৰ্ভূক্ত The Bongaigaon, Gurucharan, Jagannath Barooah, Nagaon, North Lakhimpur, Sibsagar, Swahid kanaklata Baruah, Kokrajhar, Assam Private, Maa Kamakhya, Edtech Skills and Swami Vivekanand University Amendment Bill 2025 কেইখন বিবেচনাৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এই গোটেই যিখিনি Bill উল্লেখ কৰিছে কাৰ্য্যসূচী নং ১১ ৰ পৰা ২২ লৈ এতিয়া বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

মই সদনক জনাইছো at a time গোটেই University ৰ ওপৰত কিবা যদি আছে specific in general একেবাৰতে কৰক আৰু একেবাৰতে আমি শেষ কৰি উত্তৰটো দি গোটেই Bill কেইখন pass কৰিম।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যিটো Vice-Chancellor প্ৰথম বাৰৰ বাবে নিযুক্তি দিয়াৰ যিটো নিয়ম কৰিছে সেই কথাটোত আমি একমত হ'ব পৰা নাই। University Act 1989 যিটো Act, সেই Act খন violation হৈ আছে। Act এখন reppeal নকৰাকৈ Act ৰ বিপক্ষে বেলেগ এখন Bill কেনেকৈ আহিব পাৰে। প্ৰথমতে সেই Act খন reppeal হ'ব লাগিব। নহ'লে সেই Act, Amendment হ'ব লাগে। 1989 চনত যিটো The Assam University Act মতে এই গেটেইকেইটা Bill violation হৈছে। সেইকাৰণে আমি reppeal বিচাৰিছো, যিহেতু existing Act ৰ viola-

tion হৈছে আৰু যিটো নীতি লৈছে চৰকাৰে Vice-Chancellor প্ৰথমতে নিযুক্তি দিয়ক তাৰ পিছত executive council দিব। আজি এবছৰ আগতে গোটেইকেইটা University হৈ গৈছে। এবছৰলৈকে এই executive council য়ে Vice-Chancellor নিযুক্তি দিব নোৱাৰাটো দুৰ্ভাগ্যদজনক কথা। খুব কম দিনৰ ভিতৰত executive council আছে তেওঁলোকে Vice-Chancellor pannel Governor ৰ ওচৰলৈ পঠিয়াই দিব লাগিছিল। Governor য়ে সেইটো বাচনি কৰি নিযুক্তি দিলেহেতেন, গতিকে সেইখিনি আপত্তি আছে, লগতে চৰকাৰে নিজে নিযুক্তি নিদিয়াকৈ University Act অনুযায়ী যিটো executive council আছে, সেই executive council ৰ জৰিয়তে Vice-Chancellor নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু private University ৰ ক্ষেত্ৰতো যিহেতু একে কথা আহিছে, private University ৰ ক্ষেত্ৰতো যিখিনি multi disciplene ৰ বিৰুদ্ধে যিটো ব্যৱস্থা লৈছে মই ভাবো সেইটো সংঘাটিক ক্ষতিকাৰক। National Education Policy য়ে য'ত multi disciplinary লৈ university খোলাৰ পৃষ্ঠপোষকতা কৰে আৰু য'ত private university ৰ অকল enrollment য়ে নহয়, তেওঁলোকৰ অলপ ব্যৱসায়িক চিন্তা থাকে, কাৰণ বহুততে তেওঁলোকৰ investment থাকে। যদি ছাত্ৰ-ছাত্ৰীয়ে নাথাকে, অকল Arts, Commerce এইবিলাক লৈ private university, private medical college খোলাৰ ক্ষেত্ৰত যিটো বাধা দিয়া হৈছে, যিটো private university বিল আনিছে তাত, গতিকে এই গোটেইখিনি কথাত আমাৰ আপত্তি আছে। Private university খনৰ কথা মই ইয়াত অলপ পঢ়ি দিব বিচাৰিছো " The Preamble of the Principal Act i.e. Assam Private University Act 2007 has expressedly stated that the act was enacted to facilitate establishment of private university in the state for imparting higher education. The term "higher education' is not limited to traditional education such as Humanities, Arts, Commerce, etc. It also includes technical, medical, agricultural, veterinary, and other skill-oriented along with professional courses. The proposed bill for annulment of Parts of Private University Act 2007 for insertion of a new section 10 (a) to imposing restriction for conducting technical, medical, nursing, paramedical, agriculture, veterinary etc. courses, is against the objective of the Principal Act. The National Integration Policy 2020 emphasises a shift towards multi-disciplinary education aiming to transform higher education institutions into multi-disciplinary universities encouraging well rounded, individual-prepared for the challenges of the 21st Century. Assam was amongst the first state to adopt and implement National Education Policy 2020, therefore, restricting private universities of Assam to limited discipline will tantamount to negate a spirit of National Education Policy from 2020. The Private Universities have been contributing towards providing access and opportunity of higher education in

technical, professional, paramedical, pharmacy, social sciences to large number of aspiring youths of the state. The Private University of Assam have also been contributing in stopping of the overflow of the huge financial and human resources from the State. The economic inability is prior to criteria for sustenance of any organisation or institution by the University if allowed to conduct courses in limited branches of the study, it will make them grow and sustain in the long run. It may be mentioned here that Private University, mainly Pragjyotishpur University established in the year 2022 is running traditional courses only and till date the University has less than 100 students so far. If this scenario is allowed to continue, the very objective of the legislation shall fail"

গতিকে private university ৰ ক্ষেত্ৰত আমাৰ এইটো observation আছে আৰু other university ৰ VC appointment ৰ ক্ষেত্ৰত চৰকাৰে যি সিদ্ধান্ত লৈছে, মই আকৌ কম যে এইটো Assam University Act 1989 ৰ violation, যিটো আমাৰ বিধান সভাই এইটো কৰিব পাৰো নে নোৱাৰো সেইটো চিন্তা কৰিবলগীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আৰু কোনে ক'ব ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমি সকলোৰে মাননীয় মুখ্যমন্ত্ৰীৰ ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চলি থকা NDA চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিম। কিয়নো আমি যদি সমগ্ৰ দেশৰ data চাওঁ বা অন্যান্য ৰাজ্য সমূহত কিমান সংখ্যক University আছে, তুলনামূলকভাৱে যদি চোৱা যায়, যিসমূহ আজি উচ্চশিক্ষিত বুলি কোৱা যায়, সেই ৰাজ্য সমূহৰ ভিতৰত স্থান আছিল কৰ্ণাটক ৬৫ শতাংশ, তামিলনাডু ৫২ শতাংশ, ৰাজস্থান ৮৩ শতাংশ, উত্তৰ প্ৰদেশ ৭৪ শতাংশ, গুজৰাট ৭১ শতাংশ, পশ্চিমবঙ্গ ৩৯ শতাংশ, কেৰেলা বা অন্যান্য ৰাজ্যত বহু সংখ্যক University আছে। বিশেষভাৱে ২০১৪ চনত দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ চৰকাৰ অহাৰ পিছত সমগ্ৰ দেশত University ৰ সংখ্যা বা পৰিৱেশ বা শিক্ষা এই পৰিৱেশটো দেশৰ উন্নয়ন কৰিবলৈ যি পদক্ষেপ আৰু অসমত NDA চৰকাৰ অহাৰ পাছত একাধাৰে পূৰ্বৰ শিক্ষা মন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী নেতৃত্বত আমি দেখা পালো মৰিয়নি সমষ্টিতে এখনো বিশ্ববিদ্যালয় নথকা মৰিয়নিত শ্ৰী শ্ৰী আউনিআটি সত্ৰ আমি আধ্যাত্মিক বিশ্ববিদ্যালয় লাভ কৰিলো। এনেধৰণে যদি North Lakhimpur University, নগাওঁ বিশ্ববিদ্যালয়, Assam Skill University, বীৰাঙ্গনা সতী সাধিনী বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়, Shri Aniuruddha Dev Sports University, Bongaigaon University, যোৰহাট জিলাত আমাৰ অন্য এখন University সংযোগ হ'ল- Jagannath Baruah Autonomous University, Sibsagar University, Girijananda University,Krishnaguru University, Royal Global University, Pragjyotishpur University, National Forensics Sci-

ence University, Gauhati Campus এনেধৰণৰ বিশ্ববিদ্যালয়ৰ যিটো সংখ্যা বৃদ্ধি আৰু আজি আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডা° ৰণোজ পেগু ডাঙৰীয়াৰ তৎপৰতাত আমি দেখা পালো আটাইকেইখন বিশ্ববিদ্যালয় আজি আৰম্ভ কৰিবলৈ লৈছে। আৰু আজি নতুন বিল আনিছে আৰু বিলত আজি কেইবাটাও সংশোধন লৈ খুব সুক্ষ্মভাৱে কাম আগবাঢ়িবলৈ গৈ আছে। এনেস্থলত মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয় অৱগত, তেখেত নিজে এবাৰ গৈছিল আৰু মোকো সাক্ষাত কৰিছিল। মই এই সমষ্টিস্থিত টিয়ক চন্দ্ৰ কুমাৰ বেজবৰুৱা মহাবিদ্যালয়ত যোৱাবছৰ NAAC ৰ A plus grade পাইছে, ১০০ বিঘা মাটি আছে। এই ১০০ বিঘা মাটিত উপযুক্ত এখন আটকধুনীয়া বিশ্ববিদ্যালয় নিৰ্মাণ কৰিব পাৰিব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে অনাগত ভৱিষ্যতৰ দিনত এটা নতুন উদ্যম আৰু আশাৰ সপোন লৈ অসমৰ ৰাইজে আমাৰ চৰকাৰখনক আশীৰ্বাদ প্ৰদান কৰিছে আৰু আমাৰ চৰকাৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যথেষ্টখিনি যি বিশ্ববিদ্যালয়ৰ সংখ্যা বিভিন্ন -Skill তে হওক, Sports তে হওক বা বিভিন্ন মাধ্যমৰ জৰিয়তে এনেধৰণে আগবাঢ়িবলৈ লোৱাত লগতে টিয়ক চন্দ্ৰ কুমাৰ বেজবৰুৱা মহাবিদ্যালয়খনকো অনাগত ভৱিষ্যতৰ দিনত বিবেচনা কৰিব বুলি আহ্বান ৰাখি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আৰু কোনোবাই ক'ব নেকি?

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই একেলগে গোটেইখিনি amendment bill কৈ দিছে, ইয়াতে কিছু private university আছে আৰু Government College যিবিলাক বিশ্ববিদ্যালয়লৈ upgrade কৰিছে, সেইবিলাক আছে। যিবিলাক amendment আনিছে তাত মোৰো ক'বলগীয়া বিশেষ একো নাই। কিন্তু এটা কথা ক'ব বিচাৰিছো যে এই গোটেই session টোত মই কেইবাদিনো বিশ্ববিদ্যালয় related কথা পাতিছিলো। মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী ডাঙৰীয়াক এটা কথা অনুৰোধ কৰিম যে আজি ভাল লাগিছে যে বহু কেইটা বিদ্যালয়ৰ amendment আনি আপোনালোকে যিখিনি কাম আগুৱাই লৈ গৈ আছে। কিন্তু আপোনালোকে অসমৰ এটা অঞ্চলত সোমাব পৰা নাই। শিক্ষামন্ত্ৰী ডাঙৰীয়াই নিশ্চয় শুনি আছে, বৰপেটাৰ পৰা ধুবুৰীলৈকে ৫০ ত কৈও অধিক provincilized মহাবিদ্যালয় আছে। ৪০ লাখ population. এই অঞ্চল সমূহত বিশ্ববিদ্যালয়ৰ কোনো নামেই নাই। গতিকে মই কি আৰু amendment দিম, কি আৰু পৰামৰ্শ দিম। মই দুখেৰে কৈছো, অনুৰোধ কৰিছো বৰপেটা, গোৱালপাৰা, ধুবুৰী, শালমাৰা আৰু মানকাচাৰ এই চাৰিখন জিলাত ৫০ লাখ population আছে। গতিকে মোৰ চৰকাৰৰ প্ৰতি অনুৰোধ থাকিল এই অঞ্চলত যদি বিশ্ববিদ্যালয় নাপাতে, নিশ্চিতভাৱে এই মানুহখিনিৰ কষ্ট হ'ব। ঠেলাৱালা, ৰিক্সাৱালা, চৰ-চাপৰিৰ গৰীব, কৃষকৰ লৰা-ছোৱালী সকলে আজি পঢ়ি আছে। আজি মোৰ সমষ্টিৰ এখন গাৱঁৰ এটা ward ৰ ১৭ জন MBBS Doctor আছে। এই দুখৰ লগত মই এই সুখৰ কথাও কৈছো। ডেৰকোৱা গাওঁ মোৰ কলগাছিয়াৰ গাতে লাগি থকা এখন গাওঁ। এই ১৭ জন MBBS Doctor Government College ত পঢ়া, merit ৰ ওপৰত ভিত্তি কৰি। আমাৰ লৰা-ছোৱালীয়ে পঢ়িব কিন্তু তেওঁলোকৰ বহুত কষ্ট হৈ আছে। এই চৰ-চাপৰিৰ মানুহ দুখীয়া। গতিকে অসমৰ অন্য ঠাইত যেনেকৈ বিশ্ববিদ্যালয় আছে, আমাৰ এই ক্ষেত্ৰত বিৰোধিতা

কৰাৰ প্ৰশ্নই নাহে। কিন্তু ইয়াৰ আগতেও বাৰে বাৰে অনুৰোধ ৰাখিছো, মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া এজন senior মানুহ, তেখেতৰ প্ৰতি request থাকিল বৰপেটাৰ পৰা ধুবুৰীলৈকে তাৰ মাজত কমেও মাত্ৰ এবছৰহে আছে, দুখন বিশ্ববিদ্যালয় যদি সেই অঞ্চলত দিয়ে, অসমৰ বাকী ঠাইৰ লগত এটা বেলেঞ্চ হ'ব। মোৰ এইটো অনুৰোধ থাকিল।

**শ্ৰী দিগন্ত বৰ্মন,(বৰক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয় মই এটা শিক্ষা বিভাগৰ কথাই কৈছো, আমাক এই বিধান সভাৰ পৰাই সদস্য সকলক University court ৰ member হিচাবে নিযুক্তি দিয়ে। মোৰ সমষ্টি নলবাৰীত যিখন কুমাৰ ভাস্কৰ বৰ্মন সাংস্কৃতিক বিশ্ববিদ্যালয় আছে, তাত মোক মেম্বাৰ দিছে। ফণী তালুকদাৰ আৰু দিগন্ত কলিতা ডাঙৰীয়াকো দিছে। তিনি বছৰ হ'ল, কিন্তু আজিলৈকে মোক এখন মিটিঙটো মতা নাই। এতিয়া মোক court member হিচাবে আমাক নিৰ্বাচিত কৰিছে আমি ভাল পাইছো। কিন্তু মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব খুজিছো এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে। যদি আমাক court member কৰি দিছে, কিন্তু এখন মিটিঙটো মতা নাই। আমি সেইখন University ৰ বিষয়ে কেনেকৈ জ্ঞান লাভ কৰিম। এই কথাটো মই দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ শ্ৰীভূমি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এখন ৰাজ্যৰ উন্নয়ন যেনেকৈ ৰাস্তা-ঘাট এই বিলাকৰ ওপৰত নিৰ্ভৰ কৰে, ঠিক তেনেদৰে মই ভাবো এটা অঞ্চলৰ উন্নয়ন নিৰ্ভৰ কৰে তাৰ Education system ৰ ওপৰত। শিক্ষাৰ ক্ষেত্ৰত আমি কিমানখিনি আগবাঢ়ি গৈছো। আজিৰ দিনত মাননীয় মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিছো, যে বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত আমুল এটা পৰিবৰ্তন হৈছে সেইটো অস্বীকাৰ কৰিব নোৱাৰো। ইয়াৰ কেইদিনমান আগতে মাননীয় মন্ত্ৰী বৰাকভেলীলৈ গৈছিল। বৰাকভেলীলৈ যাওঁতে তাৰ প্ৰত্যেকখন স্কুললৈ গৈছিল, আৰু মই এটা কথা দেখা পাইছিলো যে তেওঁ স্কুললৈ কেৱল ভিজিটৰ বাবে যোৱা নাছিল। কেনেকৈ তাত থকা সমস্যাবোৰ সমাধান কৰিব পাৰি সেইটো বিষয় চোৱাচিতা কৰিছিল। কথাটো হ'ল এই যে বিশ্ব বিদ্যালয়বোৰ হ'ব, মুঠৰ ওপৰত কথাটো হৈছে, শিক্ষাৰ ক্ষেত্ৰত যে এটা পৰিবৰ্তন হৈছে, সেইটো আমি অস্বীকাৰ কৰিব নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়, Assam University য়ে NAAC A Grade পাইছে। Assam University ৰ অধীনত এছ আৰ কলেজ আছে। ইয়াত এই পৰ্য্যন্ত বিজ্ঞান শাখা আমি দিব পৰা নাই। বাকী কিছু অঞ্চলত বিজ্ঞান শাখা হৈছে, কিন্তু লালা ৰুৰেল কলেজত বিজ্ঞান শাখা নাই। এইখিনি অধ্যয়ণ কৰি আমি University বনাই আছো। এইটো এটা ভাল পৰিবেশ হৈছে। শিক্ষাৰ ক্ষেত্ৰত আমি বহুখিনি আগবাঢ়ি গৈছো। আমাৰ ভাৰতবৰ্ষৰ বুকুত আজি এনে এটা পৰিবেশ হৈছে, যে আগৰ দিনৰ শিক্ষা আৰু আজিৰ দিনৰ শিক্ষাৰ মাজত দিন ৰাতিৰ পাৰ্থক্য হৈছে। কিন্তু এই যিবোৰ বস্তু, আমাৰ যিবিলাক University আছে, আৰু এই University ৰ অধীনত Affiliated কলেজ আছে, কলেজত যিখিনি বিজ্ঞান শাখা দিয়া হয়, হয়তো কৰবাত ছাত্ৰ-ছাত্ৰী কম, কিন্তু তাত বিজ্ঞান শাখা দিয়া হয়। কিন্তু কৰবাত ছাত্ৰ-ছাত্ৰী বহুত আছে কিন্তু বিজ্ঞান শাখা দিয়া নহয়। আজি অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এছ আৰ কলেজ কালাইনত যাতে বিজ্ঞান শাখা দিয়া হয়। সেই কাৰণে এইখিনি বস্তু অধ্যয়ণ কৰি ভালকৈ দিব পাৰি, তেনেহ'লে শিক্ষাৰ ক্ষেত্ৰত আমি যিমানখিনি আগবাঢ়ি গৈছো আপোনালোকে বিশ্বাস কৰক যে ভাৰতবৰ্ষৰ বুকুত আমাৰ অসমৰ শিক্ষাই এটা দৃষ্টান্ত স্থাপন কৰিব মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্রী।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্রী** ঃ মাননীয় অধ্যক্ষ মহোদয় প্ৰথমে মই এটা কথা স্পষ্ট কৰি দিব বিচাৰো কেৱল ধুবুৰী গোৱালপাৰা অঞ্চলতে যে University নাই ঠিক তেনেকুৱা নহয়। কার্বি আংলং ডিমা হাচাওঁ জিলাটো University নাই। মোৰ গৃহ জিলা ধুবুৰীটো University নাই। কিন্তু অসম চৰকাৰে প্ৰচেষ্টা চলাই আছে, যে অসমৰ সকলো জিলাত, অসমৰ সকলো অঞ্চলত যাতে University হয়। নিশ্চিত ভাবে সকলো অঞ্চলে একোখন নিজাববীয়াকৈ University পাব আমাৰ ভৱিষ্যতৰ দিনত। দ্বিতীয়তে মই এটা কথা স্পষ্ট কৰি দিব বিচাৰিছো মাননীয় সদস্য Abdur Rashid Mandal ডাঙৰীয়াই কৈছে যে অসম বিশ্ববিদ্যালয় আইনখন ১৯৮৯ চনত violet কৰা হৈছে। ইয়াত অলপ ভুল বুজা- বুজি আছে। প্ৰকৃতাৰ্থত প্ৰত্যেকখন বিশ্ববিদ্যালয় প্ৰতিস্থা কৰা কাৰণে আইনৰ প্ৰয়োজন হয়। অসম বিশ্ববিদ্যালয় আইন ১৯৮৯ এইখন Parliament য়ে pass কৰে, এইখন কেন্দ্ৰীয় চৰকাৰৰ আইন। যিখন আমাৰ Barak Valley Silchar ত অসম বিশ্ববিদ্যালয় আছে তাৰ ক্ষেত্ৰতহে প্ৰযোজ্য, এইখন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু এই আইনখন অসমৰ আন কোনো বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। এইখন এখন স্বতন্ত্ৰবীয়া Exclusive আইন for Assam University located at Silchar.এতিয়া বাকী যি বিশ্ববিদ্যালয় কেইখনৰ amendment আনিছো আমি সকলোৰে জানো যে অসমৰ কেইবাখনো ঐতিহ্যমণ্ডিত মহা বিদ্যালয়ক আমি বিশ্ববিদ্যালয়লৈ উন্নীত কৰিছো। Kokrajhar Govt. College, Bongaigaon College, Nagaon College, J.B. College, North-Lakhimpur College, Gurucharan College এই ঐতিহ্যমণ্ডিত মহা বিদ্যালয় কেইখনক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিছো। এই মহাবিদ্যালয় কেইখনৰ দীঘলীয়া ইতিহাস আছে, দীঘলীয়া ঐতিহ্য আছে। তাৰ লগত অসমৰ ৰাইজৰ আবেগ অনুভূতি, তেওঁলোকৰ সপোন, তেওঁলোকৰ vision ইয়াৰ লগত জড়িত হৈ আছে। এতিয়া এই মহাবিদ্যালয় কেইখন বিশ্ববিদ্যালয়লৈ উন্নীত হ'ব। আৰু এই transition ৰ প্ৰক্ৰিয়া, উন্নীত কৰণৰ প্ৰক্ৰিয়াত ইয়াৰ ঐতিহ্যটোক যাতে আমি আগুৱাই লৈ যাব পাৰো। ইয়াৰ heritage ক যদি আমি আগুৱাই লৈ যাব পাৰো, তাৰ কাৰণে অসম চৰকাৰখনে বিশেষ বাবে দৃষ্টি নিক্ষেপ কৰিছে। স্থানীয় ৰাইজৰ যি আবেগ অনুভূতি আছে, সেই আবেগ অনুভূতি যাতে বিশ্ববিদ্যালয় খনত প্ৰতিফলিত কৰিব পৰা যায়। নগাঁও মহাবিদ্যালয় বা যোৰহাটত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়, North-Lakhimpur ত উত্তৰ লক্ষিমপুৰ মহাবিদ্যালয় বা তেনেধৰণৰ Bongaigaon, Kokrajhar. এই মহাবিদ্যালয় কেইখনৰ লগত জড়িত সেই স্থানীয় ৰাইজ তেওঁলোকৰ সুখ- দুখৰ, আশা-আকাংক্ষা, অনুভূতি তেওঁলোকৰ vision ক যাতে আগবঢ়াই লৈ যাব পৰা যায়, তাৰ প্ৰতি অসম চৰকাৰ খুবেই সচেতন হৈছে। এই কাৰণে প্ৰথম যিজন উপাচাৰ্য্য হ'ব, তেওঁক অসম চৰকাৰে নিযুক্তি দিব বিচাৰিছে। পৰৱৰ্ত্তী পৰ্য্যায়ত তেওঁ হয়টো এক বছৰ থাকিব, দুই বছৰ থাকিব, তিনি বছৰ থাকিব তাৰ পৰৱৰ্তী পৰ্য্যায়ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য নিযুক্তিৰ যি চিৰা- চৰিত প্ৰথা আছে। সেই প্ৰথা অনুযায়ী নিয়মীয়া VC নিৰ্বাচিত হ'ব, Governor ৰ দ্বাৰা নিযুক্ত হ'ব। আৰু সেই প্ৰথা অনুযায়ী এখন তিনিজনীয়া Charge Committee থাকে য'ত এজন Governor ৰ প্ৰতিনিধি, এজন বিশ্ববিদ্যালয় খনৰ Executive Council ৰ প্ৰতিনিধি আৰু এজন অসম চৰকাৰ প্ৰতিনিধি। এতিয়া বিশ্ববিদ্যালয়ত Executive Council গঠন হোৱা নাই, VC নিযুক্ত হোৱা নাই। বিশ্ববিদ্যালয়খনত কোনে প্ৰতিনিধিত্ব কৰিব তাৰো কাৰিকৰী অসুবিধা আছে। অসম চৰকাৰে

প্ৰতিনিধি দি দিব। Governor য়ে প্ৰতিনিধি দি দিব। কিন্তু বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি জন কোনে দিব, তাৰ মানে বিশ্ববিদ্যালয়খনত VC নিযুক্ত কৰাৰ আগতে আমি Executive Council গঠন কৰিব লাগিব। গতিকে এই কাৰিকৰী যিকেইটা অসুবিধা আছে সেইটো দূৰ কৰি আমি প্ৰথমে VC নিযুক্ত কৰিব বিচাৰিছো। আৰু এই VC ক অসম চৰকাৰে মনোনীত কৰিব প্ৰথম বাৰৰ কাৰণে। তাৰ পাছৰ পৰা আৰু কেতিয়াও নকৰে, গতিকে এই সংশোধনী বিল কিয় আনিছো বা প্ৰস্তাৱটো আনিছো, আৰু মই ভাৱো এইটো অসমৰ কাৰণে খুব ভাল হ'ব, কাৰণ অসমৰ বহু এই কেইখন ঐতিহ্যবাহী মহাবিদ্যালয়। এই মহাবিদ্যালয় খিনিৰ legacy ক আমি carry forward কৰি বিশ্বদ্যালয়লৈ আমি যেতিয়া Cotton মহাবিদ্যালয়ক কটন বিশ্ববিদ্যালয় লৈ আমি উন্নীত কৰিলো তাৰ কিছুমান legacy issue থাকি গ'ল। যিবিলাক এতিয়াও আমি সমাধান কৰিবলৈ মাজে মাজে কষ্ট কৰিব লগা হয়। গতিকে গোটেই legacy issue বিলাক যাতে সমাপ্ত কৰি এখন পূৰ্ণাঙ্গ বিশ্ববিদ্যালয় আমি প্ৰতিষ্ঠা কৰিব পাৰো তাৰ কাৰণে এই পদক্ষেপ লোৱা হৈছে। দ্বিতীয় এখন গুৰুত্বপূৰ্ণ আইন যিখন হ'ল Assam Private University Act যে অসমত ব্যক্তিগত খণ্ডত যদি কোনোবাই বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিব বিচাৰে, তেনেহ'লে তাৰ এখন Private University Act আছে। সেই Act খনত দুটামান সংশোধনী আনিব বিচাৰিছো আৰু এই সংশোধনী ইতিমধ্যে শ্ৰী মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ মানে Health Science বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত যি amendment আনিব বিচৰা হৈছে। এই একেধৰণে যে অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ হ'লে Home Department ৰ পৰা clearance এটা আমাক লাগে। কাৰণ চৰকাৰ হাতত তথ্য আছে বিভিন্ন source ৰ পৰা আমালৈ এইটো বাৰ্তা আহিছে যে আজি অসম এখন strategically located state হয়। গতিকে ইয়াত আমি security clearance টো আমাক প্ৰয়োজন মুলত যে source of fund ক'ৰ পৰা sponsored organization য়ে কৰ পৰা fund লৈ বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰিব কাৰণ এখন বিশ্ববিদ্যালয় এটা ইণ্ডাষ্ট্ৰি নহয়। বিশ্ববিদ্যালয় এখন প্ৰতিষ্ঠা কৰিবলৈ কেইবা শ কোটি টকা প্ৰয়োজন হয় কিন্তু সেই মতে তাত ৰিটাৰ্ণ নাহে। তেওঁলোকে charitable বুলি কয়। charitable fund ৰ source টো কি? সেই কথাখিনি স্পষ্ট হ'ব লাগে। ২য় তে ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ। শিক্ষানুষ্ঠান বিলাক সম্পূৰ্ণৰূপে ধৰ্মনিৰপেক্ষ, ইয়াত কোনো ধৰ্মান্তৰকৰণৰ কাৰ্য্যসূচী হ'ব নালাগে বা ধৰ্মৰ প্ৰচাৰৰ কাৰ্য্যসূচীও হ'ব নালাগে। মই নিৰ্দিষ্ট ভাৱে ইয়াত ক'ব বিচৰা নাই কিন্তু আমাৰ অসমৰ বহুকেইখন মহাবিদ্যালয়ৰ পৰা আমাৰ ওচৰত অভিযোগ আহিলে, বিশেষকৈ এখন মহাবিদ্যালয়ৰ পৰা অভিযোগ আহিলে যে সেই মহাবিদ্যালয়খনত বিশেষ ধৰ্মৰ ধৰ্মীয় অনুষ্ঠান, ধৰ্ম প্ৰচাৰৰ অনুষ্ঠান তাত অনুষ্ঠিত কৰা হয়। চৰকাৰী বিদ্যালয়, তাত এই কাৰ্য্যসূচী কৰা হ'ল। এই কাৰ্য্যসূচীবোৰ হোৱা অনুচিত আৰু ইয়াক বাৰণ কৰাৰ কাৰণে আমি এটা আইনগত ব্যৱস্থা ল'ব বিচাৰিছো আৰু এই যিবোৰ বিদ্যালয়, বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছে, যিকোনো প্ৰাইভেট শিক্ষাৰ অনুষ্ঠান, তাৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ প্ৰয়োজন আছে। আজি কিছুদিন আগতে গোৱালপাৰাৰ ছাত্ৰই গৈ হাইলাকান্দিত পৰীক্ষা দিয়াৰ তথ্য উদ্‌ঘাটন হৈছে যি অতি উদ্বেগজনক। এইকেইদিন আমি Higher Secondary ৰ প্ৰথম বৰ্ষৰ পৰীক্ষাৰ ক্ষেত্ৰত দেখিলো যে প্ৰশ্নকাকত বোৰ ফাদিল হ'ল। কোনে ফাদিল কৰিলে ? প্ৰশ্নকাকত বিদ্যালয়ৰ সেই Higher Secondary School ৰ জিম্মাত আছে, তেওঁলোকে পেকেট আগদিনাখন খুলি পেলালে। ১৫ খন বিদ্যালয়ে খুলিলে আৰু সেই ১৫ খনৰ ভিতৰত ১২ খনেই হ'ল প্ৰাইভেট বিদ্যালয়। এতেকে প্ৰাইভেট শিক্ষানুষ্ঠানৰ ওপৰত কিছু নিয়ন্ত্ৰণ আমাক লাগিবই

আৰু সেই নিয়ন্ত্ৰণৰ কাৰণে তিনি বছৰৰ মূৰে মূৰে যাতে private university বোৰত inspection ৰ ব্যৱস্থা হয় সেইটোৰ কাৰণে আমি Private University Act খন আনিছো। মাননীয় অধ্যক্ষ মহোদয় মই আৰু এটা সংশোধনী প্ৰস্তাৱ পাইছিলো, the Edtech Skill University, কোৱা হৈছে যে প্ৰত্যেক জিলাত এই university ৰ একোখনকৈ campus হ'ব লাগে। প্ৰায়বোৰ university ৰ যি act আছে তাত এটা sponsoring organisation থাকে। তেওঁলোকক আমি চৰকাৰে কোনোধৰণৰ বিত্তীয় সাহাৰ্য বা বিত্তীয় অনুদান নিদিওঁ। তেওঁলোকে নিজাববীয়াকৈ পুঁজি mobilize কৰি বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰে আৰু এই বিশ্ববিদ্যালয়বোৰত সচৰাচৰ কোনো campus খোলাৰ অনুমতি দিয়া নহয়। এটাও যদি campus খুলিব লাগে তেনেহ'লে তেওঁলোকে পুনৰ বিধানসভালৈ আহিব লাগিব। campus খোলাৰ অনুমতি এই কাৰণেই দিয়া নহয় যাতে এটা mushrooming growth, শিক্ষাটো যাতে ব্যৱসায়লৈ পৰ্য্যবেক্ষিত হ'ব নোৱাৰে তাৰ কাৰণে আমি চোকা নজৰ ৰাখিব লগা হয়। গতিকে এই Edtech Skill University, তেওঁলোকৰ এখন university অৰুণাচলত চলি আছে। তেওঁলোকে ওচৰতে তিনিচুকীয়াত আৰু এখন বিশ্ববিদ্যালয় খুলিব বিচাৰিছে। অসম চৰকাৰে তেওঁলোকৰ সকলোবোৰ দিশ চালি- জাৰি চাই তেওঁলোকক অনুমতি প্ৰদান কৰিছে, সেইখন তিনিচুকীয়াতে সীমাবদ্ধ থাকিব, তেওঁলোকে গৈ ধেমাজিত campus খুলিব নোৱাৰে। গতিকে অসমৰ প্ৰত্যেকখন জিলাত Edtech Skill University ৰ campus খোলাটো সম্ভৱপৰ নহয়। Private University ৰ affiliation দিয়াৰো ক্ষমতা নাথাকে। State University ক আমি ক্ষমতা দিছো যে তেওঁলোকে যিকোনো ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ক affiliation দিব পাৰে। কিন্তু private university এ কোনো মহাবিদ্যালয়ক তেনেধৰণে affiliation দিব নোৱাৰে। তেওঁলোক still alone, এটা campus তে সীমাবদ্ধ এ কোখন বিশ্ববিদ্যালয়। গতিকে এই বিশ্ববিদ্যালয়খন তিনিচুকীয়াতে সীমাবদ্ধ থাকিব আৰু মই ভাৱো যে আমাৰ এই সংশোধনীখিনিয়ে এই নতুন বিশ্ববিদ্যালয়খনক আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব। আন এখন বিশেষ ভাৱে যিখন কলেজৰ পৰা, মহাবিদ্যালয়ৰপৰা উন্নীত কৰা হোৱা নাই, সম্পূৰ্ণ green field, নতুন বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰা হৈছে সেইখন হ'ল গহপুৰৰ ছহিদ কনকলতা বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়খনৰ vision সম্পূৰ্ণৰূপে সুকীয়া। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰত্যক্ষ নেতৃত্বত অসমত প্ৰথমখন new age, artificial inteligence, machine learning, internet of things, quantum physics আদি আধুনিক বিষয়সমূহক লৈ এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰিব বিচৰা হৈছে। কিন্তু লগতে এই বিশ্ববিদ্যালয়খন অসমৰ এখন উল্লেখযোগ্য স্থান, জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে যিখন চাহবাগিচাত প্ৰথম ষ্টুডিঅ' স্থাপন কৰি জয়মতী চিনেমা নিৰ্মাণ কৰিছিল এই ভোলাগুৰি চাহবাগিচাতেই এই বিশ্ববিদ্যালয়খন স্থাপন হ'ব। ভোলাগুৰি চাহবাগিচাৰ যিটো ষ্টুডিঅ'ত জয়মতী চিনেমাখন প্ৰস্তুত কৰা হৈছিল তাক এটা heritage center হিচাপে develop কৰা হ'ব। যিটো বাসগৃহত জ্যোতিপ্ৰসাদ ডাঙৰীয়া আছিল সেই বাংলোটো অক্ষত হিচাপে সম্পূৰ্ণৰূপে সুৰক্ষিত কৰা হ'ব আৰু তাত অসমৰ কৃষ্টি-সংস্কৃতি, স্থাপত্যকলা প্ৰতিনিধিত্ব কৰা স্থাপত্যকলাৰে এই বিশ্ববিদ্যালয়খন নিৰ্মান কৰা হ'ব আৰু এই বিশ্ববিদ্যালয়খনলৈ আমাৰ যি vision আছে, সেই vision ক যাতে প্ৰতিনিধিত্ব কৰিব পাৰে তেনে এজন ব্যক্তিক vice- chancellor প্ৰথম বাৰৰ কাৰণে দিব বিচৰা হৈছে। যিহেতু এখন new age Technology University হ'ব সেয়ে আমি বিশ্ববিদ্যালয়খনত Mentor হিচাপে

আমি IIT Guwahati ৰ এজন প্ৰৱক্তা/ অধ্যাপক ড০ পৰমেশ্বৰ আয়াৰ ডাঙৰীয়াক vision টো প্ৰস্তুত কৰিবলৈ দায়িত্ব দিছিলো আৰু তেওঁৰ কাম সমাপন কৰিছে। ইতিমধ্যে বাজেটত ঘোষণা হৈছে আৰু খুব সোনকালে বিশ্ববিদ্যালয়খননৰ নিৰ্মাণ কাৰ্য্যও আৰম্ভ হ'ব। এই যে প্ৰথম গৰাকী vc ক অসম চৰকাৰে নিযুক্তি দিয়াৰ বাবে যি amendment আনিছো ইয়াক সকলোৱে সমৰ্থন জনাই পাৰিত কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে Assam Skill University যিখন গঢ়ি আছে এইখন কৰাৰ পিছত Skill University ত কিবা প্ৰভাৱ পৰিব নেকি?

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়,এই ক্ষেত্ৰত মোৰো একেই এটা প্ৰশ্ন আছে। মাননীয় মন্ত্ৰী মহোদয়ে একেলগে উত্তৰ দিব। Edtech university খন private university হ'লেও education departmentৰ under ত লোৱা দেখা গৈছে। কিছুদিন আগতে Skill University bill খন পাছ কৰোতে মোৰ মনত আছে যে Skill , Employment and Entrepreneur বিভাগৰ অধীনত সেইখন আমি চলাম। গতিকে একেধৰণৰ বিষয়বস্তু লৈ দুখনকৈ University, দুটা বিভাগ চলালে হয়তো আউল লাগিব। সেয়ে আমি ভাৰো যে skill university ক higher education লৈ আনক আৰু এই university ক আপুনি skill লৈ নিয়ক যাতে control টো এঠাইৰ পৰাই হওঁক। বাকী যিবোৰ private University Bill আনিছে, সেইবিলাক incomplete bill নেকি ? বাকী কিছুমান কথা clause by clause কিন্তু details ত নাই। হয়তো এইটো initial stage ত আছে আৰু পিছত হয়টো detail ত bill আনিব লাগিব।

অধ্যক্ষ মহোদয়, Bhattadev University আমাৰ বজালী জিলাত আছে। যেতিয়া Bhattadev University ৰ বিল আমি ২০১৭ চনত পাছ কৰিছিলো, সেই সময়ত এই Bhattadev University খনত কোনো affiliated college নাছিল। পৰৱৰ্তী সময়ত affiliated college দিলো কিন্তু দেখা গৈছে executive council (EC) বা AC এই council সমূহত যিসমূহ affiliated college তাৰ পৰা প্ৰতিনিধি অহাৰ কাৰনে জাগা নাই। কিন্তু তেওঁ কৈছে যে এইটো constituent college ৰ বাবে আছে অৰ্থাৎ Bhattadev University ত যিটো higher secondary section আছিল বা ডিগ্ৰীৰ section আছিল সেই section টো University ৰ লগত থাকি যোৱাৰ বাবে তাক constituent College বুলি কোৱা হ'ল. Affiliated College বিলাকৰ বাবে সুযোগ নথকাৰ বাবে তেওঁলোকে invitee member হিচাপে এই AC বা অন্যান্য committee সমূহত বা court ত থাকিব লাগে। মই ভাৰো, next time আপোনালোকে Bhattadev University ৰ ওপৰত এটা amendment আনিব লাগে। Gauhati University, যি অসমীয়া জাতিৰ বিবেক, আবেগৰ এটা ডাঙৰ অনুষ্ঠান আৰু সেই University খনত দেখা গৈছে যে যিটো court তাত বাকী প্ৰায়বিলাক University ত যেনেদৰে বিধান সভাৰ member court ৰ member হৈ থাকে, আজিও আমাৰ ইয়াৰ পৰা Bodoland University ৰ বাবে court ৰ member নিৰ্বাচিত হ'ব, University ৰ ভিতৰ চ'ৰাত কি চলি আছে অসমৰ জনগণৰ প্ৰতিনিধি হিচাপে ভাৰো যে বিধান সভাৰ বিভিন্ন দলৰ পৰা ব্যক্তি সকল থাকিলে সেইটো জনাৰ সুযোগ-সুবিধা থাকে যাৰ জৰিয়তে গোটেই কথা বিলাক অসমৰ জনগণক জনাব পাৰো বা input খিনি আমি দিব

পাৰো। তাৰোপৰি চৰকাৰে ৰাজহুৱা আয় যিখিনি University সমূহৰ বাবে ব্যয় কৰি আছে সেইখিনিও যাতে আমি জনগণক জনাব পাৰো। কিন্তু অধ্যক্ষ মহোদয়, অতি পৰিতাপৰ বিষয় যে Gauhati University ৰ court ত অসমৰ বিধানসভাৰ পৰা member নাই। গতিকে মই ভাৱো যে ভৱিষ্যতে University ৰ বাবে বিল আনিলে Gauhati University ৰ ক্ষেত্ৰটো এই বিষয়টো যাতে লৈ আনে যে Gauhati University তো অন্ততঃ যাতে বিধান সভাৰ member থাকে । মহোদয়, দেখা গৈছে যে Gauhati University এ ইমান বেছি কলেজবিলাক লৈ লৈছে আৰু সেইবিলাক ৰ বাবে পৰীক্ষা আদি চলাই আছে যাৰ ফলত যথেষ্ট অসুবিধাই দেখা দিছে। পূৰ্বতে ইয়াতকৈও আৰু বেছি কলেজ আছিল যেনেঃ- মেডিকেলৰ বাবে কলেজ বিলাক আছিল যিসমূহক আমি ইতিমধ্যে Shankardev Health University লৈ আনিলো। Engineering ৰ যিবিলাক কলেজ আছিল সেইবিলাকক আমি ATSU লৈ আনিলো। এতিয়া দেখা গৈছে যে law ৰ যি ২৭-২৮ খন মান কলেজ আছে, সেই law ৰ section টো যদি আমি Gauhati University ৰ পৰা উলিয়াই আনি National Law University লৈ আনি যদি administrative, exam etc. ৰ দায়িত্ব দিব পাৰো তেতিয়া Gauhati University খনৰ বোজা অলপ কমিব। Bhattadev University ক ইতিমধ্যে পৰীক্ষা পাতি চলাব দিছে আৰু কেইখনমান কলেজ তেওঁলোকে চলাব লৈছে। তালৈকে যদি আমি ইয়াৰ administrative exam পাতিৰ দায়িত্বটো দিব পাৰো গুৱাহাটী বিশ্ববিদ্যালয়খনৰ দায়িত্ব অলপমান পাতল হয়। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ কথা মই কৈ আছিলো। ভট্টদেৱ বিশ্ববিদ্যালয়ে ইতিমধ্যে পৰীক্ষা-পাতি চলাবই লৈছে। প্ৰায় ১৮ খনমান কলেজ তেওঁলোকে চলাবলৈ লৈছে। কিন্তু তাত যিমানখিনি manpower ৰ প্ৰয়োজন বা যিমানখিনি technical support ৰ প্ৰয়োজন এইখিনি আৰু অধিক কৰাৰ প্ৰয়োজনীয়তা আছে। আমি ভাবো যে প্ৰতিখন জিলাত যিসমূহ নতুন নতুন বিশ্ববিদ্যালয় গঢ়ি উঠিছে তেওঁলোকে সকলোৱে নিজৰ অধীনত affilated college ল'ব পৰা ক্ষমতা সম্পন্ন হৈ উঠক আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ে TLP পাবলৈ সক্ষম হোৱা নাই। TLP পালে বিভিন্ন ক্ষেত্ৰত সুবিধা হয়। TLP পাবলৈ যিখিনি আন্তঃগাঁথনিৰ প্ৰয়োজন আছে ভট্টদেৱ বিশ্ববিদ্যালয়ক এইখিনি সুবিধা কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়খিনিৰ লগতে আৰু এটা সৰু বিষয় আছে। ছাত্ৰ-ছাত্ৰীৰ জৰুৰী সমস্যা সম্পৰ্কীয় বিষয় আছে। আমাৰ বিশ্ববিদ্যালয় সমূহে বছৰেকত পৰীক্ষা-পাতি পাতে আৰু যি চেমিষ্টাৰত আমাৰ পৰীক্ষা সমূহ পতা হয় তাত দেখা যায় যে এটা 1st চেমিষ্টাৰত বেক লাগিলে 3rd semistar ত গৈ সেইটোৰ পৰীক্ষা দিব লাগে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয় সমূহত পৰীক্ষা পাতোতে যদি কোনোবাৰ বেক লাগে তেতিয়া ১৫ দিন বা ৩০ দিনৰ ভিতৰত আকৌ পৰীক্ষা-পাতি পতাৰ ব্যৱস্থা কৰিব পাৰি নেকি এইবিষয়ে ভৱিষ্যতে যদি আপোনালোকে পাৰে এইক্ষেত্ৰত আইন বা সংশোধনী সমূহ অনাটো জৰুৰী।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয় বা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত যিখিনি পৰামৰ্শ মাননীয় বিধ্যয়ক গৰকীয়ে দাঙি ধৰিছে আজি এইটো এজেণ্ডাৰ নহয় যদিও মই এইখিনি নোট কৰি লৈছো নিশ্চিতভাৱে এইকথাখিনি আমি চিন্তা-চৰ্চা কৰিম। গোটেইটো এটা বিকাশমান evolutionery process ত আছে আৰু এখন এখন নতুন বিশ্ববিদ্যালয় evolution ত যথেষ্ঠ সময়ৰ প্ৰয়োজন। একেটা নিশাৰ ভিতৰত ইমান বৃহৎ অনুষ্ঠান

এটা প্ৰতিষ্ঠা কৰাতো আৰু সৰ্বাঙ্গসুন্দৰ কৰি তোলাটো সম্ভৱপৰ কথা নহয়। Assam skill University ৰ ক্ষেত্ৰত যি প্ৰশ্নৰ উত্থাপন কৰা হৈছে, Assam skill University state Government ৰ university, under department of Skill and Employment. এতিয়া এই বিশ্ববিদ্যালয়খনৰ এই Edtech university খন যিখন শিক্ষা বিভাগৰ অধীনত হৈছে ইয়াৰ দ্বাৰা কোনো ক্ষতি নহয়। বৰঞ্চ আমাক আৰু বেছি Skill Institution লাগে আৰু Skill মানে seed department, skill employment, entrepreneurship department আৰু Education Department ৰ মাজত খুব সুসমন্বয় আছে। আজিও বিধান সভা শেষ হোৱাৰ পিছতেই আমাৰ দুয়োটা বিভাগৰ মাজত এখন যৌথ বৈঠক আছে। গতিকে আমি Skill আৰু Education ক integrate কৰাৰ কাৰণে আমি দিনে-ৰাতিয়ে কাম কৰি আছো আৰু সু-সমন্বয়ৰে আমি কামবিলাক আগবঢ়াই লৈ গৈ আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কথা ক'ব বিচাৰিছো যে ইয়াত পাঁচটা বিল অৰ্থাৎ same nature ৰ বিল কেইখনত ক'বলগীয়া আছিল। Private University bill আৰু Edtech Skill University bill.

**মাননীয় অধ্যক্ষ ঃ** গোটেইটোৱে হৈ গ'ল।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** সেই দুখনত অলপ বেলেগ আছিল, সেই দুখনটো একেলগে লোৱা হোৱা নাই। Private University bill আৰু Edtech Skill University bill.

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলো বিলৰ ক্ষেত্ৰত amendment নাই। মা কামাখ্যা University Bill, বিবেকানন্দ বিশ্ববিদ্যালয় বিল, কোচিং চেন্টাৰ বিল তাত কোনো amendment নাই। কেৱল Edtech university ৰ ক্ষেত্ৰত amendment প্ৰস্তাৱ আহিছিল। যিটো মই explain কৰিলো যে এখন প্ৰাইভেট বিশ্ববিদ্যালয়, গতিকে জিলাই জিলাই ইয়াৰ কেম্পাচ হ'ব নোৱাৰে। দ্বিতীয় কথাটো হ'ল যে Private University Bill ৰ কথাখিনিত মই উত্তৰ দিলো আৰু আমাৰ যিকেইখন নতুন বিশ্ববিদ্যালয় য'ত প্ৰথম Vice Chancellor গৰাকী ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়োজিত হ'ব, সেই বিশ্ববিদ্যালয় কেইখনৰ ক্ষেত্ৰতো মই উত্তৰ প্ৰদান কৰিলো।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এটা বস্তু থাকি গ'ল।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য আৰু সদন, মই বাৰে বাৰে কৈ আছো যে আমি আলোচনা একেবাৰতে কৰো। মাননীয় মন্ত্ৰী মহোদয়েটো উত্তৰ দিলে। আকৌ ইয়াৰ পিছত যদি এটাৰ পিছত এটা কৰি থাকে, কোনো নিয়মেই নাথাকে কেনেকৈ হ'ব।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** আপুনি প্ৰথম announce কৰোতে যি পাঁচখন বিল একেলগে কোৱা বুলি কৈছিল, কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে ৰিপ্লাই দিওঁতে যিকেইখন বিল পিছত আলোচনা কৰা নহ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই একেলগে কৰি দিলে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** এই দুখনত কিন্তু আমাৰ amendment আছে। মই একেবাৰে সংক্ষেপতে কৈ দিছো। Private University Bill ত যিটো Technical faculty দিয়া এটা কথা আছে। Private University ত এইকেইটা technical department তেওঁলোকে খুলিব নোৱাৰিব। এইক্ষেত্ৰত মই ভাবো যে আমি যিটো সংশোধনী প্ৰস্তাৱ দিছো যে untill the

University shall have the qualified teacher and infrastructure. যদি proper infrastructure আৰু qualified teacher provide কৰিব পাৰে তেতিয়াহ'লে Private University ক আমি technical department খুলিবলৈ দিয়াত বাধা দিয়াৰ কোনো যুক্তি নাই বুলি ভাবো। চৰকাৰৰ অধীনত যিমান institution আছে সেইবোৰত চৰকাৰৰ ফালৰ পৰা যিমান সিমান চিট বা আসন provide কৰিব নোৱাৰে। কোনো Private University য়ে যদি sufficient qualified teacher আৰু বাকীখিনিও যদি কৰিব পাৰে তেতিয়া তেওঁলোকক আৰু অলপ manpower create কৰিলে ভাল হ'ব। দ্বিতীয়তে, Edtech University Bill ৰ ক্ষেত্ৰত তিনিচুকীয়াতেই কিয় কৰা হ'ল। মই ভাবো যে এইটো same nature ত যিহেতু অসমত এনেকুৱা আৰু বেলেগ নহ'ব। গতিকে তিনিচুকীয়াতেই যে কনফাৰ্ম কৰিব লাগে বুলি কিবা বাধ্যবাধকতা আছে নে মধ্য অসমত বা অন্য ফালে দিব লাগে যাতে সকলো ফালৰ ল'ৰা-ছোৱালীয়ে উপকৃত হয়। এইটো যাতে বিবেচনা কৰে তাৰবাবে মই দৃষ্টিগোচৰ কৰিলো।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Private University ত আৰু এটা গুৰুত্বপূৰ্ণ সংশোধন আছে। সেই সংশোধনটো হ'ল যে এতিয়াৰ পৰা Private University বোৰে medical or related courses, Agriculture or allied courses, Veterinary আৰু technical course ৰ ক্ষেত্ৰত কোনো private university অসমত প্ৰতিষ্ঠা কৰিবলৈ দিয়া নহ'ব আৰু এইটো কেবিনেটত লোৱা সিদ্ধান্ত। ইয়াৰ মূল কাৰণটো হ'ল one state one standard. Medical Education ৰ ক্ষেত্ৰত আমি এটাই standard maintain কৰিবলৈ বিচাৰিছো যে কোনোবাই যদি মেডিকেল কলেজ খুলিব বিচাৰে বা নাৰ্চিং কলেজ খুলিব বিচাৰে তেতিয়া তেওঁলোকে শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধীনতেই affilation লৈ পঢ়িব আৰু তাত এটাই examination বা evolution process থাকিব। আমাৰ Agriculture University এখনেই আৰু সেইখন university ৰ অধীনতেই এটাই standard হ'ব। Science and Technology ৰ ক্ষেত্ৰত Astronomy আছে। গতিকে আমাৰ যিহেতু State Government ৰ বিশ্ববিদ্যালয়ত technical education আছে, গতিকে professional education ৰ ক্ষেত্ৰত কোনো private university ক অসমত allow নহ'ব। General Education ৰ ক্ষেত্ৰতহে private university allow হ'ব। সেইটো এই সংশোধনীত উল্লেখ আছে আৰু মই ভাবো ইয়ে অসমৰ শিক্ষাৰ মানদণ্ড বহুখিনি উন্নত কৰিব। Edtech ৰ ক্ষেত্ৰত পঢ়িবৰ কাৰণে গোটেই অসমৰ মানুহেই তিনিচুকীয়ালৈ যাব পাৰিব। কিন্তু Edtech University ৰ চেন্টাৰ অসমৰ জিলাই জিলাই নহ'ব। ইয়াতো আমি বেলেগ private বা চৰকাৰী ভাবেও অন্য Skill Educational Institution ৰ কাৰণে প্ৰচেষ্টা চলাই আছো। Edtech ৰ কেম্পাচ বেলেগ কলেজ বা বেলেগ জিলাত প্ৰতিষ্ঠা নহ'ব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা Coursing Institution ৰ সংশোধনী আছিল।

**মাননীয় অধ্যক্ষ ঃ** Coursing Institution ৰ সংশোধনীটো অহাকালিহে আহিব। এতিয়া "The Bongaigaon University(Amendment) Bill, 2025 খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক।

দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে, শ্ৰী অখিল গগৈ। তেখেত অনুপস্থিত। সেয়েহে

দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকলে সপক্ষে আছে কওঁক 'হয়'

যিসকলে বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৩, শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছিল। তেখেত অনুপস্থিত।

এতিয়া দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকলে সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম, সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম, সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকলে সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

দফা নং ১ অধিনিয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া "The Bongaigaon University(Amendment) Bill, 2025 পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকলে সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া মই " The Gurucharan University ( Amendment ) Bill, 2025 খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল। কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ২ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ৩ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ৩ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে তেখেত সকলে

কওক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১, অধিনিয়ম, সূত্র, প্রস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই " The Gurucharan University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া মই "The Jagannath Barooah University ( Amendment ) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ৩ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ৩ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধিনিয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১, অধিনিয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই "The Jagannath Barooah University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হল যে বিধেয়ক খন পাৰিত কৰা হওক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া মই "The Nagaon University ( Amendment ) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল। দফা নং ৩ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধীনীয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত

সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১, অধীনীয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই "The Nagaon University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া "The North Lakhimpur University ( Amendment ) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ২ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ৩ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই "The North Lakhimpur University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হল যে বিধেয়ক খন পাৰিত কৰা হওঁক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া "The Sibsagar University ( Amendment ) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ২ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ৩ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ৩ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১,

অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই "The Sibsagar University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হল যে বিধেয়ক খন পাৰিত কৰা হওঁক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া "The Swahid Kanaklata Barua State University ( Amendment ) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ২ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই "The Swahid Kanaklata Barua State University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হল যে বিধেয়ক খন পাৰিত কৰা হওক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া "The Kokrajhar University ( Amendment ) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ২ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ৩ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেয়েহে দফা নং ৩ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হল। দফা নং ১, অধীনীয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ১, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হ'ব। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, মই "The Kokrajhar University ( Amendment ) Bill, 2025" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হল যে বিধেয়ক খন পাৰিত কৰা হওক। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া "The Assam Private Universities ( Amendment) Bill, 2025" খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। দফা নং ২ ত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত যিহেতু অনুপস্থিত সেইহে দফা নং ২ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। দফা নং ৩ ত শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে, আপোনালেকে প্ৰস্তাৱটো উঠাই ল'বনে।

**শ্ৰী হাফিজ বছিৰ আহমেদ, গোৱালপাৰা পশ্চিম** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ তেখেত সকলে প্ৰস্তাৱটো উঠাই ললে সেয়েহে সেইহে দফা নং ৩ বিধেয়ক খনৰ অংশ হব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৪ ত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। তেখেত অনুপস্থিত। সেয়ে দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৪ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম
বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Private Universities (Amendment) Bill, 2025" বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে - বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া **কাৰ্য্যসূচী নং ২০**, "The Maa Kamakhya University Bill, 2025 খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক।

দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই।

দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচীত কোনো সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু
অনুসূচী বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Maa Kamakhya University Bill, 2025 বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে - বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া **কাৰ্য্যসূচী নং ২১**, "The Edtech Skill University Bill, 2025 খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

দফা নং ২ ত সংশোধনী প্ৰস্তাৱত মাননীয় সদস্য শ্ৰীদেবব্ৰত শইকীয়া আৰু সহযোগীসকলে ইতিমধ্যে উঠাই লৈছে।

গতিকে দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

অনুসূচীখনত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু সহযোগীসকলৰ প্ৰস্তাৱটো আপোনালোকে উঠাই ল'ব নে?

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বিষয়টো আলোচনা হৈ গৈছে। গতিকে আমি সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ সংশোধনী প্ৰস্তাবটো উঠাই ললে।

প্ৰশ্নটো হ'ল যে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Edtech Skill University Bill, 2025 বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে - বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া **কাৰ্য্যসূচী নং ২২,** "The Swami Vivekanand University Bill, 2025 খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচীত কোনো

সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Swami Vivekanand University Bill, 2025 বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে - বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

সদন ২৫ মাৰ্চ, ২০২৫ তাৰিখৰ ৰাতিপূৰা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।